GSK S3 01

মহাকাব্য

তৃতীয় ষাণ্মাসিক

সংস্কৃত

পাঠ্যবিষয় ০৩

খণ্ড ঃ ২



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপিকা মঞ্জুলা দেৱী, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপিকা সুদেষ্ণা ভট্টাচার্য্য, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° ইন্দিৱা শইকীয়া বৱা, সংস্কৃত বিভাগ, প্রাগজ্যোতিষ মহাবিদ্যালয়

সমন্বয়ৱক্ষী ঃ ড° ইন্দ্রানী ডেকা, সহকাৰী অধ্যাপিকা, সংস্কৃত বিভাগ, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৱ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
৮ — ১১	ড° গায়ত্রী শর্মা সহযোগী অধ্যাপিকা, সংস্কৃত বিভাগ, সন্দিকৈ মহাবিদ্যালয়
১২ — ১৫	ড° কল্পিতা বুজৱবৰুৱা সহযোগী অধ্যাপিকা, সংস্কৃত বিভাগ, বি. বৰুৱা মহাবিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ অধ্যাপিকা সুদেষ্ণা ভট্টাচার্য্য, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° ভাৱতী গোস্বামী, সহযোগী তথা মুৱব্বী অধ্যাপিকা, সংস্কৃত বিভাগ, বি বৰুৱা কলেজ
(অধ্যায় ১১)

গাঁথনিক সম্পাদনা ঃ ড° ইন্দ্রানী ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ মে', ২০১৮

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-ShareAlike4.0 License (International): http.//creativecommons.org/licenses/by-nc-sa/4.0.

কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৱ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্য্যালয় ঃ পাটগাঁও, ৱাণী গেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in
উপ-মুখ্য কার্য্যালয় ঃ হাউচ্‌ফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী-৭৮১ ০০৬

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ৮ ঃ **ৰঘুবংশম্— চতুর্থসর্গ (শ্লোক ১-২৫)** **১৪৫ - ১৬৬**

চতুর্থসর্গৰ সাৰাংশ; চতুর্থসর্গৰ নামকৰণৰ তাৎপর্য্য; চতুর্থসর্গৰ শ্লোক (১-২৫)সমূহৰ সংস্কৃত পাঠ ঃ শ্লোকসমূহৰ গদ্য পাঠ, শ্লোকসমূহৰ শব্দার্থ, শ্লোকসমূহৰ অনুবাদ, ব্যাকৰণগত টোকা; সংক্ষিপ্ত ৰূপত শ্লোকসমূহৰ বিষয়বস্তু

অধ্যায় ৯ ঃ **ৰঘুবংশম্— চতুর্থসর্গ (শ্লোক ২৬-৫২)** **১৬৭ - ১৮৬**

চতুর্থসর্গৰ শ্লোক (২৬-৫২)সমূহৰ সংস্কৃত পাঠ ঃ শ্লোকসমূহৰ গদ্যপাঠ, শ্লোকসমূহৰ শব্দার্থ, শ্লোকসমূহৰ অসমীয়া অনুবাদ; ব্যাকৰণগত টোকা; সংক্ষিপ্ত ৰূপত শ্লোকসমূহৰ বিষয়বস্তু

অধ্যায় ১০ ঃ **ৰঘুবংশম্— চতুর্থসর্গ (শ্লোক ৫৩-৮০)** **১৮৭ - ২০৬**

চতুর্থসর্গৰ শ্লোক (৫৩-৮০)সমূহৰ সংস্কৃত পাঠ ঃ শ্লোকসমূহৰ গদ্যপাঠ, শ্লোকসমূহৰ শব্দার্থ, সংস্কৃত শ্লোকসমূহৰ অসমীয়া অনুবাদ; ব্যাকৰণগত টোকা; সংক্ষিপ্ত ৰূপত শ্লোকসমূহৰ বিষয়বস্তু

অধ্যায় ১১ ঃ **ৰঘুবংশম্— চতুর্থসর্গ (শ্লোক ৮১-৮৮)** **২০৭ - ২২৩**

চতুর্থসর্গৰ শ্লোক (৮১-৮৮)সমূহৰ সংস্কৃত পাঠ ঃ শ্লোকসমূহৰ গদ্যপাঠ, শ্লোকসমূহৰ শব্দার্থ, শ্লোকসমূহৰ অসমীয়া অনুবাদ, শ্লোকসমূহৰ ব্যাকৰণগত টোকা, শ্লোকসমূহৰ বিষয়বস্তুৰ আলোচনা; মহাকবি কালিদাসৰ ৰচনাশৈলী ঃ উপমা কালিদাসস্য; চতুর্থসর্গৰ কেইটিমান মহত্বপূর্ণ শ্লোকৰ ব্যাখ্যা; চতুর্থসর্গৰ মহত্বপূর্ণ বাক্যৰ ভাবার্থ

অধ্যায় ১২ ঃ **কিৰাতার্জুনীয়ম্— সাধাৰণ আলোচনা** **২২৪ - ২২৯**

'কিৰাতার্জুনীয়ম্' মহাকাব্যৰ চমু পৰিচয়; শিৰোনামৰ তাৎপর্য্য; কিৰাতার্জুনীয়ম্ মহাকাব্যৰ সর্গসমূহৰ সাৰাংশ; মহাকবি ভাৰবিৰ পৰিচয় ঃ ভাৰবিৰ সময়

অধ্যায় ১৩ ঃ **কিৰাতার্জুনীয়ম্— প্রথমসর্গ (শ্লোক ১-২৫)** **২৩০ - ২৪৯**

প্রথমসর্গৰ শ্লোক (১-২৫)সমূহৰ সংস্কৃত পাঠ ঃ শ্লোকসমূহৰ গদ্যপাঠ, সংস্কৃত শ্লোকসমূহৰ শব্দার্থ, সংস্কৃত শ্লোকসমূহৰ অসমীয়া অনুবাদ; ব্যাকৰণগত টোকা; বনেচৰৰ উক্তিৰ সাৰাংশ

অধ্যায় ১৪ ঃ **কিৰাতার্জুনীয়ম্— প্রথমসর্গ (শ্লোক ২৬-৪৬)** **২৫০ - ২৬৩**

প্রথমসর্গৰ শ্লোক (২৬ - ৪৬)সমূহৰ সংস্কৃত পাঠ ঃ শ্লোকসমূহৰ গদ্যপাঠ, সংস্কৃত শ্লোকসমূহৰ শব্দার্থ, সংস্কৃত শ্লোকসমূহৰ অসমীয়া অনুবাদ; ব্যাকৰণগত টোকা; দ্রৌপদীৰ উক্তিৰ সাৰাংশ

অধ্যায় ১৫ ঃ **কিৰাতার্জুনীয়ম্— কাব্যগত আলোচনা** **২৬৪ - ২৭৫**

মহাকবি ভাৰবিৰ ৰচনাশৈলী ঃ ভাৰবেৰর্থগৌৰবম্, নাৰিকেল ফলসম্মিতং বচো ভাৰবেঃ; প্রথমসর্গৰ কেইটামান মহত্বপূর্ণ শ্লোকৰ ব্যাখ্যা; প্রথমসর্গৰ মহত্বপূর্ণ বাক্যসমূহৰ ভাবার্থ

প্রসঙ্গপুথি **২৭৬**

খণ্ড পৰিচয় ঃ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা ষাণ্মাসিক পদ্ধতিৰ স্নাতক পাঠ্যক্রমৰ সংস্কৃত বিষয়ৰ তৃতীয় ষাণ্মাসিকৰ তৃতীয় পাঠ্যবিষয়ৰ দ্বিতীয় খণ্ডৰ বাবে এই পাঠখিনি প্রস্তুত কৰা হৈছে। এই খণ্ডটিত আঠটা অধ্যায় সন্নিৱিষ্ট কৰা হৈছে। সেইসমূহ হ'ল—

অধ্যায় ৮ ঃ ৰঘুবংশম্— চতুর্থসর্গ (শ্লোক ১-২৫)

অধ্যায় ৯ ঃ ৰঘুবংশম্— চতুর্থসর্গ (শ্লোক ২৬-৫২)

অধ্যায় ১০ ঃ ৰঘুবংশম্— চতুর্থসর্গ (শ্লোক ৫৩-৮০)

অধ্যায় ১১ ঃ ৰঘুবংশম্— চতুর্থসর্গ (শ্লোক ৮১-৮৮)

অধ্যায় ১২ ঃ কিৰাতার্জুনীয়ম্— সাধাৰণ আলোচনা

অধ্যায় ১৩ ঃ কিৰাতার্জুনীয়ম্— প্রথমসর্গ (শ্লোক ১-২৫)

অধ্যায় ১৪ ঃ কিৰাতার্জুনীয়ম্— প্রথমসর্গ (শ্লোক ২৬-৪৬)

অধ্যায় ১৫ ঃ কিৰাতার্জুনীয়ম্— কাব্যগত আলোচনা

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰে মূল পাঠত উল্লেখ থকা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। **'জানি থোৱা ভাল'** বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, প্রতিটো শাখাৰ অধ্যয়নৰ অন্তত **'অগ্রগতি নিৰীক্ষণ'** যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া **'অগ্রগতিৰ খতিয়ান'**ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে **'অধিক জানিবলৈ'** শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত কেইটিমান **'আৰ্হি প্রশ্ন'** তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান **'প্রসঙ্গ পুথি'**ৰ নাম উল্লেখ কৰা হৈছে। সেইকেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ৮ ঃ ৰঘুবংশম্— চতুর্থসর্গ (শ্লোক ১-২৫)

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ চতুর্থসর্গৰ সাৰাংশ

৮.৪ চতুর্থসর্গৰ নামকৰণৰ তাৎপর্য্য

৮.৫ চতুর্থসর্গৰ শ্লোক (১-২৫)সমূহৰ সংস্কৃত পাঠ

- ৮.৫.১ শ্লোকসমূহৰ গদ্য পাঠ
- ৮.৫.২ শ্লোকসমূহৰ শব্দার্থ
- ৮.৫.৩ শ্লোকসমূহৰ অনুবাদ
- ৮.৫.৪ ব্যাকৰণগত টোকা

৮.৬ সংক্ষিপ্ত ৰূপত শ্লোকসমূহৰ বিষয়বস্তু

৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৮ অধিক জানিবলৈ

৮.৯ অগ্রগতিৰ খতিয়ান

৮.১০ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ‘ৰঘুবংশম্’ মহাকাব্যৰ চতুর্থসর্গৰ বিষয়বস্তু জানিব পাৰিব
- মহাকাব্যখনৰ চতুর্থসর্গৰ নামকৰণৰ তাৎপর্য্য জানিব পাৰিব
- শ্লোকসমূহৰ সংস্কৃত পাঠ, ভাঙনি আৰু অসমীয়া অনুবাদ জানিব পাৰিব
- কিছুমান শব্দৰ ব্যাকৰণগত ব্যুৎপত্তিও লাভ কৰিব।

৮.২ পৰিচয়

আপুনি ইতিমধ্যে কালিদাসৰ ৰচিত ‘ৰঘুবংশম্’ মহাকাব্যত বর্ণিত ইক্ষ্বাকুবংশীয় ৰজাসকলৰ বর্ণনা পঢ়িছে। এই ৰজাসকলৰ ভিতৰত দিলীপ অন্যতম। ৰঘু আছিল দিলীপৰ পুত্র। এই মহাকাব্যৰ চতুর্থসর্গটিত ৰঘুৰ বিষয়ে বর্ণনা দিয়া হৈছে। ৰজা হৈয়েই ৰঘুৱে দিগ্বিজয় কৰিছিল। তাৰেই বর্ণনা এই চতুর্থসর্গটিত পোৱা যায়। এই অধ্যায়টি পঢ়ি আপুনি ৰজা ৰঘুৰ দিগ্বিজয় যাত্রাৰ প্রস্তুতি পর্ব তথা আৰম্ভণিৰ বিষয়ে জানিব পাৰিব। ৰজা ৰঘুৰ ৰাজ্য শাসন পদ্ধতিৰ বিষয়েও আপুনি অৱগত হ’ব। ইয়াৰ উপৰিও আপুনি চতুর্থসর্গৰ বিষয়বস্তু, সর্গটিৰ নামকৰণৰ তাৎপর্য্য,

শ্লোকসমূহৰ (১-২৫) সংস্কৃত পাঠ, গদ্য পাঠ, শব্দাৰ্থ, অনুবাদ, ব্যাকৰণগত টোকা আদি বিভিন্ন বিষয় এই অধ্যায়টি অধ্যয়ন কৰি জানিব পাৰিব।

৮.৩ চতুৰ্থসৰ্গৰ সাৰাংশ

এতিয়া আপুনি ৰঘুবংশম্ মহাকাব্যৰ চতুৰ্থসৰ্গৰ সাৰাংশ জানিব পাৰিব। পিতৃ দিলীপৰ পৰা সিংহাসন লাভ কৰি পোনতে ৰঘুৱে শত্ৰুসকলক দমন কৰি সুপ্ৰতিষ্ঠিত হ'ল। দেৱৰাজ ইন্দ্ৰই বৰ্ষাকালীন ধনু সম্বৰণ কৰাত অৰ্থাৎ শৰৎকাল উপস্থিত হোৱাত ৰঘুৱে নিজৰ বিজয় ধনু ধাৰণ কৰিলে। বিশাল সেনাবাহিনী লৈ ৰঘুৱে প্ৰথমেই পূব দিশলৈ গতি কৰিলে। ৰঘুৱে সন্মুখত থকা সকলো ৰজাক পৰাজিত কৰি নিজৰ গন্তব্য পথ নিষ্কণ্টক কৰিলে। পূব দিশৰ সকলো ৰজাক পৰাভূত কৰি পূৰ্বসাগৰৰ পাৰত উপস্থিত হ'ল। সুহ্মদেশীয় ৰজাই ৰজা ৰঘুৰ ওচৰত শৰণাপন্ন হৈ আত্মৰক্ষা কৰিলে। তাৰ পিছত ৰঘুৱে বঙ্গদেশীয় ৰজাসকলক পৰাস্ত কৰি কপিশা নদী পাৰ হ'ল। উৎকলদেশীয় ৰজাসকলে দেখুৱাই দিয়া পথেৰে ৰঘুৱে কলিঙ্গ অভিমুখে যাত্ৰা কৰিলে। কলিঙ্গৰ ৰজাই তেওঁক প্ৰতিহত কৰিবলৈ চেষ্টা কৰিছিল। ৰঘুৱে তেওঁৰ ৰাজলক্ষ্মী অপহৰণ কৰিলে। কিন্তু জয় কৰা ৰাজ্য পুনৰ ওভতাই দিলে। তাৰ পিছত ৰঘু সাগৰৰ পাৰেৰে দক্ষিণ দিশলৈ গমন কৰিলে। সৈন্যসমূহে যাত্ৰাপথত কাবেৰী নদী পাই তাত স্নান কৰিলে। ৰঘু আহি মলয় পৰ্বতৰ উপত্যকা পালে। ৰঘুৰ হাতীবোৰক চন্দন গছত বান্ধি থোৱা হ'ল। দক্ষিণ দেশীয় ৰজাসকলে ৰঘুৰ প্ৰতাপ সহ্য কৰিব নোৱাৰিলে। পাণ্ড্যদেশৰ ৰজাসকলে ৰঘুৰ বশ্যতা স্বীকাৰ কৰি মণি মুকুতা দান কৰিলে। ইয়াৰ পিছত ৰঘু পশ্চিম দিশলৈ যাত্ৰা কৰিলে। পশ্চিমত কেৰল দেশৰ ৰমনীসকলে ভয়ত বেশভূষা পৰিত্যাগ কৰিলে। ৰজাসকলে ৰঘুৰ বশ্যতা স্বীকাৰ কৰি কৰ প্ৰদান কৰিলে। তাৰ পিছত ৰঘুৱে পাৰসিকসকলক জয় কৰিবলৈ স্থলপথেৰে যাত্ৰা কৰিলে। পাৰসিক নাৰীসকল ৰঘুৰ আগমনত ভীতি বিহ্বল হৈ পৰিছিল। পাৰসিক ৰজাসকলে শিৰস্ত্ৰান খুলি ৰজা ৰঘুৰ বশ্যতা স্বীকাৰ কৰিলে। ইয়াৰ পিছত ৰঘুৱে উত্তৰ দিশলৈ গতি কৰি সিন্ধু নদী পাৰ হৈ হুনসকলক পৰাভূত কৰিলে। হুনসকলৰ পাছত কাম্বোজ দেশৰ ৰজাই ৰঘুৰ প্ৰভাৰ সহ্য কৰিব নোৱাৰিলে। তেওঁলোকে ৰঘুক উৎকৃষ্ট ঘোঁৰা আৰু বিপুল ধনৰাশি উপহাৰ হিচাপে দিলে। তাৰ পিছত তেওঁ অশ্বাৰোহী সৈন্য লৈ হিমালয় পৰ্বতত আৰোহণ কৰিলে। তাত পাৰ্বত্য জাতিসমূহক বিশেষকৈ উৎসৱসঙ্কেত নামৰ পাৰ্বত্য জাতিটোক পৰাস্ত কৰিলে। পাৰ্বত্য জাতিসমূহে ৰঘুক মহা মূল্যবান উপহাৰসমূহ প্ৰদান কৰিলে। হিমালয় পৰ্বতৰ পৰা নামি আহি লৌহিত্যনদ পাৰ হৈ ৰঘুই প্ৰাগজ্যোতিষপুৰত প্ৰবেশ কৰিলে। কামৰূপৰ ৰজাই মদস্ৰাবী হাতীবোৰ উপহাৰ স্বৰূপে প্ৰদান কৰি ৰঘুৰ শৰণাপন্ন হ'ল। জয়শীল ৰজা ৰঘুৱে এই আটাইবোৰ দিশ জয় কৰি বিশ্বজিৎ নামৰ যজ্ঞ সম্পাদন কৰিলে। যজ্ঞৰ অন্তত বিজিত ৰজাসকলক নিজৰ ৰাজ্যলৈ যাবলৈ অনুমতি দিলে। ৰজাসকলেও প্ৰণাম জনাই প্ৰস্থান কৰিলে।

৮.৪ চতুর্থসর্গৰ নামকৰণৰ তাৎপর্য্য

চতুর্থসর্গৰ সাৰাংশ অধ্যয়ন কৰাৰ পিছত আপুনি এতিয়া সর্গটিৰ নামকৰণৰ তাৎপর্য্য জানিব পাৰিব।

মহাকাব্যৰ নিয়ম অনুসৰি প্ৰত্যেকসর্গৰ একো একোটা নামকৰণ হোৱা উচিত। সেয়েহে কালিদাসে সর্গসমূহৰ নামকৰণ কৰিছে। সেই মতেই ৰঘুবংশম্ মহাকাব্যৰ চতুর্থসর্গটিৰ নাম দিছে 'ৰঘুদিগ্বিজয়ঃ'। তৃতীয়সর্গত ৰঘুৱে পিতৃৰ পৰা ৰাজ সিংহাসন লাভ কৰিছিল। ৰজা হৈ পিতৃ প্ৰদত্ত ৰাজ্যৰ প্ৰসাৰ ঘটাবলৈ ৰঘুৱে মন কৰিলে। শৰৎকাল নির্মল বাবে দিগ্বিজয়ৰ বাবে উৎকৃষ্ট সময়। শৰৎকালৰ আগমনৰ লগে লগে ৰঘুৱে দিগ্বিজয়ৰ বাবে যাত্ৰা কৰিলে। অযোধ্যাৰ পৰা আৰম্ভ কৰি ৰঘুৱে প্ৰথমেই পূবলৈ যাত্ৰা কৰিলে। এই দিশত প্ৰথমেই সুহ্ম আৰু বঙ্গদেশ জয় কৰিলে। তাৰ পিছত কপিশা নদী পাৰ হৈ দক্ষিণ দিশলৈ গমন কৰিলে। তাৰ পিছত ৰঘুৱে ক্ৰমে উৎকলসকলক, কলিঙ্গসকলক, পাণ্ড্যসকলক, কেৰল আৰু পশ্চিমঘাটৰ অপৰান্তসকলক জয় কৰিলে। উত্তৰ আৰু উত্তৰ পশ্চিম দিশত পাৰসিক, হুন আৰু কাম্বোজসকলক জয় কৰিলে। ইয়াৰ পিছত তেওঁ হিমালয় পর্বত আৰোহণ কৰি উৎসৱসঙ্কেত নামৰ পার্বত্য জাতিক পৰাস্ত কৰিলে। তাৰ পৰা লৌহিত্যনদ পাৰ হৈপ্ৰাগজ্যোতিষপুৰত প্ৰৱেশ কৰিলে। কামৰূপৰ ৰজাসকলক পৰাস্ত কৰি ৰঘু ৰাজধানীলৈ প্ৰত্যাৱর্তন কৰিলে। সমস্ত ভাৰতবর্ষৰ প্ৰধান নদী আৰু পর্বতসমূহৰ নাম এই সর্গত উল্লেখ আছে। ৰঘুৱে এই সমস্ত সাম্ৰাজ্য নিজৰ অধীনলৈ আনিছিল। সেয়ে এই সর্গটিৰ নামকৰণো যথোপযুক্ত হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ৰঘুৱে কাৰ পৰা ৰাজ্যভাৰ লাভ কৰিছিল?

.....

.....

প্ৰশ্ন নং ২ ঃ ৰঘুৱে কোন ঋতুত দিগ্বিজয় আৰম্ভ কৰিছিল?

.....

প্ৰশ্ন নং ৩ ঃ ৰঘুৱে প্ৰথমেই কোন দিশলৈ যাত্ৰা কৰিছিল?

.....

প্ৰশ্ন নং ৪ ঃ ৰঘুৱে হিমালয় পর্বতত পৰাস্ত কৰা পার্বত্য জাতিটোৰ নাম কি?

.....

প্ৰশ্ন নং ৫ ঃ দিগ্বিজয়ৰ পাছত ৰঘুৱে কি যজ্ঞ সম্পাদন কৰিছিল?

.....

৮.৫ চতুৰ্থসৰ্গৰ শ্লোক (১-২৫)সমূহৰ সংস্কৃত পাঠ

এতিয়া আপুনি ৰঘুবংশৰ চতুৰ্থসৰ্গৰ প্ৰথম শ্লোকৰ পৰা পঞ্চবিংশতি সংখ্যক শ্লোকলৈ মূল সংস্কৃত পাঠ পঢ়িবলৈ পাব। শ্লোকসমূহ তলত উল্লেখ কৰা হ'ল—

স ৰাজ্যং গুৰুণা দত্তং প্ৰতিপদ্যাধিকং বভৌ।
দিনান্তে নিহিতং তেজঃ সবিত্ৰেব হুতাশনঃ।। ১
দিলীপানন্তৰং ৰাজ্যে তং নিশম্য প্ৰতিষ্ঠিতম্।
পূৰ্বং প্ৰধূমিতো ৰাজ্ঞাং হৃদয়েহগ্নিৰিবোত্থিতঃ।। ২
পুৰুহূত ধ্বজস্যেব তস্যোন্নয়নপঙ্ক্তয়ঃ।
নবাভ্যুত্থানদৰ্শিন্যো ননন্দুঃ সপ্ৰজাঃ প্ৰজাঃ।। ৩
সমমেব সমাক্ৰান্তং দ্বয়ং দ্বিৰদগামিনা।
তেন সিংহাসনং পিত্ৰ্যমখিলং চাৰিমণ্ডলম্।। ৪
ছায়ামণ্ডললক্ষ্যেন তমদৃশ্যা কিল স্বয়ম্।
পদ্মা পদ্মাতপত্ৰেন ভেজে সাম্ৰাজ্যদীক্ষিতম্।। ৫
পৰিকল্পিতসান্নিধ্যা কালে কালে চ বন্দিযু।
স্তুত্যং স্তুতিভিৰৰ্থ্যাভিৰূপতস্থে সৰস্বতী।। ৬
মনুপ্ৰভৃতিভিৰ্মান্যৈৰ্ভুক্তা যদ্যপি ৰাজভিঃ।
তথাহপ্যনন্যপূৰ্বে বতস্মিন্নাসীদ্বসুন্ধৰা।। ৭
স হি সৰ্বস্য লোকস্য যুক্তদণ্ডতয়া মনঃ।
আদদে নাতিশীতোষ্ণো নভস্বানিব দক্ষিণঃ।। ৮
মন্দোৎকণ্ঠাঃ কৃতাস্তেন গুণাধিকতয়া গুৰৌ।
ফলেন সহকাৰস্য পুষ্পোদ্গম ইব প্ৰজাঃ।। ৯
নয়বিদ্ভিৰ্নবে ৰাজ্ঞি সদসচ্চোপদৰ্শিতম্।
পূৰ্ব এবাভবৎপক্ষস্তস্মিন্নাভবদুত্তৰঃ।। ১০
পঞ্চানামপি ভূতানামুৎকৰ্ষং পুপুষুৰ্গুণাঃ।
নবে তস্মিন্মহীপালে সৰ্বং নবমিবাভৱৎ।। ১১
যথা প্ৰহ্লাদনাচ্চন্দ্ৰঃ প্ৰতাপাত্তপনো যথা।
তথৈব সোহভূদন্বৰ্থো ৰাজা প্ৰকৃতিৰঞ্জনাৎ।। ১২
কামং কৰ্নান্তবিশ্ৰান্তে বিশালে তস্য লোচনে।
চক্ষুষ্মত্তা তু শাস্ত্ৰেণ সূক্ষ্মকাৰ্যাৰ্থদৰ্শিনা।। ১৩
লব্ধ প্ৰশমনস্বস্থমথৈনং সমুপস্থিতা।
পাৰ্থিবশ্ৰীৰ্দ্বিতীয়েব শৰৎপঙ্কজলক্ষণা।। ১৪
নিৰ্বৃষ্টলঘুভিৰ্মেঘৈৰ্মুক্তবৰ্ত্মা সুদুঃ সহঃ।

প্রতাপস্তস্য ভানোশ্চ যুগপৎ ব্যানশে দিশঃ।। ১৫
বার্ষিকং সংজহাৰেন্দ্রো ধনুর্জৈত্রং ৰঘুর্দধৌ।
প্রজার্থসাধনে তৌ হি পর্য্যায়োদ্যতকার্মুকৌ।। ১৬
পুণ্ডৰীকাতাপত্রস্তং বিকসৎকাশচামৰঃ।
ঋতুর্বিড়ম্বয়ামাস ন পুনঃ প্রাপ তচ্ছ্রিয়ম্।। ১৭
প্রসাদসুমুখে তস্মিংশ্চন্দ্রে চ বিশদপ্রভে।
তদা চক্ষুষ্মতাং প্রীতিৰাসীৎসমৰসা দ্বয়োঃ।। ১৮
হংসশ্রেণীষু তাৰাসু কুমুদ্বৎসু চ বাৰিষু।
বিভূতয়স্তদীয়ানাং পর্য্যস্তা যশসামিব।। ১৯
ইক্ষুচ্ছায়ানিষাদিন্যস্তস্য গোপ্তুর্গুর্ণোদয়ম্।
আকুমাৰকথোদ্ঘাতম্ শালিগোপ্যো জগুর্য্যশঃ।। ২০
প্রসসাদোদয়াদম্ভঃ কুম্ভযোনের্মহৌজসঃ।
ৰঘোৰভিভবাশঙ্কি চুক্ষুভে দ্বিষতাং মনঃ।। ২১
মদোদগ্রাঃ ককুদ্মন্তঃ সৰিতাং কূলমুদ্রুজাঃ।
লীলাখেলমনুপ্রাপুর্মহোক্ষাস্তস্য বিক্রমম্।। ২২
প্রসবৈঃ সপ্তপর্ণানাং মদগন্ধিভিৰাহতাঃ।
অসূয়য়েব তন্নাগাঃ সপ্তধৈব প্রসুস্রুবুঃ।। ২৩
সৰিতঃ কুর্বতী গাধাঃ পথশ্চাশ্যানকর্দমান্।
যাত্রায়ৈ চোদয়ামাস তং শক্তেঃ প্রথমং শৰৎ।। ২৪
তস্মৈ সম্যক্ হুতো বহ্নির্বাজিনীৰাজনা বিধৌ।
প্রদক্ষিণার্চির্ব্যাজেন হস্তেনৈব জয়ং দদৌ।। ২৫

৮.৫.১ শ্লোকসমূহৰ গদ্য পাঠ

১) স গুৰুণা দত্তং ৰাদ্যং প্রতিপদ্য দিনান্তে সবিত্রা নিহিতং তেজঃ (প্রতিপদ্য) হুতাশনঃ ইব বভৌ।

২) দিলীপানন্তৰং ৰাজ্যে তং প্রতিষ্ঠিতং নিশম্য ৰাজ্ঞাং হৃদয়ে পূর্ব্বং প্রধূমিতঃ বহ্নিঃ উত্থিতঃ ইব।

৩) পুৰুহুতধ্বজস্য ইব তস্য **নৰাভ্যুত্থানদর্শিন্যঃ** উন্নয়নপঙ্ক্তয়ঃ সপ্রজাঃ প্রজা ননন্দুঃ।

৪) দ্বিৰদগামিনা তেন পিত্র্যং সিংহাসনম্ অখিলম্ অৰিমণ্ডলম্ চ সমম্ এব সমাক্রান্তম্।

৫) পদ্মা স্বয়ং অদৃশ্য কিল ছায়ামণ্ডললক্ষ্যেণ পদ্মাতপত্রেণ সাম্রাজ্যদীক্ষিতম্ তং ভেজে।

৬) সৰস্বতী চ কালে কালে বন্দিষু পৰিকল্পিতসান্নিধ্যা অর্থ্যাভিঃ স্তুতিভিঃ স্তুত্যং তং উপতস্থে।



নৰাভ্যুত্থানদর্শিন্যঃ = নৰ + অভ্যুত্থানদর্শিন্যঃ

৭) যদ্যপি মনুপ্রভৃতিভিঃ মান্যৈঃ ৰাজভিঃ বসুন্ধৰা ভুক্তা তথাপি তস্মিন্ অনন্যপূর্বা ইব আসীৎ।

৮) হি সঃ যুক্তদণ্ডতয়া সর্বস্য লোকস্য মনঃ নাতিশীতোষ্ণঃ দক্ষিণঃ নভস্বান্ ইব আদদে।

৯) সহকাৰস্য ফলেন পুষ্পোদ্গমে ইব গুণাধিকতয়া তেন প্রজাঃ গুৰৌ মন্দোৎকণ্ঠাঃ কৃতাঃ।



নৰমিবাভৰৎ = নৰম্ + ইব + অভৰৎ।

১০) নৰে ৰাজ্ঞি নয়বিদ্ভিঃ সৎ অসৎ চ উপদর্শিতম্। তস্মিন্ পূর্ব এব পক্ষঃ অভৰৎ উত্তৰঃ ন অভৰৎ।

১১) পঞ্চানাম্ অপি ভূতানাম্ উৎকর্ষং পুপুষুঃ। তস্মিন্ মহীপালে সর্বং **নৰমিবাভৰৎ**।

১২) যথা চন্দ্রঃ প্রহ্লাদনাৎ (অন্বর্থঃ) তপনং প্রতাপাৎ (অন্বর্থঃ) তথৈব স ৰাজা প্রকৃতিৰঞ্জনাৎ অন্বর্থঃ অভূৎ।

১৩) তস্য বিশালে লোচেনে কামং কর্ণান্তবিশ্রান্তে চক্ষুষ্মত্তা তু সূক্ষ্মকার্যার্থদর্শিনা শাস্ত্রেণ (অভূৎ)।

১৪) অথ লব্ধপ্রশমনস্বস্থম্ এনম্ পঙ্কজলক্ষণা শৰৎ দ্বিতীয়া পার্থিবশ্রীৰিব সমুপস্থিতা।

১৫) নিবৃষ্টলঘুভিঃ মেঘৈঃ মুক্তবর্ত্মা সুদুঃসহঃ তস্য ভানোশ্চ প্রতাপঃ যুগপৎ দিশঃ ব্যানশে।



তচ্ছ্রিয়ম্ = তৎ + শ্রিয়ম্

১৬) ইন্দ্রঃ বার্ষিকং ধনুঃ সংজহাৰ ৰঘুঃ জৈত্রং (ধনুঃ) দধৌ। হি তৌ প্রজার্থসাধনে পর্য্যায়দ্যোতকার্মুকৌ।

১৭) পুণ্ডৰীকাতপত্রঃ বিকসৎকাশ্চামৰঃ ঋতুঃ তং বিডম্বয়ামাস **তচ্ছ্রিয়ম্** পুনঃ ন প্রাপ।

১৮) প্রসাদসুমুখে তস্মিন্ বিশদপ্রভে চন্দ্রে চ দ্বয়ো চক্ষুষ্মতাং প্রীতিঃ সমৰসা আসীৎ।

১৯) হংসশ্রেণীষু তাৰাসু কুমুদ্ব্যসু বাৰিষু চ তদীয়ানাং যশসাং বিভূতয়ঃ পর্য্যস্তা ইব।

২০) ইক্ষুচ্ছায়ানিষাদিন্যঃ শালিগোপ্যঃ গোপ্তুঃ তস্য গুণোদয়ম্ আকুমাৰকথোদ্ঘাতম্ যশঃ জগুঃ।



কূলমুদ্রুজা = কূলম্ + উদ্রুজাঃ
তন্নাগাঃ = তৎ + নাগাঃ
অসূয়য়েব = অসূয়য়া + এব
সপ্তধেৰ = সপ্তধা + এব
আশ্যানকর্দমান = আশ্যান্ + অকর্দমান

২১) মহৌজসঃ কুম্ভযোনেঃ উদয়াৎ অম্ভঃ প্রসসাদ।। (মহৌজসঃ) ৰঘোঃ অভিভবাশঙ্কি দ্বিষতাং মনঃ চুক্ষুভে।

২২) মদোদগ্রাঃ ককুদ্মন্তঃ সৰিতাং **কূলমুদ্রুজাঃ** মহোক্ষাঃ তস্য লীলাখেলম্ বিক্রমম্ অনুপ্রাপুঃ।

২৩) মদগন্ধিভিঃ সপ্তপর্ণানাং প্রসৰৈঃ আহতাঃ **তন্নাগাঃ অসূয়মেব সপ্তধেৰ** প্রসুস্রুবুঃ।

২৪) সৰিতঃ গাধাঃ পথঃ চ **আশ্যানকর্দমান্** কুর্বতী শৰৎ তং শক্তেঃ প্রথমং যাত্রায়ৈ নোদয়মাস্।

২৫) বাজিনীৰাজনাবিধৌ সম্যক্ হুতঃ বহ্নিঃ প্রদক্ষিণার্চির্ব্যাজেন হস্তেন ইব তস্মৈ জয়ং দদৌ।

৮.৫.২ শ্লোকসমূহৰ শব্দার্থ

১নং শ্লোক ঃ

স = ৰঘুঃ (তেওঁ অর্থাৎ ৰঘুই) গুৰুণা = পিত্রা (পিতাকে) দত্তং = প্রদত্তং (দিয়া) ৰাজ্যং সাম্রাজ্যং (ৰাজ্য) প্রতিপদ্য = প্রাপ্য (লাভ কৰি) দিনান্তে = সায়ঙ্কালে (সন্ধিয়া) সবিত্রা = সূর্য্যেণ (সূর্য্যৰ) নিহিতং = স্থাপিতং (নিহিত) তেজঃ = শক্তিঃ (তেজ) প্রতিপদ্য = (লাভ কৰি) হুতাশনঃ ইব = অগ্নিঃ ইব (অগ্নিৰ নিচিনা) অধিকং = অধিকতৰং (অধিক) বভৌ = শোভাং প্রাপ্তবান্ (শোভা পালে)।

২নং শ্লোক ঃ

দিলীপানন্তৰং = দিলীপস্য পশ্চাৎ (দিলীপৰ পিছত) ৰাজ্যে = সাম্রাজ্যে (ৰাজ্যত) তং = ৰঘুং (তেওঁক অর্থাৎ ৰঘুক) প্রতিষ্ঠিতং = অৱস্থিতং (অভিষিক্ত) নিশম্য = আকর্ণ্য (শুনি) ৰাজ্ঞাং = নৃপতিনাং (ৰজাসকলৰ) হৃদয়ে = মনসি (অন্তৰত) পূর্বং = পূর্বস্মাৎকালাৎ অর্থাৎ দিলীপশাসনকালাৎ (পূর্বৰ পৰা অর্থাৎ দিলীপৰ শাসনকালৰ পৰা) প্রধূমিতঃ = প্রকর্ষেণ সঞ্জাতঃ ধূমঃ (ধূমায়িত) বহ্নিঃ = অগ্নিঃ, সন্তাপাগ্নিঃ (জুই, ঈর্ষাৰ জুই) উত্থিতঃ ইব = প্রজ্বলিতঃ ইব (প্রজ্বলিত যেন হ'ল)।

৩নং শ্লোক ঃ

পুৰুহুতধ্বজস্যেব = ইন্দ্রপতাকয়া ইব (ইন্দ্রধ্বজৰ দৰে) তস্য = ৰঘোঃ (ৰঘুৰ) নবাভ্যুত্থানদর্শিন্যঃ = নূতনম্ অভ্যুদয়ং পশ্যন্তীতি (নৱ উদয়দর্শনলালসা) উন্নয়নপংক্তসঃ= উল্লসিতনয়নপংক্তয়ঃ (উন্নমিত নেত্রত) সপ্রজাঃ = সসন্তানাঃ (সন্তানেৰে সৈতে) প্রজাঃ = জনা (লোকসকল বা প্রজাসকল) ননন্দুঃ = আনন্দিত্যোভৱন্ (আনন্দিত হ'ল)।

৪নং শ্লোক ঃ

দ্বিৰদগামিনা = গজগামিনা (গজেন্দ্রগামী) তেন = ৰঘুনা (ৰঘুৰে) পিত্র্যং = পিতুৰাগতং (পৈতৃক) সিংহাসনম্ = ৰাজ্ঞঃ পদম্ (সিংহাসন অর্থাৎ ৰাজপদ) অখিলম্= সমগ্রং (সমস্ত) অৰিমণ্ডলম্ = ৰিপুমণ্ডলম্ (শত্রুমণ্ডল) চ (আৰু) সমং = যুগপৎ (একেসময়তে) সমাক্রান্তম্ = অধিষ্ঠিতম্ (অধিষ্ঠিত হ'ল)।

৫নং শ্লোক ঃ

পদ্মা = লক্ষ্মীঃ (লক্ষ্মীদেৱী) স্বয়ং (নিজেই) অদৃশ্যা কিল = চক্ষুষা অদর্শনীয়ভাবেন, কিল ইতি সম্ভাৱনায়াম্ (যেন অদৃশ্যভাৱে থাকি) ছায়ামণ্ডললক্ষ্যেণ= কান্তিপুঞ্জানুমেয়েন (কান্তিপুঞ্জৰ দ্বাৰা অনুমেয়) পদ্মাতপত্রেণ = পদ্মৰূপ আতপত্রেণ (পদ্মৰূপছত্রেৰে) সাম্রাজ্যদীক্ষিতম্ = সাম্রাজ্যকর্মণি মণ্ডলাধিপত্যে দীক্ষিতম্ অভিষিক্তম্ (সাম্রাজ্যত অভিষিক্ত) তং = ৰঘুং (তেওঁক অর্থাৎ ৰঘুক) ভেজে = সেৱিতবান্ (ভজনা কৰিলে)।

৬নং শ্লোক ঃ

সৰস্বতী চ = বাগ্‌দেৱী অপি (সৰস্বতীও) কালে কালে = সর্বেষু অপি যোগ্যকালেষু (প্রত্যেককালত অর্থাৎ প্রত্যেক স্তুতিযোগ্যকালত) বন্দিষু = বৈতালিকেষু

(বৈতালিকসকলৰ মাজত) পৰিকল্পিতসান্নিধ্যা = কৃতসন্নিধানা সতী (সন্নিধান কৰি) অৰ্থ্যাভিঃ = অৰ্থাৎ অনপেত্তাভিঃ (মদৰ্থশালী) স্তুতিভিঃ = স্তোত্ৰৈঃ (স্তবৰদ্বাৰা) স্তুত্যং= স্তোত্ৰাৰ্হাং (স্তুতিৰ যোগ্য)তং = ৰঘুং (তেওঁক অৰ্থাৎ ৰঘুক) উপতস্থে = দেবতাবুদ্ধ্যা পূজিতবতী (স্তুতি কৰিব ধৰিলে)।

৭নং শ্লোক ঃ

যদ্যপি (যদিও) মনুপ্রভৃতিভিঃ = মন্বাদিভিঃ (মনু আদি) মান্যৈঃ = পূজ্যৈঃ (মাননীয়) ৰাজভিঃ = নৃপতিভিঃ (ৰজাসকলৰ দ্বাৰা) বসুন্ধৰা = পৃথ্বী (পৃথিৰী) ভুক্তা = উপভুক্তা (উপভুক্তা হৈছিল) তথাপি (তথাপি) তস্মিন্ = তস্মিন ৰাজ্ঞি (সেই ৰঘুৰ ওচৰত) অনন্য পূর্বা ইব = অনন্যোপভুক্তেব (অনন্য উপভুক্তাৰ নিচিনা) আসীৎ (আছিল)।

৮নং শ্লোক ঃ

হি = যস্মাৎ কাৰণাৎ (সেইবাবে) সঃ = ৰঘুঃ (তেওঁ অৰ্থাৎ ৰঘুৱে) যুক্তদণ্ডতয়া = যথাপৰাধদণ্ডতয়া (ন্যায়সঙ্গত দণ্ড প্রদান কৰি) সর্বস্য (সকলো) লোকস্য জনস্য (লোকৰ) মনঃ = হৃদয়ঃ (মন) নাতিশীতোষ্ণঃ = অতিশীতঃ অত্যুষ্ণো বা ন (নাতিশীতোষ্ণ) দক্ষিণঃ = দক্ষিণদিগ্ভবঃ (দক্ষিণদিশৰ) নভস্বান্ ইব = বায়ু ইব (বতাহৰ দৰে) আদদে = জহাৰ (হৰণ কৰিলে)।

৯নং শ্লোক ঃ

সহকাৰস্য = চুতস্য (আমগছৰ) ফলেন (ফলেৰে) পুষ্পোদ্গমে = পুষ্পোদয়ে (পুষ্পোদ্গমবিষয়ে) ইব (যিদৰে) গুণাধিকতয়া = গুণাধিক্যবশতঃ (অধিকগুণবশতঃ) তেন = ৰঘুনা (তেওঁ অৰ্থাৎ ৰঘুৱে) প্রজাঃ (প্রজাসকলক) গুৰৌ = দিলীপবিষয়ে (পিতৃ দিলীপৰ প্রতি) মন্দোৎকণ্ঠাঃ = অল্পোৎসুক্যাঃ (উৎকণ্ঠা হ্রাস) কৃতাঃ (কৰিলে)।

১০নং শ্লোক ঃ

নয়বিদ্ভিঃ = নীতিশাস্ত্রজ্ঞৈঃ (নীতিশাস্ত্রবিশাৰদ মন্ত্রীসকলে) নবে = নূতনে (নতুন) ৰাজ্ঞি (ৰজাক) সৎ = ধর্মযুদ্ধাদিকম্ (সৎ অৰ্থাৎ সৰল) অসৎ চ = কূটযুদ্ধাদিকম্ চ (আৰু অসৎ অৰ্থাৎ কুটিল) উপদর্শিতম্ = উপদেশং দত্তবন্তঃ (উপদেশ দিলে)। তস্মিন্ (তেওঁ) পূর্বঃ পক্ষ এব = প্রথম পক্ষঃ এব (প্রথম পক্ষ অৰ্থাৎ সৎ উপদেশকেই) অভবৎ= সংক্রান্তঃ (ললে) উত্তৰ ঃ = অসৎ (অসৎ উপদেশ) ন অভবৎ ন সংক্রান্তঃ (নললে)।

১১নং শ্লোক ঃ

পঞ্চানামপি = পৃথিব্যাদীনাং পঞ্চানাং ভূতানাম্ অপি (পৃথিব্যাদি পঞ্চ মহাভূতৰ) গুণাঃ = গন্ধাদয়ঃ গুণাঃ (গন্ধাদি গুণবোৰ) উৎকর্ষং = অতিশয়ং (উৎকর্ষ) পুপুষুঃ = পোষণম্ অকুর্বন্ (ধাৰণ কৰিলে)। তস্মিন্ = ৰঘৌ (সেই অৰ্থাৎ ৰঘুত) নবে = নূতনে (নতুন) মহীপালে = ৰাজ্ঞি (ৰজাৰ ৰাজত্বকালত) সর্বং = সর্বং বস্তুজাতং (সকলো বস্তুৰেই) নৱম ইব অভৱৎ - অপূর্বমিবাভৱৎ (নতুন যেন হ'ল)।

১২নং শ্লোক ঃ

যথা চন্দ্রঃ = ইন্দোঃ চন্দ্রঃ ইতি নাম (ইন্দুৰ চন্দ্র নাম) প্রহ্লাদনাৎ = আহ্লাদকৰণাৎ (আহ্লাদকতাবশতঃ) তপনঃ = সূর্য্যস্য তপনঃ ইতি নাম (সূর্য্যৰ তপন নাম) প্রতাপাৎ = সন্তাপজননাৎ (উত্তাপ প্রদানত), তথৈব (সেইদৰে) সঃ ৰাজা = স ৰঘোঃ ৰাজা ইতি নাম (তেওঁৰ ৰজা এই নাম) প্রকৃতিৰঞ্জনাৎ = প্রজাৰঞ্জনাৎ, ৰঞ্জয়তীতি ৰাজা ব্যুৎপত্ত্যা (প্রজাৰঞ্জন কৰি) অন্বর্থঃ = অনুগতার্থনামকঃ (সার্থকশব্দ) অভূৎ (হৈছিল)।

১৩নং শ্লোক ঃ

তস্য = ৰঘোঃ (ৰঘুৰ) বিশালে = অয়তকাৰে (বিশাস) লোচনে = অক্ষিদ্বয়ম্ (চকুযুৰি) কামং (থাকিলেও) কর্ণান্তবিশ্রান্তে = কর্ণপ্রান্তগতে (আকর্ণবিস্তৃত) চক্ষুষ্মত্তা তু = চক্ষুফলং তু (চকুথকাৰ ফল) সূক্ষ্মকার্য্যার্থদর্শিণা = সুক্ষ্মকর্ত্তব্যনির্ণয়কাৰিণা (সুক্ষ্মকর্ত্তব্যনির্ণয়কাৰী) শাস্ত্রেণ (শাস্ত্রৰ দ্বাৰা) অভূৎ (হৈছিল)।

১৪নং শ্লোক ঃ

অথ = অনন্তৰং (তাৰ পিছত) লব্ধপ্রশমনস্বস্থম্ = লব্ধস্য ৰাজ্যস্য স্থিৰীকৰণে সমাহিতচিত্তম্ (ৰাজ্যত শান্তি স্থাপন কৰি) এনং = ৰঘুং পঙ্কজলক্ষণা = পদ্মচিহ্নযুক্তা (পদ্মশোভাযুক্তা) শৰৎ = শৰৎ ঋতুঃ (শৰৎকাল) দ্বিতীয়াপার্থিবশ্রীৰিব = দ্বিতীয়া ৰাজলক্ষ্মী ঃ ইব (দ্বিতীয় ৰাজলক্ষ্মীৰ নিচিনাকৈ) সমুপস্থিতা = প্রাপ্তা (উপস্থিত হ'ল)।

১৫নং শ্লোক ঃ

নির্বৃষ্টলঘুভিঃ = নিঃশেষেন বৃষ্টিপ্রদানেন জলহীনৈঃ (পানী নোহোৱা বাবে পাতল) মেঘৈঃ = জলদৈঃ (মেঘমালা) সুক্তবর্ত্মা = ব্যক্তমার্গঃ সুদুঃসহঃ = দুঃসহঃ (দুঃসহ) তস্য= ৰঘোঃ (ৰঘুৰ) ভানোশ্চ = সূর্য্যস্য চ (আৰু সূর্য্যৰ) প্রতাপঃ = পৌৰুষম্ আতপশ্চ (প্রতাপ) যুগপৎ = একস্মিন্ সময়ে (একে সময়তে) দিশঃ = দিঙ্মণ্ডলঃ (চাৰিওফালে) ব্যানশে= ব্যাপ (বিয়পি পৰিল)।

১৬নং শ্লোক ঃ

ইন্দ্রঃ = দেৱৰাজঃ (দেবৰাজ ইন্দ্রই) বার্ষিকং = বর্ষানিমিত্তং (বর্ষাকালীন) ধনুঃ = চাপঃ (ধনু) সংজহাৰ = অপসাৰিতঃ (অপসাৰণ কৰিলে) ৰঘুঃ (ৰঘুই) জৈত্রং = জয়শীলং (জয়শীল) ধনুঃ (ধনু) দধৌ = ধাৰণং কৃতবান্ (ধাৰণ কৰিলে) হি = যস্মাৎ (যিহেতু) তৌ = ইন্দ্রৰঘূ (ইন্দ্র আৰু ৰঘু দুয়োজনেই) প্রজার্থসাধনে = প্রজাণাম্ বৃষ্টিবিজয় লক্ষণৰূপ সাধনবিষয়ে (প্রজাসকলৰ প্রয়োজন সিদ্ধি বিষয়ত) পর্য্যায়দ্যোতকার্মুকৌ = পর্য্যায়ক্রমেণ উত্থিতৌ (পর্যায়ক্রমে উদ্যত হ'ল)।

১৭নং শ্লোক ঃ

পুণ্ডৰীকাতপত্রঃ = শ্বেতপদ্মৰূপছত্র শোভিতঃ (শ্বেতপদ্মৰূপ ছত্রশোভিতঃ বিকসৎকাশচামৰঃ = বিকসিতকাশাখ্যতৃণপুষ্পৰূপচামৰশোভিতঃ (বিকশিত কাশপুষ্পৰূপ চামৰেৰে শোভিত) ঋতুঃ = শৰদৃতুঃ (শৰৎকালে) বিডম্বয়ামাস = অনুচকাৰ (অনুকৰণ কৰিলে) তচ্ছ্রিয়ম্ = ৰঘোঃ শোভাং (সেই শোভা) পুনঃ (কিন্তু) ন প্রাপ (অধিকাৰী হ'ব নোৱাৰিলে)।

১৮নং শ্লোক ঃ

প্রসাদসুমুখে = প্রসাদেন সুমুখে (প্রসন্ন মুখকান্তি) তস্মিন্ = ৰঘৌ (ৰঘুৰ) বিশদ প্রভে = নির্মলকান্তৌ (নির্মলকান্তি) চন্দ্রে চ = ইন্দৌ চ (আৰু চন্দ্রত) দ্বয়োঃ = দ্বয়োর্বিষয়ে (দুয়োটা বিষয়ত) চক্ষুষ্মতাং = চক্ষুযুক্তানাং (চক্ষুষ্মান্ ব্যক্তিমাত্রেই) প্রীতিঃ = অনুৰাগঃ (আনন্দ) সমৰসা = সমস্বাদা, তুল্যভোগা (তুল্যৰূপ) আসীৎ (হৈছিল)।

১৯নং শ্লোক ঃ

হংসশ্রেণীষু = হংসানাং পংক্তিষু (হংসমালা) তাৰাসু = নক্ষত্রেষু (নক্ষত্রপুঞ্জ) কুমুদবৎসু = কুমুদপ্রায়েষু (কুমুদপুষ্পশোভিত) বাৰিষু = জলাশয়েষু (জলাশয়ত) চ (আৰু) তদীয়ানাং = ৰঘু সম্বন্ধিনাং (তেওঁৰ অর্থাৎ ৰঘুৰ) যশসাং = কীর্তিনাং (যশস্যাৰ) বিভূতয়ঃ = সম্পদঃ (বিভূতি, প্রভা) পর্য্যস্তা ইব = প্রসাৰিতাঃ (বিস্তৃত হ'ল)।

২০নং শ্লোক ঃ

ইক্ষুচ্ছায়ানিষাদিন্যঃ = ইক্ষুণাং ছায়ায়াম্ উপবিশন্তং (কুহিয়াৰ গছৰ ছাঁত বহি) শালিগোপ্য = শস্যপালিকাঃ স্ত্রিয়ঃ (শালিধান ৰক্ষক কৃষক ৰমনী) গোপ্তুঃ = ৰক্ষকস্য (প্রজাপালক) তস্য = ৰঘোঃ (তেওঁৰ অর্থাৎ ৰঘুৰ) গুণোদয়ম্ = গুণোৎপন্নং (গুণসম্ভূত) আকুমাৰকথোদ্‌ঘাতম্ = বাল্যকালাদাৰভ্য কথাম্ অথবা ইন্দ্রবিজয়াদি আখ্যানং (বাল্যকালীন ইন্দ্রবিজয়াদি বৃত্তান্তসমূহ আৰম্ভ কৰি) যশঃ = কীর্তিঃ (কীর্তি) জগুঃ = গায়ন্তি স্ম (গাবলৈ ধৰিছিল)।

২১নং শ্লোক ঃ

মহৌজসঃ = মহাতেজস্বী (মহাতেজস্বী) কুম্ভযোনেঃ = অগস্ত্যঋষেঃ (অগস্ত্যমুনিৰ) উদয়াৎ = আবির্ভাবাৎ (উদয়ত) অম্ভঃ = সলিলম্ (পানী) প্রসসাদ = প্রসন্নং বভূব (নির্মল হ'ল) মহৌজসঃ = (পৰাক্রমী) ৰঘোঃ = ৰঘুৰ উদয়াৎ = (অভ্যুদয়ত) অভিভবাশঙ্কি= পৰাভবাশঙ্কি (পৰাভৱৰ আশঙ্কাত) দ্বিষতাং = শত্রূণাং (শত্রুকুলৰ) চুক্ষুভে = কালুষ্যং প্রাপ (কলুষতাপ্রাপ্ত অর্থাৎ মলিন হ'ল)।

২২নং শ্লোক ঃ

মদোদগ্রাঃ = মদোদ্ধতাঃ (মদোদ্ধত) ককুদ্মন্ত = মহাককুদ্‌বিশিষ্টঃ (বিশাল ককুদ্মান্) সৰিতাং কূলম্ উদ্ভজাঃ = নদীনাং তটম্ উৎখাতাঃ (খুৰা আৰু শিঙেৰে নদীৰ পাৰৰ মাটি খুচৰি) মহোক্ষাঃ = মহান্ত উক্ষাণঃ (প্রকাণ্ড ষাড়গৰুবোৰে) তস্য = ৰঘোঃ (তেওঁৰ অর্থাৎ ৰঘুৰ) লীলাখেলম্ = বিলাসসুভঙ্গ (বিলাসময়) বিক্রমম্ = শৌর্য্যং বিক্রমম্ (বিক্রম) অনুপ্রাপুঃ = অনুচক্রুঃ (অনুকৰণ কৰিছিল)।

২৩নং শ্লোক ঃ

মদগন্ধিভিঃ = মদজল ইব গন্ধযুক্তৈঃ (মদগন্ধী) সপ্তপর্ণানাং = সপ্তপর্ণ নামক বৃক্ষবিশেষাণাং (সপ্তপর্ণ নামৰ গছৰ) প্রসৱৈঃ = পুষ্পৈঃ (ফুলৰদ্বাৰা) আহতাঃ = উন্মাদিতাঃ (আহত হৈ) অসূয়য়েব = স্পর্ধয়া ইব (অসূয়াবশতঃ) সপ্তধেৱ = সপ্তদ্বাৰেণ (সপ্তস্থানেৰে) প্রসুস্রুবুঃ = মদং ববৃষুঃ (মদক্ষৰণ কৰিব ধৰিছিল)।

২৪নং শ্লোক ঃ

সৰিতঃ = নদ্যঃ (নদীবিলাক) গাধাঃ = সুপ্রতৰাঃ (অল্পজল বিশিষ্ট) পথঃ = মার্গান্ (পথবিলাক) চ (আৰু) আশ্যানকর্দমান্ = শুষ্কপঙ্কান্ (বোকাহীন) কুর্বতী = কৃত্বা (কৰি) শৰৎ = শৰদৃতুঃ (শৰৎকালে) তং = ৰঘুং (তেওঁক অর্থাৎ ৰঘুক) শক্তেঃ = উৎসাহশক্তেঃ (নিজ উৎসাহশক্তিৰ) প্রথমং = প্রাগেৱ (পূর্বেই) যাত্রায়ৈ = দণ্ডযাত্রায়ৈ (যুদ্ধযাত্রাৰ বাবে) নোদয়ামাস = প্রেৰয়ামাস (উৎসাহিত কৰিছিল)।

২৫নং শ্লোক ঃ

বাজিনীৰাজনাবিধৌ = অশ্বানাং নীৰাজনাখ্যে শান্তিকর্মণি (ঘোঁৰাবিলাকৰ নীৰাজনানামৰ মাঙ্গলিক কার্য্যত) সম্যক্ = বিধিবৎ (যথাবিধি) হুতঃ = আহুতঃ (জ্বলোৱা) বহ্নিঃ = অগ্নিঃ (জুই) প্রদক্ষিণার্চিব্যাজেন = দক্ষিণগতং জ্বালাছলেন (দক্ষিণদিশে যোৱা শিখা) হস্তেন ইব = কৰেণ ইব (যেন হাতেৰে) তস্মৈ = ৰঘবে (তেওঁক অর্থাৎ ৰঘুক) জয়ং = বিজয়ং (বিজয়) দদৌ = প্রদত্তবান্ (দিছিল)।



জানি থোৱা ভাল

ওপৰত উল্লেখ কৰা শ্লোকসমূহৰ কিছুমান সংস্কৃত শব্দৰ সম্যক জ্ঞানৰ বাবে শ্লোকসংখ্যা অনুযায়ী চমুটোকা দিয়া হ'ল—

৩নং শ্লোক ঃ

পুৰুহুতধ্বজ— ইন্দ্ৰৰ সন্মানার্থে ভাদ মাহৰ শুক্লপক্ষত অনুষ্ঠিত কৰা পাঁচদিনীয়া এটি উৎসৱ। এখন ধ্বজা বা পতাকাৰে এটি স্তম্ভ স্থাপনেই এই উৎসৱৰ প্রধান বৈশিষ্ট্য।

১১নং শ্লোক ঃ

পঞ্চানামপি ভূতানাম্— জগতনির্মাণৰ উপাদান পঞ্চমহাভূত হ'ল— ক্ষিতি, অপ্, তেজস্, মৰুৎ আৰু আকাশঃ গন্ধ, ৰস, ৰূপ, স্পর্শ আৰু শব্দ ক্রমে এই পঞ্চমহাভূতৰ গুণ।

২১নং শ্লোক ঃ

কুম্ভযোনিঃ— কুম্ভত জন্ম হোৱা বাবে অগস্ত্যমুনিক কুম্ভযোনি বুলি জনা যায়। বশিষ্ঠ আৰু অগস্ত্যৰ মিত্র আৰু বৰুণৰ পৰা জন্মৰ বিৱৰণ, পদ্মপুৰাণ, বৃহৎ সংহিতা আদিত পোৱা যায়।

২৫নং শ্লোক ঃ

নীৰাজনা— ই ৰজাসকলে পালন কৰা এক সামৰিক আৰু ধর্মীয় বিধি। যুদ্ধ যাত্রাৰ সময়ত হাতী আৰু ঘোঁৰাৰ মঙ্গলৰ বাবে মন্ত্রাদি উচ্চাৰণৰ দ্বাৰা এই বিধি পালন কৰা হয়।

৮.৫.৩ শ্লোকসমূহৰ অনুবাদ

১) সন্ধ্যাকালত সূৰ্য্য নিহিত তেজপ্ৰাপ্ত হৈ অগ্নি যিদৰে অধিক প্ৰদীপ্ত হয়, সেইদৰে ৰঘুয়ো পিতৃ প্ৰদত্ত সাম্ৰাজ্য লাভ কৰি অধিক শোভা লাভ কৰিলে।

২) দিলীপৰ পিছত তেওঁক (ৰঘুক) সাম্ৰাজ্যত অভিষিক্ত হোৱা শুনি ৰজাসকলৰ অন্তৰত আগৰপৰাই ধূমায়িত হৈ থকা ঈৰ্ষানল যেন প্ৰজ্জ্বলিত হ'ল।

৩) যিদৰে লোকসকলে ঊৰ্ধ্বনেত্ৰে ইন্দ্ৰধ্বজৰ অভ্যুত্থান দৰ্শন কৰি পুলকিত হয়, তেনেদৰে প্ৰজাসকলে সন্ততিসকলৰে সৈতে ৰঘুৰ অভিনৱ অভ্যুদয় দৰ্শন কৰি আনন্দিত হ'ল।

৪) গজেন্দ্ৰগামী সেই ৰঘুই একেসময়তে পৈতৃক সিংহাসন আৰু সমগ্ৰ শত্ৰুমণ্ডলৰ ওপৰত অধিষ্ঠিত হ'ল।

৫) সাম্ৰাজ্যত অভিষিক্ত ৰঘুক স্বয়ং ৰাজলক্ষ্মীয়ে যেন অদৃশ্যভাৱে থাকি প্ৰভাৰ দ্বাৰা অনুমেয় পদ্মছত্ৰ ধাৰণ কৰি সেৱা কৰিব ধৰিলে।

৬) সৰস্বতীও যথাসময়ত বৈতালিকসকলৰ কণ্ঠত সন্নিধান কৰি সদৰ্থযুক্ত স্তবেৰে স্তুতিৰ যোগ্য তেওঁক (ৰঘুক) স্তুতি কৰিব ধৰিলে।

৭) যদিও পৃথিৱী মনু আদি মাননীয় ৰজাসকলৰ দ্বাৰা উপভুক্তা হৈছিল, তথাপি ৰজা ৰঘুৰ ওচৰত অনন্য উপভুক্তাৰ নিচিনা দেখা গৈছিল।

৮) সেইবাবে তেওঁ অৰ্থাৎ ৰঘুই যুক্তিসঙ্গত দণ্ডপ্ৰদান কৰি নাতিশীতোষ্ণ দক্ষিণৰ বায়ুৰ নিচিনাকৈ সকলো মানুহৰে মন হৰণ কৰিলে।

৯) যিদৰে আমগছৰ ফল হ'লে মানুহে ফুলৰ কথা পাহৰি যায়, সেইদৰে ৰঘুৰ গুনাধিক্যবশতঃ পিতৃ দিলীপৰ প্ৰতি প্ৰজাসকলৰ ঔৎসুক্য হ্ৰাস কৰিলে।

১০) নীতিশাস্ত্ৰবিশাৰদ মন্ত্ৰীসকলে সেই নতুন ৰজাক ভাল-বেয়া দুয়োবিধ নীতিৰেই উপদেশ দিলে। কিন্তু তেওঁ সৎ উপদেশেই গ্ৰহণ কৰিলে, অসৎ উপদেশ নল'লে।

১১) পৃথিৱী আদি পঞ্চমহাভূতৰ গুণসমূহেও উৎকৰ্ষ লাভ কৰিলে। সেই নতুন ৰজাৰ ৰাজত্বকালত সকলোৰেই নতুন যেন বোধ হ'ল।

১২) আহ্লাদ বিতৰণ কৰাত ইন্দুৰ 'চন্দ্ৰ'নাম আৰু তাপ প্ৰদানত সূৰ্য্যৰ 'তপন' নাম যিদৰে সাৰ্থক হৈছে, সেইদৰে প্ৰজাৰঞ্জন কৰি তেওঁৰ 'ৰজা' এই নাম সাৰ্থক হৈছে।

১৩) তেওঁৰ (ৰঘুৰ) আকৰ্ণবিস্তৃত বিশাল চকুজুৰি থাকিলেও, সূক্ষ্মকাৰ্য্যাৰ্থদৰ্শী শাস্ত্ৰজ্ঞানৰ দ্বাৰাই প্ৰকৃত দৰ্শনেন্দ্ৰিয়ৰ কাৰ্য সম্পন্ন হৈছিল।

১৪) সকলোতে শান্তি স্থাপন হোৱাত সুস্থচিত্তে তেওঁ অৱস্থান কৰাত পদ্মপুষ্পশোভিত শৰৎকাল দ্বিতীয় ৰাজলক্ষ্মীৰ নিচিনাকৈ উপস্থিত হ'ল।

১৫) অতিশয়বৃষ্টি প্ৰদানৰ দ্বাৰা মেঘৰাজি অত্যন্ত লঘু হোৱা বাবে সূৰ্য্যৰ কিৰণৰ পথ উন্মুক্ত হৈছিল। সেয়েহে সূৰ্য্যৰ তাপ আৰু ৰঘুৰ দুঃসহ প্ৰতাপ একেসময়তে চাৰিওপিনে বিয়পি পৰিল।

১৬) ইন্দ্রই বৰ্ষাকালীন ধনু অপসাৰিত কৰিলে, ৰঘুই জয়শীল ধনু ধাৰণ কৰিলে। কাৰণ তেওঁলোক দুয়োৰেই ধনু প্রজাসকলৰ হিতসাধনৰ বাবে পৰ্যায়ক্রমে উদ্যত হয়।

১৭) শৰৎঋতুৰে শ্বেতপদ্মৰূপছত্র আৰু বিকশিত কাশপুষ্পৰূপ চামৰেৰে শোভিত হৈ ৰঘুক অনুকৰণ কৰিলে। কিন্তু তেওঁৰ নিচিনা শোভাৰ অধিকাৰী হ'ব নোৱাৰিলে।

১৮) সেই সময়ত চক্ষুষ্মান্ ব্যক্তিমাত্রেই ৰঘুৰ সুপ্রসন্ন মুখকান্তি আৰু নির্মলকান্তি চন্দ্রৰ শোভা দর্শন কৰি তুল্যৰূপ আনন্দ উপভোগ কৰিলে।

১৯) তেওঁৰ (ৰঘুৰ) যশস্যাৰ বিভূতি যেন হংসমালা, নক্ষত্রপুঞ্জ আৰু কুমুদশোভিত জলাশয়ত বিয়পি পৰিল।

২০) কুহিয়াৰ গছৰ ছাঁত বহি শালিধানৰখীয়া কৃষক ৰমনীসকলে প্রজাপালক তেওঁৰ (ৰঘুৰ) গুণসম্ভূত ইন্দ্রাদিবিজয়ৰ কীর্তিসমূহ বাল্যকালীন বৃত্তান্তৰ পৰা আৰম্ভ কৰি গাবলৈ ধৰিলে।

২১) মহাপ্রভাৰী অগস্ত্যৰ উদয়ত পানী নির্মল হ'ল। কিন্তু প্রতাপী ৰঘুৰ অভ্যুদয়ত শত্রুসকলৰ হৃদয় পৰাজয়ৰ আশংকাত কলুষিত অর্থাৎ মলিন হ'ল।

২২) মদোদ্ধত বিশাল ককুদ্‌যুক্ত প্রকাণ্ড ষাড়গৰুবিলাকে নদীৰ পাৰৰ মাটি খুচৰি যেন ৰঘুৰ চিত্তাকর্ষক বিক্রমলীলাৰ অনুকৰণ কৰিবলৈ ধৰিলে।

২৩) মদগন্ধী সপ্তপর্ণ গছৰ ফুলৰ দ্বাৰা আহত হৈ যেন ঈর্ষাবশতঃ ৰঘুৰ হাতীবোৰে সপ্তদ্বাৰেৰে মদক্ষৰণ কৰিব ধৰিলে।

২৪) শৰৎকালে নদীবিলাক সহজে পাৰ হ'ব পৰা আৰু পথসমূহ বোকাহীন কৰি তুলি নিজৰ উৎসাহশক্তিৰ পূর্বেই তেওঁক (ৰঘুক) যুদ্ধযাত্রাৰ বাবে উৎসাহিত কৰিলে।

২৫) ঘোঁৰাবিলাকৰ নীৰাজনা ৰূপ মাঙ্গলিককার্য্যত যথাবিধি অগ্নিত আহুতি প্রদান কৰাত (অগ্নিৰ) দক্ষিণপিনে যোৱা শিখাই যেন তেওঁক হাতেৰে বিজয় প্রদান কৰিলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ ৰঘুবংশম্ কাব্যৰ চতুৰ্থসৰ্গৰ প্রথম শ্লোকত উল্লেখ কৰা 'গুৰু' শব্দই কাক বুজাইছে?

.....

প্রশ্ন নং ৭ ঃ তৃতীয় শ্লোকত 'পুৰুহুত' শব্দই কাক বুজাইছে?

.....

প্রশ্ন নং ৮ ঃ 'কুম্ভযোনি' বুলিলে কাক বুজা যায়?

.....

প্রশ্ন নং ৯ ঃ সহকাৰ শব্দটোৰ অর্থ কি?

.....

প্রশ্ন নং ১০ ঃ কি কাৰণে সূর্য্যৰ নাম তপন হৈছে?

.....

৮.৫.৪ ব্যাকৰণগত টোকা

১নং শ্লোক ঃ

ব্যুৎপত্তি—

প্রতিপদ্য - প্রতি-পদ্ + ল্যপ্

বভৌ - √ভা + লিট্ অ

নিহিতম্ - নি-√ধা + ক্ত (কর্মণি)

সমাস—

দিনান্তে - দিনস্য অন্তঃ (ষষ্ঠী তৎপুৰুষ), তস্মিন্। কালাধিকৰণে সপ্তমী

হতাশনঃ - হুতং অশনং যস্য সঃ (বহুব্রীহি)

২নং শ্লোক ঃ

ব্যুৎপত্তি—

প্রতিষ্ঠিতম্ - প্রতি-√স্থা + ক্ত

উত্থিতঃ - উৎ-√স্থা + ক্ত

সমাস—

প্রধূমিতঃ -প্রকৃষ্টঃ ধূমঃ (প্রাদিতৎপুৰুষ) = প্রধূমঃ। প্রধূমঃ সঞ্জাতঃ অস্য ইতি প্রধূম + ইতচ্

৩নং শ্লোক ঃ

ব্যুৎপত্তি—

ননন্দুঃ - √নন্দ্ লিট্ + উস্

সমাস—

নৰাভ্যুত্থানদর্শিন্যঃ - নৰম্ অভ্যুত্থানম্ (কর্মধাৰয়) তৎসাধু পশ্যন্তি ইতি নৰাভ্যুত্থান + √দৃশ + ণি নি। অভ্যুত্থানম্-অভি-উৎ + স্থা + ল্যুট্

উন্নয়নপক্তয়ঃ - নয়নানাং পংক্তয়ঃ (ষষ্ঠী তৎপুৰুষ), উৎঊর্দ্ধং প্রস্থিতা উল্লসিতাশ্চ নয়নপংক্তয়ঃ যাসাং তাঃ (বহুব্রীহি)

সপ্রজাঃ - প্রজাভিঃ সহ বর্তমানাঃ (বহুব্রীহি)

৪নং শ্লোক ঃ

ব্যুৎপত্তি—

সমাক্রান্তম্ - সম্ - আ- √ক্রম্ + ক্ত

সমাস—

দ্বিৰদগামিনা - দ্বৌ ৰদৌ যস্য স দ্বিৰদঃ (হস্তী) (বহুব্রীহি) দ্বিৰদ ইব গচ্ছতি ইত্যুপপদসমাসে দ্বিৰদ + গম্ + ণিনি

অৰিমণ্ডলম্ - অৰীণাং মণ্ডলম্ (ষষ্ঠী তৎপুৰুষ)

৫নং শ্লোক ঃ

ব্যুৎপত্তি—

ভেজে - √ভজ্ + লিট্ এ

সমাস—

ছায়ামণ্ডললক্ষ্যেন - ছায়ায়াঃ মণ্ডলম্ (ষষ্ঠী তৎপুৰুষ) তেন লক্ষ্যম্ (তৃতীয়া তৎপুৰুষ) তেন

পদ্মাতপত্রেণ - পদ্মম্ এৱ আতপত্রম্ (কর্মধা)। আতপাৎ ত্রায়তে ইত্যুপপদসমাসে আতপ - √ত্রৈ + ক = আতপত্রম্। হেতৌ বা কৰণে তৃতীয়া সাম্রাজ্যদীক্ষিতম্ - সাম্রাজ্যে দীক্ষিতম্ (সপ্তমী তৎপুৰুষ)

৬নং শ্লোক ঃ

ব্যুৎপত্তি—

উপতস্থে - উপ-√স্থা + লিট্ এ,

বিভক্তি নির্ণয় বন্দিষু - অধিকৰণে সপ্তমী

সমাস—

পৰিকল্পিতসান্নিধ্যা - পৰিকল্পিতং সান্নিধ্যং যয়া (বহুব্রীহি)

৭নং শ্লোক ঃ

ব্যুৎপত্তি—

ভুক্তা - √ভূজ্ + ক্ত স্ত্রিয়ামাপ্

সমাস—

মনুপ্রভৃতিভিঃ - মনুঃ প্রভৃতিঃ যেষাং তৈঃ (বহুব্রীহি)

অনন্যপূর্বা - অন্যঃ পূর্বো যস্যাঃ সা (বহুব্রীহি) = অন্যপূর্বা, ন অন্যপূর্বা (নঞ্ তৎপুৰুষ)

৮নং শ্লোক ঃ

ব্যুৎপত্তি—

আদদে - আ-√দা + লিট্ এ

সমাস—

যুক্তদণ্ডতয়া - যুক্তঃ দণ্ডঃ যস্য সঃ (বহুব্রীহি)। তস্য ভাবঃ যুক্তদণ্ড + তল্ ভাৱে, স্ত্রিয়াং টাপ্ = যুক্তদণ্ডতা

নাতিশীতোষ্ণ - শীতশ্চাসৌ উষ্ণশ্চেতি (কর্মধাৰয়) = শীতোষ্ণঃ।

অতিশয়িতঃ শীতোষ্ণঃ (প্রাদি ত্যৎপুরুষ) = অতিশীতোষ্ণঃ

ন অতিশীতোষ্ণঃ (সুপ্সুপা) = নাতিশীতোষ্ণঃ

৯নং শ্লোক—

বিভক্তি নির্ণয়—

তেন - অনুক্তে কর্তরি তৃতীয়া

সমাস—

মন্দোৎকণ্ঠাঃ - মন্দা উৎকণ্ঠা যাসাম্ (বহুব্রীহি) তাঃ

গুণাধিকতয়া - গুণানাম্ অধিকতা (ষষ্ঠীতৎপুরুষ) অধিকস্য ভাবঃ ইতি অধিক + তল্ টাপ্ = অধিকতা, হেতৌ তৃতীয়া

১০নং শ্লোক ঃ

ব্যুৎপত্তি—

উপদর্শিতম্ - উপ-দৃশ্ + নিচ্ + ক্ত

বিভক্তি নির্ণয়—

নয়বিদ্ভিঃ=অনুক্তে কর্তরি তৃতীয়া। নয়ম্ বিদন্তি ইতি নয়-বিদ্ + ক্বিপ্ = নয়বিদঃ

১১নং শ্লোক ঃ

ব্যুৎপত্তি—

উৎকর্ষম্ - উৎ- √কৃষ্ + অচ্

পুপুষুঃ - মহীং পালয়তি ইতি উপপদসমাসে মহী-পা + নিচ্ + অন = মহীপালঃ

১২নং শ্লোক ঃ

বিভক্তি নির্ণয়—

প্রহ্লাদনাৎ - হেতৌ পঞ্চমী

প্রতাপাৎ - হেতৌ পঞ্চমী

সমাস—

অন্বর্থঃ - অনুগতঃ অর্থঃ যস্য (বহু) সঃ

প্রকৃতিরঞ্জনাৎ - প্রকৃতীনাং রঞ্জনম্ (ষষ্ঠী তৎপুরুষ) তস্মাৎ

১৩নং শ্লোক ঃ

সমাস—

কর্ণান্তবিশ্রান্তে - কর্ণয়ো অন্তৌ (ষষ্ঠী তৎপুরুষ) তত্র বিশ্রান্তে (সপ্তমী তৎপুরুষ)

সুক্ষ্মকার্য্যার্থদর্শিনা - সুক্ষ্মাণি কার্য্যাণি (কর্মধারয়) তেষাম্ অর্থাঃ (ষষ্ঠী তৎপুরুষ) তান্ সাধু দর্শয়তীতি উপপদসমাসে সূক্ষ্মকার্য্যার্থ + দৃশ্ + নিচ্ + ণিনি

১৪নং শ্লোক ঃ

ব্যুৎপত্তি—

সমুপস্থিতা - সম-উপ +√স্থা + ক্ত (কর্তরি) স্ত্রিয়ামাপ্

সমাস—

লব্ধপ্রশমনস্বস্থম্ - লব্ধস্য প্রশমনম্ (ষষ্ঠী তৎপুৰুষ) তেন স্বস্থম্ (তৃতীয়া তৎপুৰুষ)

পার্থিবশ্রীঃ - পার্থিবস্য শ্রীঃ (ষষ্ঠী তৎপুৰুষ)। পৃথিব্যাঃ ঈশ্বৰঃ ইতি পৃথিবী + অন্ = পার্থিবঃ

পঙ্কজলক্ষণা - পঙ্কজং লক্ষণং যস্যাঃ সা (বহুব্রীহি)

১৫নং শ্লোক ঃ

সমাস—

মুক্তবর্ত্মা - মুক্তং বর্ত্ম যস্য সঃ (বহুব্রীহি)

সুদুঃসহঃ - সু সুষ্ঠু দুঃসহঃ (প্রাদি তৎপুৰুষ) দূৰ্ - সহ + খল্ = দুঃসহ

১৬নং শ্লোক ঃ

ব্যুৎপত্তি—

বার্ষিকং - বর্ষাসু ভৱম্ ইতি, বর্ষা + তক্ (ইক্) বার্ষিকম্

সংজহাৰ - সম্ - √হৃ + লিট্ অ

সমাস—

প্রজার্থসাধনে - প্রজানাম্ অর্থঃ (প্রয়োজনম্) (ষষ্ঠী তৎপুৰুষ)

তস্য সাধনম্ (ষষ্ঠী তৎপুৰুষ) তস্মিন্

পর্য্যায়োদ্যতকার্মুকৌ - পর্য্যয়েন উদ্যতম্ (তৃতীয়া তৎপুৰুষ)

পর্যায়োদ্যতং কার্মুকং যয়োঃ (বহুব্রীহি) তৌ

১৭নং শ্লোক ঃ

ব্যুৎপত্তি—

বিডম্বয়ামাস - বি-√ডম্ব + লিট্ অ

প্রাপ - প্র-√আপ্ + লিট্ অ

সমাস—

পুণ্ডৰীকাতপত্রঃ - পুণ্ডৰীকম্ এৱ আতপত্রম্ যস্য (বহুব্রীহি)

বিকসৎকাশচামৰঃ - বিকসন্তি কাশানি (কর্মধাৰয়) তানি এব চামৰম্ (বহুব্রীহি) যস্য সঃ

তচ্ছ্রিয়ম্ - তস্য (ৰঘোঃ) শ্রীঃ (ষষ্ঠী তৎপুৰুষ) তাম্

১৮নং শ্লোক ঃ

সমাস—

প্রসাদসুমুখে - সুশোভনং মুখং যস্য (বহুব্রীহি) সুমুখঃ

প্রসাদেন সুমুখঃ (তৃতীয়া তৎপুৰুষ) তস্মিন্

বিশদপ্রভে - বিশদা প্রভা যস্য (বহুব্রীহি) তস্মিন্

সমৰসা = সমঃ ৰসঃ যস্যাঃ স (বহুব্রীহি)

বিভক্তি নির্ণয়—

চক্ষুষ্মতাম - শেষে ষষ্ঠী। চক্ষুংষি এষাং সন্তীতি চক্ষুস্ + মতুপ্।

১৯নং শ্লোক ঃ

সমাস—

হংসশ্রেণীষু - হংসানাং শ্রেণ্যঃ (ষষ্ঠী তৎপুরুষ) তাসুঃ। অধিকরণে সপ্তমী

বুৎপত্তি—

বিভূতয়ঃ - বি-√ভূ + ক্তিন্ = বিভূতিঃ (বহুবচন)

পর্য্যস্তা - পরি- √অস্ + ক্ত (কর্মণি)

২০নং শ্লোক ঃ

ইক্ষুচ্ছায়ানিষাদিন্য - ইক্ষুণাং ছায়া (ষষ্ঠী তৎপুরুষ) ইক্ষুছায়ম্ তত্র নিষাদিন্যঃ (সপ্তমী তৎপুরুষ)

গুণোদয়ম্ - গুণেভ্যঃ উদয় যস্য তৎ (বহুব্রীহি)

২১নং শ্লোক ঃ

ব্যুৎপত্তি—

প্রসসাদ - প্র-√সদ্ + লিট্ অ

চুক্ষুভে - √ক্ষুভ্ + লিট্ এ

দ্বিষতাং - দ্বিষ্ + শতৃ, ষষ্ঠী বহুবচন, শেষে ষষ্ঠী

সমাস—

কুম্ভযোনেঃ - কুম্ভঃ যোনিঃ যস্য (বহুব্রীহি) তস্য।

মহৌজসঃ - মহৎ ওজঃ যস্য তস্য (বহুব্রীহি)

২২নং শ্লোক ঃ

ব্যুৎপত্তি—

ককুদ্মন্তঃ - প্রশস্তা ককুদ্ অস্তি অস্য ইতি ককুদ্ + মতুপ্।

অনুপ্রাপুঃ - অনু-প্র-√আপ্ + লিট্ উস্

বিক্রমম্ - বি-ক্রম্ + ঘঞ্

সমাস—

মদোদগ্রাঃ - মদেন উদগ্রাঃ (তৃতীয়া তৎপুরুষ) উদ্গতম্ অগ্রমস্য ইতি উদগ্রঃ

২৩নং শ্লোক ঃ

ব্যুৎপত্তি—

প্রসুস্রুবুঃ - প্র-স্রু + লিট্ উস্

বিভক্তি নির্ণয়—

প্রসরৈঃ - করণে তৃতীয়া

অসূয়য়া - হেতৌ তৃতীয়া

সমাস—

মদগন্ধিভিঃ - মদস্য গন্ধঃ (ষষ্ঠী তৎপুৰুষ) মদগন্ধা ইব গন্ধঃ যেষাম্ (বহুব্রীহি) তৈঃ

২৪নং শ্লোক ঃ

ব্যুৎপত্তি—

কুর্বতী - √কৃ + শতৃ + স্ত্রিয়াম্ ঙীপ্

নোদয়মাস - নুদ্ + ণিচ্ (স্বার্থে) + লিট্ অ

বিভক্তি নির্ণয়—

যাত্রায়ৈ - 'ক্রিয়ার্থোপপদস্য চ কর্মণি স্থানিনঃ' সূত্রৰ যোগত চতুর্থী

সমাস—

আশ্যানকর্দমান্ - আশ্যানঃ কর্দমঃ যেষু (বহুব্রীহি) তান্।

২৫নং শ্লোক ঃ

বিভক্তি নির্ণয়—

প্রদক্ষিণার্চিব্যাজেন - প্রকৃত্যাদিত্বাৎ তৃতীয়া

বাজিনীৰাজনাবিধৌ - অধিকৰণে সপ্তমী

সমাস—

বাজিনীৰাজনাবিধৌ - বাজিনাং নীৰজনাবিধিঃ (ষষ্ঠী তৎপুৰুষ) তস্মিন্।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১১ ঃ ৰঘুবংশম্ কাব্যৰ চতুর্থসর্গৰ ৩নং শ্লোকত উল্লেখ কৰা 'সপ্রজা' শব্দটিত প্রজা শব্দই কাক বুজাইছে?

.....

প্রশ্ন নং ১২ ঃ ৮নং শ্লোকত উল্লেখ কৰা 'নভস্বান' শব্দটিৰ ব্যুৎপত্তি দেখুওৱা।

.....

৮.৬ সংক্ষিপ্তৰূপত শ্লোকসমূহৰ বিষয়বস্তু

ৰঘুবংশম্ মহাকাব্যৰ চতুর্থসর্গত থকা প্রথম শ্লোকৰ পৰা পঞ্চবিংশতিসংখ্যক শ্লোকত (১-২৫) কবিয়ে বিষয়বস্তুৰ বর্ণনা কিদৰে দিছে তাকেই সংক্ষিপ্তভাৱে এতিয়া আপোনাক জনোৱা হ'ব। ৰজা ৰঘুৱে পিতৃ দিলীপৰ পৰা ৰাজ্য লাভ কৰে (১নং শ্লোক)। দিলীপৰ পাছত ৰঘু ৰজা হোৱা শুনি বিপক্ষ ৰজাসকলৰ মনত ভীতিৰ সৃষ্টি হ'ল (২নং শ্লোক)। ৰঘুৰ অভ্যুদয়ত প্রজাসকল আনন্দিত হয় (৩নং শ্লোক)। ৰঘু ৰজা হোৱাৰ লগে লগে ৰাজ সিংহাসনৰ লগত শত্রুসকলৰ ওপৰতো অধিকাৰ সাব্যস্ত কৰলে (৪নং শ্লোক)। ৰাজলক্ষ্মীয়ে কান্তিৰ দ্বাৰা অনুমেয় পদ্মছত্রৰ

দ্বাৰা ৰঘুৰ ভজনা কৰিছিল (৫নং শ্লোক)। বৈতালিকসকলৰ কণ্ঠত অৱস্থিত হৈ সৰস্বতীয়ে ৰঘুৰ স্তুতি কৰিছিল (৬নং শ্লোক)। মনুপ্ৰভৃতি ৰজাসকলে পৃথিৱী শাসন কৰিলেও ৰঘুৱেই যেন পৃথিৱীৰ শাসক এনে অনুমান হৈছিল (৭নং শ্লোক)। যথাযোগ্য দণ্ড বিধানৰ দ্বাৰা নাতিশীতোষ্ণ বায়ুৰদৰে ৰঘুৱে সকলোৰে চিত্ত হৰণ কৰিছিল।(৮নং শ্লোক)। অধিক গুণশালী ৰঘুৱে পিতৃ দিলীপৰ প্ৰতি প্ৰজাসকলৰ ঔৎসুক্য হ্ৰাস কৰিলে (৯নং শ্লোক)। মন্ত্ৰীসকলৰ পৰা তেওঁ সৎ উপদেশসমূহ গ্ৰহণ কৰিলে (১০নং শ্লোক)। ৰঘু ৰজা হোৱাত পঞ্চমহাভূতৰ লগত সকলোৱেই নৱৰূপ ধাৰণ কৰিলে (১১নং শ্লোক)। তেওঁ প্ৰজাৰঞ্জন কৰি 'ৰজা' হোৱাৰ সার্থকতা প্ৰমাণ কৰিলে (১২নং শ্লোক)। বিস্তৃত চক্ষুযুক্ত হ'লেও ৰঘুৰ প্ৰকৃত চকু আছিল সূক্ষ্মকর্তব্য নির্দেশক শাস্ত্ৰ (১৩নং শ্লোক)। ৰাজ্যত শান্তি স্থাপন কৰাৰপাছত দ্বিতীয় ৰাজলক্ষ্মীৰ দৰে শৰৎকাল উপস্থিত হ'ল (১৪নং শ্লোক)। শৰতৰ মেঘমুক্ত আকাশত সূর্য্যৰ প্ৰতাপ আৰু ৰঘুৰ প্ৰতাপ একেলগেই বিয়পি পৰিল (১৫নং শ্লোক)। ইন্দ্ৰই বর্ষাকালীন ধনু পৰিত্যাগ কৰাৰ লগে লগে ৰঘুই বিজয় ধনু ধাৰণ কৰিলে (১৬নং শ্লোক)। শৰতকালৰ প্ৰকৃতিয়ে ৰঘুৰ অনুকৰণ কৰিবলৈ চেষ্টা কৰিলে। কিন্তু তেওঁৰ লাৱন্য লাভ কৰিব নোৱাৰিলে (১৭নং শ্লোক)। শৰতকালীন চন্দ্ৰমা আৰু ৰঘুৰ সুপ্ৰসন্ন বদন দর্শন কৰি অক্ষিযুক্ত প্ৰত্যেক ব্যক্তিয়ে সমান আনন্দ লাভ কৰিলে (১৮নং শ্লোক)। হংসমালা, নক্ষত্ৰপুঞ্জ, কুমুদশোভিত জলাশয় আদি শৰতকালীন প্ৰকৃতিৰ সকলোতে ৰঘুৰ শুভ্ৰযশ বিচ্ছুৰিত হ'ল। (১৯নং শ্লোক)। শৰতকালীন অগস্ত্য নক্ষত্ৰৰ উদয়ৰ দ্বাৰা জল নির্মল হ'ল কিন্তু ৰঘুৰ অভ্যুদয়ত শত্ৰুৰ চিত্ত মলিন হ'ল (২১নং শ্লোক)।বিশাল ককুদ্‌যুক্ত ষাড়গৰুবোৰে মদমত্ত হৈ নদীকুল শিঙেৰে বিদীর্ণ কৰি ৰঘুৰ বিলাসভঙ্গিম। অর্থাৎ বিক্ৰমৰ অনুকৰণ কৰিলে (২২নং শ্লোক)। শৰৎকালত বিকশিত হোৱা সপ্তপর্ণ ফুলৰ গোন্ধত আভিভূত হৈ স্পর্দ্ধাবশতঃ ৰঘুৰ যুদ্ধহস্তীবিলাকে মদজল নিঃসৰণ কৰিবলৈ ধৰিলে (২৩নং শ্লোক)। শৰৎকালে নদীসমূহ সুপ্ৰতৰ কৰি, মার্গসমূহ ৰোকাহীন কৰি অনুকূল পৰিৱেশৰ সৃষ্টি কৰি যুদ্ধযাত্ৰাৰ বাবে উৎসাহিত কৰিলে (২৪নং শ্লোক)। অশ্ব আৰতিৰ অনুষ্ঠানত প্ৰজ্বলিত হোমাগ্নিয়ে দক্ষিণমুখী শিখাৰ ছলেৰে হস্তপ্ৰসাৰিত কৰি বিজয়ৰ আশীর্বাদ প্ৰদান কৰিলে (২৫নং শ্লোক)।



৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

ওপৰত কৰি অহা আলোচনাৰ অন্তত আপুনি—

- 'ৰঘুবংশম্' মহাকাব্যৰ 'ৰঘুদিগ্বিজয়ঃ' শীর্ষক চতুর্থ সর্গটিৰ সাৰাংশ জানিব পাৰিলে।
- ৰঘুৰ দ্বাৰা বিজিত ৰাজ্যসমূহৰ বিষয়েও জ্ঞান লাভ কৰিলে। ইয়াৰ দ্বাৰা প্ৰাচীন কালৰ ভাৰতৰ স্থানসমূহৰ ভৌগোলিক অৱস্থিতিও জানিব পাৰিলে।
- ৰজা ৰঘুৰ বর্ণনাৰ লগে লগে শৰৎকালৰ বর্ণনাৰ বিষয়েও অৱগত হ'ল।
- প্ৰথম শ্লোকৰ পৰা পঞ্চবিংশতি শ্লোকলৈ সংস্কৃত পাঠ, শ্লোকসমূহত ব্যৱহৃত কঠিন শব্দসমূহৰ ব্যাকৰণগত টোকাও জানিব পাৰিলে।
- ইয়াৰ উপৰিও শ্লোকসমূহত প্ৰাপ্ত কিছুমান বিশেষ শব্দৰ অর্থবোধ জ্ঞান হ'ল।



৮.৮ অধিক জানিবলৈ

১) কালে, এম. আৰ. (সম্পা.) ঃ *ৰঘুবংশম্ অব্ কালিদাস*; দিল্লী ঃ মতিলাল বানাৰসীদাস পাব্লিছার্চ প্রাইভেট লিমিটেড।

২) গোস্বামী, ডঁ মালিনী (২০০৯) ঃ *ৰঘুৰপি কাব্যম্*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৩) চাকী, জ্যোতিভূষণ আৰু বসু, ৰত্না ঃ *সংস্কৃত সাহিত্য সম্ভাৰ, খণ্ড-১০*; (অনুবাদ)।



৮.৯ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ৰঘুৱে ৰজা দিলীপৰ পৰা ৰাজ্য লাভ কৰিছিল।

২নং প্রশ্নৰ উত্তৰ ঃ ৰঘুৱে শৰৎ ঋতুত দিগ্বিজয় আৰম্ভ কৰিছিল।

৩নং প্রশ্নৰ উত্তৰ ঃ ৰঘুৱে প্রথমেই পূব দিশলৈ যাত্রা কৰিছিল।

৪নং প্রশ্নৰ উত্তৰ ঃ ৰঘুৱে হিমালয় পর্বতত পৰাস্ত কৰা পার্বত্য জাতিটোৰ নাম উৎসৱ সংকেত।

৫নং প্রশ্নৰ উত্তৰ ঃ দিগ্বিজয়ৰ পিছত ৰঘুৱে বিশ্বজিৎ যজ্ঞ সম্পাদন কৰিছিল।

৬নং প্রশ্নৰ উত্তৰ ঃ প্রথম শ্লোকত উল্লেখ কৰা ‘গুৰু’ শব্দই পিতৃ দিলীপক বুজাইছে।

৭নং প্রশ্নৰ উত্তৰ ঃ তৃতীয় শ্লোকত উল্লেখ কৰা ‘পুৰুহুত’ শব্দই ইন্দ্রক বুজাইছে।

৮নং প্রশ্নৰ উত্তৰ ঃ কুম্ভযোনি বুলিলে অগস্ত্যমুনিক বুজায়।

৯নং প্রশ্নৰ উত্তৰ ঃ সহকাৰ শব্দটোৰ অর্থ আম।

১০নং প্রশ্নৰ উত্তৰ ঃ তাপ প্রদান কৰা বাবে সূর্য্যৰ নাম তপন হৈছে।

১১নং প্রশ্নৰ উত্তৰ ঃ ৩নং শ্লোকত উল্লেখ কৰা সপ্রজাঃ শব্দটিত প্রজা শব্দই সন্তানক বুজাইছে।

১২নং প্রশ্নৰ উত্তৰ ঃ ৮নং শ্লোকত উল্লেখ কৰা নভস্বান্ শব্দটোৰ ব্যুৎপত্তি হ’ল নভস্ + মতুপ্।



৮.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ ‘ৰঘুবংশম্’ মহাকাব্যৰ চতুৰ্থসর্গৰ নামকৰণৰ তাৎপর্য্য চমুকৈ লিখক।

প্রশ্ন ২ ঃ ৰঘুৱে উত্তৰ দিশলৈ গতি কৰি কাক পৰাভূত কৰিছিল?

খ) চমু প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০-৩০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ তলত উল্লেখ কৰা শব্দবোৰৰ ব্যাকৰণগত টোকা লিখক।

প্রতিষ্ঠিতম্, ননন্দুঃ, উন্নয়নপংক্তয়ঃ, ভেজে, উপতস্থে, ছায়ামণ্ডললক্ষ্যেণ।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ৰঘুৰ দিগ্বিজয়ত বৰ্ণনা কৰা মতে শৰৎকালৰ বৰ্ণনা দিয়ক।

প্ৰশ্ন ২ ঃ ৰজা হিচাপে ৰঘুৰ গুণাৱলী বৰ্ণনা দিয়ক।

*** ***** ***

অধ্যায় ৯ ঃ ৰঘুবংশম্— চতুর্থসর্গ (শ্লোক ২৬-৫২)

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ চতুর্থসর্গৰ শ্লোক (২৬-৫২)সমূহৰ সংস্কৃত পাঠ

৯.৩.১ শ্লোকসমূহৰ গদ্যপাঠ

৯.৩.২ শ্লোকসমূহৰ শব্দার্থ

৯.৩.৩ শ্লোকসমূহৰ অসমীয়া অনুবাদ

৯.৪ ব্যাকৰণগত টোকা

৯.৫ সংক্ষিপ্ত ৰূপত শ্লোকসমূহৰ বিষয়বস্তু

৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৭ অধিক জানিবলৈ

৯.৮ অগ্রগতিৰ খতিয়ান

৯.৯ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ‘ৰঘুবংশম্’ মহাকাব্যৰ চতুর্থসর্গৰ এটি অংশৰ বিষয়বস্তুৰ আভাস পাব
- চতুর্থসর্গৰ শ্লোক (২৬-৫২)সমূহৰ সংস্কৃত পাঠৰ লগত গদ্যপাঠ, শব্দার্থ আৰু অসমীয়া অনুবাদো অধ্যয়ন কৰিব পাৰিব
- শ্লোকসমূহৰ কঠিন শব্দবোৰৰ ব্যাকৰণগত বিশ্লেষণৰ লগত অৱগত হ’ব
- ৰঘুৰ দিগ্বিজয়ৰ একাংশ পঢ়িবলৈ পাব।

৯.২ পৰিচয়

আপুনি ইতিমধ্যে ‘ৰঘুবংশম্’ মহাকাব্যৰ চতুর্থসর্গৰ (১-২৫)লৈকে শ্লোকসমূহ অধ্যয়ন কৰিলে। শ্লোকসমূহত বর্ণিত ৰজা হিচাপে ৰঘুৰ গুণাৱলী আৰু শৰৎকালৰ বর্ণনাও পঢ়িবলৈ পালে। এই অধ্যয়নত আপুনি চতুর্থসর্গৰে (২৬-৫২লৈকে) শ্লোকসমূহ অধ্যয়ন কৰিব পাৰিব। শ্লোকসমূহৰ সংস্কৃত পাঠৰ লগতে প্রতিটো শব্দৰ অর্থ আৰু অসমীয়া অনুবাদো পঢ়িবলৈ পাব, লগতে শ্লোকসমূহৰ কঠিন শব্দসমূহৰ ব্যাকৰণগত বিশ্লেষণো জানিব পাৰিব। ইয়াৰ উপৰিও ৰঘুৰ দিগ্বিজয় যাত্রা সম্পর্কেও জ্ঞান লাভ কৰিব পাৰিব।

৯.৩ চতুর্থসর্গৰ শ্লোক (২৬-৫২)সমূহৰ সংস্কৃত পাঠ

এতিয়া আপুনি 'ৰঘুবংশম্' মহাকাব্যৰ চতুর্থসর্গৰ শ্লোকসমূহৰ (২৬-৫২) সংস্কৃত পাঠ পঢ়িবলৈ পাব। শ্লোকসমূহ তলত উল্লেখ কৰা হ'ল।



অচ্যুত = বিষ্ণু
প্রাচীনবর্হিষা = ইন্দ্র

স গুপ্তমূলপ্রত্যন্তঃ শুদ্ধপার্ষ্ণিৰয়ান্বিতঃ।
ষড়্বিধং বলমাদায় প্রতস্থে দিগ্‌জিগীষয়া।। ২৬
অবাকিৰণ্ বয়োবৃদ্ধাস্তং লাজৈঃ পৌৰযোষিতঃ।
পৃষতৈর্মন্দৰোদ্ধৃতৈঃ ক্ষীৰোন্ময় **ইবাচ্যুতম্**।। ২৭
সযয়ৌ প্রথমং প্রাচীং তুল্যঃ **প্রাচীনবর্হিষা**।
অহিতাননিলোদ্ধুতৈস্তর্জ্জয়ন্নিব কেতুভিঃ।। ২৮
ৰজোভিঃ স্যন্দনোদ্ধুতৈর্গজৈশ্চ ঘনসন্নিভৈঃ।
ভূবস্তলমিব ব্যোম কুর্বণ্ ব্যোমেব ভূতলম্।। ২৯
প্রতাপোহগ্র ততঃ শব্দঃ পৰাগস্তদনন্তৰম্।
যযৌ পশ্চাদ্রথাদীতি চতুস্কন্ধেব সা চমূঃ।। ৩০
মৰুপৃষ্ঠান্যুদম্ভাংসি নাব্যাঃ সুপ্রতৰা নদীঃ।
বিপিনানি প্রকাশানি শক্তিমত্ত্বাচ্চকাৰ সঃ।। ৩১
স সেনাং মহতীং কর্ষণ্ পূর্বসাগৰগামিনীম্।
বভৌ হৰজটাভ্রষ্টাং গঙ্গামিব ভগীৰথঃ।। ৩২
ত্যাজিতৈঃ ফলমুৎখাতৈর্ভগ্নৈশ্চ বহুধা নৃপৈঃ।
তস্যাসীদুল্বণো মার্গঃ পাদপৈৰিব দন্তিনঃ।। ৩৩
পৌৰস্ত্যানেবমা'ক্রামন্ তাংস্তান্ জনপদান্ জয়ী।
প্রাপ তালীবনশ্যামলুপকণ্ঠং মহোদধেঃ।। ৩৪
অনম্রানাং সমুদ্ধর্তুস্তস্মাত্ সিন্ধুৰয়াদিব।
আত্মা সংৰক্ষিতঃ সুহ্মৈর্বৃত্তিমাশ্রিত্য বৈতসীম্।। ৩৫
বঙ্গানুৎখায় তৰসা নেতা নৌসাধনোদ্যতান্।
নিচখান জয়স্তস্তান্ গঙ্গাস্রোতোহন্তৰেষু সঃ।। ৩৬
আপাদপদ্মপ্রণতা কলমা ইব তে ৰঘুম্।
ফলৈঃ সংবর্দ্ধয়ামাসুৰুত্খাত প্রতিৰোপিতা।। ৩৭
স তীর্ত্বা কপিশাং সৈন্যৈর্বদ্ধ দ্বিৰদসেতুভিঃ
উৎকলদর্শিতপথঃ কলিঙ্গাভিমুখো যযৌ।। ৩৮
স প্রতাপং মহেন্দ্রস্য মূর্ধ্নি তীক্ষ্ণং ন্যবেশয়ৎ।
অঙ্কুশং দ্বিৰদস্যেব যন্তা গম্ভীৰবেদিনঃ।। ৩৯
প্রতিজগ্রাহ কালিঙ্গস্তমস্ত্রৈর্গজসাধনঃ।

পক্ষচ্ছেদোদ্যতং শক্রং শিলাবর্ষীৰ পর্বতঃ ।। ৪০
দ্বিষাং বিষহ্য **কাকুৎস্থ**স্তত্র নাৰাচদুর্দিনম্।
সন্মঙ্গলস্নাত ইব প্রতিপেদে জয়শ্রিয়ম্।।৪১।।
তাম্বুলীনাং দলৈস্তত্র ৰচিতাপানভূময়ঃ
নাৰিকেলাসৱং যোধা শাত্রবঞ্জ পপুর্যশঃ।। ৪২
গৃহীত প্রতিমুক্তস্য স ধর্মবিজয়ী নৃপঃ।
শ্রিয়ং মহেন্দ্রনাথস্য জহাৰ ন তু মেদিনীম্।। ৪৩
ততো বেলাতটৈনৈব ফলবৎপূগমালিনা।
অগস্ত্যাচৰিতামাশামনাশাস্যজয়ো যযৌ।। ৪৪
স সৈন্যপৰিভোগেন গজদানসুগন্ধিনা।
কাবেৰীং সৰিতাং পত্যুঃ শঙ্কনীয়ামিবাকৰোৎ।। ৪৫
বলৈৰধ্যুষিতাস্তস্য বিজিগীষোর্গতাধ্বনঃ।
মাৰীচোদ্‌ভ্রান্তহাৰীতা মলয়াদ্রেৰুপত্যকাঃ।। ৪৬
সসঞ্জুৰশ্বক্ষুণ্ণানামেলানামুৎপতিষ্ণবঃ।
তুল্যগন্ধিষু মত্তেভকটেষু ফলৰেনৱঃ।। ৪৭
ভোগিবেষ্টনমার্গেষু চন্দনানাং সমর্পিতম্।
নাস্রসৎ কৰিণাং গ্রৈবং ত্রিপদীচ্ছেদিনামপি।। ৪৮
দিশি মন্দায়তো তেজো দক্ষিণস্যাং ৰবেৰপি।
তস্যামেব ৰঘোঃ পাণ্ড্যাঃ প্রতাপং ন বিষেহিৰে।। ৪৯
তাম্রপর্ণীসমেতস্য মুক্তাসাৰং মহোদধেঃ।
তে নিপত্য দদুস্তস্মৈ যশঃ খমিব সঞ্চিতম্ ।। ৫০
স নির্বিশ্য যথাকামং তটেত্বালীনচন্দনৌ।
স্তনাবিৱ দিশস্তস্যাঃ শৈলৌ মলয়দর্দুৰৌ। ৫১
অসহ্যবিক্রমঃ সহ্যং দুৰান্মুক্তমদন্বতা
নিতম্বমিব মেদিন্যাঃ স্রস্তাংশুকমলঙঘয়ত্।। ৫২



কাকুৎস্থ = ৰঘু

৯.৩.১ শ্লোকসমূহৰ গদ্যপাঠ

এতিয়া আপুনি ওপৰত উল্লেখ কৰা 'ৰঘুবংশম্' মহাকাব্যৰ চতুর্থসর্গৰ শ্লোকসমূহৰ গদ্যপাঠ পঢ়িবলৈ পাব।

২৬) গুপ্তমূলপ্রত্যন্তঃ শুদ্ধপার্ষ্ণিঃ অয়াম্বিতঃ সঃ ষড়্বিধং বলম্ আদায় দিগজিগীষয়া প্রতস্থে।

২৭) বয়োবৃদ্ধাঃ পৌৰযোষিতঃ তং লাজৈঃ ক্ষীবোন্ময়ঃ মন্দেৰোদ্ধুতৈঃ পৃষতৈঃ অচ্যুতমিৱ অবাকিৰণ।



অনিলোদ্ধুতৈঃ = অনিল + উদ্ধুতৈঃ তর্জয়ন্নিব = তর্জয়ন্ + ইব

স্যন্দনোদ্ধূতৈঃ = স্যন্দন + উদ্ধুতৈঃ

২৮) প্রাচীনবর্হিষা তুল্য স **অনিলোদ্ধুতৈঃ** কেতুভিঃ অহিতান তর্জয়ন্নিব প্রথমং প্রাচীং যযৌ।

২৯) **স্যন্দনোদ্ধূতৈঃ** ৰজোভিঃ ঘনসন্নিভৈঃ গজৈশ্চ (যথাক্রমম্) ব্যোম ভূতলমিব ভূতলশ্চ ব্যোমেব কুর্বন্ (যযৌ)

৩০) সঃ শক্তিমত্ত্বাত্ মৰুপৃষ্ঠানি উদন্তাংসি নাব্যানদী সুপ্রতৰাঃ বিপিনানি প্রকাশনি চকাৰ।

৩২) মহতীং সেনাং পূর্বসাগৰগামিনীং কর্ষণ্ সঃ হৰজটা ভ্রষ্টাং গঙ্গাং (পূর্বসাগৰগামিনীং কর্ষন্) ভগীৰথ ইব বভৌ।

৩৩) ফলং ত্যাজিতৈঃ উৎখাতৈঃ বহুধা ভগ্নৈশ্চ নৃপৈঃ পাদপৈঃ দন্তিন ইব তস্য মার্গঃ উল্বণ আসীৎ।



তাংস্তান্ = তান্ +তান্

৩৪) জয়ী (সঃ) পৌৰস্তান্ **তাংস্তান্** জনপদান্ এবম্ আক্রামন্ তালীবনশ্যামং মহোদধেঃ উপকণ্ঠং প্রাপ।



নৌসাধনোদ্যতান্ = নৌসাধন + উদ্যতান

৩৫) অনভ্রানাং সমুদ্ধর্তুঃ তস্মাৎ সিন্ধুৰয়াদিব সুহ্মৈঃ বৈতসীং বৃত্তিম্ আশ্রিত্য আত্মা সংৰক্ষিতঃ।

৩৬) নেতা সঃ **নৌসাধনোদ্যতান্** তৰসা উৎখায় গঙ্গাস্রোতোহন্তৰেষু জয়স্তম্ভান্ নিচখান।

৩৭) উৎখাতপ্রতিৰোপিতাঃ আপাদপদ্মপ্রণতাঃতে কলমা ইব ৰঘুং ফলৈঃ সংবর্দ্ধয়ামাসুঃ।

৩৮) সঃ বদ্ধদ্বিৰদসেতুভিঃ সৈন্যৈঃ কপিশাং তীর্ত্বা উৎকলদর্শিতপথঃ কলিঙ্গাভিমুখঃ সন্ যযৌ।



পক্ষচ্ছেদোদ্যতম্ = পক্ষচ্ছেদ + উদ্যতম্

৩৯) সঃ মহেন্দ্রস্য মূর্ধ্নি তীক্ষ্ণং প্রতাপং যন্তা গম্ভীৰবেদিনো দ্বিৰদস্য মূর্ধ্নি তীক্ষ্ণম্ অঙ্কুশমিব ন্যবেশয়ত্।

৪০) গজসাধনঃ সন্ কালিঙ্গঃ অস্ত্রৈং তম্ **পক্ষচ্ছেদ্যোদ্যতং** শত্রুং শিলাবর্ষী পর্বত প্রতিজগ্রাহ।

৪১) কাকুৎস্থঃ তত্র দ্বিষাং নাৰাচদুর্দিনং বিষস্য সন্মঙ্গলস্নাত ইব জয়শ্রিয়ং প্রতিপেদে।

৪২) তত্র যোধা ৰচিতাপানভূময়ঃ তাম্বুলীনাং দলৈঃ নাৰিকেলাসৰং শাত্রবং যশশ্চ পপুঃ।

৪৩) ধর্মবিজয়ী স নৃপঃ গৃহীতপ্রতিমুক্তস্য মহেন্দ্রনাথস্য শ্রিয়ং জহাৰ, মেদিনীংতু ন (জহাৰ)।

৪৪) ততঃ অনাশাস্যজয়ঃ (সন্) ফলবৎপূগমালিনা বেলাতটেনৈব অগস্ত্যাচৰিতাম্ আশাং যযৌ।

৪৫) সঃ গজদানসুগন্ধিনা সৈন্যপৰিভোগেন কাবেৰীং সৰিতাং পত্যুঃ শঙ্কনীয়ামিব অকৰোত্।

৪৬) বিজিগীষোঃ গতাধ্বনঃ তস্য (ৰঘোঃ) বলৈঃ মাৰীচোদভ্রান্তহাৰিতাঃ মলয়াদ্রেঃ উপত্যকাঃ অধ্যুষিতাঃ।

৪৭) অশ্বক্ষুণ্ণানাম্ এলানাম্ উৎপতিষ্ণবঃ ফলৰেণবঃ তুল্যগন্ধিষু মত্তেভকটেষু সসঞ্জুঃ।

৪৮) চন্দনানাং ভোগিবেষ্টনমার্গেষু সমর্পিতং ত্রিপদীচ্ছেদিনাম্ অপি বাৰিনাং গ্রৈবং নাস্রসৎ।

৪৯) দক্ষিণস্যাং দিশি ৰবেৰপি তেজঃ মন্দায়তে, তস্যমেব পাণ্ড্যাঃ ৰঘোঃ প্রতাপং ন বিষেহিৰে।

৫০) তে তাম্রপর্ণীসমেতস্য মহোদধেঃ সম্বন্ধি সঞ্জিতং মুক্তাসাৰং খং সঞ্জিতং যশ ইব তস্মৈ নিপত্য দদুঃ।

৯.৩.২ শ্লোকসমূহৰ শব্দার্থ

২৬) গুপ্তমূল প্রত্যন্তঃ = স্বনিবাসস্থানং প্রান্তদুর্গঞ্চ ৰক্ষিতঃ (নিবাস দুর্গ আৰু প্রান্তদুর্গ ৰক্ষা কৰি) শুদ্ধপার্ষ্ণিঃ = উদ্ধৃত পৃষ্ঠশত্রুঃ (পৃষ্ঠশত্রুক নির্মূল কৰি) অয়ান্বিতঃ = শুভদৈবান্বিতঃ (শুভ দৈবযুক্তহৈ) সঃ = ৰঘুঃ (তেওঁ অর্থাৎ ৰঘুৰে) ষড্ বিধং = মৌলভৃত্যাদিষট্ প্রকাৰকং (মৌলভৃত্যাদি ছয় প্রকাৰৰ) বলং = সৈন্যম্ (সৈন্য) আদায় = গৃহীত্বা (লৈ) দিগ্‌জিগীষয়া = দিশাং জেতুমিচ্ছয়া (দিগ্বিজয়ার্থে) প্রতস্থে = চচাল (প্রস্থান কৰিছিল)।

২৭) বয়োবৃদ্ধাঃ = প্রবীণা ঃ (বয়োবৃদ্ধ) পৌৰযোষিতঃ = নগৰনার্য্যাঃ (পুৰনাৰী সকলে) লাজৈঃ = অক্ষতৈঃ (আখৈৰে) তং = প্রযান্তং ৰঘুং (ৰঘুক) ক্ষীৰোন্ময় = ক্ষীৰসমুদ্রোর্ময়ঃ (ক্ষীৰসমুদ্রৰ তৰঙ্গমালা) মন্দৰোদ্ধুতৈঃ = মন্দৰপর্বতেন উৎক্ষিপ্তৈঃ (মন্দৰ পর্বতৰদ্বাৰা উৎক্ষিপ্ত) পৃষতৈঃ = বিন্দুভিঃ (পানীৰকণিকাৰে) অচ্যুতমিব = বিষ্ণুম্ ইব (যেন ভগবান বিষ্ণুক) অবাকিৰণ্ = পর্যক্ষিপন্ (চাকি পেলালে)।

২৮) প্রাচীনবর্হিষা তুল্যঃ ইন্দ্রতুল্যঃ (ইন্দ্রতুল্য) সঃ = ৰঘুঃ (ৰঘুৰে) অনিলোদ্ধতৈঃ = অনুকূলবাতেন উদ্ধুতৈঃ (অনুকুলবায়ুৰে কম্পিভ) কেতুডিঃ = ধ্বজৈঃ (পতাকাৰে) অহিতান্ = শত্রুন্ (শত্রুবিলাকক) তর্জ্জয়ন্নিব = ভৎর্সয়ন ইব (যেন তর্জন কৰি) প্রথমং = আদৌ (প্রথমতেই) প্রাচীং = পূর্বদিশং (পূব দিশলৈ) যযৌ = জগাম (গ'ল)।

২৯) স্যন্দনোদ্ধুতৈঃ = ৰথেন উত্থিতৈঃ (ৰথত উৰা) ৰজোভিঃ = (ধূলিৰে) ঘনসন্নিভৈঃ = মেঘতুল্যৈঃ (বৰণ ক্রিয়া আৰু আকাৰত মঘৰ নিচিনা) গজৈশ্চ = মাতংগৈঃ চ (হাতীৰোৰেৰে) (যথাক্রমম = যথাক্রমে) ব্যোম = আকাশং (আকাশক) ভুবঃ তলম্ = ভূতলম্ (ভূতলত) = পৃথিৱীং চ (আৰু ভূতলক) ব্যোমেব = আকাশমেব (আকাশৰ দৰে) কুর্বণ্ = কুর্বতা (যযৌ = গ'ল)।

৩০) অগ্রে = সর্বাগ্রে (সকলোতকৈ আগত) প্রতাপঃ = তেজোবিশেষঃ (প্রতাপ), ততঃ = পশ্চাৎ (তাৰ পিছত) শব্দঃ = সেনাকলকলঃ (কোলাহল) তদনন্তৰং = ততঃ (তাৰ পিছত) পৰাগঃ = ধূলিঃ (ধূলি) পশ্চাদ্ = তদনন্তৰং (তাৰ পিছত) ৰথাদি = ৰথাশ্বাদিকং চতুৰঙ্গবলং (ৰথ আদি) ইতি = ইত্থং (এইদৰে) চতুস্কন্ধেব = চতুর্ব্যুহেব (চাৰিভাগ হৈ) সা চমূঃ = তৎ সৈন্যবলং (সৈন্য) যযৌ = জগাম (যাব ধৰিলে)।

৩১) সঃ = ৰঘুঃ (সেই ৰঘুৰে) শক্তিমত্ত্বাৎ = সমর্থত্বাৎ (শক্তিৰ বলত) মৰুপৃষ্ঠানি = নির্জলস্থানানি (মৰুভূমিক) উদম্ভাংসি = উদ্‌ভূতজলানি (জলময়) নাব্যা = নৌভিঃ

তার্য্যাঃ (নাওচলা) নদীঃ = সৰিতঃ (নদীবোৰক) সুপ্রতৰাঃ = সুখেন তার্য্যাঃ (সহজে পাৰ হ'ব পৰা) বিপিনানি = অটব্যম্ অৰণ্যম্ (অৰণ্যসমূহ) প্রকাশানি = নিবৃক্ষাণি (গছহীন) চকাৰ = কৃতবান্ (কৰিলে)।

৩২) মহতীং = বিশালং (বিশাল) সেনাং = সৈন্যবলম্ (সৈন্যক) পূর্বসাগৰ গামিনীম্ = পূর্বসাগৰাভিমুখী (পূব সমুদ্রৰ ফালে) কর্ষণ্ = নীতবান্ (লৈ গৈছিল) সঃ = ৰঘু ঃ (তেওঁ অর্থাৎ ৰঘুই) হৰজটাভ্রষ্টাং = হৰস্য জটাভ্যঃ পতিতাং (হৰজটা পৰিভ্রষ্ট) গঙ্গাম্ = গঙ্গানদীম্ (গঙ্গা নদীক) পূর্বসাগৰ গামিনীং কর্ষণ্ = (পূব সাগৰৰ পনে লৈ যোৱা) ভগীৰথ ইব = ভগীৰথইতি সূর্যবংশীয় ৰাজা ইব (ভগীৰথৰ দৰে) বভৌ = শোভাং প্রাপ্তবান্ (শোভা পাইছিল)।

৩৩) ফলং ত্যজিতৈঃ = লাভং বৃক্ষপক্ষে প্রসৱং হীনৈঃ (ধনহীন আৰু বৃক্ষপক্ষত ফলহীন কৰি) উৎখাতৈঃ = স্বপদাৎ ত্যাজিতৈঃ বৃক্ষপক্ষে উৎপাটিতৈঃ (ৰাজ্যচ্যুত আৰু উন্মূলিত কৰি) বহুধা ভগ্নৈশ্চ = ৰণে জিতৈঃ বৃক্ষপক্ষে ছিন্নৈঃ (পৰাভূত আৰু ছিন্নভিন্ন কৰি) নৃপৈঃ = ৰাজভিঃ (ৰজাবিলাকক) পাদপৈঃ = বৃক্ষৈঃ (গছবোৰক) দন্তিনঃ ইব = গজস্য ইব (বনৰীয়া হাতীৰ দৰে) তস্য = ৰঘোঃ (ৰঘুৰ) মার্গ = পন্থা (পথ) উল্বনঃ = প্রকাশঃ, নিষ্কণ্টকঃ (নিষ্কণ্টক) আসীৎ = অভৱৎ (হৈছিল)।

৩৪) জয়ী = জয়নশীলঃ (জয়শীল) সঃ = ৰঘু (তেওঁ অর্থাৎ ৰঘুই) পৌৰস্ত্যান্ = প্রাচ্যান্ (পূর্বদেশীয়) তাংস্তান্ = সর্বাণ্ (সেই সমগ্র) জনপদান্ = দেশান্ (দেশক) এৱম্ = ইত্থং প্রকাৰেন (এইদৰে) আক্রামন্ = আক্রামনং কৃত্বা (আক্রমণ কৰি) তালীবনশ্যামং = তালীবনৈঃ শ্যামবর্ণং (তালবন শ্যামল) মহোদধেঃ = মহাসাগৰস্য (মহাসাগৰৰ) উপকণ্ঠং = অন্তিকং (উপকূল) প্রাপ = উপনীতঃ (উপস্থিত হ'ল)।

৩৫) অনম্রানাং = উদ্ধতস্বভাবানাং (উদ্ধত স্বভাৱৰ) সমুদ্ধর্তুং = উন্মুলয়িতুং (উচ্ছেদসাধনকাৰী) তস্মাৎ = ৰঘোঃ সকাশাৎ (ৰঘুৰ ওচৰত) সিন্ধুৰয়াদিব = নদীবেগাৎ ইব (যিদৰে নদী বেগৰ ওচৰত) সুহ্মৈঃ = সুহ্মাদেশীয়ৈঃ (সুহ্মাদেশীয় ৰজাসকলে) বৈতসীং = বেতসম্বন্ধিনীং (বেত গছৰ) বৃত্তিং = স্বভাবং অর্থাৎ প্রণতিং (বৃত্তি) আশ্রিত্য = আদায় (লৈ) আত্মা সংৰক্ষিতং = আত্মৰক্ষাং কৃতবন্তঃ (আত্মৰক্ষা কৰিছিল)।

৩৬) নেতা = নায়কঃ (সেনানায়ক) সঃ = ৰঘুঃ (ৰঘুৱে) নৌসাধনোদ্যতান্ = নৌভিঃ সাধনৈঃ সন্নদ্ধান্ (নৌবাহিনীৰ সহায়ত যুদ্ধলৈ উদ্যত) বঙ্গান্ =বঙ্গান্ ৰাজ্ঞঃ (বঙ্গীয় ৰজাসকলক) তৰসা = বলেন (বলেৰে) উৎখায় = উন্মূল্য (উৎখাত কৰি) গঙ্গাস্রোত্যোন্তৰেষু = গঙ্গাপ্রবাহানাম্ দ্বীপেষু (গঙ্গাৰ মাজৰ দ্বীপবোৰত) জয়স্তম্ভান্ = বিজয়স্তম্ভান্ (বিজয়স্তম্ভ) নিচখান = স্থাপিতবান্ (স্থাপন কৰিছিল)।

৩৭) আপাদপদ্মপ্রণতাঃ = অঙঘ্রপর্য্যন্তম্ প্রণতাঃ (পাদমূল পর্য্যন্ত অবনত) উৎখাতপ্রতিৰোপিতাঃ = পূর্বং উদ্ধৃতা পশ্চাৎ স্থাপিতাঃ (প্রথমতে উন্মূলিত আৰু

পিছত স্থাপিত) তে = বঙ্গীয় নৃপতয়ঃ (বঙ্গদেশীয় ৰজাসকলে) কলমা ইব = শালিবিশেষা ইব (শালিধানৰ দৰে) ৰঘুং = ৰঘুক ফলৈঃ = ধনৈঃ শস্যৈশ্চ (ধন আৰু শস্যৰ দ্বাৰা) সংবর্দ্ধয়ামাসুঃ = সংবর্দ্ধনাং জ্ঞাপিতবান্তঃ (অভিনন্দন কৰিছিল)।

৩৮) সঃ = ৰঘুঃ (সেই ৰঘুৰে) বদ্ধদ্বিৰদসেতুভিঃ = দ্বিৰদেন বদ্ধাসেতুভিঃ (হাতীৰে সেতু বন্ধন কৰি) সৈন্যৈঃ = সেনাবলেন সহ (সসৈন্যে) কপিশাং = কপিশাং নাম নদীম্, 'কৰভাম্' ইতি কেষাংচিত মতে (কপিশা নদী, কিছুমানৰ মতে 'কৰভা') তীর্ত্বা = তৰণং কৃত্বা (পাৰ হৈ) উৎকলাদর্শিত পথঃ = উৎকলৈঃ ৰাজভিঃ সন্দর্শিতমার্গঃ (উৎকলৰ ৰজাসকলে দেখুৱাই দিয়া পথেৰে) কলিঙ্গাভিমুখঃ = কলিঙ্গ ইতি দেশং প্রতি (কলিঙ্গ দেশ অভিমুখে) যযৌ = গতবান্ (যাত্রা কৰিছিল)।

৩৯) সঃ = ৰঘু (সেই ৰঘুৰে) মহেন্দ্রস্য = কুলপর্বতবিশেষস্য (মহেন্দ্র পর্বতৰ) মূর্দ্ধি = শিৰসি (মূৰত) তীক্ষ্ণং = দুঃসহং (দুঃসহ) প্রতাপং = শক্তিং তেজং বা (প্রতাপ) যন্তা = সাৰথিঃ (মাউতে) গম্ভীৰবেদিনঃ দ্বিৰদস্য = গজবিশেষস্য (গম্ভীৰবেদী নামৰ হাতীবিশেষৰ) মূর্দ্ধি = (মূৰত) তীক্ষ্ণং = নিশিতম্ (চোকা) অঙ্কুশমিব = হস্তীচালনায়াং প্রয়োজনীয়মস্ত্রমিব (অঙ্কুশৰ দৰে) ন্যৱেশয়ৎ = নিক্ষিপ্তবান্ (নিবেশিত কৰিছিল)

৪০) গজসাধনঃ = গজাৰোহী সৈন্যবলম্ (গজাৰোহী সৈন্য) কালিঙ্গঃ = কলিঙ্গানাং ৰাজা (কলিঙ্গৰাজ) অস্ত্রৈঃ = আয়ুধৈঃ (অস্ত্রবর্ষণ কৰি) তং = ৰঘুং (তেওঁক) পক্ষচ্ছেদোদ্যতং = পক্ষানাং ছেদে উদ্যুক্তম্ (পক্ষ অর্থাৎ পাখি ছেদ কৰিবলৈ উদ্যত) শত্রুং = ইন্দ্রং (ইন্দ্রক) শিলাবর্ষী = প্রস্তৰবর্ষী (শিলাবর্ষণৰ দ্বাৰা) পর্বত ইব = গিৰিৰিব (পর্বতৰ দৰে) প্রতিজগ্রাহ = প্রত্যভিযুক্তবান্ (প্রতিৰোধ কৰিছিল)।

৪১) কাকুৎস্থঃ = ৰঘুঃ (ৰঘুই) তত্র = মহেন্দ্র পর্বতাদৌ স্থানে (তাত অর্থাৎ মহেন্দ্র পর্বতত) দ্বিষাং = শত্রুণাং (শত্রুসকলৰ) নাৰাচদুর্দিনং = 'নাৰাচ' ইতি বানবিশেষানাং দুর্দিনম্ অর্থাৎ বর্ষণম্ (শৰবর্ষণ) বিষহ্য = সহিত্বা (সহ্য কৰি) সন্মঙ্গলস্নাত ইব = যথাশাস্ত্রং বিজয়-মঙ্গলার্থম্ অভিষিক্ত ইব (যেন বিজয়লাভৰ বাবে অভিষিক্ত হৈ) জয়শ্রিয়ং = বিজয়ং (জয়শ্রী) প্রতিপেদে = প্রাপ (প্রাপ্ত হৈছিল)।

৪২) তত্র = মহেন্দ্রাদৌ (তাত অর্থাৎ মহেন্দ্র পর্বতত) যোধাঃ = সৈন্যানি (সৈন্যসকলে) ৰচিতাপানভূময়ঃ = পানযোগ্যা প্রদেশাঃ কল্পিতাঃ (পানভূমি তৈয়াৰ কৰি) তাম্বুলীনাং দলৈঃ = নাগবল্লীনাং পত্রৈ (তামোলৰ পাতেৰে) নাৰিকেলাসৱং = নাৰিকেলমদ্যং (নাৰিকলসৰ মদ) শাত্রবং = শত্রুনাম্ (শত্রুসকলৰ) যশঃ চ = কীর্তিঃ (যশ) = আৰু পপুঃ = পীতবান্, যশঃ পক্ষে = তু জহ্নু (পান কৰিলে, যশৰ ক্ষেত্রত হৰণ কৰিছিল)।

৪৩) ধর্মবিজয়ী = ধর্মার্থং বিজয়শীলঃ (ধর্মবিজয়ী) সঃ নৃপঃ = ৰঘু (সেই ৰজা ৰঘুৰে) গৃহীত প্রতিমুক্তস্য = প্রথমতঃ = গৃহীতঃ ততঃ প্রতিমুক্ত (প্রথমেই বন্দী কৰি তাৰ পিছত মুক্তি দান দি) মহেন্দ্রনাথস্য = কালিঙ্গস্য (কলিঙ্গৰ ৰজাৰ) শ্রিয়ং =

ৰাজ্যলক্ষ্মীং (ৰাজগৌৰৱ) জহাৰ = হৃতবান্ (হৰণ কৰিছিল) মেদিনীং তু ন = ভূমিং তু ন (কিন্তু ৰাজ্য আত্মসাৎ নকৰিলে)।

৪৪) ততঃ = প্রাচীবিজয়ানন্তৰং (তাৰ পিছত) অনাশাস্যজয়ঃ = অযত্নসিদ্ধত্বাৎ অপ্রার্থনীয়জয়ঃ (বিজয়ৰ বাবে ইচ্ছা নোহোৱা হোৱাত) ফলবৎপূগমালিনা = ফলিতক্রমুকশ্রেণীমতা (ফলশালী পূগবৃক্ষ শ্রেণীৰ দ্বাৰা শোভিত) বেলাতটৈনৈব = সমুদ্রকুলস্য উপান্তেনৈব (সাগৰৰ পাৰৰ পৰাই) অগস্ত্যাচাৰিতম্ = অগস্ত্যেন আচৰিতাং (যিদিশত অগস্ত্য নক্ষত্রৰ উদয় হয়) আশাম্ = দক্ষিণাং দিশম্ (দক্ষিণ দিশলৈ) যযৌ = গতবান্ (যাত্রা কৰিছিল)।

৪৫) সঃ = ৰঘুঃ (তেওঁ অর্থাৎ ৰঘুই) গজদানসুগন্ধিনা = গজনাং মদজলেন সুৰভিগন্ধিনা (হাতীবিলাকৰ মদজলেৰে সুগন্ধিত) সৈন্যপৰিভোগেন = সেনায়াঃ পৰিভোগেন (সেনাসকলে স্বচ্ছন্দে বিহাৰ কৰি) কাবেৰীং = কাবেৰীং নাম সৰিতং (কাবেৰী নামৰ নদীক) সৰিতাং পত্যুঃ = সৰিৎপতিসমুদ্রস্য (সৰিৎপতি সমুদ্রৰ ওচৰত) শঙ্কলীয়াং = অবিশ্বসনীয়ামিব (আশঙ্কা বা সন্দেহ) অকৰোৎ = কৃতবান্ = কৰিলে (জন্মাই দিছিল)।

৪৬) বিজিগীষোঃ = বিজেতুম্ ইচ্ছোঃ (জয়লাভত ইচ্ছুক) গতাধ্বনঃ = মার্গমতিক্রম্য (বহুদূৰ পথ অতিক্রম কৰি) তস্য = ৰঘোঃ (ৰঘুৰ) বলৈঃ = সৈন্যৈঃ (সৈন্যসকলে) মাৰীচোদভ্রান্তহাৰীতাঃ = মাৰীচবনেষু পৰিভ্রান্তাঃ 'হাৰীত' ইতি পক্ষিবিশেষাঃ (মাৰীচবনত উৰি ফুৰা হাৰীতচৰাই শোভিত) মলয়াদ্রেঃ = মলয়গিৰেঃ (মলয়পর্বতৰ) উপত্যকাঃ = অদ্রেৰাসন্নাভূময় ঃ (উপত্যকাত) অধ্যুষিতাঃ = উপত্যকাম্ উষিতঃ (বাস কৰিলে)।

৪৭) অশ্বক্ষুণ্ণাম্ = অশ্বৈঃ ক্ষুণ্ণানাম্ (ঘোঁৰাৰ খুৰাৰে চূর্ণীকৃত) এলানাম্ = এলালতানাম্ (এলালতাৰ) উৎপতিষ্ণবঃ = উৎপতনশীলাঃ (উৰি আহি) ফলৰেণবঃ = ফলৰজাংসি (ফলৰেণু) তুল্যগন্ধিষু = সমানগন্ধিষু (তুল্যগন্ধবিশিষ্ট) মত্তেভকটেষু = মতেভানাং অর্থাৎ মত্তানাং মতঙ্গানাং কটেষু (মত্তহাতীৰ গণ্ডস্থলত) সসঞ্জুঃ = সক্তাঃ (লগ লাগিল)।

৪৮) চন্দনানাং = চন্দ্রনদ্রমানাং (চন্দন গছৰ) ভোগিবেষ্টনমার্গেষু = সর্পবেষ্টনাত্ নিম্নেষু (সর্পবেষ্টন ঠাইত) সমর্পিতং = সঞ্জিতং (আৰোপিত) ত্রিপদীচ্ছেদিনামপি = পাদশৃংখলচ্ছেদকানামপি (ভৰিৰ শিকলি ছিঙিলেও) কৰিনাং = গজানাং (হাতীবিলাকৰ) গ্রৈবং = কণ্ঠবন্ধনম্ (ডিঙিৰ বন্ধন) নাস্রসত্ = ন স্রস্তমভূত্ (খহি নগ'ল)।

৪৯) দক্ষিণস্যং দিশি (দক্ষিণ দিশত) ৰবেঃ অপি = সূর্য্যস্যাপি (সূর্য্যৰো) তেজো = তাপঃ (তেজ) মন্দায়তে = মন্দং ভবতি (কমি যায়), তস্যামেব = তস্যামেব দিশি (সেই দক্ষিণ দিশত) পাণ্ড্যাঃ = পাণ্ডুনাং জনপদানাং ৰাজান ঃ (পাণ্ডুদেশীয় ৰজাসকলে) ৰঘোঃ (ৰঘুৰ) প্রতাপং = শক্তিং (প্রতাপ) ন বিষেহিৰে = ন সোঢ়বন্তঃ (সহ্য কৰিব নোৱাৰিছিল)।

৫০) তে = পাণ্ড্যাঃ (তেওঁলোক অর্থাৎ পাণ্ডু দেশীয় ৰজাসকল) নিপত্য = প্রণিপত্য (ভৰিত পৰি) তাম্রপর্ণীসমেতস্য = তাম্রপর্ণ্যা নদ্যা সংগতস্য (তাম্রপর্ণী নদী সঙ্গত) মহোদধেঃ = মহাসমুদ্রস্য (মহাসমুদ্রৰ) সঞ্চিতং মুক্তাসাৰং = মৌক্তিকবৰং (শ্রেষ্ঠ মৌক্তিকৰজি) স্বং = স্বকীয়ং (নিজ) সঞ্চিতং = (সঞ্চিত) যশ ইব = কীর্তিৰিব (যশৰাশিৰ দৰে) তস্মৈ = ৰঘৱে (ৰঘুক) দদুঃ = দত্তবন্তঃ (প্রদান কৰিছিল)।

৫১-৫২) অসহ্যবিক্রমঃ = দুঃসহ বিক্রমশালিঃ (অতি বিক্রমশালী) মঃ = ৰঘুঃ (ৰঘু) তটৈযু = সানুযু (তীৰত) আলীনচন্দনৌ = ব্যাপ্তচন্দনদ্রুমৌ (চন্দনগছ পৰিব্যাপ্ত আৰু চন্দন লিপ্ত) তস্যাঃ = দক্ষিণস্যাং (সেই অর্থাৎ দক্ষিণ) দিশঃ = দিগ্‌বধূঃ স্তনৌ ইব স্থিতৌ = স্তনযুগলমিব শোভমানৌ (স্তনযুগলৰ দৰে শোভমান) মলয়দর্দূৰৌ শৈলৌ = মলয়দর্দূৰনামকং পর্বতদ্বয়ং (মলয় আৰু দর্দূৰ পর্বতত) যথাকামং = যথেচ্ছং (যথাৰুচি) নির্বিশ্য = উপভূজ্য (উপভোগ কৰি) উদন্বতা = উদধিঃ (সমুদ্রৰ) দূৰান্মুক্তং = দূৰতঃ ত্যক্তম্ (কিছুদূৰৈত অৱস্থিত) স্রস্তাংশুঙ্ক = বিশ্লেষবস্ত্রং = (খহিপৰা কাপোৰ) মেদিন্যাঃ = নিতম্বৱদৰে স্থিতং = দণ্ডয়েমানং (থকা) সহ্যং = সহ্য নামকং গিৰিম্ (সহ্য পর্বতক) অলঙ্ঘয়ত = অতিক্রান্তঃ (লেঙ্ঘন কৰিলে)।



জানি থোৱা ভাল

২৬নং শ্লোক ঃ

ষড়বিধং বলম্ = ছয় প্রকাৰৰ সৈন্য (ক) মৌল (বংশানুক্রমে যিসকল সৈনিক) (খ) ভৃত্য (বেতনভোগকাৰী) (গ) সুহৃত্ (মিত্রপক্ষীয় সেনা) (ঘ) শ্রেণী (দলবদ্ধ) (ঙ) দ্বিষত্ (এসময়ত যি শত্রুপক্ষত আছিল) (চ) আটবিক (বনৰীয়া জাতিৰ পৰা লোৱা)।

৩৫নং শ্লোক ঃ

সুহ্মৌঃ সুহ্মদেশীয় ৰজাসকলৰ দ্বাৰা। মহাভাৰতৰ টীকাকাৰ নীলকণ্ঠই ৰাঢ়দেশক সুহ্মদেশ বুলি কৈছে। কিন্তু বৃহৎ সংহিতাত বঙ্গ আৰু কলিঙ্গৰ মধ্যৱর্তী দেশক সুহ্মদেশ বুলি কৈছে। বেতস বৃত্তি = নতি স্বীকাৰ।

৩৬নং শ্লোক ঃ

বঙ্গদেশ = ব্রহ্মপুত্র আৰু পদ্মানদীৰ মধ্যৱর্তী দেশ বঙ্গ দেশ।

৩৮নং শ্লোক ঃ

কপিশা = বর্তমান উৰিষ্যাৰ অন্তর্গত সুবর্ণৰেখা নদীৰ প্রাচীন নাম।

উৎকল = কলিঙ্গ দেশৰ উত্তৰ ভাগৰ নাম আছিল উত্তৰ কলিঙ্গ, তাৰ পৰাই ক্রমে উৎকলিঙ্গ তথা 'উৎকল' নামে চিহ্নিত হয়।

৩৯নং শ্লোক ঃ গম্ভীৰবেদী = এক শ্রেণীৰ হাতী।

৪১নং শ্লোক ঃ

কাকুৎস্থ = কাকুৎস্থ হ'ল ককুৎস্থৰ পুত্ৰ। ককুৎস্থ বুলিলে ইক্ষ্বাকুবংশীয় ৰজা পুৰঞ্জয়ক বুজায়।

৪৯নং শ্লোক ঃ

পাণ্ড্য = চেন্নাইৰ বৰ্তমান তিনাভেলি আৰু মাদুৰাই —এই দুই জিলাৰ প্ৰাচীন নাম।

৫০নং শ্লোক ঃ

তাম্ৰপৰ্ণী = মুক্তাৰ বাবে বিখ্যাত এটি নদী।

৯.৩.৩ শ্লোকসমূহৰ অসমীয়া অনুবাদ

২৬) তেওঁ (ৰঘুই) প্ৰান্ত দুৰ্গ আৰু নিবাস দুৰ্গসমূহ সুৰক্ষিত কৰি আৰু পৃষ্ঠশত্ৰুক নিৰ্মূল কৰি অনুকূল দৈৱযুক্ত হৈ ছয়প্ৰকাৰ সৈন্য লৈ দিগ্বিজয়ৰ বাবে প্ৰস্থান কৰিলে।

২৭) বয়োবৃদ্ধ পুৰণাৰীসকলে তেওঁক আখৈৰ মুঠিৰে ঢাকি পেলালে, ধাৰণা হ'ল যেন মন্দৰ পৰ্বতত উৎক্ষিপ্ত পানীৰ কণিকাৰে ক্ষীৰ সমুদ্ৰৰ তৰঙ্গমালাই ভগৱান বিষ্ণুক ঢাকি পেলাইছে।

২৮) ইন্দ্ৰতুল্য ৰঘুৱে বায়ুকম্পিতপতাকাৰে শত্ৰুবিলাকক যেন তৰ্জন কৰি প্ৰথমে পূবপিনে গমন কৰিলে।

২৯) ৰথত উৰা ধূলিৰ কণিকা আৰু বৰণ আৰু আকাৰত মেঘ সদৃশ হাতীবোৰেৰে তেওঁ (যথাক্ৰমে) যেন আকাশক ভূতলত আৰু ভূতলক আকাশত পৰিণত কৰালে।

৩০) সকলোতকৈ আগত প্ৰতাপ।তাৰ পাছত সৈন্য কোলাহল। সেইবোৰৰ পিছত ধূলি আৰু তাৰ পিছত ৰথ আদি এইদৰে তেওঁৰ সৈন্য চাৰিভাগত বিভক্ত হৈ যাবলৈ ধৰিলে।

৩১) তেওঁ (ৰঘুই) শক্তিৰ প্ৰভাৱত মৰুপৃষ্ঠক জলময়, নাওঁৰে পাৰ হ'ব পৰা নদীবোৰক সুচল আৰু অৰণ্যসমূহক বৃক্ষহীন কৰিলে।

৩২) তেওঁ (ৰঘুই) সেই বিশাল সৈন্যবাহিনীক পূবসাগৰৰ দিশে পৰিচালিত কৰাত এনে বোধ হৈছিল যেন ভগীৰথে হৰজটাভ্ৰষ্টা গঙ্গাক আকৰ্ষণ কৰি পূবসাগৰৰ পিনে লৈ গৈছে।

৩৩) যিদৰে বনৰীয়া হাতীয়ে গছবোৰক ফলহীন, উন্মূলিত আৰু ছিন্নভিন্ন কৰি গন্তব্য পথ উলিয়াই লয়, সেইদৰে ৰঘুয়ো ৰজাবিলাকক ধনহীন, ৰাজ্যচ্যুত আৰু পৰাভূত কৰি গন্তব্যপথ নিষ্কণ্টক কৰিলে।

৩৪) এইদৰে পূব দিশৰ সকলো ৰাজ্য আক্ৰমণ কৰি বিজয়ী ৰঘু মহাসাগৰৰ তালীবনশ্যামল উপকূলত উপস্থিত হ'ল।

৩৫) যিদৰে বেতগছে অৱনত হৈ নদীৰ বেগৰ পৰা আত্মৰক্ষা কৰে, সেইদৰে সুহ্মদেশীয় ৰজাসকলো অৱনত হৈ উদ্ধত ৰজাসকলৰ উচ্ছেদকাৰী ৰঘুৰ পৰা আত্মৰক্ষা কৰিলে।

৩৬) সেনা নায়ক ৰঘুই নৌবাহিনীৰ সহায়ত যুদ্ধলৈ উদ্যত পূর্ববঙ্গীয় ৰজাসকলক উন্মুলিত কৰি গঙ্গা নদীৰ মাজৰ দ্বীপবোৰত বিজয়স্তম্ভ স্থাপন কৰিলে।

৩৭) শালিধান প্রথমে উভালি আৰু পিছত পুনৰ ৰুলে প্রচুৰ শস্য প্রদান কৰে সেইদৰে বঙ্গীয় ৰজাসকলে প্রথমে উন্মুলিত আৰু পাছত স্বপদত স্থাপিত হোৱাত, ৰঘুৰ পাদপদ্মত নত হৈ প্রচুৰ ধনদানপূর্বক তেওঁক সংবর্দ্ধিত কৰিলে।

৩৮) তেওঁ সৈন্যবিলাকৰ দ্বাৰা গজসেতু নির্মাণ কৰি কপিশা নদী পাৰ হৈ উৎকল দেশীয় ৰজাসকলে দেখু�ৰাই দিয়া পথেৰে কলিঙ্গ দেশৰ অভিমুখে প্রস্থান কৰিলে।

৩৯) মাউতে যিদৰে গম্ভীৰবেদী হাতীৰ মূৰত সুতীক্ষ্ণ অঙ্কুশ নিক্ষেপ কৰে, সেইদৰে তেৰোঁ (ৰঘুৰে) মহেন্দ্র পর্বতৰ শিখৰত নিজৰ দুঃসহ প্রতাপ নিবেশিত কৰিলে।

৪০) পর্বতে যিদৰে পক্ষচ্ছেদনত উদ্যত ইন্দ্রক শিলাবর্ষণৰ দ্বাৰা প্রতিৰোধ কৰিবলৈ প্রবৃত্ত হৈছিল, সেইদৰে গজাৰোহী সৈন্য লৈ কলিঙ্গৰাজেও স্বপক্ষবিনাশোদ্যত ৰঘুক অস্ত্রবর্ষণৰ দ্বাৰা আক্রমণ কৰিছিল।

৪১) কাকুৎস্থ ৰঘুই তাত শত্রুসকলৰ অসংখ্য শৰবর্ষণ সহ্য কৰি, যেন বিধিমতে মঙ্গল স্নান কৰি জয়শ্রী লাভ কৰিলে।

৪২) তাতেই (মহেন্দ্র পর্বতত) তেওঁৰ সৈন্যসকলে পানভূমি ৰচনা কৰি তামোলৰ পাতত নাৰিকলৰ মদৰ ছলেৰে শত্রুৰ শুভ্র যশ পান কৰিলে।

৪৩) ধর্মবিজয়ী সেই ৰজাই (ৰঘুই) মহেন্দ্র নাথক আগতে বন্দী কৰি আৰু পিছত মুক্ত কৰি তেওঁৰ ৰাজ্যশ্রী অপহৰণ কৰিলে কিন্তু ৰাজ্য আত্মসাৎ নকৰিলে।

৪৪) জয়লাভ অনায়াসলভ্য বুলি ৰঘু জয়লাভৰ বাবে আৰু উৎসুক নহৈ ফলশালী তামোল গছৰে সুশোভিত সাগৰৰ পাৰৰ পৰাই যিদিশত অগস্ত্য উদিত হয় সেই দক্ষিণ দিশলৈ যাত্রা কৰিলে।

৪৫) তেওঁৰ সৈন্যবিলাকে স্বচ্ছন্দে বিহাৰ কৰি হাতীবিলাকৰ মদজলেৰে কাবেৰী নদীক সুবাসিত কৰি তুলি তেওঁক যেন সৰিৎপতি সমুদ্রৰ ওচৰত সন্দেহৰ পাত্র কৰি তুলিছিল।

৪৬) জয়লাভত ইচ্ছুক ৰঘুই বহুপথ অতিক্রম কৰি মৰীচবনত বিচৰণশীল হাৰিৎপক্ষিশোভিত মলয় পর্বতৰ উপত্যকাত বিশ্রাম ল'লে।

৪৭) ঘোঁৰাৰ খুৰাৰে চুর্ণীকৃত এলালতাৰ ফলৰেণু আহি তুল্যগন্ধশালী মত্তহাতীৰ গণ্ডস্থলত লগ লাগিল।

৪৮) হাতীবিলাকৰ ভৰিৰ শিকলি ছিঙিলেও, চন্দন গছৰ সর্পবেষ্টন ঠাইত আৰোপিত ডিঙিৰ বন্ধন ছিঙিব নো�ৰাৰিলে।

৪৯) দক্ষিণ দিশে গমন কৰিলে সূর্য্যৰো তেজ কমি আহে। কিন্তু ৰঘু দক্ষিণ দিশে গমন কৰাত পাণ্ডুদেশীয় ৰজাসকলে ৰঘুৰ প্রতাপ সহ্য কৰিব নোৱাৰিলে।

৫০) তেওঁলোকে ৰঘুৰ চৰণত প্রণিপাত কৰি তেওঁক তাম্রপর্ণী নদী আৰু মহাসাগৰৰ সঙ্গমকূলৰ পৰা সঞ্চিত উৎকৃষ্ট মুক্তা প্রদান কৰি যেন নিজৰ সঞ্চিত যশৰাজি প্রদান কৰিলে।

৫১-৫২) তটদেশ চন্দনগছৰ দ্বাৰা পৰিব্যাপ্ত দক্ষিণ দিশৰ স্তনদ্বয়ৰ নিচিনাকৈ শোভমান মলয় আৰু দর্দূৰ নামৰ পর্বতদ্বয় যথেচ্ছা উপভোগ কৰি দুঃসহ বিক্রমশালী ৰঘুই সমুদ্র দূৰলৈ আঁতৰি যোৱাত মেদিনীৰ নিতম্বৰ নিচিনা দৃশ্যমান সহ্য পর্বত অতিক্রম কৰিলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ 'লাজ' শব্দৰ এটি প্রতিশব্দ লিখক।

.....

প্রশ্ন নং ২ ঃ প্রাচীনবর্হিষা বুলিলে কাক বুজা যায়?

.....

প্রশ্ন নং ৩ ঃ সুহ্মদেশীয় ৰজাসকলে কি বৃত্তি অৱলম্বন কৰি আত্মৰক্ষা কৰিছিল?

.....

প্রশ্ন নং ৪ ঃ কাকুৎস্থ শব্দই কাক বুজাইছে?

.....

প্রশ্ন নং ৫ ঃ কপিশা নদীৰ বর্তমান নাম কি?

.....

৯.৪ ব্যাকৰণগত টোকা

২৬নং শ্লোক ঃ

সমাস—

গুপ্তমূল প্রত্যন্তঃ মূলঞ্চ প্রত্যঞ্চ (দ্বন্দ্ব) = মূল প্রত্যন্তৌ। গুপ্তৌ মূলপ্রত্যন্তৌ যেন সঃ (বহুব্রীহি)।

শুদ্ধপার্ষ্ণি = শুদ্ধঃ পার্ষ্ণিঃ যস্য সঃ (বহুব্রীহি)।

দিগজিগীষয়া = দিশাং জিগীষা (ষষ্ঠী তৎপুৰুষ) তয়া। = হেতৌ তৃতীয়া।

২৭নং শ্লোক ঃ

ব্যুৎপত্তি—

অবাকিৰণ্ = অব - কৃ + লঙ্ অন্।

বিভক্তি নির্ণয়—

লাজৈঃ = কৰণে তৃতীয়া।

সমাস—

পৌৰ ঘোষিতঃ = পুৰে ভব ইতি পুৰ + অন্ = পৌৰাঃ পৌৰা ঘোষিতঃ (কর্মধাৰয়)।

মন্দৰোদ্ধুতৈঃ = মন্দৰেন উদ্ধুতাঃ (তৃতীয়া তৎপুৰুষ) তৈঃ

অচ্যুতম্ = নাস্তি চ্যুতং স্খলনং স্বপদাৎযস্য (বহুব্রীহি)

২৮নং শ্লোক ঃ

বিভক্তি নির্ণয়—

প্রাচীনবর্হিষা = তুল্যশব্দযোগে তৃতীয়া।

কেতুভিঃ = কৰণে তৃতীয়া।

সমাস—

অনিলোদ্ধুতৈঃ = অনিলেন উদ্ধুতাঃ (তৃতীয় তৎপুৰুষ) তৈঃ।

২৯নং শ্লোক ঃ

সমাস—

স্যন্দনোদ্ধুতৈঃ = স্যন্দনৈঃ উদ্ধতানি (তয়া তৎপুৰুষ) তৈঃ।

৩০নং শ্লোক ঃ

সমাস—

তদনন্তৰম্ = অবিদ্যমানম্ অন্তৰং যস্মিম্ তদা যথা স্যাৎ = অনন্তৰম্। তস্মাৎ অনন্তৰম্ (পঞ্চমী তৎপুৰুষ)।

৩১নং শ্লোক ঃ

সমাস—

উদন্তাংসি = উদ্‌গতানি অন্তাংসি যেষাং (বহুব্রীহি) তানি।

৩২নং শ্লোক ঃ

ব্যুৎপত্তি—

বভৌ = ভা + লিট্ অ।

সমাস—

হৰজটা ভ্রষ্টাম্ = হৰস্য জটাঃ (ষষ্ঠী তৎপুৰুষ) তাভ্যঃ ভ্রষ্টাঃ (পঞ্চমী তৎপুৰুষ) তাম্

৩৩নং শ্লোক ঃ

ব্যুৎপত্তি—

ত্যজিতৈঃ = √ত্যজ্ + ণিচ্ + ক্ত, তৃতীয় বহুবচন।

বিভক্তি নির্ণয়—

পাদপৈঃ = কৰণে তৃতীয়া।

৩৪নং শ্লোক ঃ

ব্যুৎপত্তি—

আক্রামন্ = আ - √ক্রম্ + শতৃ প্রথমা একবচন।

প্রাপ = প্র - √আপ্ + লিট্ ণল্।

সমাস—

তালীবন শ্যামম্ = তালীনাং বনানি (ষষ্ঠী তৎপুৰুষ) তৈঃ শ্যামম্ (তৃতীয়া তৎপুৰুষ)। মহোদধে = মহান্ উদধিঃ (কর্মধাৰয়), তস্য।

৩৫নং শ্লোক ঃ

ব্যুৎপত্তি—

সমুদ্ধর্ত্তুং = সম্ - উৎ - হৃ + তৃচ্ পঞ্চমী একবচন।

সংৰক্ষিতঃ = সম্ - ৰক্ষ + ক্ত (কর্মণি)।

বিভক্তি নির্ণয়—

অনম্রানাম্ = কর্মনি ষষ্ঠী।

তস্মাৎ = অপাদানে পঞ্চমী।

৩৬নং শ্লোক ঃ

ব্যুৎপত্তি—

উৎখায় - উৎ - √খন্ + ল্যপ্।

নিচখান - নি - √খন্ + লিট্ অ।

সমাস—

নৌসাধনোদ্যতান্ = নাৱ ঃ এব সাধনানি (কর্মধাৱয়) তৈঃ, উদ্যতাঃ (তৃতীয় তৎপুৰুষ) তান্।

গঙ্গাস্রোতোহন্তৰেষু = গঙ্গায়াঃ স্রোতাংসি (ষষ্ঠী তৎপুৰুষ), তেষাম্ অন্তৰাণি (ষষ্ঠী তৎপুৰুষ) তেষু।

৩৭নং শ্লোক ঃ

ব্যুৎপত্তি—

সংবর্দ্ধয়ামাসুঃ = সম্ - √বৃধ্ + ণিচ্ + লিট্ উস্।

৩৮নং শ্লোক ঃ

সমাস—

উৎকলাদর্শিত পথ - উৎকলৈঃ আদর্শিত ঃ উৎকলাদর্শিতঃ পন্থাঃ যস্য (বহুব্রীহি) সঃ। কলিঙ্গাভিমুখঃ = অভিগতং মুখং যস্য সঃ (বহুব্রীহি), কলিঙ্গস্য অভিমুখঃ (ষষ্ঠী তৎপুৰুষ)।

৩৯নং শ্লোক ঃ

সমাস—

গম্ভীৰবেদিনঃ - গম্ভীৰ বেদিতুং শীলমস্য ইতি উপপদসমাসে গম্ভীৰ - বিদ্ + ণিনি

৪০নং শ্লোক ঃ

ব্যুৎপত্তি—

প্রতিজগ্রাহ - প্রতি গ্রহ্ + লিট্ অ। কালিঙ্গ - কলিঙ্গানাং ৰাজা ইতি কলিঙ্গ + অন্ = কালিঙ্গঃ।

সমাস—

গজসাধনঃ = গজাঃ সাধনং যস্য সঃ (বহুব্রীহি)। শিলাবর্ষীঃ = শিলাঃ সাধু বর্ষতীতি উপপদসমাসে। শিলা - বৃষ্ + ণিনি।

৪১নং শ্লোক ঃ

ব্যুৎপত্তি—

দ্বিষাম্ - দ্বিষ + ক্বিপ্। শেষে ষষ্ঠী। কাকুৎস্থঃ = ককুৎস্থস্য গোত্রাপত্যং পুমান্ ইতি ককুৎস্থ + অন্।

সমাস—

জয়শ্রিয়ম্ - জয়লক্ষিতাঃ শ্রীঃ (শাকপার্থিবাদিবত্ সমাসঃ)

৪২নং শ্লোক ঃ

ব্যুৎপত্তি—

শাত্রবম্ - শত্রোৰিদম্ ইতি শত্রু + অন্।

পপুঃ - √পা + লিট্ উস্।

সমাস—

নাৰিকেলাসবম্ = নাৰিকেলস্য আসবঃ (ষষ্ঠী তৎপুৰুষ) তম্।

৪৩নং শ্লোক ঃ

ব্যুৎপত্তি—

জহাৰ = হৃ + লিট্ + ণল্।

সমাস—

ধর্ম বিজয়ী - ধর্মার্থঃ বিজয়ঃ (শোকপার্থিবাদিবৎ সমাসঃ) ধর্ম বিজয়ঃ। স অস্য অস্তীতি ধর্মবিজয় + ইনি।

৪৪নং শ্লোক ঃ

ব্যুৎপত্তি—

যযৌ = যা + লিট্ ণল্।

সমাস—

বেলাতটেন = বেলায়াঃ তটম্ (ষষ্ঠী তৎপুৰুষ) তেন।

অগস্ত্যাচৰিতাম্ = অগস্ত্যেন আচৰিতা (তৃীতয়া তৎপৰুষ) তাম্।

অনাশাস্যজয়ঃ = ন আশাস্যঃ (নঞ তৎপুৰুষ) অনাশাস্যঃ জয় ঃ যস্য যেন বা (বহুব্রীহি)

৪৫নং শ্লোক ঃ

ব্যুৎপত্তি—

শঙ্কনীয়াম্ = শঙ্ক্ + অনীয়ৰ্ + টাপ্।

সমাস—

সৈন্যপৰিভোগেন - সৈন্যানাং পৰিভোগঃ (ষষ্ঠী তৎপুৰুষ) তেন।

গজদানসুগন্ধিনা - গজানাং দানম্ (ষষ্ঠী তৎপুৰুষ) তেন সুগন্ধিঃ। (তৃতীয় তৎপুৰুষ) তেন। সু শোভনঃ গন্ধঃ যস্য (বহুব্রীহি) তেন।

৪৬নং শ্লোক ঃ

ব্যুৎপত্তি—

অধ্যুষিতাঃ - অধি-বস্ + ক্ত (কর্মণি)।

বিজিগীষোঃ - বি- √জি + সন্ + উ, ষষ্ঠী একবচন।

সমাস—

গতাধ্বনঃ - গতঃ (অতিক্রান্তঃ) অধ্বা যেন (বহুব্রীহি) তস্য।

৪৭নং শ্লোক ঃ

ব্যুৎপত্তি—

সসঞ্জুঃ - √সঞ্জ্ + লিট্ উস্।

উৎপতিষ্ণবঃ - উৎ - √পত্ + ইষ্ণুচ্।

বিভক্তি নির্ণয়—

মত্তেভকটেষু - অধিকৰণে সপ্তমী।

সমাস—

অশ্বক্ষুন্নানাম্ - অশ্বৈঃ ক্ষুণ্ণাঃ (তৃতীয়া তৎপুৰুষ) তেষাম্।

৪৮নং শ্লোক ঃ

ব্যুৎপত্তি—

সমর্পিতম = সম্ - √অর্পি + ক্ত (কর্মণি)।

অস্রসৎ = √স্রনস্ + লুঙ্ দ্।

গ্রৈৰম্ = গ্রীৰায়াং ভৰম্ গ্রীৰা + অন্।

সমাস—

ভোগিষ্টেনমার্গেষু = ভোগিনাং বেষ্টনানি (ষষ্ঠী তৎপুৰুষ), তেষাং মার্গাঃ (ষষ্ঠী তৎপুৰুষ) ভোগঃ অস্য অস্তীতি ভোগ + ইনি = ভোগী।

ত্রিপদীচ্ছেদিনাম্ = ত্রিপদীং ছেত্তুং শীলমেষাম্ ইত্যুপপদ সমাসে ত্রিপদী + √ছিদ্ + ণিনি।

৪৯নং শ্লোক ঃ

ব্যুৎপত্তি—

মন্দায়তে - মন্দং ভৰতি ইতি মন্দ + ক্যষ্ = মন্দায় + লট্ তে।

বিষেহিৰে - বি - √সহ্ + লিট্ ইৰে।

৫০নং শ্লোক ঃ

ব্যুৎপত্তি—

দদুঃ = দা + লিট উস্। সঞ্চিতম্ = সম্ - √চি + ক্ত (কর্মণি)।

সমাস—

তাম্রপর্ণীসমেতস্য = তাম্রপর্ণ্যাঃ সমেতঃ (তৃতীয় তৎপুৰুষ) তস্য।

মহোদধেঃ = মহান্ উদধি ঃ (কর্মধাৰয়) তস্য সম্বন্ধে ষষ্ঠী।

৫১-৫২নং শ্লোক ঃ

সমাস—

যথাকামম্ = কামম্ অনতিক্রম্য (অব্যয়ীভাৱ)।

আলীনচন্দনৌ = আলীনং চন্দনং যযোঃ (বহুব্রীহি) তৌ।

অসহ্যবিক্রমঃ = অসহ্যঃ ৱিক্রম যস্য (বহুব্রীহি) সঃ।

ব্যুৎপত্তি—

উদন্বতা = উদক্ + মতুপ্ (নিপাতনে) অনুক্তে কর্তৰি তৃতীয়া।

৯.৫ সংক্ষিপ্ত ৰূপত শ্লোকসমূহৰ ৱিষয়ৱস্তু

মহাকৱি কালিদাস ৰচিতৰঘুৱংশম্ মহাকাব্যৰ চতুর্থসর্গৰ আৰম্ভণিতে শৰৎ কালৰ ৱর্ণনা পোৱা যায়। লগতে ৰজা ৰঘুৰ গুণসমূহো মহাকৱিয়ে ৱৰ সুন্দৰকৈ প্রতিফলিত কৰিছে। শৰৎকাল উপস্থিত হোৱাৰ লগে লগে ৰঘুই দিগ্বিজয়ৰ বাবে যাত্রা আৰম্ভ কৰিছিল। কিন্তু ৰাজধানী আৰু ৰাজ্যপ্রান্ত সুৰক্ষিত কৰিহে ৰঘুৱে অনুকূল দৈৱবলৰ সহায়ত ছয়প্রকাৰ সৈন্য লৈ দিগ্বিজয়ৰ বাবে যাত্রা আৰম্ভ কৰিছিল (২৬নং শ্লোক)। ৱয়োৱৃদ্ধ পুৰ নাৰীসকলে চাৰিওফালৰ পৰা লাজৱর্ষণ কৰাৰ ফলত ৰঘুক মন্দৰ পর্ৱতৰদ্ৱাৰা ক্ষীৰ সমুদ্র মন্থন কৰাৰ ফলত তৰঙ্গমালাৰ দ্ৱাৰা সিক্ত হোৱা ৱিষ্ণু যেন দেখা গৈছিল (২৭নং শ্লোক)। ইন্দ্রতুল্য ৰজা ৰঘুৱে পোন প্রথমেই পূৱ দিশৰ ফালে যাত্রা আৰম্ভ কৰিলে। অনুকূল ৱায়ুৰ বাবে ৰঘুৰ ৰণ পতাকা কম্পিত হ'ল। তেতিয়া এনে বোধ হ'ল যেন সেই পতাকাৰদ্ৱাৰা শত্রুৱিলাককহে তর্জন কৰি গৈছে (২৮নং শ্লোক)। ৰথত উত্থিত ধূলিৰাশিৰ দ্ৱাৰা আকাশ আচ্ছন্ন কৰি যেন আকাশক ভূতলত আৰু মেঘোপম গজৱৃন্দৰ দ্ৱাৰা পৃথিৱী সমাৱৃত কৰি পৃথিৱীক আকাশত পৰিণত কৰালে (২৯নং শ্লোক)। প্রথমেই প্রতাপ, তাৰ পিছত কোলাহল, তাৰ পিছত ধূলি, শেষত ৰথাদি এইদৰে চাৰিটি অংগত ৱিভক্ত হৈ ৰঘুৰ সৈন্যৱাহিনী আগৱাঢ়িছিল (৩০নং শ্লোক)। ৰঘুৱে শক্তিৰ প্রভাৱত মৰুপৃষ্ঠক জলময়, নৌকা অৱিহনে পাৰ হ'ৱ নোৱাৰা নদীসমূহক সহজে পাৰ হৱ পৰা কৰি আৰু অৰণ্যসমূহ ৱৃক্ষহীন কৰি আগৱাঢ়িছিল (৩১নং শ্লোক) ইয়াৰ পিছত ৰঘুক ভগীৰথৰ লগত তুলনা কৰিছে মহাকৱিয়ে। পূর্ৱ পুৰুষসকলক উদ্ধাৰৰ বাবে হৰুজটা পৰিভ্রষ্ট গঙ্গানদীক আকর্ষণ কৰি লৈ যাওঁতে ভগীৰথে যিদৰে শোভা পাইছিল, পূর্বসাগৰ গামিনী ৱিশাল সৈন্যৱাহিনীক লৈ যাওঁতেও ৰঘুৱেও তেনেদৰে শোভাপ্রাপ্ত হৈছিল (৩২নং শ্লোক)।হাতীয়ে যিদৰে কোনো ৱৃক্ষক ফলহীন, কোনো ৱৃক্ষক উন্মূলিত

কৰি বা কোনোবাটোক ছিন্ন ভিন্ন কৰি তাৰ গমনপথ নিষ্কণ্টক কৰে সেইদৰে ৰঘুয়ো কোনো ৰজাক ধনহীন, কাৰোবাক ৰাজ্যহীন আৰু কাৰোবাক ছিন্নভিন্ন কৰি নিজৰ গমনপথ নিষ্কণ্টক কৰিলে (৩৩নং শ্লোক)। ৰণজয়ী ৰঘুৱে এইদৰে সমস্ত ৰাজ্য জয় কৰি তালীবনৰ দ্বাৰা শ্যামল বৰ্ণ ধাৰণ কৰা মহাসাগৰৰ উপকণ্ঠত উপস্থিত হ'ল (৩৪নং শ্লোক)। সুহ্মদেশৰ ৰজাসকলে ৰঘুৰ প্ৰতাপত ভয় খালে আৰু তেওঁলোকে বেতগছৰ বৃত্তি স্বীকাৰ কৰি অবিনীতসকলৰ উচ্ছেদকাৰী নদীস্ৰোতৰ দৰে ৰঘুৰ পৰা আত্মৰক্ষা কৰিলে (৩৫নং শ্লোক)। বঙ্গীয় ৰজাসকলে নৌবাহিনী সজ্জিত কৰি ৰঘুৰ লগত যুদ্ধত প্ৰবৃত্ত হ'ল। সেনানায়ক ৰঘুই সেই ৰজাসকলক উন্মূলিত কৰি গঙ্গানদীৰ মাজৰ দ্বীপসমূহত নিজৰ বিজয় স্তম্ভ স্থাপন কৰিলে (৩৬নং শ্লোক)। যিদৰে শালিধান প্ৰথমে উভালি পিছত পুনৰ ৰুলে প্ৰচুৰ শস্য প্ৰদান কৰে তেনেদৰে বঙ্গীয় ৰজাসকলেও ৰঘুৰ দ্বাৰা প্ৰথমে উন্মূলিত হৈ পিছত পুনৰ সংস্থাপিত হোৱাত ৰঘুৰ পাদপদ্মত নত হৈ প্ৰচুৰ ধনদানৰ দ্বাৰা তেওঁক সংবৰ্ধিত কৰিলে (৩৭নং শ্লোক)। বঙ্গীয়ৰজাসকলক পৰাস্ত কৰাৰ পাছত ৰঘুৱে সসৈন্যে গজসেতু নিৰ্মাণ কৰি কপিশা নদী পাৰ হ'ল। তাৰ পিছত তেওঁ উৎকলবাসী ৰজাসকলক দেখুৱাই দিয়া পথেৰে কলিঙ্গ অভিমুখে যাত্ৰা কৰিলে (৩৮নং শ্লোক)। যাত্ৰাপথত মহেন্দ্ৰ পৰ্বত অতিক্ৰমণ কৰিবলগীয়া হ'ল। মাউতে গম্ভীৰবেদী নামৰ শক্তিশালী হাতীৰ মূৰত যিদৰে সুতীক্ষ্ণ অংকুশ নিবেশিত কৰে ৰঘুৱেও সেইদৰে মহেন্দ্ৰ পৰ্বতৰ শিৰত নিজৰ দুঃসহ প্ৰতাপ নিবেশিত কৰিলে (৩৯নং শ্লোক)। কলিঙ্গ ৰজায়ো ৰঘুক প্ৰতিৰোধ কৰিবলৈ চেষ্টা কৰিছিল। পৰ্বতে যিদৰে পাখি কাটিবলৈ উদ্যত হোৱা ইন্দ্ৰক শিলাবৰ্ষণৰ দ্বাৰা আক্ৰমণ কৰিছিল, কলিঙ্গৰ ৰজায়ো গজাৰোহী সৈন্য লৈ অস্ত্ৰবৰ্ষণৰ দ্বাৰা ৰঘুক প্ৰতিৰোধ কৰিলে (৪০নং শ্লোক)। ককুৎস্থবংশীয় ৰঘুৱে মহেন্দ্ৰ পৰ্বতবাসী শত্ৰুসকলৰ অসংখ্য শৰবৰ্ষণ সহ্য কৰি যেন যথাশাস্ত্ৰ পবিত্ৰ জলধাৰাত মঙ্গলস্নাত হৈ জয়শ্ৰী লাভ কৰিলে (৪১নং শ্লোক)। ৰঘুৰ সৈন্যবিলাকে মহেন্দ্ৰ পৰ্বতত পানভূমি ৰচনা কৰি তামোলৰ পাতত নাৰিকলৰ পৰা তৈয়াৰ কৰা সুৰা পান কৰিলে। মদ্যৰ ছলেৰে যেন শত্ৰুৰ যশহে পান কৰিলে (৪২নং শ্লোক)।মহেন্দ্ৰ নাথক ৰঘুই পৰাস্ত কৰি বন্দী কৰিলে। কিন্তু ৰজা ৰঘু ধৰ্মবিজয়ী হোৱা হেতুকে বন্ধনমুক্ত কৰিলে। ৰঘুৱে তেওঁৰ ৰাজশ্ৰী হৰণ কৰিলে কিন্তু ৰাজ্য অধিকাৰ নকৰিলে (৪৩নং শ্লোক)। ইয়াৰ পিছত ৰঘুৰ দক্ষিণ দিশৰ যাত্ৰা আৰম্ভ হ'ল। জয়লাভ সহজেই কৰা বাবে জয়ৰ বাবে অনিচ্ছুক হৈ ৰঘুৱে আগস্ত্য নক্ষত্ৰ উদিত হোৱা দিশলৈ গমন কৰিলে (৪৪নং শ্লোক)। হাতী আৰু সৈন্যবিলাকে স্বচ্ছন্দে কাবেৰী নদীত বিহাৰ কৰি কাবেৰী নদীক সুবাসিত কৰাত সৰিৎপতি সমুদ্ৰৰ কাবেৰীৰ চৰিত্ৰ সম্বন্ধে সংশয় জন্মাই দিলে (৪৫নং শ্লোক)। জয়লাভত ইচ্ছুক ৰঘুৰ সৈন্যবিলাকে বহুপথ অতিক্ৰম কৰি মৰীচবনত বিচৰণশীল হাৰীতপক্ষি সুশোভিত মলয় পৰ্বতৰ উপত্যকাত আশ্ৰয় ল'লে (৪৬নং শ্লোক)। ঘোঁৰাৰ খুৰাৰে এলালতাবিলাক চূৰ্ণিত হোৱাত ৰেণু উৰি আহি একেই গন্ধযুক্ত মত্ত হাতীৰ গণ্ডস্থলত সংলগ্ন হ'ল (৪৭নং শ্লোক)। চন্দন গছৰ সৰ্পবেষ্টন স্থানসমূহত হাতীবিলাকক বন্ধন কৰাত, ভৰিৰ শিকলি চিঙিব পাৰিলেও কণ্ঠবন্ধন খুলিব নোৱাৰিলে (৪৮নং শ্লোক)। দক্ষিণ দিশত সূৰ্য্যৰ প্ৰখৰতাও কমি যায় কিন্তু দক্ষিণ দিশত ৰঘুৰ প্ৰতাপ পাণ্ডুদেশীয় ৰজাসকলে সহ্য কৰিব নোৱাৰিলে (৪৯নং শ্লোক)। পাণ্ডুদেশীয় নৃপতিসকলে

ৰঘুৰ চৰণত প্ৰণিপাত কৰি তাম্ৰপৰ্ণী নদী আৰু মহাসমুদ্ৰৰ সঙ্গমস্থলৰ পৰা সঞ্চিত মুক্তাৰাশি নিজৰ আজীৱন আৰ্জিত যশৰ নিচিনাকৈ প্ৰদান কৰিলে ৰঘুৱে (৫০নং শ্লোক)। দক্ষিণ দিশৰ চন্দনবৃক্ষৰে পৰিব্যাপ্ত মলয় পৰ্বত আৰু দৰ্দুৰ পৰ্বত দক্ষিণ দিগ্ বধূৰ চন্দন চৰ্চিত স্তনযুগলৰ নিচিনা প্ৰতীয়মান হ'ল। বিক্ৰমশালী ৰঘুৱে এই দুয়োখন পৰ্বততে যথেচ্ছা বিহাৰ কৰি সহ্য পৰ্বত অতিক্ৰম কৰিলে। সমুদ্ৰ দূৰলৈ আঁতৰি যোৱাত সহ্য পৰ্বতক পৃথিৱীৰ বসন উন্মুক্ত নিতম্বযুগলৰ দৰে দেখা গ'ল (৫১-৫২নং শ্লোক)।



৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰঘুবংশম্ মহাকাব্যৰ চতুৰ্থসৰ্গৰ মূল বিষয়বস্তুৰ বিষয়ে জানিব পাৰিলে।
- শ্লোকসমূহ পঢ়ি প্ৰাচীনকালৰ ভাৰতৰ স্থানসমূহৰ বিষয়েও জ্ঞানলাভ কৰিলে।
- ৰজা হিচাপে ৰঘুৰ বীৰত্ব আৰু শক্তিৰ বিষয়েও জানিব পাৰিলে।
- নিৰ্দিষ্ট অংশৰ সংস্কৃত পাঠৰ লগতে শব্দাৰ্থ আৰু অসমীয়া অনুবাদো জানিলে।
- কিছুমান কঠিন শব্দৰ ব্যাকৰণগত টোকাও জানিবলৈ পালে।



৯.৭ অধিক জানিবলৈ

১) কালে, এম. আৰ. (সম্পা.) ঃ *ৰঘুবংশম্ অব্ কালিদাস* (কেণ্টো-১ৰ পৰা ৪); দিল্লী ঃ মতিলাল বানাৰসীদাস পাব্লিছাৰ্চ প্ৰাইভেট লিমিটেড।

২) নন্দৰ্গিকাৰ, গোপাল ৰঘুনাথ (১৯৮২) (সম্পা.) ঃ *ৰঘুবংশম্ অৱ কালিদাস;* দিল্লী ঃ মতিলাল বানাৰসীদাস।

৩) *সংস্কৃত সাহিত্য সম্ভাৰ* (Vol-X) (১৯৮১) ঃ নৱপত্ৰ প্ৰকাশন।



৯.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ লাজ শব্দৰ প্ৰতিশব্দ অক্ষতঃ।

২নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰাচীনবৰ্হিষ্ বুলিলে ইন্দ্ৰক বুজা যায়।

৩নং প্ৰশ্নৰ উত্তৰ ঃ সুহ্মদেশীয় ৰজাসকলে বেতসগছৰ বৃত্তি অৱলম্বন কৰি আত্মৰক্ষা কৰিছিল।

৪নং প্ৰশ্নৰ উত্তৰ ঃ কাকুৎস্থ শব্দই ৰঘুক বুজাইছে।

৫নং প্ৰশ্নৰ উত্তৰ ঃ কপিশা নদীৰ বৰ্তমান নাম সুবৰ্ণৰেখা।



৯.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ চেন্নাইৰ দুখন প্ৰাচীন জিলাৰ নাম লিখক।

প্ৰশ্ন ২ ঃ 'সংৰক্ষিতঃ' শব্দটোৰ বুৎপত্তি ভাঙি দেখুৱাওক।

খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০-৩০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ তলত উল্লেখ কৰা শব্দবোৰৰ ব্যাকৰণগত টোকা লিখক—

শুদ্ধপাৰ্ষ্ণিঃ, হৰজটাভ্ৰষ্টাম্, আক্ৰামন্, প্ৰাপ, মহোদধেঃ, নিচখান।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ৰঘুৰ দিগ্বিজয়ৰ পূৰ্ব দিশ অভিযানৰ বিষয়ে লিখক।

প্ৰশ্ন ২ ঃ 'অগস্ত্যাচৰিতামাশামনাশাস্যজয়ৌ যযৌ' ওপৰোক্ত শ্লোকাংশৰ আলমত ৰঘুৰ দক্ষিণ দিশ বিজয়ৰ ওপৰত এটি টোকা লিখক।

*** ***** ***

অধ্যায় ১০ ঃ ৰঘুবংশম্— চতুর্থসর্গ (শ্লোক ৫৩-৮০)

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ চতুর্থসর্গৰ শ্লোক (৫৩-৮০)সমূহৰ সংস্কৃত পাঠ
    ১০.৩.১ শ্লোকসমূহৰ গদ্যপাঠ
    ১০.৩.২ শ্লোকসমূহৰ শব্দার্থ
    ১০.৩.৩ সংস্কৃত শ্লোকসমূহৰ অসমীয়া অনুবাদ
১০.৪ ব্যাকৰণগত টোকা
১০.৫ সংক্ষিপ্ত ৰূপত শ্লোকসমূহৰ বিষয়বস্তু
১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৭ অধিক জানিবলৈ
১০.৮ অগ্রগতিৰ খতিয়ান
১০.৯ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ‘ৰঘুবংশম্’ মহাকাব্যৰ চতুর্থসর্গৰ বিষয়বস্তুৰ কিছু আভাস পাব
- চতুর্থসর্গৰ শ্লোক (৫৩-৮০)সমূহৰ সংস্কৃত পাঠৰ লগতে গদ্যপাঠ, শব্দার্থ আৰু অসমীয়া অনুবাদো অধ্যয়ন কৰিব পাৰিব
- শ্লোকসমূহৰ কঠিন শব্দবোৰৰ ব্যাকৰণগত বিশ্লেষণ জানিব পাৰিব
- ৰঘুৰ দিগ্বিজয়ৰ একাংশ পঢ়িবলৈ পাব।

১০.২ পৰিচয়

আপুনি ইতিমধ্যে ‘ৰঘুবংশম্’ মহাকাব্যৰ চতুর্থসর্গৰ শ্লোক (১-৫২)সমূহ অধ্যয়ন কৰিলে। শ্লোকসমূহত ইতিমধ্যে ৰজা হিচাপে ৰঘুৰ বৈশিষ্ট্য, শৰৎকাল আৰু ৰঘুৰ পূব আৰু দক্ষিণ দিশ বিজয়ৰ বর্ণনাও পঢ়িবলৈ পালে।এই অধ্যায়ত আপুনি পৰৱর্তী শ্লোকসমূহৰ সংস্কৃত পাঠৰ লগতে প্রতিটো শব্দৰ অর্থ আৰু অসমীয়া অনুবাদো পঢ়িবলৈ পাব। শ্লোকসমূহৰ কঠিন শব্দসমূহৰ ব্যাকৰণগত টোকাও জানিব পাৰিব। ইয়াৰ উপৰিও ৰঘুৰ অন্যদিশ বিজয়ৰ বিষয়েও অৱগত হ’ব।

১০.৩ চতুর্থসর্গৰ শ্লোক (৫৩-৮০)সমূহৰ সংস্কৃত পাঠ

এতিয়া আপুনি 'ৰঘুবংশম' মহাকাব্যৰ চতুর্থসর্গৰ শ্লোক (৫৩-৮০)সমূহৰ সংস্কৃত পাঠ পঢ়িবলৈ পাব। শ্লোকসমূহ তলত উল্লেখ কৰা হ'ল।

তস্যানীকৈৰিসর্পদ্ভিৰপৰান্তজয়োদ্যতৈঃ।
ৰামাস্ত্রোত্সাৰিতোহপ্যাসীত মহ্যলগ্ন ইবার্ণবঃ।। ৫৩
ভয়োৎসৃষ্ট বিভূষাণাং তেন কেৰলযোষিতাম্।
অলকেষু চমূৰেনুশ্চূর্ণপ্রতিনিধীকৃতঃ।। ৫৪
মুৰলামাৰুতোদ্ধূতগম্য কৈতকং ৰজঃ।
তদ্যোধবাৰৰাণানামযত্ন পটবাসতাম্।। ৫৫
অভ্যভূয়ত্ বাহানাং চৰতাং গাত্রশিঞ্জিতৈঃ।
বর্মভিঃ পবনোদ্ধূতৰাজতালীবন ধ্বনিঃ।। ৫৬
খর্জুৰীস্কন্ধনদ্ধানাং মদোদ্গাৰসুগন্ধিষু।
কটেষু কৰিণাং পেতুঃ পুন্নাগেভ্যঃ শিলীমুখাঃ।। ৫৭
অবকাশ কিলোদন্বান্ ৰামায়াভ্যর্থিতো দদৌ।
অপৰান্তমহীপালব্যাজেন ৰঘবে কৰম্।। ৫৮
মত্তেভৰদনোৎকীর্ণ ব্যক্ত বিক্রমলক্ষণম্।
ত্রিকূটমেব তত্রোচ্চৈর্জয়স্তম্ভং চকাৰ সঃ।। ৫৯
পাৰসীকাংস্ততো জেতুং প্রতস্থে স্থলবর্ত্মণা।
ইন্দ্রিয়াখ্যানিব ৰিপুং স্তত্ত্বজ্ঞানেন সংযমী।। ৬০
যবনীমুখপদ্মানাং সেহে মধুমদং ন সঃ।
বালাতপমিবাব্জানামকালজলদোদয়ঃ।। ৬১
সংগ্রামস্তমুলস্তস্য পাশ্চাত্যৈৰশ্বসাধনৈঃ।
শার্ঙ্গকূজিত বিজ্ঞেয় প্রতিযোধে ৰজস্যভূত্।। ৬২
ভল্লাপবর্জিতৈস্তেষাং শিৰোভিঃ শ্মশ্রুলৈর্মহীম্।
তস্তাৰ সৰযাব্যাপ্তৈঃ স ক্ষৌদ্রপটলৈৰিব।। ৬৩
অপনীতশিৰস্ত্রানঃ শেষাস্তং শৰণং যযুঃ।
প্রণিপাত প্রতীকাৰঃ সংৰম্ভো হি মহাত্মনাম্।। ৬৪
বিনয়ন্তে স্ম তদ্যোধা মধুভির্বিজয়শ্রমম্।
আস্তীর্ণাজিনৰত্নাসু দ্রাক্ষাবলয়ভূমিষু।। ৬৫
ততঃ প্রতস্থে কৌবেৰীং ভাস্বানিব ৰঘুর্দিশম্।
শৰৈৰুস্ত্রৈৰিবোদীচ্যানুদ্ধৰিষ্যন্ ৰসানিব।। ৬৬
বিনীতাধ্বশ্রমাস্তস্য সিন্ধুতীৰচেষ্টনৈঃ।

দুধুবুর্বাজিনঃ স্কন্ধাল্লগ্ন কুঙ্কুমকেসৰাণ্।। ৬৭
তত্র হুনাববোধানাং ভর্ত্তৃষু ব্যক্ত বিক্রমম্।
কপোলপাটলাদেশি বভূব ৰঘুচেষ্টিতম্।। ৬৮
কাম্বোজাঃ সমৰে সোঢুং তস্য বীর্য্যমনীশ্বৰাঃ।
গজালানপৰিক্লিষ্টৈৰক্ষোটৈঃ সার্ধিমানতাঃ।। ৬৯
তেষাং সদশ্বভূয়িষ্ঠাস্তুংগা দ্রবিণৰাশয়ঃ।
উপদা বিবিশুঃ শশ্বন্নোৎসেকাঃ কোশলেশ্বৰম্।। ৭০
ততো গৌৰীগুৰুং শৈলমাৰুৰোহাশ্বসাধনঃ।
বর্ধয়ন্নিব তৎকূটানুদ্ধূতৈর্ধাতুৰেণুভিঃ।। ৭১
শশংস তুল্যসত্বানাং সৈন্যযোষেহপ্যসংভ্রমম্।
গুহাশয়ানাং সিংহানাং পৰিবৃত্যাবলোকিতম্।। ৭২
ভূর্জেষু মমর্ৰীভূতাঃ কীচকধ্বনিহেতবঃ।
গঙ্গাশীকৰিণো মার্গে মৰুতস্তং সিষেবিৰে।। ৭৩
বিশশ্রমুর্ণমেৰুণাং ছায়াস্বধ্যাম্য সৈনিকাঃ।
দৃষদো বাসিতোৎসংগা নিষন্নমৃগনাভিভি।। ৭৪
সৰলাসক্তমাতঙ্গগ্রৈবেয়স্ফুৰিতত্বিষঃ।
আসন্নোষধয়ো নেতুর্ণক্তমস্নেহদীপিকাঃ।। ৭৫
তস্যোৎসৃষ্টনিবাসেষু কণ্ঠৰজ্জুক্ষতত্বচঃ।
গজবর্ত্ম কিৰাতেভ্যঃ শশংসুর্দেবদাৰবঃ।। ৭৬
তত্র জন্যং ৰঘোঘোৰং পর্বতীয়ৈর্গণৈৰভূত্।
নাৰাচক্ষেপনীয়া ১ম নিষ্পেষোৎপতিতানলম্।। ৭৭
শৰৈৰুৎসবসংকেতান্ স কৃত্বা বিৰতোৎসৰান্।
জয়োদাহৰন বাহ্লৌর্গাপয়ামাস কিন্নৰাত্।। ৭৮
পৰস্পৰেন বিজ্ঞাতস্তেষূপায়নপাণিষু।
ৰাজ্ঞা হিমবতঃ সাৰো ৰাজ্ঞঃ সাৰো হিমাদ্রিণা।। ৭৯
তত্রাক্ষোভ্যং যশোৰাশিং নিবেশ্যাবৰুৰোহ সঃ।
পৌলস্ত্যতুলিতস্যাদ্রেৰাদ ধান ইব হ্রিয়ম্।। ৮০

১০.৩.১ শ্লোকসমূহৰ গদ্যপাঠ

এতিয়া আপুনি ওপৰত উল্লেখ কৰা 'ৰঘুবংশম্' মহাকাব্যৰ চতুর্থসর্গৰ শ্লোক (৫৩-৮০)সমূহৰ গদ্যপাঠ পঢ়িবলৈ পাব।

৫৩) অপৰান্তজয়োদ্যতৈঃ বিসর্পদ্ভিঃ তস্য অনীকৈঃ অর্ণবঃ ৰামাস্ত্রোৎসাৰিতঃ অপি সহ্য লগ্নঃ ইব আসীৎ।



অভ্যর্থিতঃ = অভি + অর্থিতঃ

৫৪) তেন ভয়োৎসৃষ্টবিভূষাণাং কেৰলযোষিতাম্ অলকেষু চমূৰেণুঃ চূর্ণপ্রতিনিধীকৃতঃ।

৫৫) মুৰলামাৰুতোদ্ধূতং কৈতকং ৰজঃ তদ্‌যোধবাৰবাণানাম্ অযত্নপটবাসতাম্ অগমৎ।

৫৬) চৰতাং বাহানাং গাত্রশিঞ্জিতৈঃ বর্মভিঃ পৰনোদ্ধূতৰাজ তালীবন ধ্বনিঃ অভ্যভূয়ৎ।

৫৭) খর্জুৰীস্কন্ধনদ্ধানাং কৰিণাং মদোদ্‌গাৰসুগন্ধিষু কটেষু পুন্নাগেভ্যঃ শিলীমুখাঃ পেতুঃ।

৫৮) উদন্বান্ **অভ্যর্থিতঃ** ৰামায় অৰকাশং দদৌ কিল ৰঘৰে অপৰান্তমহী পালব্যাজেন কৰম দদৌ।

৫৯) তত স মত্তেভৰদনোৎকীর্ণ ব্যক্ত বিক্রমলক্ষণম্ ত্রিকূটম্ এৰ উচ্চৈঃ জয়স্তম্ভং চকাৰ।

৬০) ততঃ সংযমী তত্ত্বজ্ঞানেন ইন্দ্রিয়াখ্যান্ ৰিপূন্ ইব পাৰসীকান্ জেতুং স্থলবর্ত্মণা প্রতস্থে।

৬১) অকালজলোদয়ঃ অজ্ঞানাং বালাতপম্ ইব সঃ যৱনী মুখপদ্মানাং মধুমদং ন সেহে।

৬২) তস্য অশ্বসাধনৈঃ পাশ্চাত্যৈঃ শার্ঙ্গকূজিতবিজ্ঞেয় প্রতিযোধে ৰজসি তুমুলঃ সংগ্রামঃ অভূৎ।

৬৩) সঃ সৰঘাব্যাপ্তৈঃ ক্ষৌদ্রপটলৈঃ ইব ভল্লাপবর্জিতৈঃ শ্মশ্রুলৈঃ তেষাং শিৰোভিঃ মহীং তস্তাৰ।

৬৪) শেষাঃ অপনীতশিৰস্ত্রাণাঃ তং শৰণং যযুঃ। হি মহাত্মনাং সংৰম্ভঃ প্রণিপাত প্রতীকাৰঃ।

৬৫) তদ্‌যোধাঃ আস্তীর্ণাজিনৰত্নাসু দ্রাক্ষাবলয়ভূমিষু মধুভিঃ বিজয়শ্রমং বিনয়ন্তে স্ম।

৬৬) ততঃ ভাস্বান্ ইব ৰঘুঃ উস্রেঃ ইব শৰৈঃ ৰসান্ ইব উদীচ্যান্ উদ্ধৰিষ্যণ্ কৌবেৰীং দিশং প্রতস্থে।

৬৭) সিন্ধুতীৰবিচেষ্টনৈঃ বিনীতাধ্বশ্রমাঃ তস্য বাজিনঃ লগ্নকুঙ্কুমকেসৰান্ স্কন্ধান্ দুধুবুঃ।

৬৮) তত্র ভর্ত্তৃষু ব্যক্তবিক্রমং ৰঘুচেষ্টিতম্ হুনাবৰোধানাম্ কপোলপাটলাদেশি বভূৱ।

৬৯) কাম্বোজাঃ সমৰে তস্য বীর্য্যং সোঢুম্ অনীশ্বৰাঃ গজালানপৰিক্লিষ্টৈঃ অক্ষোটৈঃ সার্দ্ধম্ আনতাঃ।

৭০) তেষাং সদশ্বভূয়িষ্ঠাঃ তুঙ্গাঃ দ্রবিনৰাশয়ঃ উপদাঃ শশ্বৎ কোশলেশ্বৰম্ বিবিশুঃ উৎসেকাঃ ন।

৭১) ততঃ অশ্বসাধনঃ গৌৰীগুৰুং শৈলং উদ্ধূতৈঃ ধাতুৰেণুভিঃ তৎকূটান্ বর্ধয়ন্ ইব আৰুৰোহ।

৭২) তুল্যসত্ত্বানাং গুহাশয়ানাং সিংহানাং পৰিবৃত্য অৱলোকিতম্ সৈন্যঘোষে অপি অসংভ্রমম্ শশংস।

৭৩) ভূর্জেষু মর্মৰীভূতাঃ কীচকধ্বনিহেতবঃ গঙ্গাশীকাৰিণঃ মৰুতঃ মার্গে তং সিষেবিৰে।

৭৪) সৈনিকাঃ নমেৰুণাং ছায়াসু নিষন্নমৃগনাভিভিঃ ব্যাসিতোৎসঙ্গাঃ দৃষদঃ অধ্যাস্য বিশশ্রমুঃ।

৭৫) সৰলাসক্তমাতঙ্গ গ্রৈবেয়স্ফুৰিতত্বিষঃ ঔষধয়ঃ নক্তং নেতুঃ অস্নেহদীপিকা আসন্।

৭৬) তস্য উৎসৃষ্টনিবাসেষু কণ্ঠৰজ্জুক্ষতত্বচঃ দেৱদাৰবঃ কিৰাতেভ্যঃ গজবর্ত্ম শশংস।

৭৭) তত্র ৰঘোঃ পর্বতীয়ৈঃ গণৈঃ সহ নাৰাচক্ষেপনীয়াশ্মনিষ্পেষোৎপতিতানলম্ ঘোৰং জন্যং অভূৎ।

৭৮) স শৰৈঃ উৎসৱসঙ্কেতান্ বিৰতোৎসৱান্ কৃত্বা কিন্নৰান্ বাহ্বোঃ জয়োদাহৰণং গাপয়ামাস।

৭৯) তেষু উপায়নপানিষু পৰস্পৰেন ৰাজ্ঞা হিমবতঃ সাৰো বিজ্ঞাতঃ, হিমাদ্রিনা চ ৰাজ্ঞঃ সাৰো বিজ্ঞাতঃ।

৮০) সঃ তত্র অক্ষোভ্যং যশোৰাশিং নিবেশ্য পৌলস্ত্যতুলিতস্য অদ্রেঃ হ্রিয়ম্ আদধান ইব অবৰুৰোহ।

১০.৩.২ শ্লোকসমূহৰ শব্দাৰ্থ

এতিয়া আপুনি 'ৰঘুবংশম্' মহাকাব্যৰ চতুৰ্থসৰ্গৰ শ্লোক (৫৩-৮০)সমূহৰ শব্দৰ অৰ্থ পঢ়িবলৈ পাব।

৫৩) অপৰান্তজয়োদ্যত্যৈঃ = অপৰান্তানাং পাশ্চাত্যানাং জয়ে উদ্‌যুক্তৈঃ (পশ্চিম দেশ জয় কৰিবলৈ উদ্যত) বিসর্পদ্ভিঃ = গচ্ছদ্ভিঃ (গৈ থকা) তস্য = ৰঘোঃ (ৰঘুৰ) অনীকৈঃ = সৈন্যৈঃ (সৈন্যবিলাক) অর্ণবঃ = সমুদ্রঃ (সাগৰ) ৰামাস্ত্রোপসাৰিতঃ অপি = ৰাম পৰশুৰামস্য অস্ত্রৈঃ পৰিসাৰিতঃ (পৰশুৰামৰ অস্ত্রৰ দ্বাৰা অপসাৰিত হ'লেও) সহ্য লগ্নঃ ইব = সহ্য ইতি পর্বত সংলগ্ন ইব (সহ্যনামৰ পর্বতত সংলগ্নৰ দৰে) আসীৎ = অভৱৎ (হৈছিল)।

৫৪) তেন = ৰঘুণা (ৰঘুই) ভয়োৎসৃষ্টবিভূষাণাম্ = ভয়েন পৰিহৃতবিভূষাণাং (ভয়ত অলঙ্কাৰ আদি ত্যাগ কৰা) কেৰলযোষিতাং = কেৰলাঙ্গনানাম্ (কেৰলদেশৰ নাৰীসকলৰ) অলকেষু = চূর্ণকুন্তলেষু (চূর্ণকুন্তলত) চমূৰেনু = সৈন্যৰজঃ (সৈন্যৰ দ্বাৰা উৰা ধূলি) চূর্ণপ্রতিনিধিকৃত = চূর্ণস্য কুঙ্কুমাদিৰজসঃ প্রতিনিধীকৃতঃ (কুঙ্কুমাদিচূর্ণৰ প্রতিনিধি কৰাইছিল)।

৫৫) মুৰলামাৰুতোদ্ধূতং = মুৰলানামক কেৰলপ্রদেশেষু কস্যাশ্চিত নদ্যাঃ মাৰুতেন অর্থাৎ বায়ুনা উত্থাপিতং (মুৰলানদীৰ বায়ুবেগে উত্থিত) কৈতকং ৰজঃ = কেতকীসম্বন্ধী পৰাগঃ (কেতেকী ফুলৰ পৰাগ) তদ্‌যোধবাৰবাণানাম্ = ৰঘুভটককঞ্চুকানাম্ (ৰঘুৰ সৈন্যৰ বর্মৰ ওপৰত) অযত্নপটবাসতাম = অযত্নসিদ্ধ বস্ত্রবাসনাদ্রব্যত্বম্ (অযত্নলব্ধ সুগন্ধি চূর্ণৰ কার্য্য) অগমৎ = সম্পাদিতবান্ (সম্পন্ন কৰিলে)।

৫৬) চৰতাং = গচ্ছতাং (গৈ থকা) বাহানাং = বাজিনাম্ (ঘোঁৰাবিলাকৰ) গাত্রশিঞ্জিতৈঃ= গাত্রেষু শব্দায়মানৈঃ (গাত শব্দায়মান) বর্মভিঃ = কবচৈঃ (বর্মসমূহৰ) পৱনোদ্ধূতৰাজ তালীবন ধ্বনিঃ = পবনেন কম্পিতানাং ৰাজতালীবনানাং ধ্বনি (বতাহত কম্পিত তালগছৰ মর্মৰধ্বনি) অভ্যভূয়ত্ = তিৰস্কৃতঃ (তিৰস্কৃত হ'ল অর্থাৎ ঢাক খাই গ'ল)।

৫৭) খর্জুৰীস্কন্ধনদ্ধানাং = খর্জুৰী ইতি তৃণদ্রুমবিশেষানাম্ প্রকাণ্ডেষু বদ্ধানাং (খর্জুৰ গছৰ কাণ্ডত বদ্ধ) কৰিণাং = হস্তীনাং (হাতীবিলাকৰ) মদোদ্গাৰসুগন্ধিষু = মদস্রাৱেন সুগন্ধিষু (মদস্রাৱ সুগন্ধি) কটেষু = গণ্ডেষু (গণ্ডস্থলত) পুন্নাগেভ্যঃ = পুন্নাগপুষ্পানি বিহায় (নাগকেশৰ ফুল ত্যাগ কৰি) শিলীমুখাঃ = অলয়ঃ (ভোমোৰাবিলাকে) পেতুঃ = সংলগ্নঃ অভৱৎ (পৰিব ধৰিছিল)।

৫৮) উদন্বান্ = সমুদ্রঃ (সাগৰ) অভ্যর্থিতঃ = যাচিতঃ সন্ (প্রার্থিত হৈ) ৰামায় = পৰশুৰামায় (পৰশুৰামক) অবকাশং = স্থানম্ (স্থান) দদৌ = দত্তবান্ (দিছিল) কিল = ইতি প্রসিদ্ধঃ (এইদৰে শুনা যায়) ৰঘৰে = মহাৰাজ ৰঘুক। অপৰান্তমহীপালব্যাজেন = পাশ্চাত্যৰাজ্ঞঃ কৰদানছলেন (পাশ্চাত্য ৰজাসকলৰ কৰদানৰ ছলেৰে) কৰম্ দদৌ = বলিং দত্তবান্ (কৰ প্রদান কৰিছিল)।

৫৯) তত্র (তাত) সঃ = ৰঘুঃ (তেওঁ) মত্তেভৰদনোৎকীর্ণ ব্যক্তবিক্রমলক্ষণম্ = মত্তানাং গজানাং দন্তক্ষতানি পৰাক্রমচিহ্নানি এব পৰিস্ফুটম্ (মদমত্ত হাতীবিলাকৰ দন্তক্ষতবোৰ সেই পর্বতৰ গাত সুব্যক্ত বিজয়লিপিৰূপে প্রতীত হ'ল) ত্রিকূটম্ এৰ = ত্রিকূটপর্বতমেৰ (ত্রিকূটপর্বতকেই) উচ্চৈঃ = উন্নতৈঃ (উচ্চ) জয়স্তম্ভং = (জয়স্তম্ভ) চকাৰ = কৃতবান (কৰিলে)।

৬০) ততঃ = তৎপশ্চাৎ (তাৰপিছত) সংযমী = যোগী (সংযমী) তত্বজ্ঞানেন = শাস্ত্রজ্ঞানেন (তত্বজ্ঞানৰ দ্বাৰা) ইন্দ্রিয়াখ্যান্ = ইন্দ্রিয়নামকান্ (ইন্দ্রিয়নামৰ) ৰিপূন্ ইব = শত্রূন্ ইব (যেন শত্রুবোৰক) পাৰসীকান্ = সিন্ধুতটবাসিনো ম্লেচ্ছৰাজান্ (পার্চী ৰজাসকলক) জেতুং = বিজয়ং প্রাপ্তুং (জয় কৰিবলৈ) স্থলবর্ত্মণা = ভূমিমার্গেণ (স্থলপথেৰে) প্রতস্থে = যাত্রায়ামাস (প্রস্থান কৰিছিল)।

৬১) অকালজলদোদয়ঃ = প্রাবৃঙ্ব্যতিৰিক্তকালে মেঘোদয়ঃ (অকালত মেঘোদয়) অব্জানাং = পদ্মানাং (পদুমফুলৰ) বালাতপম্ = প্রাতঃ সূর্যকিৰণম্ (ৰাতিপুৱাৰ সূর্যৰ কিৰণ) ইব = (নিচিনা) সঃ = ৰঘুঃ (তেওঁ অর্থাৎ ৰঘুই) যৱনীমুখপদ্মানাং = যবনদেশীয়স্ত্রীণাং মুখানাং (যবনৰমনীসকলৰ মুখ) মধুমদং = মদ্যপানজনিতঃ ৰাগঃ (মদ্যপানজনিত ৰক্তিমা) ন সেহে = সোঢুং শক্তবান্ (সহিব নোৱাৰিলে)।

৬২) তস্য = ৰঘোঃ (তেওঁৰ অর্থাৎ ৰঘুৰ) অশ্বসাধনৈঃ = বাজিসৈন্যৈঃ (অশ্বাৰোহী) পাশ্চাত্যৈঃ = পশ্চাদ্ভবৈঃ যবনৈঃ সহ (পাশ্চাত্যসকলৰ সৈতে) শার্ঙ্গকূজিতবিজ্ঞেয় প্রতিযোধে = ধনুর্সম্বন্ধিভিঃ শব্দেন অনুমেয় প্রতিভটে (কেৱল ধনুৰ শব্দৰেই প্রতিপক্ষ অনুমান কৰি ল'লে) ৰজসি = পৰাগে (ধূলিত) তুমুলঃ সংগ্রামঃ = সঙ্কুলং যুদ্ধম্ (তুমুল সংগ্রাম) অভূৎ = অভবৎ (হ'ল)।

৬৩) সঃ = ৰঘু (তেওঁ অর্থাৎ ৰঘুই) সৰঘাব্যাপ্তৈঃ = মধুমক্ষিকাব্যাপ্তৈঃ (মৌমাখি পৰিব্যাপ্ত) ক্ষৌদ্রপটলৈঃ ইব = মধুচদ্রৈঃ ইব (মৌচাকৰ দৰে) ভল্লাপবর্জিতৈঃ = বানবিশেষকৃত্যৈঃ (ভল্লচ্ছিন্ন) শ্মশ্রুলৈঃ = প্রবৃদ্ধমুখৰোমবদ্ভিঃ (শ্মশ্রুযুক্ত) তেষাং

= যবনানাং (যৱনসকলৰ) শিৰোভিঃ = মুণ্ডৈঃ (শিৰেৰে) মহীং = ভূমিং (ৰণভূমি) তস্তাৰ = আচ্ছাদয়ামাস (আচ্ছাদিত কৰিছিল)।

৬৪) শেষাঃ = হতাবশিষ্টাঃ (অৱশিষ্ট যৱনসকলে) অপনীতশিৰস্ত্রানাঃ = অপসাৰিত শীর্ষণ্যাঃ সন্তঃ (শিৰস্ত্রান অপনীত কৰি) তং = ৰঘোঃ (ৰঘুৰ) শৰণং যযুঃ = শৰণাপন্নমভৱত্ (শৰণাপন্ন হ'ল), হি = তথাহি (যিহেতু) মহাত্মনাং = মনিষীনাং (মহাত্মাসকলৰ) সংৰম্ভঃ= ক্রোধঃ (ক্রোধ) প্রণিপাত প্রতীকাৰঃ = প্রণতিৰেৰ প্রতীকাৰঃ (প্রণতিৰ দ্বাৰাই উপশমিত হয়)।

৬৫) তদ্‌যোধাঃ = তস্য ৰঘোঃ ভটাঃ (তেওঁৰ সৈন্যবিলাকে) আস্তীর্ণজিনৰত্নাসু = প্রসাৰিতচর্মশ্রেষ্ঠেষু (উৎকৃষ্ট মৃগচর্মৰ ওপৰত বহি) দ্রাক্ষাবলয়ভূমিষু = মধুৰসবলয়ানাং ভূমিষু (দ্রাক্ষাকুঞ্জত) মধুভিঃ = দ্রাক্ষাফলপ্রকৃতিকৈঃ মদ্যৈঃ (মদ্যপানেৰে) বিজয়শ্রমং= যুদ্ধখেদং (যুদ্ধশ্রম) বিনয়ন্তে স্ম = অপনীতবন্তঃ (দূৰ কৰিছিল)।

৬৬) ততঃ = তৎপশ্চাৎ (তাৰপিছত) ৰঘুঃ = ৰঘুই ভাস্বান্ ইব = সূর্য্যঃ ইব (সূর্য্যৰ দৰে) উস্ত্রৈঃ ইব = কিৰণৈঃ ইব (কিৰণৰ দৰে) শৰৈঃ = বাণৈঃ (শৰেৰে) ৰসান্ ইব = উদকানি ইব (ৰসশোষনৰ নিমিত্তে) উদীচ্যান্ = উদগৃভবান্নৃপান্ (উত্তৰ পিনৰ ৰজাসকলৰ) উদ্ধৰিষ্যণ্ = উন্মুলিতুং (উন্মুলিত কৰিবৰ বাবে) কৌবেৰীং দিশং = কুবেৰসম্বন্ধিনীং দিশম্ উদীচীং (কুবেৰৰ দিশ উত্তৰ পিনে) প্রতস্থে = অগচ্ছৎ (গমন কৰিছিল)।

৬৭) সিন্ধুতীৰবিচেষ্টনৈঃ = সিন্ধুর্ণাম কাশ্মীৰদেশেষু কশ্চিন্নদবিশেষস্যতীৰে অঙ্গপৰিবর্তনৈঃ (সিন্ধুনদীৰ পাৰত পাশ্বপৰিৱর্তন কৰি) বিনীতাধ্বশ্রমাঃ = পথশ্রমাঃ অপনয়নেন (পথশ্রম অপনয়ন কৰি) তস্য = ৰঘোঃ (তেওঁৰ অর্থাৎ ৰঘুৰ) বাজিনঃ = অশ্বাঃ (ঘোঁৰাবিলাকে) লগ্নকুঙ্কুমকেসৰান্ = কুঙ্কুমকেশৰসংযুক্তান্ (কুঙ্কুম ফুলৰ কেশৰ যুক্ত) স্কন্ধান্ = কায়ান্ (স্কন্ধদেশ) দুধুবুঃ = কম্পয়ন্তি স্ম (কঁপাব ধৰিছিল)।

৬৮) তত্র = উদীচ্যা দিশ (তাত অর্থাৎ উত্তৰফালে) ভর্ত্তৃষু = স্বামিষু (পতিসকলত) ব্যক্তবিক্রমম্ = স্ফুটপৰাক্রমম্ (পৰাক্রম প্রকাশ কৰিলে) ৰঘুচেষ্টিতম্ = ৰঘুব্যাপাৰঃ (ৰঘুৰ কার্য্যাৱলীয়ে) হুনাববোধানাং = হুন জনপদখ্যায়াঃ ক্ষত্রিয়ৰমণীনাং (হুনৰমণীসকলৰ) কপোলপাটলাদেশি = ৰক্তবর্ণঃ কপোলঃ (কপাল ৰঙা) বভূৱ = অভৱৎ (হৈছিল)

৬৯) কাম্বোজাঃ = কাম্বোজদেশীয় ৰাজানঃ (কাম্বোজদেশীয় ৰজাসকল) সমৰে = যুদ্ধে (যুদ্ধত) তস্য = ৰঘোঃ (তেওঁৰ অর্থাৎ ৰঘুৰ) বীর্য্যং = প্রভাবম্ (বিক্রম) সোঢুম্ = সহনং কর্ত্তুং (সহ্য কৰিবলৈ) অনীশ্বৰাঃ = অসক্তাঃ সন্তঃ (নোৱাৰি) গজালানপৰিক্লিষ্টৈঃ = হস্তীবন্ধনপৰিক্ষিপ্তৈঃ (হাতী বান্ধোতে ভগা) অক্ষোটৈঃ সার্দ্ধম্ = বৃক্ষবিশেষৈঃ সহ (অক্ষোটগছৰ সৈতে) আনতাঃ = অৱনতাঃ (অৱনত হৈ পৰিল)।

৭০) তেষাং = কাম্বোজানাং (কম্বোজৰজাসকলৰ) সদশ্বভূয়িষ্ঠাঃ = সদ্ভিঃ অশ্বৈঃ বহুলাঃ (উৎকৃষ্ট ঘোঁৰাসমূহ) তুঙ্গাঃ = উন্নতাঃ (উন্নত) দ্রৱিনৰাশয়ঃ = হিৰন্যসমূহঃ (ধনৰাশি) উপদাঃ = উপায়নানি (উপহাৰৰূপে) শশ্বদ্ = অসকৃৎ (সদায়) কোসলেশ্বৰং = কোসলদেশাধিপতিং ৰঘুং (কোসল দেশৰ অধিপতি ৰঘুক) বিবিশুঃ = প্রাপ্য (পাই) উৎসেকাঃ ন = গর্বাঃ ন (গর্বিত নহ'ল)।

৭১) ততঃ = অনন্তৰম্ (তাৰ পিছত) অশ্বসাধনঃ = অশ্বাৰোহীসৈন্যাঃ (অশ্বাৰোহী সৈন্য লৈ) গৌৰীগুৰুং শৈলং = গৌর্য্যাঃ পিতৰং হিমবন্তম্ (হিমালয় পর্বতত) উদ্ধৃতৈঃ = অশ্বখুৰোত্থিতৈঃ (উত্থিত) ধাতুৰেণুভিঃ = গৈৰিকাদীনাং ধাতুণাং ৰেনুভিঃ (গৈৰিকাদি ধাতুৰ ৰেণুৰ দ্বাৰা) তৎকূটান্ = তস্য শৃঙ্গাণি (শৃঙ্গসমূহক) বর্ধয়ন্ ইব = বর্দ্ধিতং কৃত্বা (আৰু যেন বর্দ্ধিত কৰি) আৰুৰোহ = আৰোহণং কৃতবান্ (আৰোহণ কৰিছিল)।

৭২) তুল্যসত্বানাং = সমানবলানাম্ (তুল্যবলশালী) গুহাশয়ানাং = গুহাসু শয়নকর্তানাম্ (গুহাশায়ী) সিংহানাং = হৰীণাম্ (সিংহবিলাকৰ) পৰিবৃত্য = পৰাবৃত্য (ডিঙি ঘূৰাই) অৱলোকিতং = অৱলোকনং কৃতম্ (চালে), সৈন্যঘোষে অপি = সেনাকলকলে অপি (সৈন্যৰ কোলাহলতো), অসংভ্রমম্ = অন্তঃ ক্ষোভবিৰহিত্বম্ (নির্ভীকভাৱে) শশংস = কথয়ামাস (সূচনা কৰিছিল)।

৭৩) ভূর্জেষু = ভূর্জপত্রেষু (ভূর্জপত্রত) মর্মৰীভূতাঃ = শুষ্কপর্ণধ্বনিযুক্তাঃ (মর্মৰ ধ্বনিযুক্ত) কীচকধ্বনিহেতবঃ = কীচক ইতি বেণুবিশেষানাং ধ্বনিহেতবঃ (বংশবিশেষে শব্দ উৎপাদক) গঙ্গাশীকাৰিণো = গঙ্গাশীকৰবাহিনঃ অর্থাৎ শীতলা (গঙ্গাশীকৰবাহী) মৰুতঃ = বাতাঃ (বতাহ) মার্গে = পথি (পথত) তং = (তেওঁক অর্থাৎ ৰঘুক) সিষেবিৰে = সেবিতবন্তঃ (সেৱা কৰিব ধৰিছিল)।

৭৪) সৈনিকাঃ = সেনায়াং সমবেতাঃ (সৈন্যবিলাকে) নমেৰুণাং = সুৰপুন্নাগানাং (সুৰপুন্নাগ গছৰ) ছায়াসু = (ছায়াত) নিষন্নমৃগনাভিভিঃ = দৃষদুপবিষ্টানাং কস্তুৰীমৃগানাং নাভিভিঃ (সমাসীন মৃগসমূহৰ নাভিসংস্পর্শত বাসিতোৎসঙ্গাঃ = সুৰভিততলাঃ (সুবাসিত তল) দৃষদঃ = শিলাঃ (শিল) অধ্যাস্য = অধিষ্ঠায় (বহি) বিশশ্রমুঃ = বিশ্রান্তাঃ (বিশ্রাম কৰিলে)।

৭৫) সৰলাসক্তমাতঙ্গ গ্রৈবেয়স্ফুৰিতত্বিষঃ = দেৱদাৰুবিশেষেসু আসক্তানাং গজানাং গ্রীৱাযুক্তেষু কণ্ঠশৃঙ্খলেষু প্রতিফলিতভাসঃ (দেৱদাৰু গছত বন্ধা হাতীবিলাকৰ ডিঙিত থকা শিকলিৰ) ঔষধয়ঃ = জ্বলন্তো জ্যোতির্লতাবিশেষাঃ (ঔষধিসমূহে) নক্তং = ৰাত্রৌ (ৰাতি) নেতুঃ = ৰঘোঃ (ৰঘুৰ) অস্নেহদীপিকাঃ = তৈলনিৰপেক্ষাঃ প্রদীপাঃ (তেলবিহীন প্রদীপ) আসন্ = অভৱন্ (হৈছিল)।

৭৬) তস্য = ৰঘোঃ (তেওঁৰ অর্থাৎ ৰঘুৰ) উৎসৃষ্টনিবাসেষু = উজ্জিতেষু সেনানিবেশেষু (যি ঠাইৰ পৰা শিবিৰ উঠাই গুছি যায়) কণ্ঠৰজ্জুক্ষতত্বচঃ = গজগ্রৈবৈঃ নিষ্পিষ্ঠাস্ত্বচঃ

(কণ্ঠৰুজ্জুৰ ঘঁহনিৰ চিনৰ দ্বাৰা) দেবদাৰবঃ = বৃক্ষবিশেষাঃ (দেৱদাৰু গছবোৰ) কিৰাতেভ্যঃ = বনেচৰেভ্যোঃ (কিৰাতবিলাকক) গজবর্ত্ম = গজানাং দেহপ্রমাণম্ (হাতীবিলাকৰ দেহ প্রমান) শশংস = কথিতবন্তঃ (পৰিচয় প্রদান কৰিছিল)।

৭৭) তত্র = হিমাদ্রৌ (হিমালয়পর্বতত) ৰঘোঃ = ৰঘুৰ পর্বতীয়ৈঃ গনৈঃ = পর্বতে ভৱৈঃ উৎসৱসঙ্কেতাখ্যৈঃ সপ্তভিঃ সম্প্রদায়ৈঃ (পার্বত্যসকলৰ লগত) নাৰাচসেক্ষপনীয়াশ্মনিষ্পেষোৎপতিতানলম্ = নাৰচানাং বাণবিশেষাণাং ক্ষেপনীয়ানাং ভিন্দিপালানামশ্মনাং চ সংঘর্ষেণ উৎপতিতা অনলম্ (নাৰাচ, ভিন্দিপাল আদি অস্ত্র আৰু শিলাবর্ষণৰ সংঘর্ষত অগ্নি প্রজ্জ্বলিত হ'ল) ঘোৰং = ভীমং (ভয়ানক) জন্যং = যুদ্ধং (যুদ্ধ) অভূৎ = অভবৎ (হ'ল)।

৭৮) স = ৰঘুঃ (তেওঁ অর্থাৎ ৰঘুই) শৰৈঃ = বাণৈঃ (বানেৰে) উৎসৱসঙ্কেতান্ = উৎসৱসঙ্কেতান্ নাম গণান্ (উৎসৱসংকেত নামৰ পার্বত্য জাতিক) বিৱতোৎসৱান্ কৃত্বা = উৎসৱবিৰহিতান্কৃত্বা অর্থাৎ জিত্বা = নিৰুৎসাহ কৰি(কিন্নৰাণ্ = কিন্নৰ ইতি গণান্ (কিন্নৰসকলক) বাহ্বোঃ = ভুজবলেন (বাহুবলেৰে) জয়োদাহৰণং = জয়খ্যাপঙ্ক গীতম্ (জয়গান) গাপয়মাস = গায়ন্তং প্রেৰয়ামাস (গোৱালে)।

৭৯) তেষু = গণেষু (তেওঁলোক অর্থাৎ পার্বত্যজাতি) উপায়নপাণিষু = উপায়নহস্তেষু= (উপহাৰ লৈ উপস্থিত হ'ল) পৰস্পৰেণ = অন্যোন্যং (পৰস্পৰে) ৰাজ্ঞা = ৰঘুনা (ৰজাই) হিমবতঃ = হিমালয় পর্বতস্য (হিমালয়ৰ) সাৰঃ = ধনৰূপো (ৰত্নসমৃদ্ধি), হিমাদ্রিনা = হিমবতা (হিমালয়ে) ৰাজ্ঞা = ৰঘোঃ (ৰজা ৰঘুৰ) সাৰঃ = বলৰূপঃ (বীর্য্যবর্ত্তা) বিজ্ঞাতঃ = জ্ঞাতবান্ (জানিছিল)।

৮০) স = ৰঘুঃ (তেওঁ অর্থাৎ ৰঘুৰে) তত্র = হিমাদ্রৌ (হিমালয়ত) অক্ষোভ্যং = অঘৃষ্যং (স্থিৰ) যশোৰাশিং = কীর্তিং (যশৰাশি) নিবেশ্য = নিধায় (স্থাপন কৰি) পৌলস্ত্যতুলিতস্য = ৰাৱনেন চালিতস্য (ৰাৱন উত্তোলিত) অদ্রেঃ = কৈলাসস্য (কৈলাস পর্বতৰ) হ্রিয়ম্ = লজ্জাম্ (লাজ) আদধান ইব = জনয়ন্ ইব (যেন উৎপাদন কৰি) অবৰুৰোহ = অবততাৰ (অৱতৰণ কৰিছিল)।



জানি থোৱা ভাল

৫৩) অপৰান্তাঃ = পশ্চিম দেশীয় বিশেষকৈ কোঙ্কন প্রদেশ।

৫৪) কেৰল = দক্ষিণে কুমাৰিকা অন্তৰীপ আৰু উত্তৰে গোৱা পর্য্যন্ত বিস্তাৰিত মালাবাৰ, ত্রিবাঙ্কুৰ আৰু কানাড়া প্রদেশ প্রাচীন কেৰল নামে পৰিচিত আছিল।

৫৫) মুৰলা = কেৰলদেশত প্রবাহিত নদী। মতান্তৰে নর্মদা নদীৰ অন্য নাম।

৫৯) ত্রিকূট = কেৰল প্রদেশৰ ত্রিশৃঙ্গ পর্বতৰ অন্য নাম।

৬০) পাৰসীক = পাৰস্যদেশৰ অধিবাসীসকল।

৬৮) হুন = পঞ্চনদৰ অন্তর্গত শাকল বা শিয়ালকোট জিলাৰ চতুর্দিশৰ ভূভাগৰ প্ৰাচীন নাম হুন।

৬৯) কম্বোজ = বৰ্তমান আফগানিস্তানৰ উত্তৰাংশ।

৭৬) কিৰাত = পৰ্বতৰ কাষৰীয়া অঞ্চলত বাস কৰা এটা জাতি।

৭৮) উৎসৱ সঙ্কেত = এটি পাৰ্বত্যজাতি। প্ৰাচীনকালৰ পৰাই সাতটা সম্প্ৰদায়ত বিভক্ত।

১০.৩.৩ সংস্কৃত শ্লোকসমূহৰ অসমীয়া অনুবাদ

এতিয়া আপুনি 'ৰঘুবংশম্' মহাকাব্যৰ চতুর্থসর্গৰ শ্লোক (৫৩-৮০)সমূহৰ অসমীয়া অনুবাদ পঢ়িবলৈ পাব।

৫৩) অপৰান্ত অর্থাৎ পশ্চিমদেশ জয় কৰিবলৈ উদ্যত হৈ তেওঁৰ (ৰঘুৰ) সৈন্যদল যেতিয়া গমন কৰিব ধৰিলে, তেতিয়া বোধ হ'ল যেন সমুদ্ৰ পৰশুৰামৰ অস্ত্ৰত দূৰলৈ অপসাৰিত হ'লেও পুনৰ যেন সহ্য পৰ্বতত লগ লাগিছে।

৫৪) কেৰল ৰমণীসকলে ভয়ত বেশভূষা পৰিত্যাগ কৰিলেও ৰঘুই তেওঁলোকৰ চূৰ্ণকুন্তলত সৈন্যৰ দ্বাৰা উৰা ধূলিকেই কুঙ্কুমাদিচূৰ্ণৰ প্ৰতিনিধি কৰাইছিল।

৫৫) মুৰলা নদীৰ বায়ুবেগে উত্থিত কেতেকীফুলৰ পৰাগে ৰঘুৰ সৈন্যৰ বৰ্মৰ ওপৰত স্বাভাৱিক সুগন্ধি চূৰ্ণৰ কাৰ্য্য সম্পাদন কৰিলে।

৫৬) ধাৱমান ঘোঁৰাবিলাকৰ দেহ আৱৰণ বৰ্মৰ ধ্বনিত পৱনকম্পিত তালগছৰ মৰ্মৰ ধ্বনি আভিভূত হ'ল।

৫৭) ভোমোৰাবিলাকে নাগকেশৰ ফুল পৰিত্যাগ কৰি খেজুৰ গছৰ কাণ্ডত বন্ধা হাতীবোৰৰ মদধাৰা সুবাসিত গণ্ডস্থলত পৰিব ধৰিলে।

৫৮) সমুদ্ৰই পৰশুৰামৰ প্ৰাৰ্থনানুসাৰেই তেওঁক বাসস্থান দিছিল। সেই সমুদ্ৰই পাশ্চাত্য ৰজাসকলৰ ছলেৰে মহাৰাজ ৰঘুক কৰদান কৰিলে।

৫৯) তেওঁ (ৰঘুৰে) তাত ত্ৰিকূট পৰ্বতকেই নিজৰ উচ্চ জয়স্তম্ভত পৰিণত কৰিলে। তেওঁৰ মদমত্ত হাতীবোৰৰ দন্তক্ষতবোৰেই সেই পৰ্বতৰ গাত সুব্যক্ত বিজয়লিপিৰূপে প্ৰতীত হ'ল।

৬০) তাৰ পিছত সংযমী ব্যক্তিয়ে যিদৰে ইন্দ্ৰিয়ৰূপ ৰিপুবিলাকক জয় কৰিবৰ বাবে তত্ত্বজ্ঞান অৱলম্বন কৰে, ৰঘুৱেও তেনেকৈ পাৰসীকসকলক জয় কৰিবলৈ স্থলপথেৰে অগ্ৰসৰ হ'ল।

৬১) অকালত মেঘৰ উদয়ে যিদৰে পদুমফুলৰ ওপৰত পৰা প্ৰভাতসূৰ্য্যৰ প্ৰভা নষ্ট কৰে। সেইদৰে তেৱেঁ (ৰঘুই) যৱন ৰমণীসকলৰ মদ্যপানজনিত ৰক্তিম আভা দূৰ কৰিলে।

৬২) তেতিয়া অশ্বসৈন্যসম্পন্ন যৱনসকলৰ সৈতে তেওঁৰ (ৰঘুৰ) তুমুল সংগ্ৰাম হ'ল। ধূলিয়ে ৰণস্থল আচ্ছন্ন কৰি পেলোৱাত প্ৰতিপক্ষীয় যোদ্ধাৰ উপস্থিতি ধনুৰ শব্দৰ দ্বাৰাই অনুমান কৰি ল'লে।

৬৩) তেওঁ (ৰঘুৱে) ভল্লনামৰ অস্ত্ৰৰ দ্বাৰা যৱনসকলৰ মুণ্ডচ্ছিন্ন কৰি ভূতল আচ্ছন্ন কৰাত এনে লাগিল যেন মৌমাখি পৰিব্যাপ্ত মৌচাকেৰে তেওঁ পৃথিৱী আচ্ছাদিত কৰিলে।

৬৪) অৱশিষ্ট যৱনসকলে শিৰস্ত্ৰাণ উন্মোচন কৰি তেওঁৰ শৰণাপন্ন হ'ল। কিয়নো মহাত্মাসকলৰ ক্ৰোধ প্ৰণতিৰ দ্বাৰাই উপশম হয়।

৬৫) তেওঁৰ (ৰঘুৰ) সৈন্যবিলাকে দ্ৰাক্ষালতাপৰিবেষ্টিত ভূমিত উৎকৃষ্ট চৰ্মাসন পৰিবেষ্টিত কৰি সুৰাপানৰ দ্বাৰা যুদ্ধশ্ৰম দূৰ কৰিলে।

৬৬) ইয়াৰ পিছত সূৰ্য্যই যিদৰে নিজৰ কিৰণৰ দ্বাৰা পৃথিৱীৰ ৰস শোষণ কৰিবলৈ উত্তৰায়ন অৱলম্বণ কৰে। সেইদৰে ৰঘুয়ো শৰৰ দ্বাৰা উত্তৰ দিশৰ ৰজাসকলক উন্মুলিত কৰিবৰ বাবে উত্তৰ দিশ অভিমুখে যাত্ৰা কৰিলে।

৬৭) তেওঁৰ (ৰঘুৰ) ঘোঁৰাবিলাক সিন্ধু নদীৰ পাৰত পাশ্বপৰিৱৰ্তন কৰি পথশ্ৰম দূৰ কৰি কুঙ্কুমফুলৰ কেশৰ সংযুক্ত স্কন্ধদেশ কঁপাব ধৰিলে।

৬৮) তাত ৰঘুৰ পৰাক্ৰম হুন ৰজাসকলৰ ওপৰত এনেভাৱে পৰিল যে তেওঁলোকৰ অন্তঃপুৰচাৰিণী ৰমণীসকলৰ কপাল পৰ্য্যন্ত ৰঙা হ'ল।

৬৯) কম্বোজদেশীয় ৰজাসকলে ৰণক্ষেত্ৰত তেওঁৰ বিক্ৰম সহ্য কৰিব নোৱাৰি হাতী বান্ধোতে ভঙা অক্ষোট গছৰ সৈতে অৱনত হৈ পৰিল।

৭০) তেওঁলোকৰ উৎকৃষ্ট ঘোঁৰাসমূহ আৰু পৰ্য্যাপ্ত ধনৰাশি উপহাৰৰূপে পালেও কোসলেশ্বৰ ৰঘু অলপো গৰ্বিত নহ'ল।

৭১) তাৰ পিছত ৰঘুই অশ্বাৰোহী সৈন্য লৈ ঘোঁৰাৰ খুৰাত ওপৰলৈ উঠা গৈৰিকাদি ধাতুৰ ৰেনুৰ দ্বাৰা শৃঙ্গসমূহক যেন আৰু বৰ্দ্ধিত কৰি হিমালয় পৰ্বতত আৰোহণ কৰিলে।

৭২) তুল্যবলশালী গুহাশায়ী সিংহবিলাকে সৈন্যকোলাহল শুনিও ভীত নহ'ল কেৱল ডিঙি ঘূৰাই সেইফালে অৱলোকন কৰিলে।

৭৩) ভুৰ্জপত্ৰত মৰ্মৰ ধ্বনিযুক্ত আৰু বংশবিশেষে শব্দ উৎপাদক গঙ্গাশীকৰবাহী সমীৰণে বাটত তেওঁক (ৰঘুক) সেৱা কৰিব ধৰিলে।

৭৪) তেওঁৰ (ৰঘুৰ) সৈন্যসকলে নমেৰুগছৰ ছায়াত মৃগবিলাকৰ কস্তুৰী গন্ধত সুবাসিত শিলত উপৱেশন কৰি বিশ্ৰাম কৰিব ধৰিলে।

৭৫) দেৱদাৰু গছত বন্ধা হাতীবিলাকৰ ডিঙিত থকা ঔষধিসমূহৰ জ্যোতি প্ৰতিফলিত হৈ ৰাতি অধিনায়কৰ (ৰঘুৰ) তৈলহীন প্ৰদীপৰ কাম কৰিছিল।

৭৬) তেওঁ (ৰঘুৱে) যি ঠাইৰ পৰা শিবিৰ উঠাই লৈ যায়, তাতে দেবদাৰু গছবিলাকত হাতীবিলাকৰ ডিঙিৰ ৰচীৰ ঘঁহনিৰ চিনৰ দ্বাৰা ৰাজহস্তীৰ উচ্চতাৰ পৰিচয় দিছিল।

৭৭) সেই ঠাইত ৰঘুৰ পাৰ্বত্যসকলৰ লগত নাৰাচ, ভিন্দিপাল আদি অস্ত্ৰ আৰু শিলাবৰ্ষণৰ সংঘৰ্ষত অগ্নি প্ৰজ্জ্বলিত হৈ ভয়ানক যুদ্ধ হ'ল।

৭৮) তেওঁ (ৰঘুৱে) শৰেৰে সেই উৎসৱ সঙ্কেত নামৰ পাৰ্বত্যজাতিক পৰাজয় কৰি কিন্নৰসকলক বাহুবলেৰে জয়গানত নিযুক্ত কৰিলে।

৭৯) তেওঁলোকে (অর্থাৎ পার্বত্য জাতিসমূহে) উপহাৰ লৈ উপস্থিত হোৱাত মহাৰাজ ৰঘুই যেনেকৈ হিমালয়ৰ ৰত্নসমৃদ্ধি বুজিব পাৰিলে, হিমালয়েও তেনেকৈ ৰঘুৰ বীর্য্যবত্তা বুজিব পাৰিলে।

৮০) হিমালয়ে নিজৰ স্থিৰ যশোৰাশি স্থাপন কৰি আৰু ৰাৱণে উত্তোলিত কৈলাসপর্বতক যেন লজ্জিত কৰি তেওঁ (ৰঘুই) অৱতৰণ কৰিলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ মুৰলা নদীৰ বর্তমান নাম কি?

.....

প্রশ্ন নং ২ ঃ ৰঘুৰ দ্বাৰা বিজিত পশ্চিম দিশৰ এখন পর্বতৰ নাম লিখক।

.....

প্রশ্ন নং ৩ ঃ ৰঘুৱে পশ্চিম দিশৰ পাছত কোন দিশলৈ দিগ্বিজয়ৰ বাবে আগবাঢ়িছিল?

.....

প্রশ্ন নং ৪ ঃ কম্বোজ দেশৰ বর্তমানৰ অৱস্থিতি ক'ত?

.....

প্রশ্ন নং ৫ ঃ উৎসৱ সঙ্কেত কি?

.....

১০.৪ ব্যাকৰণত টোকা

৫৩নং শ্লোক ঃ

ব্যুৎপত্তি—

বিসর্পদ্দ্ভি = বি - √ সৃপ্ + শতৃ তৃতীয়া বহুবচন।

সমাস—

অপৰান্তজয়োদ্যতৈঃ = অপৰান্তানাং জয়ঃ (ষষ্ঠী তৎপুৰুষ), তস্মিন্ উদ্যতঃ (সুপ্সুপা), তৈঃ

ৰামাস্ত্রোৎসাৰিতঃ = ৰামস্য অস্ত্রং (ষষ্ঠী তৎপুৰুষ) তেন উৎসাৰিতঃ (তৃতীয়া তৎপুৰুষ)

৫৪নং শ্লোক ঃ

বিভক্তি নির্ণয়—

অলকেষু = বিষয়াধিকৰণে ৭মী

ব্যুৎপত্তি—

উৎসৃষ্ট = উৎ -√সৃজ + ক্ত (কর্মণি)

সমাস—

ভয়োৎসৃষ্ট বিভূষাণাম্ = ভয়েন উৎসৃষ্টঃ (তৃতীয়া তৎপুৰুষ)

তাদৃশাঃ বিভূষাঃ যাসাম্ (বহুব্রীহি) তাসাম্।

৫৫নং শ্লোক ঃ

অযত্নপটবাসতাম্ = অবিদ্যমানঃ যত্নঃ যস্য (বহুব্রীহি) সঃ = অযত্নঃ অযত্নঃ পটবাসঃ (কর্মধাৰয়) তস্য ভাবঃ ইতি অযত্নপটবাস + তল্, স্ত্রিয়াম্ টাপ্।

৫৬নং শ্লোক ঃ

ব্যুৎপত্তি—

অভ্যভূয়ত্ = অভি - √ভূ + লঙ্ ত কর্মণি।

সমাস—

গাত্রশিঞ্জিতৈঃ = গাত্রেষু শিঞ্জিতৈঃ (সপ্তমী তৎপুৰুষ)

পবনোদ্ধূতৰাজতালীবনধ্বনিঃ = পবনেন উদ্ধূতং (তৃতীয়া তৎপুৰুষ)।

তাদৃশং ৰাজতালীবনম্ (কর্মধাৰয়) তস্য ধ্বনিঃ (ষষ্ঠী তৎপুৰুষ)।

৫৭নং শ্লোক ঃ

সমাস—

খর্জুৰীস্কন্ধনদ্ধানাম্ = খর্জুৰীণাম্ স্কন্ধাঃ (ষষ্ঠী তৎপুৰুষ),

তত্র নদ্ধাঃ (সপ্তমী তৎপুৰুষ) তেষাম্

মদোদ্গাৰসুগন্ধিষু— মদানাম্ উদ্গাৰঃ (ষষ্ঠী তৎপুৰুষ) তেন সুগন্ধিঃ (তৃতীয়া তৎপুৰুষ) তেষু।

শিলীমুখাঃ = শিলী শল্যং মুখে যস্য (বহুব্রীহি)।

৫৮নং শ্লোক ঃ

ব্যুৎপত্তি—

অৱকাশম্ = অব্ - √কাশ্ + ঘঞ্

সমাস—

অপৰাস্তমহীপালব্যাজেন = অপৰাস্তাঃ মহীপালাঃ (কর্মধাৰয়) তেষাং ব্যাজঃ (ষষ্ঠী তৎপুৰুষ) তেন। কৰণে তৃতীয়া।

৫৯নং শ্লোক ঃ

সমাস—

মত্তভৰদনোৎকীর্ণব্যক্তি বিক্রমলক্ষণম্ = মত্তাঃ ইভা (কর্মধাৰয়) তেষাং ৰদনানি (ষষ্ঠী তৎপুৰুষ), তৈঃ উৎকীর্ণানি (তৃতীয়া তৎপুৰুষ) তৈঃ ব্যক্তম্ (তৃতীয়া তৎপুৰুষ), তাদৃশং বিক্রমলক্ষণং যস্মিন্ (বহুব্রীহি) তম্, বিক্রমস্য লক্ষণম্ (ষষ্ঠী তৎপুৰুষ)।

৬০নং শ্লোক ঃ

সমাস—

ইন্দ্রিয়াখ্যান্ = ইন্দ্রিয়ানি আখ্যা যেষাম্ (বহুব্রীহি) তান্।

ব্যুৎপত্তি—

জেতুম্ = √জি + তুমুন্

প্রতস্থে = প্র - √স্থা + লিট্ এ

৬১নং শ্লোক ঃ

ব্যুৎপত্তি—

সেহে = √সহ্ + লিট্ এ

সমাস—

যৱনীমুখপদ্মানাম্ = মুখানি পদ্মানীৱ (উপমিত কর্মধাৱয়) যৱনীনাং মুখপদ্মানি (ষষ্ঠী তৎপুৰুষ) তেষাম্।

অকালজলোদয়ঃ = ন কালঃ (নঞ্ তৎপুৰুষ)। জলদানাম্ উদয়ঃ (ষষ্ঠী তৎপুৰুষ) অকালে জলদোদয়ঃ (সপ্তমী তৎপুৰুষ)।

৬২নং শ্লোক ঃ

বিভক্তি নির্ণয়—

পাশ্চাত্যৈঃ = সহার্থে তৃতীয়া

সমাস—

অশ্বসাধনৈঃ = অশ্বাঃ সাধনানি যেষাম্ (বহুব্রীহি)

শার্ঙ্গকূজিতবিজ্ঞেয়প্রতিযোধে = শাঙ্গানাং কূজিতানি (ষষ্ঠী তৎপুৰুষ)

তৈঃ বিজ্ঞেয়াঃ (তৃতীয়া তৎপুৰুষ) তাদৃশাঃ প্রতিযোধাঃ যস্মিন্ (বহুব্রীহি) তস্মিন্।

৬৩নং শ্লোক ঃ

সমাস—

ভল্লাপবর্জিতৈঃ = ভল্লৈঃ অপবর্জিতানি (তৃতীয়া তৎপুৰুষ) তৈঃ।

৬৪নং শ্লোক ঃ

ব্যুৎপত্তি—

সংৱন্তত = সম্ - √ৱন্ত + ঘঞ্

সমাস—

প্রণিপাত প্রতীকাৱঃ = প্রণিপাতঃ প্রতীকাৱঃ যস্য (বহুব্রীহি) সঃ।

মহাত্মানাম্ - মহান্ আত্মা যেষাং (বহুব্রীহি) তেষাম্। শেষে ষষ্ঠী।

৬৫নং শ্লোক ঃ

বিভক্তি নির্ণয়—

দ্রাক্ষাবলয়ভূমিষু - অধিকৱণে সপ্তমী

সমাস—

আস্তীর্ণাজিনৰত্নাসু = অজিনানাং ৰত্নানি (ষষ্ঠী তৎপুৰুষ)

আস্তীর্ণানি অজিনৰলানি যাসু (বহুব্রীহি) তাসু।

দ্রাক্ষাবলয়ভূমিষু - দ্রাক্ষানাং বলয়ানি (ষষ্ঠীতৎপুৰুষ) তেষাং ভূময়ঃ (ষষ্ঠী তৎপুৰুষ) তাসু।

৬৬নং শ্লোক ঃ

ব্যুৎপত্তি—

কৌবেৰীম্ = কুবেৰস্য ইয়ম্ ইতি কুবেৰ + অন্ + ঙীপ্

ভাস্বান্ = ভাসঃ অস্য সন্তীতি √ভাস্ + মতুপ্

৬৭নং শ্লোক ঃ

সমাস—

সিন্ধুতীৰবিচেষ্টনৈঃ = সিন্ধোঃ তীৰম্ (ষষ্ঠী তৎপুৰুষ)।

তত্র বিচেষ্টনানি (সপ্তমী তৎপুৰুষ) তৈঃ।

লগ্নকুঙ্কুমকেশৰান্ = কুংকুমস্য কেশৰাঃ (ষষ্ঠী তৎপুৰুষ)

লগ্নাঃ কুঙ্কুমকেশৰাঃ যেষু (বহুব্রীহি) তান্।

৬৮নং শ্লোক ঃ

সমাস—

হুনাবৰোধানাম্ = হুণানাম্ অৱৰোধাঃ (ষষ্ঠী তৎপুৰুষ) তেষাম্

ব্যক্তবিক্রমম্ - ব্যক্তঃ বিক্রমঃ যসৎ তৎ (বহুব্রীহি)।

ব্যুৎপত্তি—

বভূব - √ভূ + লিট্ আ।

৬৯নং শ্লোক ঃ

ব্যুৎপত্তি—

সোঢুম্ঃ - √সহ্ + তুম্ ।

সমাস—

গজালানপৰিক্লিষ্টঃ = গজানাম্ আলানম্ (ষষ্ঠী তৎপুৰুষ), তেন পৰিক্লিষ্টাঃ (তৃতীয়া তৎপুৰুষ) তৈঃ।

৭০নং শ্লোক ঃ

সমাস—

কোসলেশ্বৰম্ - কোসলানাং তদ্দেশবাসিনাম্ ঈশ্বৰঃ (ষষ্ঠী তৎপুৰুষ) তম্

৭১নং শ্লোক ঃ

ব্যুৎপত্তি—

আৰুৰোহ = আ-√ৰুহ্ + লিট অ, বর্দ্ধয়ন্ - √বৃধ + ণিচ্ + শতৃ প্রথমা একবচন।

সমাস—

ধাতুৰেণুভিঃ = ধাতুনাং ৰণবঃ (ষষ্ঠী তৎপুৰুষ) তৈঃ, কৰণে তৃতীয়া।

৭২নং শ্লোক ঃ

সমাস—

তুল্যসত্ত্বানাম্ = তুল্যং সত্বং যেষাম্ (বহুব্রীহি) তেষাম্।

সৈন্যঘোষে = সৈন্যানাং ঘোষঃ (ষষ্ঠী তৎপুৰুষ) তস্মিন্। ভাবে সপ্তমী।

গুহাশয়ানাম্ = গুহাসু শেৰতে ইতি উপপদসমাসে গুহা - √শী + অচ্।

৭৩নং শ্লোক ঃ

সমাস—

কীচকধ্বনিহেতবঃ = কীচকানাং ধ্বনিঃ (ষষ্ঠী তৎপুৰুষ) তেষাং হেতবঃ (ষষ্ঠী তৎপুৰুষ)

গঙ্গাশীকৰিণঃ = গঙ্গায়াঃ শীকৰাঃ (ষষ্ঠী তৎপুৰুষ) গঙ্গাশীকৰাঃ সন্তি এষাম্ ইতি

গঙ্গাশীকৰ + ইনি।

ব্যুৎপত্তি—

সিষেবিৰে - √সেৰ্ + লিট্ ইৰে

৭৪নং শ্লোক ঃ

ব্যুৎপত্তি—

বিশশ্রমুঃ = বি-√শ্রম্ + লিট্ উস্, অধ্যাস্য = অধি- √আস্ + ল্যপ্

সমাস—

বাসিতোৎসঙ্গাঃ = বাসিতা উৎসঙ্গাঃ যাসাম্ তাঃ (বহুব্রীহি)।

নিষন্নমৃগনাভিভিঃ = নিষণ্ণাঃ মৃগাঃ (কর্মধাৰয়) তেষাং নাভয়ঃ (ষষ্ঠী তৎপুৰুষ) তৈঃ।

৭৫নং শ্লোক ঃ

সমাস—

সৰলাসক্তমাতঙ্গগ্রৈৱয়স্ফু ৰিতত্বিষঃ = সৰলেষু আসক্তাঃ (সপ্তমী তৎপুৰুষ) তাদৃশাঃ মাতঙ্গা (কর্মধাৰয়) তেষা উগ্রৱয়ানি (ষষ্ঠী তৎপুৰুষ)

তেষু স্ফুৰিতাঃ (সপ্তমী তৎপুৰুষ) তাদৃশাঃ ত্বিষঃ যাসাম্ (বহুব্রীহি) তাঃ।

অস্নেহদীপিকা = অবিদ্যমানঃ স্নেহঃ যাসু (নঞগর্ভ বহুব্রীহি) তাঃ

তাদৃশ্যাঃ দীপিকাঃ (কর্মধাৰয়)।

৭৬নং শ্লোক ঃ

ব্যুৎপত্তি—

শশংসু = √শন্স্ + লিট্ উস্

সমাস—

উৎসৃষ্টনিৱাসেষু = উৎসৃষ্টাঃ নিৱাসাঃ (কর্মধাৰয়) তেষু। অধিকৰণে সপ্তমী।

৭৭নং শ্লোক ঃ

ব্যুৎপত্তি—

অভূত্ = √ভূ + লুঙ্ দ।

পর্বতীয়ৈঃ = পর্বতে ভৱাঃ ইতি পর্বত + ছ।

৭৮নং শ্লোক ঃ

ব্যুৎপত্তি—

গাপয়ামাস - √গৈ + ণিচ্ + লিট্ অ।

কৃত্বা - √কৃ + ক্ত্বাচ্।

৭৯নং শ্লোক ঃ

ব্যুৎপত্তি—

বিজ্ঞাতঃ = বি- √জ্ঞা + ক্ত (কর্মণি)।

বিভক্তি নির্ণয়—

পৰস্পৰেণ = অনুক্তে কর্তৰি তৃতীয়া।

সমাস—

উপায়নপাণিষু = উপায়নানি পাণিষু যেষাম্ (ব্যাধিকৰণ বহুব্রীহি) তেষু।

৮০নং শ্লোক ঃ

ব্যুৎপত্তি—

নিৱেশ্য = নি- √ৱিশ + ণিচ্ + ল্যপ্।

অৱৰুৰোহ = অৱ- √ৰুহ্ + লিট্ অ।

আদধানঃ = আ- √ধা + শানচ্।

সমাস—

যশোৰাশিম্ - যশসাং ৰাশিঃ (ষষ্ঠী তৎপুৰুষ) তম্।

১০.৫ সংক্ষিপ্তৰূপত শ্লোকসমূহৰ বিষয়বস্তু

ৰঘুৱে দিগ্বিজয় কৰি পূব আৰু দক্ষিণ দিশসমূহ জয় কৰাৰ পাছত পশ্চিম দিশলৈ গমন কৰিলে। পশ্চিম দিশ জয় কৰিবলৈ উদ্যত হৈ ৰঘুৰ সৈন্যদলে সহ্যপর্বত আৰু সমুদ্রৰ মধ্যৱর্তী তটভূমি আছন্ন কৰি যোৱাত এনে লাগিল যেন পৰশুৰামৰ অস্ত্রচালনাত অপসাৰিত সমুদ্র সহ্য পর্বত সংলগ্ন হৈছে (৫৩নং শ্লোক)। ৰঘুৰ ভয়তেই কেৰল দেশৰ নাৰীসকলে অলঙ্কাৰ পৰিত্যাগ কৰিলে। কিন্তু ৰঘুৰ বিশাল সৈন্যদলৰ পদাঘাতত উৰি ফুৰা ধুলিসমূহ সেই নাৰীসকলৰ কুন্তলৰাজিত পৰাত তেওঁলোকৰ বাবে প্রসাধনচূর্ণৰ কাম কৰিছিল (৫৪নং শ্লোক)। মুৰলা নদীৰ ওপৰৱে প্রবাহিত বায়ুত কেতেকী ফুলৰ ৰেণু ৰঘুৰ সৈন্যসকলৰ বর্মত গৈ সংলগ্ন হোৱাত অনায়াসে লাভ কৰা

বস্ত্রসুগন্ধিৰ দৰে হৈছিল (৫৫নং শ্লোক)। ৰঘুৰ সৈন্যদল ইমানেই বিশাল আছিল যে ধাৰমান ঘোঁৰাবিলাকৰ বৰ্মধ্বনিৰ শব্দই হাবিৰ প্ৰকাণ্ড তালপাতৰ মৰ্মৰ ধ্বনিকো চেৰ পেলাইছিল (৫৬নং শ্লোক)। ৰঘুৰ হাতীসমূহক খেজুৰ গছৰ কাণ্ডত বন্ধা হৈছিল। ভোমোৰাবিলাকে সুগন্ধিত নাগকেশৰে ফুল পৰিত্যাগ কৰি সেই মদস্ৰাৰী হাতীবিলাকৰ গণ্ডস্থলত আহি পৰিছিল (৫৭নং শ্লোক)। শুনা যায় যে পৰশুৰামৰ অনুৰোধত সাগৰে পৰশুৰামক স্থান দিছিল। কিন্তু সেই সমুদ্ৰক অনুৰোধ নকৰা সত্ত্বেও পশ্চিমৰ ৰজাসকলৰ ছলেৰে ৰঘুক কৰ প্ৰদান কৰিলে (৫৯নং শ্লোক)। সংযমী পুৰুষসকলে যিদৰে ইন্দ্ৰিয় নামৰ ৰিপুক দমন কৰিবৰ বাবে তত্ত্বজ্ঞানৰ পথত বিচৰণ কৰে, সেইদৰে ৰঘুৱেও পাৰসীকসকলক জয় কৰিবৰ নিমিত্তে স্থলপথেৰে প্ৰস্থান কৰিলে (৬ নং শ্লোক)। অকালতে মেঘৰ উদয়ে পদুমফুলৰ ওপৰত পৰা প্ৰভাতসূৰ্য্যৰ প্ৰভা নষ্ট কৰে, সেইদৰে ৰঘুৱেও মৱনীসকলৰ মুখপদ্মৰ মদ্যপানজনিত ৰক্তিম আভা দূৰ কৰিলে (৬১নং শ্লোক)। অশ্বাৰোহী পশ্চিমদেশীয় সৈন্যৰ সৈতে ৰঘুৰ তুমুল যুদ্ধ হ'ল। এই যুদ্ধত ইমান ধূলি উৰিছিল যে ধনুৰ শব্দৰ দ্বাৰাহে প্ৰতিপক্ষৰ যোদ্ধাসকলৰ অৱস্থিতি অনুমান কৰিব পৰা হৈছিল (৬২নং শ্লোক)। ভল্ল নামৰ শৰৰ আঘাতত পাৰসীকসকলৰ মুণ্ডসমূহ বিচ্ছিন্ন হৈ সমগ্ৰ ভূমি আচ্ছাদিত হৈছিল। ফলত এনে দৃশ্যমান হৈছিল যেন মৌমাখিভৰা মৌচাকেৰে পৃথিৱী পৰিব্যাপ্ত হৈছে (৬৩নং শ্লোক)। জীৱিত থকা পাৰসীকসকলে শিৰস্ত্ৰান ত্যাগ কৰি ৰঘুৰ শৰণাপন্ন হৈছিল কিয়নো মহানুভৱসকলৰ ক্ৰোধৰ উপশম প্ৰণিপাতৰ দ্বাৰাহে সম্ভৱ (৬৪নং শ্লোক)। ৰঘুৰ সৈন্যবিলাকে দ্ৰাক্ষালতা পৰিবেষ্টিত ভূমিত মৃগচৰ্মৰ আসনত বহি মদ্যপান কৰি যুদ্ধশ্ৰম দূৰ কৰিলে (৬৫নং শ্লোক)।

ইয়াৰ পিছত ৰঘু উত্তৰ দিশলৈ গমন কৰিলে। সূৰ্য্যই যিদৰে কিৰণজাল বিস্তাৰ কৰি পৃথিৱীৰ ৰস শোষণ কৰিবলৈ উত্তৰায়ণলৈ গমন কৰে, সেইদৰে ৰঘুৱেও নিজৰ শৰজাল নিক্ষেপ কৰি উত্তৰ দেশীয় ৰজাসকলক উৎখাত কৰি উত্তৰ ফাললৈ গমন কৰিলে (৬৬নং শ্লোক)। ৰঘুৰ ঘোঁৰাবিলাকে সিন্ধুনদীৰ তীৰত আশ্ৰয় লৈ পথশ্ৰম দূৰ কৰিলে আৰু কুঙ্কুমকেশৰ সযুক্ত স্কন্ধদেশ কঁপাব ধৰিলে (৬৭নং শ্লোক)। উত্তৰ দেশৰ হুন পুৰুষসকলৰ ওপৰত ৰঘুৱে এনেদৰে বিক্ৰম প্ৰকাশ কৰিলে যে তেওঁলোকৰ অন্তঃপুৰবাসিনী ৰমনীসকলে পতিশোকত কৰাঘাত কৰি নিজৰ নিজৰ কপোলদেশ ৰক্তবৰ্ণ কৰি তুলিলে (৬৮নং শ্লোক)। কম্বোজদেশীয় ৰজাসকলো ৰঘুৰ বীৰ্য্য সহ্য কৰিব নোৱাৰিলে। ৰঘুৰ হাতী বান্ধিৰখা অক্ষোটবৃক্ষসমূহ যিদৰে নত হৈছিল তেনেদৰে কম্বোজৰজাসকলো ৰঘুৰ ওচৰত নতি স্বীকাৰ কৰিছিল (৬৯নং শ্লোক)। কম্বোজ ৰজাসকলে ৰঘুক উৎকৃষ্ট ঘোঁৰা আৰু সুবৰ্ণ সম্ভাৰ প্ৰদান কৰিলে থিকেই কিন্তু ৰঘুৰ মনত অলপো গৰ্বভাব উৎপন্ন নহ'ল (৭০নং শ্লোক)। ইয়াৰ পিছত ৰঘুই অশ্বাৰোহী সৈন্যসহ হিমালয় পৰ্বতত আৰোহণ কৰিলে। তাত গৈৰিকাদি ধাতুসমূহ অশ্বখুৰাৰে বিদলিত আৰু আকাশত উত্থিত হোৱাত এনে লাগিল যেন হিমালয় পৰ্বতৰ শৃঙ্গসমূহহে বৃদ্ধি পাইছে (৭১নং শ্লোক)। তুল্যবলশালী সিংহবিলাকে সৈন্যবিলাকৰ কোলাহল শুনিও ভীত নহ'ল। কেৱল মাত্ৰ ডিঙি ঘূৰাই দৃষ্টি নিক্ষেপ কৰি নিজৰ নিৰ্ভীকতাই প্ৰকাশ কৰিলে (৭২নং শ্লোক)। ভূৰ্জপত্ৰত মৰ্মৰধ্বনি আৰু বংশবিশেষত বীণাৰ নিচিনা মধুৰ শব্দ সৃষ্টি কৰি গঙ্গাৰ জলকনা সঞ্চাৰিত কৰি সমীৰণে হিমালয় পথত ৰঘুক সেৱা

কৰিব ধৰিলে (৭৩নং শ্লোক)। সৈন্যবিলাকে নমেৰুগছৰ ছাঁত মৃগসমূহৰ অৱস্থানৰ বাবে সুবাসিত শিলাতলত বহি বিশ্রাম কৰিলে (৭৪নং শ্লোক)। ঔষধিবিলাকে, নিশাৰভাগত দেবদাৰু গছত বন্ধা হাতীৰ ডিঙিৰ বান্ধোনত জ্যোতি প্রতিফলিত কৰি তৈলহীন ভাবেই সেনানায়ক ৰঘুৰ প্রদীপৰ কার্য্য কৰিলে (৭৫নং শ্লোক)। ৰঘুৱে যি স্থানৰ পৰাই শিবিৰ তুলি লৈ যায়। সেই ঠাইত দেবদাৰু গছত হাতীবিলাকৰ কণ্ঠৰজ্জুৰ ঘর্ষণ চিহ্ন দেখি, কিৰাতবিলাকে হাতীবিলাকৰ উচ্চতা অনুমান কৰিব পাৰিছিল (৭৬নং শ্লোক)। পর্বতবাসী উৎসৱ-সংকেতাদি সপ্তগনৰ সৈতে সেই ঠাইত ৰঘুৰ তুমুল যুদ্ধ হ'ল। সেই যুদ্ধত নাৰাচ, ভিন্দিপাল প্রভৃতি অস্ত্র আৰু শিলাখণ্ডসমূহৰ পৰস্পৰ সংঘর্ষত অগ্নি প্রজ্জ্বলিত হৈ ভয়ানক যুদ্ধ হ'ল (৭৭নং শ্লোক)। শৰৰ দ্বাৰা উৎসৱ-সংকেতসকলক নিৰুৎসৱ কৰি অর্থাৎ পৰাজিত কৰি, কিন্নৰসকলক বাহুবলেৰে জয়গানত নিয়োজিত কৰিলে (৭৮নং শ্লোক)। পার্বত্য ৰজাসকলে উপঢৌকন লৈ ৰঘুৰ ওচৰত উপস্থিত হ'ল। মহাৰাজ ৰঘুই হিমালয়ৰ কিমান ঐশ্বর্য্য বুজিব পাৰিলে আৰু হিমালয়েও ৰঘুৰ পৰাক্রম জানিব পাৰিলে (৭৯নং শ্লোক)। তেওঁ হিমালয়ত নিজৰ অক্ষয়কীর্তি স্থাপন কৰিলে। ৰাৱন উত্তোলিত কৈলাস পর্বতৰ লজ্জা উৎপাদন কৰিয়েই যেন তেওঁ অৱতৰণ কৰিলে (৮০নং শ্লোক)।



১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- 'ৰঘুবংশম্' মহাকাব্যৰ চতুর্থসর্গৰ বিষয়বস্তুৰ একাংশ জানিব পাৰিলে।
- শ্লোকসমূহৰ মাজেৰে বিভিন্ন দিশৰ দেশসমূহৰ প্রাচীন অৱস্থিতিৰ বিষয়েও আপুনি অৱগত হ'ল।
- বিভিন্ন অধিবাসীসকলৰ লগতো পৰিচিত হ'ল।
- নির্দিষ্ট শ্লোকসমূহৰ সংস্কৃত পাঠৰ লগতে শব্দার্থ আৰু অসমীয়া অনুবাদো জানিলে।
- শ্লোকসমূহৰ সাধাৰণ আলোচনাও পঢ়িবলৈ পালে।
- অধ্যায়টিত থকা পাঠ্যাংশত ব্যৱহাৰ হোৱা কিছুমান কঠিন সংস্কৃত পদৰ ব্যাকৰণগত টোকাও আপুনি জানিলে।



১০.৭ অধিক জানিবলৈ

১) কালে, এম. আৰ. (সম্পা.) ঃ *ৰঘুবংশম্ অব্ কালিদাস* (১-৫); দিল্লী ঃ মতিলাল বানাৰসীদাস পাব্লিছার্চ প্রাইভেট লিমিটেড।

২) নন্দর্গিকাৰ, গোপাল ৰঘুনাথ (১৯৮২)ঃ *দি ৰঘুবংশম্ অব্ কালিদাস* (সম্পাদিত); দিল্লী ঃ মতিলাল বানাৰসীদাস পাব্লিছার্চ প্রাইভেট লিমিটেড।

৩) *সংস্কৃত সাহিত্য সম্ভাৰ* (Vol-X) (১৯৮১) ঃ নৱপত্র প্রকাশন।



১০.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ নর্মদা।

২নং প্রশ্নৰ উত্তৰ ঃ সহ্য পর্বত।

৩নং প্রশ্নৰ উত্তৰ ঃ উত্তৰ দিশ।

৪নং প্রশ্নৰ উত্তৰ ঃ আফগানিস্তানৰ উত্তৰাংশ।

৫নং প্রশ্নৰ উত্তৰ ঃ এটি পার্বত্য জাতি।



১০.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ উৎসৱসঙ্কেত মানে কি?

প্রশ্ন ২ ঃ 'কেৱল'ৰ বিষয়ে এটি চমুটোকা লিখক।

খ) চমু প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০-৩০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ তলত দিয়া শব্দবোৰৰ ব্যাকৰণগত টোকা লিখক।

অভ্যভূয়ৎ, শিলীমুখাঃ, ভল্লাপবর্জিতৈঃ, সংৱম্ভঃ, আৰুৰোদ, বাসিতোৎসঙ্গা, আদধানঃ।

গ) ৰচনাধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ ৰঘুৰ পশ্চিম দিশ অভিযানৰ বিষয়ে এটা টোকা লিখক।

প্রশ্ন ২ ঃ ৰঘুৰ উত্তৰ দিশ যাত্রাৰ বিষয়ে এটি বিৱৰণ দাঙি ধৰক।

*** ***** ***

অধ্যায় ১১ ঃ ৰঘুবংশম্— চতুর্থসর্গ (শ্লোক ৮১-৮৮)

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ চতুর্থসর্গৰ শ্লোক (৮১-৮৮)সমূহৰ সংস্কৃত পাঠ

১১.৩.১ শ্লোকসমূহৰ গদ্যপাঠ

১১.৩.২ শ্লোকসমূহৰ শব্দার্থ

১১.৩.৩ শ্লোকসমূহৰ অসমীয়া অনুবাদ

১১.৩.৪ শ্লোকসমূহৰ ব্যাকৰণগত টোকা

১১.৩.৫ শ্লোকসমূহৰ বিষয়বস্তুৰ আলোচনা

১১.৪ মহাকবি কালিদাসৰ ৰচনাশৈলী

১১.৪.১ উপমা কালিদাসস্য

১১.৫ চতুর্থসর্গৰ কেইটিমান মহত্বপূর্ণ শ্লোকৰ ব্যাখ্যা

১১.৬ চতুর্থসর্গৰ মহত্বপূর্ণ বাক্যৰ ভাবার্থ

১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৮ অধিক জানিবলৈ

১১.৯ অগ্রগতিৰ খতিয়ান

১১.১০ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ‘ৰঘুবংশম্’ মহাকাব্যৰ চতুর্থসর্গৰ বিষয়বস্তুৰ একাংশৰ আভাস পাব
- চতুর্থসর্গৰ শ্লোকসমূহৰ (৮১-৮৮লৈকে) সংস্কৃত পাঠৰ লগতে গদ্যপাঠ, শব্দার্থ আৰু অসমীয়া অনুবাদো পঢ়িবলৈ পাব
- শ্লোকসমূহৰ মহত্বপূর্ণ শব্দসমূহৰ ব্যাকৰণগত বিশ্লেষণো পঢ়িবলৈ পাব
- মহাকবি কালিদাসৰ ৰচনশৈলীৰ বিষয়ে আভাস পাব
- মহাকবি কালিদাসৰ ৰচনাত উপমা আদি অলঙ্কাৰৰ প্রয়োগৰ বিষয়েও জ্ঞান লাভ কৰিব পাৰিব
- ‘ৰঘুবংশম’ মহাকাব্যৰ চতুর্থসর্গৰ কিছুমান গুৰুত্বপূর্ণ শ্লোকৰ ব্যাখ্যাৰ অনুশীলনো কৰিব পাৰিব
- মহত্বপূর্ণ বাক্যৰ ভাবার্থ বিশ্লেষণো কৰিব পাৰিব।

১১.২ পৰিচয়

সংস্কৃত সাহিত্যৰ ইতিহাসত কালিদাসৰ স্থান অতুলনীয়। কেইবাখনো কাব্যৰ ভিতৰত মহাকবি কালিদাসৰ 'ৰঘুবংশম্' সকলোতকৈ উল্লেখযোগ্য। ইতিমধ্যে আপুনি ৰঘুবংশম্ মহাকাব্যৰ চতুর্থসর্গৰ (১-৮০) শ্লোকৰ বিষয়বস্তুৰ লগত পৰিচিত হ'ল। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি কালিদাসৰ ৰচনাশৈলীৰ কিছু আভাস পাব। উপমা প্রয়োগৰ বাবে কালিদাস প্রখ্যাত। এই অধ্যায়টি অধ্যয়ন কৰি কালিদাসৰ ৰচনা কৌশলৰ লগতে পাঠ্যাংশৰ কিছুসংখ্যক শ্লোকৰ সংস্কৃতপাঠ, গদ্যপাঠ, শব্দার্থ আৰু অনুবাদো পঢ়িবলৈ পাব। ইয়াৰ উপৰিও ইতিমধ্যে পঢ়ি অহা শ্লোকসমূৰ ব্যাখ্যাৰ নিদর্শনো এই অধ্যায়তেই পাব।

১১.৩ চতুর্থসর্গৰ শ্লোকসমূহৰ (৮১-৮৮লৈকে) সংস্কৃত পাঠ

এতিয়া আপুনি শ্লোক (৮১-৮৮)সমূহৰ সংস্কৃত পাঠ পঢ়িব পাৰিব।

চকম্পে তীর্ণলৌহিত্যে তস্মিন্ প্রাগজ্যোতিষেশ্বৰঃ।
তদ্গজালানতাং প্রাপ্তৈঃ স কালাগুৰুদ্রুমৈঃ।। ৮১।।
ন প্রসেহে স ৰুদ্ধাকর্মধাৰাবর্ষদুর্দিনম্।
ৰথবর্ত্মৰজোঽপ্যস্য কুত এব পতাকিনীম্।। ৮২।।
তমীশঃ কামৰূপাণমাত্যাখণ্ডলবিক্রমম্।
ভেজে ভিন্নকটর্চনাগৈৰন্যানুপৰুৰোধ যৈঃ।। ৮৩।।

আখণ্ডন = ইন্দ্র

কামৰূপেশ্বৰস্তস্য হেমপীঠাধিদেৱতাম্।
ৰত্নপুষ্পোপহাৰেণ চ্ছায়ামানর্চ পাদয়োঃ।। ৮৪।।
ইতি জিত্বা দিশো জিষ্ণুর্ন্যবর্ত্তত ৰথোদ্ধতম্।
ৰজো বিশ্রাময়ন্ ৰাজ্ঞাং ছত্রশূন্যেষু মৌলিষু।। ৮৫।।
বিশ্বজিতমাজস হে যজ্ঞং সর্বস্বদক্ষিণম্।
আদানং হি বিসর্গায় সতাং বাৰিমুচামিব।। ৮৬।।
সত্রান্তে সচিবসখঃ পুৰস্ক্রিয়াভিঃ।
গুর্বীভিঃ শমিত পৰাজয়ব্যলীকান্।
কাকুৎস্থশ্চিৰবিৰহোৎসুকাবৰোধান্।

সত্র = যজ্ঞ

ৰাজন্যান্ স্বপুৰণিবৃত্তয়েৎনুমেনে।। ৮৭।।
তে ৰেখাধ্বজ্যকুলিশাতপত্রচিহ্নং
সম্রাজশ্চৰণযুগং প্রসাদলভ্যম্।
প্রস্থানপ্রণতিভিৰঙ্গুলীষু চক্রুঃ
মৌলিস্রক্চ্যুতমকৰন্দৰেণুগৌৰম্।।

১১.৩.১ শ্লোকসমূহৰ গদ্যপাঠ

এতিয়া আপুনি শ্লোক (৮১-৮৮)সমূহৰ গদ্যপাঠ পঢ়িব পাৰিব।

৮১) তস্মিন্ তীর্ণলৌহিত্যে (সতি) প্রাগজ্যোতিষেশ্বৰঃ তদ্ গজালানতাং প্রাপ্তৈঃ কালাগুৰুদ্রুমৈঃ সহ কম্পে।

৮২) সঃ ৰুদ্ধার্কম্ অধাৰাবর্ষদুর্দিনম্ অস্য ৰথবর্ত্মৰজোৎনি (প্রসেহে), পতাকিনীং কুত এব প্রমেহে।

৮৩) কামৰূপানাং ঈশঃ অত্যাখণ্ডলবিক্ৰম্ তং ভিন্‌কটৈর্ণাগৈঃ ভেজে, মৈঃ অন্যান্ উপৰুৰোধ।

৮৪) কামৰূপেশ্বৰঃ হেমপীঠাধিদেৱতাং তস্য পাদমোচ্ছায়াং ৰত্নপুষ্পোপহাৰেন আনর্চ্চ।

৮৫) জিষ্ণুঃ (সঃ) ইতি দিশো জিত্বা ৰথোদ্ধতং ৰজঃ ৰাঞ্জাং ছত্রশূন্যেষু মৌলিষু বিশ্রাময়ন্ ন্যবর্তত।

৮৬) সঃ সর্বস্বদক্ষিণং বিশ্বজিতম্ যজ্ঞম্ আজহ্রে, সতাং বাৰিমুচামিব আদানং বিসর্গায় হি।

৮৭) কাকুৎস্থঃ সত্রান্তে সচিবসখঃ (মন্) গুর্বীভিঃ পুৰস্ক্রিয়াভিঃ
শামিতপৰাজয়ব্যলীকান্ চিৰবিৰহোৎসুকাববোধান্ ৰাজন্যান্ স্বপুৰনিব্ত্তয়ে অনুমেনে।

৮৮) তে ৰেখাধ্বজকুলিশাতপত্রচিহ্নং প্রসাদলভ্যং সম্রাজঃ, চৰনযুগম্ অঙ্গুলীষু প্রস্থানপ্রনতিভিঃ মৌলিস্রকচ্যুতমকৰন্দৰেনুসাৰং চক্রু।



অত্যাখণ্ডলবিক্রমম্ = অতি + আখণ্ডলবিক্রমম্



পাদয়োচ্ছায়াম্ = পাদয়োঃ + ছায়াম্

১১.৩.২ শ্লোকসমূহৰ শব্দার্থ

এতিয়া আপুনি শ্লোক (৮১-৮৮)সমূহৰ শব্দৰ অর্থ পঢ়িব পাৰিব।

৮১) তস্মিন্ = ৰঘৌ(তেওঁ অর্থাৎ ৰঘুৰে) তীর্ণলৌহিত্যে = লৌহিত্য নামক নদীং তীর্ত্বা (লৌহিত্য অর্থাৎ ব্রহ্মপুত্র অতিক্রম কৰি) প্রাগজ্যোতিষেশ্বৰঃ = প্রাগজ্যোতিষাণাং জনপদানাম্ ঈশ্বৰঃ (প্রাগজ্যোতিষদেশৰ অধিপতি) তদ্‌গজালানতাং প্রাপ্তে = তস্য ৰঘোঃ গজানাম আলানতাং প্রাপ্তৈঃ(তেওঁৰ হাতীবোৰৰ বন্ধনত) কালাগুৰুদ্রুমৈঃ = কৃষ্ণাগুৰুবৃক্ষৈঃ সহ (কলা আৰু অগৰু গছৰ সৈতে) চকম্পে = কম্পিতবান্ (কম্পিত হ'ল)।

৮২) সঃ = প্রাগজ্যোতিষেশ্বৰঃ (তেওঁ অর্থাৎ প্রাগজ্যোতিষৰ অধিপতি) ৰুদ্ধার্কম্ = আবৃতসূর্য্যম্ (সূর্য্যৰ কিৰণ ৰুদ্ধকাৰী) অবীৰাবর্ষদুর্দিনম্ = ধাৰাবৃষ্টিং বিনা দুর্দিনীভূতম্ (বৃষ্টিহীন মেঘাচ্ছন্ন দিনৰ দৰে) অস্য = ৰঘোঃ (ৰঘুৰ) ৰথবর্ত্মৰজঃ অপি = ৰথগমনমার্গস্য পৰাগঃ অপি (ৰথ যোৱা বাটৰ ধূলিও) ন প্রসেহে = ন সোতুংশক্তবান্। (সহ্য কৰিব নোৱাৰিলে) পতাকিনীং = সেনাং (সেনাসকলক) কুত এব (প্রসেহে) = ন কুতোঽপি সোঢুং শক্তবান্ (ৰঘুৰ সেনা বাহিনীৰ প্রতাপ সহ্য কৰাটো দূৰৰ কথা)।

৮৩) কামৰূপানাং = কামৰূপ নাম দেশানাম্ (কামৰূপ নামৰ দেশৰ) ঈশঃ = নৃপতিঃ (ৰজা) অত্যাখণ্ডলবিক্রমম্ = অতীন্দ্রপৰাক্রমং (ইন্দ্রতকৈও পৰাক্রমী) তং = ৰঘুং (ৰঘুক) ভিন্নকটৈঃ নাগৈঃ= স্রৱন্মদাঃ গজৈঃ (মদস্রাবী হাতীসমূহ উপহাৰ দি) ভেজে = পৰণং গত (শৰনাপন্ন হ'ল), যৈঃ = নাগৈঃ (যিবোৰ হাতীৰ সহায়ত) অন্যান্ = ৰঘুব্যতিৰিক্তান্ নৃপান্ (অন্য ৰজাসকলক) উপৰুৰোধ = পৰাস্তবান্ (পৰাস্ত কৰিছিল)।

৮৪) কামৰূপেশ্বৰঃ = কামৰূপস্য অধিপতিঃ (কামৰূপৰ অধিপতি) হেমপীঠাধিদেৱতাম্ = স্বর্ণময়পীঠস্য অধিদেৱতাং (স্বর্ণময় পাদপীঠৰ অধিষ্ঠাত্রীদেৱতাস্বৰূপ) তস্য = ৰঘোঃ (ৰঘুৰ) পাদয়োঃ ছায়াম্ = চৰণছায়াং (চৰণছায়াৰ) ৰত্নপুষ্পোপহাৰেণ = ৰত্নৰূপ পুষ্পসমর্পনেন (ৰত্নৰূপ পুষ্প উপহাৰৰ দ্বাৰা) আনর্চ = অর্চয়ামাস (অর্চনা কৰিলে)

৮৫) জিষ্ণুঃ = জয়শীলঃ (জয়শীল) (ৰঘুঃ = ৰঘুই) ইতি = ইত্থং (এইদৰে) দিশঃ = চতুর্দিশঃ (দিশসমূহ) জিত্বা = জয়ং কৃত্বা (জয় কৰি) ৰথোদ্ধতং = ৰথৈঃ উদ্ধতং (ৰথেৰে উৰা) ৰজঃ = পৰাগঃ (ধূলি) ৰাজ্ঞাং = বিজিতানাং নৃপতিনাং (বিজিত ৰজাসকলৰ) ছত্রশূণ্যেষু = ৰাজ্যহীনত্বাত্ ছত্রবিহীনেষু (ছত্রশূণ্য) মৌলিষু = কিৰীটেষু (মূৰত) বিশ্রাময়ন্ = সংক্রাময়ন্ (নিক্ষেপ কৰি) ন্যবর্তত্ = নিবৃত্তঃ (প্রত্যাবর্তন কৰিলে)।

৮৬) সঃ ৰঘুঃ (তেওঁ অর্থাৎ ৰঘুৰে) সর্বস্তদক্ষিনম্ = দক্ষিণাৰূপেণ সর্বস্বংদাতম্ (যাক দক্ষিণাৰূপে সর্বস্ব দান কৰা যায়) বিশ্বজিতম্ = বিশ্বজিতং নাম যজ্ঞম্ (বিশ্বজিত নামৰ যজ্ঞ) = আজহ্রে = কৃতবান্ (আৰম্ভ কৰিলে), সতাং = সাধুনাং (সাধু ব্যক্তিসকলে) হি এব (যিহেতু) বাৰিমুচাম্ ইব = মেঘানাম্ ইব (মেঘৰ নিচিনা) আদানং = অর্জনং (গ্রহণ) বিসর্গায় = ত্যাগায় (দানৰ বাবে)।

৮৭) কাকুৎস্থঃ = ৰঘুঃ (ৰঘুই) সত্রান্তে = যজ্ঞান্তে (যজ্ঞৰ শেষত) সচিবসখঃ = অমাত্যানাং সখা (মন্ত্রীসকলৰ লগত মিলিত হৈ) গুর্বীভিঃ = মহতীভিঃ (প্রচুৰ) পুৰঃস্ক্রিয়াভিঃ = সন্মান প্রদর্শনেন (সন্মান প্রদর্শনত) শমিত পৰাজয়ব্যলীকান = উপশমিত পৰাজয়— দুঃখং = (পৰাজয়ৰ দুখ নিবাৰন কৰিলে)। চিৰবিৰহোৎসুকাবৰোধান্ = চিৰবিৰহেন উৎকণ্ঠিতাঃ অন্তঃপুৰাঙ্গনাম্ (বহুদিন নেদেখা বাবে তেওঁলোকৰ অন্তঃপুৰচাৰিণী ৰমনীসকলে অতি উৎকণ্ঠিতা হৈ পৰিছিল) ৰাজন্যান্ = ক্ষত্রিয়ান্ (ক্ষত্রিয়ৰজাসকলক) স্বপুৰণিবৃত্তয়ে = স্বপুৰং প্রতি প্রতিগমনায় (ৰাজধানীলৈ উলটি যাবলৈ) অনুমেনে = অনুজ্ঞাতবান্ (অনুমতি দিলে)।

৮৮) তে = ৰাজানঃ (তেওঁলোক অর্থাৎ ৰজাসকলে) ৰেখাধ্বজকুলি-শাতপত্রচিহ্নং = ৰেখা, ধ্বজ, কুলিশ = আতপত্রচিহ্নযুক্তং (ধ্বজ, বজ্র আৰু ছত্রৰেখাঙ্কিত) প্রসাদলভ্যং = অনুগ্রহলভ্যং (অনুগ্রহ লাভ কৰা) চৰণযুগলং (চৰণযুগল) প্রস্থানপ্রণতিভিঃ = প্রস্থান সময়ে কৃতেন নমস্কাৰেণ = (প্রস্থান কৰাৰ সময়ত প্রণামেৰে) অঙ্গুলীষু =

কৰশাখামু (আঙুলিবোৰত) মৌলিকস্রকচ্যুতমকৰন্দৰেণু। গৌৰম্ = কেশবন্ধনে স্থিতাঃ মাল্যাত্চ্যুতঃ পুষ্পৰসৈঃ পৰাগৈশ্চ গৌৰবর্ণং (তেওঁলোকৰ মৌলিমালাৰ পৰা মকৰন্দ আৰু পৰাগ পৰি বগাবর্ন) চক্রুঃ = কৃতবন্তঃ (কৰিলে)



জানি থোৱা ভাল

৮১) লৌহিত্য = ব্রহ্মপুত্র নদীৰ নামান্তৰ

প্রাগজ্যোতিষ = প্রাচীন কামৰূপৰ নাম

৮৭) বিশ্বজিৎ = একপ্রকাৰ যজ্ঞ। এই যজ্ঞত যজ্ঞকর্তাই সর্বস্ব দান কৰে।

১১.৩.৩ শ্লোক (৮১-৮৮)সমূহৰ অনুবাদ

এতিয়া আপুনি শ্লোক (৮১-৮৮)সমূহৰ অসমীয়া অনুবাদ পঢ়িব পাৰিব।

৮১) তেওঁ লৌহিত্যনদী পাৰ হোৱাত হাতীবিলাকৰ বন্ধন স্তম্ভৰূপে গৃহীত হোৱা কলা অগৰু গছবিলাক যিদৰে কম্পিত হ'ল, সেইদৰে সেইদেশৰ ৰজায়ো সন্ত্রষ্ট হৈ উঠিছিল।

৮২) তেওঁ ৰঘুৰ সৈন্যবিলাকৰ প্রতাপ সহ্য কৰাটো দূৰৰ কথা। তেওঁৰ সেই বৃষ্টিহীন মেঘাচ্ছন্ন দিনৰ নিচিনা সূর্য্যৰ কিৰণ ৰুদ্ধকাৰী ৰথৰ বাটৰ ধূলিবোৰো সহ্য কৰিব নোৱাৰিলে।

৮৩) কামৰূপৰ ৰজাই মদস্রাৰী হাতীবোৰ উপহাৰস্বৰূপে দি সেই ইন্দ্রতকৈও পৰাক্রমী ৰঘুৰ শৰণাপন্ন হ'ল— যিবোৰ হাতীৰ সহায়ত তেওঁ আন ৰজাসকলক পৰাস্ত কৰিছিল।

৮৪) কামৰূপৰ অধিপতিয়ে ৰত্নৰূপ পুষ্প উপহাৰেৰে স্বর্ণময় পাদপীঠৰ অধিষ্ঠাত্রী দেৱতাস্বৰূপ তেওঁৰ চৰণছায়াৰ অর্চনা কৰিলে।

৮৫) জয়শীল ৰঘুৱে এইদৰে আটাইবোৰ দিশ জয় কৰি বিজিত ৰজাসকলৰ ছত্রশূণ্য মূৰত নিজৰ ৰথেৰে উৰা ধূলিবোৰ নিক্ষেপ কৰি প্রত্যাৱর্তন কৰিলে।

৮৬) ৰঘুই, বিশ্বজিৎ নামৰ যজ্ঞৰ অনুষ্ঠান কৰি দক্ষিণাস্বৰূপে সর্বস্ব দান কৰিলে। কাৰণ মেঘে যিদৰে বর্ষণৰ বাবেই বাৰি সঞ্চয় কৰে। সাধুপুৰুষসকলেও দানৰ বাবেই ধন সঞ্চয় কৰে।

৮৭) যজ্ঞৰ শেষত ৰঘুই মন্ত্রীসকলক লগত মিলিত হৈ প্রচুৰ সন্মান প্রদর্শনত পৰাজিত ৰজাসকলৰ পৰাভবজনিত বেজাৰ উপশম কৰিলে।। সেই ৰজাসকলৰ দীর্ঘকাল অদর্শনত তেওঁলোকৰ অন্তঃ পুৰবাসিনী উৎকণ্ঠিত আছিল বুলি তেওঁলোকক ৰাজধানীলৈ উভটি যাবলৈ অনুমতি দিলে।

৮৮) প্রস্থান কৰাৰ সময়ত ৰঘুৰ ধ্বজ, বজ্র আৰু ছত্রৰেখাঙ্কিত অনুগ্রহলভ্য চৰণযুগলত প্রণাম কৰিলে। তেওঁলোকৰ মৌলিমালাৰ পৰা মকৰন্দ আৰু পৰাগ পৰি সম্রাটৰ আঙুলিবোৰ বগা কৰি তুলিলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ লৌহিত্য বুলিলে কাক বুজা যায়?

.....

প্রশ্ন নং ২ ঃ ৰঘুৱে কি যজ্ঞ সম্পাদন কৰিছিল?

.....

প্রশ্ন নং ৩ ঃ কাকুৎস্থ মানে কাক বুজাইছে?

.....

প্রশ্ন নং ৪ ঃ কামৰূপৰ ৰজাই ৰঘুক কি উপহাৰ দিছিল।

.....

১১.৩.৪ শ্লোক (৮১-৮৮)সমূহৰ ব্যাকৰণগত টোকা

এতিয়া আপুনি শ্লোক (৮১-৮৮)সমূহৰ ব্যাকৰণগত দিশসমূহৰ বিষয়ে জানিব পাৰিব।

৮১নং শ্লোক ঃ

বুৎপত্তি—

চকেম্পে = কম্প্ + লিট্ এ

সমাস—

তীনলৌহিত্যে = তীর্ণঃ লৌহিত্যঃ যেন (বহুব্রীহি) তস্মিন্।

কালাগুৰুদ্রুমৈঃ = কালাঃ অগৰুঃ (কর্মধাৰয়) তে চ ইমে দ্রুমাশ্, (কর্মধাৰয়) তৈঃ। সহার্থে তৃতীয়া।

৮২নং শ্লোক ঃ

বুৎপত্তি—

প্রসেহে = প্র - সহ্ + লিট্ এ।

সমাস—

ৰুদ্ধাকর্ম = ৰুদ্ধ? অর্ক। যেন (বহুব্রীহি) তম্।

অধাৰাবর্ষদুর্দিনম্ = ধাৰণাং বর্ষঃ (ষষ্ঠী তৎপুৰুষ) ন ধাৰাবর্ষঃ (নঞ্ তৎপুৰুষ) তেন দুর্বিনম্ (সুপ্সুপা)

পতাকিনীম্ = পতাকা অস্যাঃ অস্বীতি পতাকা + ইনি = পতাকিনী।

৮৩নং শ্লোক ঃ

বুৎপত্তি—

ভেজে - ভজ্ + লিট্ এ

উপৰুৰোধ - উপ + ৰুধ্ + লিট অ

সৈঃ = কৰণে তৃতীয়া

সমাস—

অত্যাখণ্ডলবিক্রমম্ = আখণ্ডলস্য বিক্রমঃ (ষষ্ঠী তৎপুৰুষ) অতিক্লান্ত আখণ্ডলবিক্রমঃ যেন (বহুব্রীহি) তম্।

৮৪নং শ্লোক ঃ

বুৎপত্তি—

আনর্চ = অর্চ + লিট্ তম।

সমাস—

বহমপীঠাধিদেৱতাম্ = হেমময়ং পীঠম্ (শাকপার্থিবাদিবত্ সমাস) তস্য অধিদেৱতা (ষষ্ঠী তৎপুৰুষ) তাম্।

ৰত্নপুষ্পোপহাৰেণ = ৰত্নানি এব পুষ্পানি (ৰূপক কর্মধাৰয়) তেষাম্ উপহাৰঃ (ষষ্ঠী তৎপুৰুষ)। কৰণে তৃতীয়া।

৮৫নং শ্লোক ঃ

বুৎপত্তি—

জিত্বা = জি + ক্ত্বাচ্।

বিশ্বাময়ন্ = বি শ্রম্ = ণিচ্ + শতৃ, প্রথমা একবচন।

৮৬নং শ্লোক ঃ

বুৎপত্তি—

আৰাহ্লে = আ - হ্ব + লিট্ এ

আদানং = আ - দা + ল্যুট। সতাম্ = অস্ + শতৃ ষষ্ঠী একবচন = শেষে ষষ্ঠী

সমাস—

সর্বস্বদক্ষিণম্ = সর্বস্বং দক্ষিণা যস্মিন (বহুব্রীহি) তম্।

বাৰিমুচাম্ = বাৰি মুঞ্চতি ইতি বাৰি মুচ্ + ক্বিপ্ = বাৰিমুচ্। তেষাম্

৮৭নং শ্লোক ঃ

বুৎপত্তি—

অনুমেনে = অনু - মন্ + লিট্ এ।

সত্রান্তে = ভাবে সপ্তমী।

সমাস—

চিৰবিৰহোৎসুকাববোধান্ = চিৰং বিৰহঃ (মুপ্‌মুপা) তেন উৎসুপঃ (তৃতীয়া তৎপুৰুষ) তাদৃশাঃ অববোধাঃ যেষাম্ (বহুব্রীহি) তান্।

৮৮নং শ্লোক ঃ

বুৎপত্তি—

চক্রু = কৃ + লিট্ উস্।

সমাস—

ৰেখাধ্বজকুলিশাতপত্রচিহ্নম্ = ধ্বজশ্চ কুলিশঞ্চ আতপত্রং চ (দ্বন্দ্ব) ধ্বজকুলিশাত পত্রামি ৰেখা এৰ ধ্বজকুলিশাতপত্রানি (ময়ুৰব্যংমকাদিত্ব্যা কর্মধাৰয়) তানি চিহ্নানি যস্মিন্ (বহুব্রীহি) তম্। চৰণযুগম্ = চৰনয়োঃ যুগম্ (ষষ্ঠী তৎপুৰুষ)

প্রস্থানপ্রনতিভিঃ = প্রস্থানকালীনাঃ প্রনতমঃ (মধ্যপদযোপী কর্মধাৰয়) তাভিঃ মৌলিস্রক্চ্যুতমকৰন্দৰেণুগৌৰম্ = মৌলীনাং স্রজঃ (ষষ্ঠী তৎপুৰুষ) তাভ্যঃ চ্যুতাঃ (পঞ্চমী তৎপুৰুষ), মকৰন্দাশ্চ চৰণবশ্চঃ (দ্বন্দ) মৌলিস্রকচ্যুতঃ মকৰন্দৰেণবঃ (কর্মধাৰয়) তৈঃ গৌৰম্ (তৃতীয়া তৎপুৰুষ)

বিভক্তি নির্ণয়—

সম্রাজঃ = শেষে ষষ্ঠী

অঙ্গুলীষু = অধিকৰণে সপ্তমী

প্রস্থান প্রণতিভিঃ = কৰণে তৃতীয়া।

১১.৩.৫ শ্লোকসমূহৰ বিষয়বস্তুৰ আলোচনা

ৰঘুৰে দিগ্বিজয় কৰি উত্তৰ দিশৰ হিমালয় পর্বতৰ পৰা লৌহিত্যনদ অতিক্রম কৰি প্রাগজ্যোতিষপুৰত প্রৱেশ কৰিলে। ৰঘুৰ প্রবেশত ক'লা অগৰু গছত বন্ধা হাতীবিলাকৰ কণ্ঠৰজ্জুৰ আকর্ষণত যিদৰে ক'লা অগৰু বৃক্ষসমূহ কম্পিত হয়, তেনেদৰে প্রাগজ্যোতিষপুৰৰ অধিপতিও ভয়ত কম্পিত হৈছিল (৮১নং শ্লোক) ৰঘুৰ সৈন্যৰ প্রতাপ সহ্য কৰাটো দূৰৰ কথা। প্রাগজ্যোতিষৰ অধিপতিয়ে ৰঘুৰ ৰথোত্থিত ধূলিৰাশি দর্শণতেই ভয়ত অধীৰ হ'ল। কিয়নো সেই ধূলিৰাশিয়ে বিনাবর্ষণেই মেঘাচ্ছন্ন দুর্দিনৰ নিচিনাকৈ সূর্য্যমণ্ডল আবৃত কৰি পেলাইছিল (৮২নং শ্লোক) কামৰূপৰ ৰজাই যিবিলাক মদমত্ত হাতীৰ প্রতাপেৰে অন্যান্য ৰজাক আক্রমণ কৰিছিল। সেই হাতীবোৰ উপহাৰ দিয়েই ৰঘুৰ শৰণাপন্ন হৈছিল (৮৩নং শ্লোক) কামৰূপেশ্বৰে স্বর্ণময় পাদপীঠৰ অধিষ্ঠাত্রী দেৱতাস্বৰূপ ৰঘুৰ চৰণচ্ছায়াক ৰত্নৰূপ পুষ্প উপহাৰেৰে পূজা কৰিলে (৮৪নং শ্লোক) বিজয়ী ৰঘুৰে এইদৰে দিগ্বিজয় কৰি বিজিত ৰজাসকলৰ ছত্রশূণ্য মুকুটত ৰথোত্থিত ধূলিসমূহ সঞ্চাৰিত কৰি প্রত্যাগমন কৰিলে (৮৫নং শ্লোক) ৰাজধানীলৈ উভতি গৈ, ৰঘুৰে বিশ্বজিৎ নামৰ মহাযজ্ঞৰ অনুষ্ঠান কৰি দক্ষিণাস্বৰূপে সর্বস্ব দান কৰিলে। কাৰণ, মেঘে যিদৰে বর্ষণৰ বাবেই বাৰি সঞ্চয় কৰে, সেইদৰে সাধুসকলেও দানৰ বাবেহে ধন সঞ্জয় কৰে (৮৬নং শ্লোক) যজ্ঞৰ অন্তত ককুৎস্থ বংশধৰ ৰঘুৰে মন্ত্রীসকলৰ সহযোগত বিজিত ৰজাসকলক অশেষ সন্মান প্রদর্শন কৰি পৰাভৱজনিত মনৰ ক্ষোভ নিবাৰণ কৰিলে। সেই ৰজাসকলৰ দীর্ঘকাল অদর্শনত তেওঁলোকৰ অন্তেষপুৰৰ ৰমনীসকলে নিতান্তই কাতৰ হৈ পৰিছিল। সেয়েহে তেওঁ সেই ৰজাসকলক নিজ নিজ ৰাজধানীত

ফিৰি যাবলৈ অনুমতি প্ৰদান কৰিলে (৮৭নং শ্লোক) ৰজাসকলে ৰঘুৰ ধ্বজ, বজ্ৰ আৰু ছত্ৰৰ ৰেখাঙ্কিত। প্ৰসাদলভ্য চৰণযুগলত বিদায়কালত প্ৰণতি জনালে। তাৰ ফলত তেওঁলোকৰ মস্তকস্থিত পুষ্পমালাৰ পৰা মকৰন্দ আৰু পৰাগ পতিত হৈ মহাৰাজৰ চৰণযুগলক ৰঞ্জিত কৰিলে (৮৮নং শ্লোক)।

১১.৪ মহাকবি কালিদাসৰ ৰচনা শৈলী

মহাকবি কালিদাসে ৰচনাকৰা ৰচনাসমূহৰ ভিতৰত 'ৰঘুবংশম্' অন্যতম। 'ৰঘুবংশম্' এখন মহাকাব্য। ১৯টা সৰ্গযুক্ত এই মহাকাব্যখনৰ কাহিনীভাগ বায়ুপুৰাণ, বিষ্ণুপুৰাণ আৰু ৰামায়ণৰ পৰা লোৱা হৈছে। প্ৰাচীন কাহিনীক অৱলম্বন কৰি ৰচিত হ'লেও কালিদাসে এই কাব্যখনিত স্বকীয়তাৰ চাপ ৰাখি থৈ গৈছে। ঘটনাবৈচিত্ৰ্যৰ বাবে ৰঘুবংশৰ প্ৰতিটো সৰ্গই পাঠকৰ হৃদয় আকৰ্ষণ কৰে। 'ৰঘুবংশম্' মহাকাব্যখনি প্ৰাচীন কালৰ পৰাই সহৃদয়সকলৰ মাজত সুপ্ৰসিদ্ধ আছিল। এই সম্পৰ্কে সুভাষিতও প্ৰচলিত আছে— 'ক ইহ ৰঘুকাৰে ন ৰসতে' নাটকীয় আৰু জীৱন্ত বৰ্ণনাৰে প্ৰতিটো সৰ্গই মনোগ্ৰাহী হৈছে। প্ৰথমসৰ্গত ৰঘুৰ বংশৰ ৰজাসকলৰ গুণ, ৰজা দিলীপৰ শাসন আৰু দিলীপৰ বশিষ্ঠাশ্ৰমলৈ যাত্ৰা আদিৰ বৰ্ণনা অতি আকৰ্ষণীয়। সেইদৰে চতুৰ্থসৰ্গত প্ৰাচীন ভাৰতৰ প্ৰধান অংশসমূহৰ বৰ্ণনাত সুন্দৰ শব্দচিত্ৰৰ নিৰ্দশন পোৱা যায়। উদাহৰণ স্বৰূপে—

বলৈৰধ্যুষিতাস্তস্য বিজিগীষোৰ্গতাধ্বনঃ।
মাৰীচোদ্ভ্রান্তহাৰীতা মলয়াদ্ৰেৰুপত্যকাঃ।

নাইবা,

বিনীতাধ্বশ্ৰান্তস্য সিন্ধুতীৰবিচেষ্টনঃ।
দুধুবুৰ্বাজিনঃ স্কন্ধাল্লগ্নকুংকুমকেসৰাণ্।।

কালিদাসৰ শ্ৰেষ্ঠত্বৰ অন্য এটি কাৰণ হ'ল সৰল অথচ সাৱলীল ভাষাৰ প্ৰয়োগ। কালিদাসৰ ৰচনাৰ এই ৰীতিক পিছৰ যুগৰ আলঙ্কাৰিকসকলে 'বৈদভী ৰীতি' আখ্যা দিছে। কোনো ধৰণৰ শব্দচাতুৰ্য্যাৰ প্ৰয়োগ নকৰাকৈ সুন্দৰ ভাৱসমূহৰ প্ৰকাশে কালিদাসৰ ৰচনাশৈলীক অতুলনীয় কৰি তুলিছে। ইয়াৰ বাবে কালিদাসে উপমা, অৰ্থান্তৰন্যাস আদি অলঙ্কাৰৰ সুপ্ৰয়োগেৰে ৰচনাসমূহ মনোগ্ৰাহী কৰি তুলিছে।

কালিদাসৰ প্ৰকৃতি চিত্ৰনো অতুলনীয়। প্ৰকৃতিৰ পৰিঘটনাৰ লগতে মানৱজীৱনৰ ঘটনাসমূহৰ এনে সুন্দৰ সামঞ্জস্য ঘটাইছে যে সংস্কৃত সাহিত্যত অন্য কোনো কবিয়েই এনে কৰিবলৈ সমৰ্থ হোৱা নাই। এনে উদাহৰণ সকলো সৰ্গতেই পোৱা যায়। চতুৰ্থ সৰ্গত শৰৎকাল আৰু ৰঘুৰ গুণাৱলীসমূহ বৰ সুন্দৰকৈ সমধৰ্মী হিচাপে প্ৰকাশ কৰিছে।

কেৱল প্ৰকৃতি চিত্ৰনতেই মানুহৰ মনৰ গভীৰতাও কালিদাসৰ দৃষ্টিৰ পৰা আঁতৰি যোৱা নাই। মানুহৰ মানসিক ভাবাবেগৰ সূক্ষ্ম অনুভূতি আৰু পৰ্য্যবেক্ষণে চৰিত্ৰসমূহক জীৱন্ত ৰূপত প্ৰতীয়মান কৰিছে।

কবিত্বশক্তিৰ উপৰিও কালিদাসৰ ৰচনাত ব্যাকৰণশাস্ত্ৰ, অলঙ্কাৰ শাস্ত্ৰ, ছন্দশাস্ত্ৰ, ৰাজনীতি, দণ্ডনীতি আদি সুপ্ৰয়োগ দেখা যায়। বিভিন্ন ছন্দৰ প্ৰয়োগ বৈচিত্ৰ্যতাই কালিদাসৰ লেখনি সৌষ্ঠৱ বৰ্দ্ধন কৰিছে। ৰাজনীতি, দণ্ডনীতিৰ জ্ঞানেৰে পৰিপুষ্ট কালিদাসৰ ৰচনাসমূহ পাঠকসকলৰ বাবে সদায়েই আকৰ্ষণীয়।

কালিদাসৰ ৰচনাশৈলীৰ অন্য এটা বৈশিষ্ট্য হ'ল ব্যঞ্জনাৰ প্ৰয়োগ। বাচ্যাৰ্থৰ ওপৰত গুৰুত্ব নিদি ধ্বন্যাৰ্থ প্ৰকাশ কৰা বাবে তেওঁৰ কাব্যসমূহ ৰসগ্ৰাহী হয়। পদ বিন্যাস, ভাববৈচিত্ৰ্য, প্ৰসাদ গুণৰ প্ৰাচুৰ্য্যৰ বাবে পিছৰ কবিসকলে কালিদাসক প্ৰশংসা কৰি গৈছে। বানভট্টই কৈছে—

নির্গতাসু ন বা ৰস্য কালিদাসস্য মুক্তিষু।
প্রীতির্মধুৰসান্দ্রাসু মঞ্জুৰীস্বিব জায়তে।

অৰ্থাৎ আমৰ মুকুলৰ দৰে ৰসাল আৰু মধুৰ বাণী শুনি কাৰনো মন আনন্দত মতলীয়া নহয়?



জানি থোৱা ভাল

দণ্ডনীতি = দণ্ড প্ৰণয়ন সম্পৰ্কীয় নীতিশাস্ত্ৰ।

বৈদৰ্ভী ৰীতি = কাব্যৰচনাৰ একপ্ৰকাৰ ৰীতি। ইয়াৰ সংজ্ঞা বিশ্বনাথ কবিৰাজে 'সাহিত্য দৰ্পণ'ত এইদৰে দিছে।

মাধুর্য্যব্যঞ্জর্ণে ৰচনা ললিতাত্মিকা।
অবৃর্ত্তিৰল্পবৃত্তির্কা বৈদর্ভী ৰীতিৰিষ্যতে।।

বানভট্ট = এগৰাকী প্ৰসিদ্ধ গদ্যকাৰ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ ৰঘুৱে উত্তৰদিশ জয় কৰাৰ পাছত ক'ত প্ৰৱেশ কৰিছিল?

.....

প্ৰশ্ন নং ৬ ঃ সেই ঠাইক কালিদাসে অন্য এটা কি নামেৰে উল্লেখ কৰিছে।

.....

প্ৰশ্ন নং ৭ ঃ কালিদাসে কি ৰীতি অনুসৰণ কৰিছিল?

.....

১১.৪.১ উপমা কালিদাসস্য

ইতিমধ্যে আপুনি মহাকবি কালিদাসৰ ৰচনাশৈলীৰ বিষয়ে এটি আভাস পালে। মহাকবি কালিদাস অলঙ্কাৰ প্ৰয়োগত অত্যন্ত পটু আছিল। শব্দালঙ্কাৰ আৰু অৰ্থালঙ্কাৰ

দুয়োপ্রকাৰ অলঙ্কাৰেই কালিদাসে প্রয়োগ কৰিছে যদিও উপমা অলঙ্কাৰ প্রয়োগত কালিদাস সিদ্ধহস্ত। সেয়েহে কোৱা হয় 'উপমা কালিদাসস্য।'

কালিদাসে উপমাক ভাৱ প্রকাশ অর্থৰ বাহন হিচাপে নির্বাচন কৰিছে। ভাবৰ গভীৰতাৰে উপমান আৰু উপমেয়ৰ মাজৰ সাদৃশ্যও বিচাৰ কৰিহে উপমা অলঙ্কাৰৰ প্রয়োগ কৰাত ভাবসমূহ সার্থকভাৱে প্রকাশ পাইছে। এনে সুন্দৰ উপমাৰ প্রয়োগ কৰি ৰঘুবংশম্ মহাকাব্যৰ ইন্দুমতীৰ স্বয়ংবৰত ইন্দুমতীৰ সঞ্চাৰিণী দীপশিখা আৰু ৰজাসমূহক অট্টাৰ লগত তুলনা কৰিছে। শ্লোকফাঁকি এনেধৰণৰ—

সঞ্চৰিণী দীপশিখেব ৰাত্রৌ যং যং ব্যতীতায় পতিম্বৰা সা
নৰেন্দ্রমার্গট্ট ইব প্রপেদে বিবর্ণভাবং স স ভূমিপালঃ।। ৬/৬৭।।

অর্থাৎ পতিত্ববৰণ কৰিবলৈ ওলোৱা সঞ্চাৰিণী দীপশিখাৰ দৰে সেই ইন্দুমতীয়ে যাক যাক অতিক্রম কৰিছিল। সেই সেই ৰজা ৰাতিত ৰাজপথৰ এন্ধাৰৰ দৰে বিৱর্ণ হৈ পৰিছিল।

এই তুলনাৰ বাবেই কালিদাসক 'দীপশিখা কালিদাস' বুলি জনা যায়।

ভাবমূর্তিক বস্তুৰূপে প্রকাশ কৰাৰ কল্পনা কালিদাসৰ কেইটিমান উজ্জ্বলতম উপমাৰ নির্দশন। ৰঘুবংশৰ দ্বিতীয়সর্গত (২/৬৯), সপ্তমসর্গত (৬৩) আদিত ইয়াৰ উদাহৰণ পোৱা যায়। চতুর্থসর্গতো ৰঘুৰ বিজয়ী যোদ্ধাসকলে নাৰিকলবনত আমৰ ৰস পান কৰিছে, যেন শত্রুবিলাকৰ যশহে পান কৰিছে (৪/৪২)

শুদ্ধ উপমাৰ ব্যৱহাৰৰ উপৰিও উপমাৰ লেশ থকা অন্য অলঙ্কাৰসমূহৰ প্রয়োগতো কালিদাস নিপুণ। উপমা যিহেতু সকলো অলঙ্কাৰৰ মাতৃস্বৰূপ, উপমাগর্ভ অলঙ্কাৰৰ প্রয়োগৰ প্রাচুর্য্যৰে কবি কালিদাসে ৰচনাসমূহ বিশেষকৈ 'ৰঘুবংশম্' সমৃদ্ধ হৈছে। উপমানতকৈ উপমেয়ৰ আধিক্য বা ন্যূনতা বর্ণনাত ব্যতিৰেক অলঙ্কাৰ হয়। যেনে—

দিশি মন্দায়তে তেজো দক্ষিণস্যাংৰবেৰপি
তস্যামেৰ ৰঘোঃ পাণ্ড্যাঃ প্রতাপং ন বিষেহিৰে ।। ৪/৪৯।।

শ্লোকটিত সূর্য্যৰ প্রতাপ কমি যোৱা দক্ষিণ দিশত ৰঘুৰ প্রতাপ সহ্য কৰিব নোৱৰা হোৱাটোত উপমান সূর্য্যৰ তেজতকৈ উপমেয় ৰঘুৰ তেজৰ আধিক্য প্রদর্শনৰ দ্বাৰা ব্যতিৰেক অলঙ্কাৰ হৈছে। সেইদৰে অন্য এটি শ্লোকত হেতু নোহোৱাকৈ কার্য্যোৎপত্তিৰ হোৱাত বিভাবনা অলঙ্কাৰ হোৱা দেখা যায়। শ্লোকটি এনে ধৰণৰ—

সৰলাসক্তমাতঙ্গৈগ্রেবথস্ফুৰিতত্বিষঃ।
আসন্নোষধয়ো নেতুর্ণক্তমস্নেহদীপিকাঃ ।। ৪/৭৫।।

সেইদৰে অন্যান্য ৰচনাতো উপমা আৰু উপমাগর্ভ অলঙ্কাৰৰ বহুল প্রয়োগ বিদ্যমান। এই সকলোবোৰৰ কাৰণেই কোনো অজ্ঞাত কবিয়ে কৈছে—

উপমা কালিদাসস্য ভাৰবেৰর্থগৌৰৰম্।
দণ্ডিনঃ পদলালিত্যম্ মাঘে সন্তি ত্রয়োগুণাঃ।।

কালিদাসৰ প্রতিটি অলঙ্কাৰৰ অন্তৰালৰ ৰূপকল্প বা চিত্রকল্প আছে। কবিয়ে উপমা অলঙ্কাৰক বিশেষকৈ এনে ভাব প্রকাশৰ বাহক হিচাপে গ্রহণ কৰিছে।



জানি থোৱা ভাল

উপমা = একপ্রকাৰ অলঙ্কাৰ। ইয়াৰ সংজ্ঞা বিশ্বনাথ কবিৰাজে এইদৰে দিছে— 'সাম্যং বাচ্যমবৈধর্ম্যং বাক্যৈক্য উপমা দ্বয়োঃ।'

উপসাগর্ভ = সাদৃশ্য নিহিত হৈ থকা অলঙ্কাৰ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ উপমা কি?

.....

প্রশ্ন নং ৯ ঃ উপমাৰ বাহিৰেও কালিদাসে প্রয়োগ কৰা অন্য এটা অলঙ্কাৰৰ নাম লিখক।

.....

প্রশ্ন নং ১০ ঃ কবি কালিদাস অন্য কি নামেৰে প্রসিদ্ধ?

.....

১১.৫ চতুর্থসর্গৰ কেইটামান মহত্বপূর্ণ শ্লোকৰ ব্যাখ্যা

এতিয়া আপুনি 'ৰঘুবংশম্' মহাকাব্যৰ চতুর্থসর্গৰ কেইটামান গুৰুত্বপূর্ণ শ্লোকৰ ব্যাখ্যা পঢ়িবলৈ পাব।

১) পুৰুহূতধ্বজস্যেব তস্যোন্নয়নপক্তয়ঃ
নবাভ্যুত্থাদর্শিন্যো নেনন্দুঃ সপ্রজ্ঞাঃ প্রজাঃ।।

উক্ত শ্লোকফাঁকি মহাকবি কালিদাস বিৰচিত ৰঘুবংশ মহাকাব্যৰ চতর্থসর্গৰ ৰঘুদিগ্বিজয়ঃ নামৰ কাব্যাংশৰ পৰা উদ্ধৃত কৰা হৈছে।

মহাৰাজ দিলীপৰ পৰা তেওঁৰ সুযোগ্যসন্তান ৰঘুৱে সাম্রাজ্য লাভ কৰাত প্রজাসকল অতিশয় আনন্দিত হৈছিল। প্রজাসকলৰ মনৰ আনন্দকে কবিয়ে এই শ্লোকফাঁকিৰ মাজেৰে প্রকাশ কৰিছে।

প্রাচীনকালত দেৱতাসকল অসুৰৰ হাতত পৰাজিত হৈ নানা উৎপীড়ন সহ্য কৰিব লগা হৈছিল। অসুৰৰ অত্যাচাৰৰ পৰা ৰক্ষা পাবলৈ দেৱতাসকলে বিষ্ণুক আৰাধনা কৰিলে। দেৱতাসকলৰ স্তুতিত সন্তুষ্ট হৈ বিষ্ণুৱে দেৱৰাজ ইন্দ্রক দৈত্যবিনাশক কেতু অর্থাৎ ধ্বজ প্রদান কৰিলে। ইন্দ্রধ্বজ উত্তোলনে অভ্যুদয়ৰ সূচনা কৰে। ভাদ মাহৰ শুক্লাষ্টমী তিথিৰ পৰা দ্বাদশীতিথিলৈ এই উৎসৱ পালন কৰা হয়। যিদৰে মানুহে উল্লাসিত নেত্রে ইন্দ্রধ্বজ উত্তোলন কৰা চাই থাকে, সেইদৰে প্রজাসকলেও আনন্দিত মনেৰে

সন্তানসকলৰ লগত ৰঘুৰ অভ্যুদয় চাই আনন্দ লাভ কৰিলে। ৰঘুৰ ৰাজত্বত প্ৰজাসকলে অতিশয় আনন্দ অনুভৱ কৰিলে।

২) পঞ্চানামপি ভূতানাং উৎকৰ্ষং পুপুৰ্যুৰ্গুণাঃ।
নবে তস্মিন্ মহীপালে সৰ্বং নৱমিবাভৱত।।

উক্ত শ্লোকফাঁকি মহাকবি কালিদাসবিৰচিত ৰঘুবংশম্ মহাকাব্যৰ 'ৰঘুদিগ্বিজয়' নামৰ চতুৰ্থসৰ্গৰ পৰা উদ্ধৃত।

মহাৰাজ দিলীপৰ পাছত ৰঘু ৰাজপদত আৰোহণ কৰাৰ পাছত সমগ্ৰ ৰাজ্যত সমৃদ্ধিয়ে বিৰাজ কৰিলে।নতুন ৰজাক লগতে সমগ্ৰজগতেও নতুনত্বপ্ৰাপ্ত হ'ল। তাকেই শ্লোকটোৰ মাজেৰে প্ৰকাশ কৰিছে।

ৰঘু ৰজা হোৱাৰ পিছত পঞ্চমহাভূতৰো উৎকৰ্ষ সাধন হ'ল। ক্ষিতি, অপ, তেজ, মৰুৎ আৰু ব্যোম— এই পঞ্চ মহাভূত জগত নিৰ্মাণৰ উপাদান। এই পঞ্চমহাভূতৰ গুণ হ'ল যথাক্ৰমে ৰূপ, ৰস, গন্ধ, স্পৰ্শ আৰু শব্দ। ৰঘুৰ ৰাজত্বকালত এই সকলোবোৰে নতুনত্ব লাভ কৰিলে। অৰ্থাৎ পৃথিৱীৰ সকলো বস্তুৰেই ৰঘুৰ শাসনকালত উৎকৰ্ষ লাভ কৰিলে। প্ৰকৃতি জগতৰ জড় চেতন সকলোৱেই ৰঘুৰ অভ্যুদয়ত অপৰূপ সৌন্দৰ্য্য ধাৰণ কৰি প্ৰজাসকলৰ মনত আনন্দৰ সৃষ্টি কৰিলে।

৩) স গুপ্তমূলপ্ৰত্যন্ত শুদ্ধ পাৰ্ষ্ণিৰয়ান্বিতঃ।
ষচ্‌বিধং বলমাদায় প্ৰতস্থে দিগ্‌জিগীষয়া।।

উক্ত শ্লোকফাঁকি কালিদাসবিৰচিত ৰঘুবংশম্ মহাকাব্যৰ 'ৰঘুদিগ্বিজয়' নামৰ চতুৰ্থসৰ্গৰ পৰা তুলি দিয়া হৈছে।

ৰঘুৱে কিদৰে দিশসমূহৰ জয় কৰিবলৈ অগ্ৰসৰ হৈছিল তাকেই শ্লোকটিত বৰ্ণনা কৰিছে। ৰঘুৱে দিগ্বিজয় আৰম্ভ কৰাৰ পূৰ্বেই নিজৰ ৰাজ্য সুৰক্ষিত কৰাৰ ব্যৱস্থা কৰিলে। তেওঁ ওচৰ চুবুৰীয়া শত্ৰুবোৰক নিৰ্মূল কৰিলে যাতে ৰঘুৰ অনুপস্থিতিত ৰাজ্য আক্ৰমণ কৰিব নোৱাৰে। তাৰ পাছত দেৱতাদিক অৰ্চনা কৰি শুভ দৈবযুক্ত হৈ দিগ্বিজয়ৰ কাৰণে যাত্ৰা আৰম্ভ কৰিলে। তেওঁ দিগ্বিজয়ৰ ছয়প্ৰকাৰৰ সৈন্য ব্যৱহাৰ কৰিছিল। এই ছয়প্ৰকাৰ সৈন্য হ'ল— মৌল, ভৃত্য, সুহৃদ, শ্ৰেণী, দ্বিষদ্ আৰু আটবীক। এই সকলো ধৰণৰ সৈন্যৰে সুসজ্জিত হৈ ৰঘুৱে দিগ্বিজয়ৰ বাবে যাত্ৰা আৰম্ভ কৰিলে।

ৰজা হিচাপে ৰঘু এগৰাকী সুশাসক আছিল। প্ৰজাৰঞ্জন কৰাই ৰঘুৰ মুখ্য কৰ্ম। সেয়েহে নিজৰ ৰাজ্য আৰু প্ৰজা সুৰক্ষিত কৰিহে জয়যাত্ৰা আৰম্ভ কৰিছিল।

৪) স সেনাং মহতীং কৰ্ষণ্ পূৰ্বসাগৰ গামিনীম্।
বভৌ হৰজটাভ্ৰষ্টাং গঙ্গামিব ভগীৰথঃ।।

উক্ত শ্লোকফাঁকি মহাকবি কালিদাস বিৰচিত 'ৰঘুবংশম্' মহাকাব্যৰ 'ৰঘুদিগ্বিজয়' নামৰ চতুৰ্থসৰ্গৰ পৰা তুলি দিয়া হৈছে।

শ্লোকফাঁকিৰ দ্বাৰা ৰঘুৰ পূৰ্বদিশ বিজয়ৰ কথা উল্লেখ কৰা হৈছে।

ৰঘুৰে জয়যাত্রা প্রথমেই পূবসাগৰৰ ফালে আৰম্ভ কৰিছিল। চতুস্কন্ধবিশিষ্ট বিশাল সেনাবাহিনী সেনানায়ক হিচাপে ৰজা ৰঘুৰে আগুৱাই লৈ গৈছিল। এইদৰে সেনাবাহিনীক লৈ যাওঁতে ৰঘুক এনে লাগিছিল যেন ভগীৰথে গঙ্গানদীক হৰজটাৰ পৰা বোৱাই আনিছে। এইখিনিতেই এটি পৌৰাণিক কাহিনীও নিহিত হৈ আছে। ভগীৰথ আছিল সূর্য্যবংশীয় ৰজা সগৰৰ প্রপৌত্র। সগৰৰ পুত্রসকল কপিলমুনিৰ দ্বাৰা দগ্ধ হোৱাত গঙ্গাৰ পানীৰ দ্বাৰাহে শাপমুক্ত কৰিব পাৰিব বুলি জানিব পাৰিলে। সেয়েহে ভগীৰথে অশেষ, তপস্যাৰ দ্বাৰা ব্রহ্মাৰ দ্বাৰা আদিষ্ট হৈ শিৰক সন্তুষ্ট কৰিলে। শিৰৰ জঁটাৰ পৰা গঙ্গাক বোৱাই আনি ভগীৰথে নিজৰ পূর্বপুৰুষসকলক উদ্ধাৰ কৰিলে। সেয়েহে গঙ্গাৰ অন্য এটি নাম ভাগীৰথী। ৰঘুৰ বিশাল সেনাবাহিনীক গঙ্গাৰ প্রৱাহৰ লগত আৰু ৰঘুক ভগীৰথৰ লগত তুলনা কৰি কবিয়ে ৰঘুৰ মহত্বৰ পৰিচয় দিছে।

৫) প্রতিজগ্রাহ কালিঙ্গস্তমস্ত্রৈগর্জসাধনৈঃ।
পক্ষচ্ছেদোদ্যতং শত্রুং শিলাবর্ষীব পর্বতঃ।

উক্ত শ্লোকফাঁকি মহাকবি কালিদাস বিৰচিত 'ৰঘুবংশম্' মহাকাব্যৰ 'ৰঘুদিগ্বিজয়' নামৰ চতুর্থসর্গৰ পৰা তুলি দিয়া হৈছে।

ৰঘুৰ পূর্বদিশৰ জয়যাত্রাৰ বর্ণনাৰ কথা ক'বলৈ যোৱাৰ প্রসঙ্গত উক্ত শ্লোকফাঁকিৰ অৱতাৰণা কৰিছে।

পূর্বদিশৰ উৎকলাদিদেশ জয় কৰি ৰঘু সেই দেশৰ ৰজাসকলে দেখুৱাই দিয়া পথেৰে কলিঙ্গ দেশ অভিমুখে যাত্রা কৰিলে। কলিঙ্গৰাজে ৰঘুক প্রতিহত কৰিবলৈ হাতী সৈন্য আদি লৈ অস্ত্রধাৰণ পূর্বক ৰঘুক প্রতিৰোধ কৰিলে। ৰজাসকলৰ এই প্রতিৰোধ কার্য্যক কবিয়ে পর্বতবিলাকৰ পক্ষচ্ছেদোদ্যত ইন্দ্রক কৰা শিলাবর্ষণৰ লগত তুলনা কৰিছে। এই ঘটনাটোত এটি পৌৰাণিক কাহিনী নিহিত হৈ আছে। প্রাচীন কালত পর্বতসমূহ পক্ষযুক্ত আছিল। পাখিথকা পর্বতসমূহৰ পৰা অসুবিধাৰ সৃষ্টি হোৱাত দেৱৰাজ ইন্দ্রই পাখি কাটিবলৈ উদ্যত হৈছিল। তেতিয়া পর্বতবিলাকে ইন্দ্রক বাধা দিবলৈ শিলাবর্ষণ কৰিছিল। শ্লোকফাঁকিত পর্বতসমূহক কলিঙ্গৰ ৰজাৰ লগত আৰু ৰজা ৰঘুক ইন্দ্রৰ লগত তুলনা কৰিছে।

১১.৬ চতুর্থসর্গৰ মহত্বপূর্ণ বাক্যসমূহৰ ভাবার্থ

এতিয়া আপুনি 'ৰঘুবংশম্' মহাকাব্যৰ কেইটামান মহত্বপূর্ণ বাক্যৰ ভাবার্থ পঢ়িবলৈ পাব।

১) আদদে নাভিশীতোষ্ণো নভস্বানিৰ দক্ষিনঃ

দক্ষিণফালৰ পৰা পোৱা মলয়াবতাহ নাতিশীতোষ্ণ। অর্থাৎ অতি গৰমো নহয় আৰু অত্যন্ত ঠাণ্ডাও নহয়। এই মলয় সমীৰণে সকলোৰে প্রাণ মন জুৰ পেলায়। মলয়া বতাহৰ দৰেই ৰঘুৰ গাতো দুই ধৰণৰ গুণেই বিদ্যমান আছিল। ৰজা হিচাপে ৰঘু যিমান কঠোৰ আছিল, সেইদৰে কোমল গুণসমূহৰো সমানেই অধিকাৰী আছিল। গুৰুতৰ

অপৰাধত গুৰুশাস্তি আৰু লঘু অপৰাধত লঘু শাস্তি প্রদান কৰি উচিত দণ্ডৰ প্রয়োগ কৰিছিল। ৰঘুৰ এই গুণসমূহৰ বাবেই প্রজাসকলৰ চিত্তও বিমোহিত হৈছিল।

২) ৰাজা প্রকৃতিৰঞ্জনাৎ।

চন্দ্রৰ পোহৰে মানুহৰ মনত আনন্দ প্রদান কৰে। আহ্লাদ দান কৰা বাবে ছন্দ্ ধাতুৰ পৰা চন্দয়তি আহ্লাদয়ীতি 'চন্দ্র', শব্দ সার্থক হৈছে। সেইদৰে তাপ প্রদান কৰা বাবে তপয়তি ইতি 'তপনঃ' নাম সূর্য্যৰ সার্থক হৈছে। ঠিক সেইদৰে প্রকৃতি অর্থাৎ প্রজাৰঞ্জন কৰা বাবে ৰঘুৰ ৰজা নামো যুগুত হৈছে। যিয়ে প্রজাক আনন্দ প্রদান কৰে তেঁৱেই ৰজা। মহাভাৰতৰ শান্তি পর্বতো কৈছে— 'ৰঞ্জিতাশ্চ প্রজাঃ সর্বাস্তেন ৰাজেতি শব্দ্যতে।' ৰঘুৰ ক্ষেত্রতো সকলোবোৰ গুণ বিদ্যমান থকা হেতুকে ৰজা হিচাপে অভিহিত কৰাটো যুক্তিযুক্ত হৈছে।

৩) ইন্দ্রিয়াখ্যানিব্ ৰিপূংস্তত্ত্বজ্ঞানেন সংযমী।

ইন্দ্রিয়সমূহ মানুহৰ শৰীৰত থাকি মানুহৰ মন সততে বিপথে পৰিচালিত কৰায়। সেয়েহে ইন্দ্রিয়সমূহ পৰম শত্রু। ইন্দ্রিয়লালসাই মানুহক ভোগত প্রবৃত্ত কৰায় আৰু ভোগে মানুহক পৰম জ্ঞানৰ পৰা মন আঁতৰাই লৈ যায়। এই ইন্দ্রিয়সমূহক বশীভূত কৰাৰ একমাত্র উপায় হৈছে তত্ত্বজ্ঞান বা আত্মাজ্ঞান। এই তত্ত্বজ্ঞানে মানুহক সকলো প্রকাৰৰ আসক্তিৰ পৰা আঁতৰাই সংযমী কৰে। মোক্ষপথৰ নির্দেশো এই তত্ত্বজ্ঞানেই কৰায়। কিন্তু এই তত্ত্বজ্ঞান লাভ কৰা বৰ সহজ নহয়। সংযমী পুৰুষসকলে ইন্দ্রিয়ৰূপ শত্রুসকলক নিয়ন্ত্রণ কৰি তত্ত্বজ্ঞানৰ দ্বাৰা উচিত পথ অনুসৰণ কৰে।

৪) প্রণিপাত প্রতীকাৰঃ সংৰম্ভো হি মহাত্মনাম্।

মহাত্মাসকলে ইন্দ্রিয়সমূহ নিয়ন্ত্রণত ৰাখে। সেয়েহে কোপাদি আৱেগসমূহো চিৰস্থায়ী নহয়। আনকি শত্রুৰ প্রতি থকা ক্রোধো মহাত্মাসকলে চিৰদিন পোষণ কৰি নাথাকে। দুর্ঘোৰ শত্রুও যদি তেওঁলোকৰ শৰণাপন্ন হয়, তেন্তে পূর্বৰ ক্রোধ পাহৰি পেলায়। ৰজা ৰঘুৱেও পাৰস্য জয় কৰাৰ পাছত পাৰস্য দেশবাসী ৰঘুৰ শৰণাপন্ন হ'ল। পাৰস্যবাসীসকলে মহৎ গুণৰ অধিকাৰী ৰঘুৰ নতি স্বীকাৰ কৰাত সেই খং নাইকিয়া হ'ল। এয়েই হ'ল মহাত্মাসকলৰ লক্ষণ।

৫) আদানং হি বিসর্গায় সতাং বাৰিমুচামিঃ

গ্রীষ্মকালত পৃথিৱীৰ জলভাগৰ পৰা মেঘে জলশোষণ কৰে। তাৰ দ্বাৰা মেঘৰ সৃষ্টি হয়। বর্ষাকালত সেই মেঘেই অবিচ্ছিন্ন জলাবর্ষণৰে পুনৰ পৃথিৱীক জলভাগ ঘূৰাই দি পৃথিৱীক শস্যশ্যামলা কৰি তোলে। সৎপুৰুষসকলৰ স্বভাৰো মেঘৰ দৰেই। অন্যৰ পৰা গ্রহণ কৰিলেও জনকল্যাণৰ বাবে পুনৰ সকলোৰে মাজত গৃহীত দ্রব্য ঘূৰাই দিয়ে। ৰজা ৰঘুয়ো বিভিন্ন দিশৰ ৰজাসকলক জয় কৰি ৰাজ্য ধন লাভ কৰিছিল। কিন্তু ৰঘুই বিশ্বজিৎ যজ্ঞ আয়োজন কৰি সকলো দ্রব্যয়েই পুনৰ ৰজাসকলক ঘূৰাই দিলে। মহৎগুণৰ অধিকাৰী ৰঘুৱেও মেঘৰ বৃত্তিকেই অনুসৰণ কৰিছে।



জানি থোৱা ভাল

প্রকৃতিৰঞ্জন = প্রকৃতি অর্থাৎ প্রজা। ৰঞ্জয়তি ইতি ৰাজা প্রজাৰঞ্জন কৰা বাবে নৃপতিসকলক ৰজা নামেৰে অভিহিত কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১১ ঃ ভগীৰথ কোন আছিল লিখক।

.....

প্রশ্ন নং ১২ ঃ কোনে পর্বতসমূহৰ পক্ষচ্ছেদ কৰিছিল?

.....

প্রশ্ন নং ১৩ ঃ মেঘৰ বৃত্তি কোনে অনুসৰণ কৰিছিল।

.....



১১.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

'ৰঘুবংশম্' কবি কালিদাসৰ অনবদ্য সৃষ্টি। এই অধ্যায়টি পঢ়ি আপুনি কালিদাসৰ ৰচনাশৈলীৰ বিষয়ে এটি আভাস পালে। কবি কালিদাস উপমা অলঙ্কাৰৰ প্রয়োগৰ বাবে সুবিখ্যাত। সেয়েহে কালিদাসৰ বিষয়ে প্রচলিত 'উপমা-কালিদাসস্য' বাক্যশাৰীৰো তাৎপর্য্য জানিব পাৰিলে। ইয়াৰ উপৰিও ৰঘুদিগ্বিজয়ৰ শেষাংশ এই অধ্যায়ত সন্নিৰিষ্ট হৈছে। সেয়েহে ৰঘুৰ কামৰূপ বিজয়ৰ বর্ণনাও ইয়াত পোৱা যায়। তাৰ পিছত ৰঘুৱে অনুষ্ঠিত কৰা বিশ্বজিৎযজ্ঞৰ বিষয়েও আপুনি গম পালে। কামৰূপবিজয়বর্ণিত শ্লোকসমূহৰ সংস্কৃতপাঠ, গদ্যপাঠ, শব্দার্থ আৰু অসমীয়া অনুবাদো লগতে জানিব পাৰিলে। কঠিন শব্দসমূহৰ ব্যাকৰণগত বিশ্লেষণো আপুনি জানিলে। ইয়াৰ উপৰিও ৰঘুদিগ্বিজয়ত বর্ণিত কিছুমান গুৰুত্বপূর্ণ শ্লোকৰ ব্যাখ্যা কেনেদৰে কৰিব লাগে তাৰ বিষয়েও জানিলে। সংস্কৃত শ্লোকসমূহত ব্যৱহৃত গুৰুত্বপূর্ণ বচন কিছুমানৰ ভাবার্থও জানিব পাৰিলে। পূর্বৰ অধ্যায়সমূহত লিখকৰ, শ্লোকসমূহৰ বিশদ জ্ঞান লাভ কৰিলে। এই অধ্যায়টি পঢ়ি আপুনি কালিদাসৰ ৰচনাৰ কাব্যগত সমালোচনা কৰিবলৈ সক্ষম হ'ব।



১১.৮ অধিক জানিবলৈ

১) কালে, এম. আৰ. (সম্পা.) ঃ *ৰঘুবংশম্ অব্ কালিদাস* (১-৫); দিল্লী ঃ মতিলাল বানাৰসীদাস পাব্লিছার্চ প্রাইভেট লিমিটেড।

২) গোস্বামী, ড° মালিনী (২০০৯) ঃ *ৰঘুৰপি কাব্যম্*; গুৰাহাটী ঃ চন্দ্র প্রকাশ।

৩) ভদ্ৰ, সুধেন্দু মোহন ঃ *ৰঘুবংশম্*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৪) *সংস্কৃত সাহিত্য সম্ভাৰ* (Vol-X) (১৯৮১) ঃ নৱ-পত্ৰ প্ৰকাশন।



১১.৯ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ লৌহিত্য বুলিলে ব্ৰহ্মপুত্ৰ নদীক বুজায়।

২নং প্ৰশ্নৰ উত্তৰ ঃ বিশ্বজিৎ যজ্ঞ।

৩নং প্ৰশ্নৰ উত্তৰ ঃ ৰঘুক।

৪নং প্ৰশ্নৰ উত্তৰ ঃ হাতী।

৫নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰাগজ্যোতিষপুৰত।

৬নং প্ৰশ্নৰ উত্তৰ ঃ কামৰূপ।

৭নং প্ৰশ্নৰ উত্তৰ ঃ বৈদৰ্ভী ৰীতি।

৮নং প্ৰশ্নৰ উত্তৰ ঃ এবিধ অলঙ্কাৰ।

৯নং প্ৰশ্নৰ উত্তৰ ঃ অৰ্থান্তৰ ন্যাস।

১০নং প্ৰশ্নৰ উত্তৰ ঃ দীপশিখা কালিদাস।

১১নং প্ৰশ্নৰ উত্তৰ ঃ সূৰ্য্যবংশীয় ৰজা।

১২নং প্ৰশ্নৰ উত্তৰ ঃ ইন্দ্ৰই।

১৩নং প্ৰশ্নৰ উত্তৰ ঃ ৰঘুৱে।



১১.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ চমুটোকা লিখক।

বৈদৰ্ভী ৰীতি, কালিদাস, উপমা অলঙ্কাৰ

খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০-৩০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ৰজা ৰঘুৰ কামৰূপ বিজয়ৰ বৰ্ণনা লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ কালিদাসৰ ৰচনাশৈলীৰ বিষয়ে চমুটোকা লিখক।

প্ৰশ্ন ২ ঃ 'উপমা কালিদাসস্য' —এই বাক্যযাৰীৰ তাৎপৰ্য্য বিচাৰ কৰক।

*** ***** ***

অধ্যায় ১২ ঃ কিৰাতার্জুনীয়ম্— সাধাৰণ আলোচনা

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ 'কিৰাতার্জুনীয়ম্' মহাকাব্যৰ চমু পৰিচয়
১২.৪ শিৰোনামৰ তাৎপর্য্য
১২.৫ কিৰাতার্জুনীয়ম্ মহাকাব্যৰ সর্গসমূহৰ সাৰাংশ
১২.৬ মহাকবি ভাৰবিৰ পৰিচয়
১২.৬.১ ভাৰবিৰ সময়
১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৮ অধিক জানিবলৈ
১২.৯ অগ্রগতিৰ খতিয়ান
১২.১০ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কিৰাতার্জুনীয়ম্ মহাকাব্যৰ বিষয়ে এটি চমু আভাস লাভ কৰিব পাৰিব
- মহাকবি ভাৰৱিৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিবলৈ সক্ষম হ'ব
- কিৰাতার্জুনীয়ম্ মহাকাব্যৰ প্রতিটো সর্গৰ বিষয়বস্তুৰ সাৰাংশ আয়ত্ব কৰিব পাৰিব।

১২.২ পৰিচয়

আপুনি ইতিমধ্যে 'ৰঘুবংশম্' মহাকাব্যৰ লগত পৰিচিত হৈছে। এতিয়া আপুনি অন্য এখন মহাকাব্যৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব। এই অধ্যায়টিত ভাৰৱি ৰচিত 'কিৰাতার্জুনীয়ম্' মহাকাব্যৰ এটি সাধাৰণ আলোচনা আগবঢ়োৱা হৈছে। এই অধ্যায়টিৰ জৰিয়তে আপুনি কিৰাতার্জুনীয়ম্ মহাকাব্যৰ উৎস, বিষয়বস্তু, শিৰোনামৰ তাৎপর্য্য আদিৰ বিষয়ে জানিব পাৰিব। ইয়াৰ উপৰিও মহাকবি ভাৰবিৰ বিষয়েও অৱগত হ'ব।

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি 'কিৰাতার্জুনীয়ম্' মহাকাব্যৰ প্রতিটো **সর্গ**ৰ বিষয়বস্তুৰ লগতো পৰিচিত হ'ব পাৰিব।

সর্গ ঃ মহাকাব্যৰ বিভিন্ন অধ্যায়সমূহক সর্গ বোলা হয়।

পঞ্চমহাকাব্য ঃ কালিদাস ৰচিত ৰঘুবংশম্ আৰু কুমাৰ সম্ভৱম্, ভাৰবি ৰচিত কিৰাতার্জুনীয়ম্, মাঘ ৰচিত শিশুপালবধম্ আৰু শ্রীহর্ষ ৰচিত নৈষধচৰিতম্।

১২.৩ কিৰাতার্জুনীয়ম্ মহাকাব্যৰ চমু পৰিচয়

'কিৰাতার্জুনীয়ম্'ৰ ৰচক হৈছে মহাকবি ভাৰবি। ই এখন মহাকাব্য। সংস্কৃত সাহিত্যৰ **পঞ্চমহাকাব্য**ৰ ভিতৰত অন্যতম হৈছে কিৰাতার্জুনীয়ম্। ইয়াৰ কাহিনীভাগ মহাভাৰতৰ 'বনপর্ব'ৰ

পৰা লোৱা হৈছে। ইয়াত ১৮টা সর্গ আছে। এই কাব্যৰ প্রধান ৰস হৈছে 'বীৰ'। বনবাস কালত পাণ্ডৱসকলে কিছুদিন দ্বৈতবনত বাস কৰিছিল। সেই সময়তে ঋষি ব্যাসদেৱ আহি তাত উপস্থিত হয়। তেওঁ তৃতীয় পাণ্ডৱ অর্জুনক ভগৱান শিৱৰপৰা অস্ত্রলাভ কৰাৰ বাবে **ইন্দ্রকীল** নামৰ পর্বতত তপস্যা কৰিবলৈ নির্দেশ দিয়ে। ব্যাসদেৱৰ নির্দেশ অনুসৰি অর্জুনে, ইন্দ্রকীল পর্বতলৈ গৈ কঠোৰ তপস্যা কৰে। অর্জুনৰ কঠোৰ তপস্যা দেখি ভীত হৈ দেৱতাসকল ভগৱান শিৱৰ শৰণাপন্ন হয়। দেৱতাসকলৰ প্রার্থনা শুনি শিৱই এজন কিৰাত বা চিকাৰীৰ বেশ ধাৰণ কৰি অর্জুনৰ ওচৰত উপস্থিত হয়। তেওঁৰ লগত পার্বতীও যায়। তাতে এটি গাহৰি বা বৰাহক তীৰবিদ্ধ কৰাক লৈ শিৱ আৰু অর্জুনৰ মাজত মতানৈক্য হয়। শেষত দুয়োজনৰ মাজত যুদ্ধ আৰম্ভ হয়। যুদ্ধত অর্জুনৰ বীৰত্বত সন্তুষ্ট হৈ কিৰাতৰূপী শিৱই তেওঁক পাশুপাত অস্ত্র প্রদান কৰে। এয়ে 'কিৰাতার্জুনীয়ম্' মহাকাব্যৰ বিষয়বস্তুৰ থুলমূল পৰিচয়।



ইন্দ্রকীল ঃ হিমালয় পর্বতৰাশিৰ মাজত অৱস্থিত এখন পর্বত।

১২.৪ শিৰোনামৰ তাৎপর্য্য

গ্রন্থ এখনৰ 'শিৰোনাম' বিষয়বস্তুৰ লগত সংগতি থকা হ'ব লাগে। সেই অনুসৰি মহাকবি ভাৰবিয়েও উক্ত গ্রন্থত 'কিৰাতার্জুনীয়ম্' এই বিশেষ শিৰোনাম ব্যৱহাৰ কৰিছে।

'কিৰাতার্জুনীয়ম্' গ্রন্থৰ নামটো এনেদৰে বিশ্লেষণ কৰিব পৰা যায়—

কিৰাতশ্চ অর্জুনশ্চ ইতি কিৰাতার্জুনৌ (দ্বন্দ্ব সমাস)। তৌ অধিকৃত্য কৃতং কাব্যম্ ইতি বাক্যে কিৰাতার্জুন + ছ (ঈয়) = কিৰাতার্জু নীয়ম্। অর্থাৎ কিৰাত আৰু অর্জুনৰ কাহিনী সম্বলিত গ্রন্থখনৰ নামেই "কিৰাতার্জুনীয়ম্"।

এই বাক্যত অর্জুনক ধীৰোদাত্ত নায়ক ৰূপে আৰু কিৰাতবেশী শিৱক প্রতিনায়ক ৰূপে চিত্রিত কৰা হৈছে। বিভিন্ন ঘটনাৰ মাজেৰে কাব্যৰ কাহিনীভাগে অগ্রগতি লাভ কৰিছে। কাব্যৰ পৰিসমাপ্তি ঘটিছে অর্জুনৰ লগত শিৱৰ বিবাদ আৰু যুদ্ধৰে। যুদ্ধত অর্জুনৰ বীৰত্ব দেখি শিৱই নিজৰ প্রকৃত ৰূপ দেখুৱায়। শেষত অর্জুনে ভগৱানৰ পৰা অভীষ্ট দিব্য পাশুপাত অস্ত্র লাভ কৰে। গতিকে কাব্যৰ মূল ঘটনাৰ লগত গভীৰ সম্বন্ধ থকা বাবে উক্ত শিৰোণাম যথার্থ আৰু সফল বুলি ক'ব পৰা যায়।



জানি থোৱা ভাল

● সংস্কৃত সাহিত্যত নায়কক চাৰিভাগত ভগোৱা হৈছে। যেনে— ধীৰোদাত্ত, ধীৰোদ্ধত, ধীৰললিত আৰু ধীৰ প্রশান্ত। ধীৰোদাত্ত নায়ক হৈছে অর্জুন। এই নায়কৰ লক্ষণ হৈছে— আত্মশ্লাঘাহীন, ক্ষমাশীল, অতি গম্ভীৰ, সুখ-দুখত অভিভূত নোহোৱা, স্বভাৱতে ধীৰ, স্বাভিমানী অথচ বিনয়ী, দৃঢ় সঙ্কল্পযুক্ত। (সাহিত্য দর্শন, তৃতীয় পৰিচ্ছেদ)

- এখন কাব্যৰ আত্মা হৈছে ৰস। ৰস অবিহনে কোনো ৰচনাই কাব্য হোৱাৰ যোগ্যতা অর্জন নকৰে। এই ৰস ন প্ৰকাৰৰ। যেনে— শৃঙ্গাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, ভয়ানক, বীভৎস, অদ্ভুত আৰু শান্ত।
- **মহাকাব্য** = বিশ্বনাথ কবিৰাজে তেওঁৰ 'সাহিত্য দর্পণ' নামৰ গ্ৰন্থত মহাকাব্যৰ লক্ষণসমূহ এনেদৰে বাখ্যা কৰিছে— যি পদ্যকাব্য বিভিন্ন সর্গত বিভক্ত হৈ ৰচিত হয়, সেয়ে মহাকাব্য। এই মহাকাব্যত এজন নায়কৰ চৰিত্ৰ বর্ণনা কৰা হয়। সেই নায়কজন ধীৰোদাত্ত প্ৰকৃতিৰ কোনো দেৱতা বা কোনো অভিজাত বংশত ওপজা ক্ষত্ৰিয় হ'ব লাগে। মহাকাব্যত শৃঙ্গাৰ, বীৰ আৰু শান্ত এই তিনিবিধ ৰসৰ যিকোনো এটা ৰস প্ৰধান ৰস ৰূপে থাকিব লাগে। অৱশ্যে তাৰ লগতে অন্যান্য ৰসসমূহো থকাটো বাঞ্ছনীয়। কোনো ঐতিহাসিক ঘটনা নাইবা কোনো মহাপুৰুষৰ বিষয়ে লোক প্ৰসিদ্ধ ঘটনা বর্ণনাৰ বিষয় হ'ব লাগে। ইয়াৰ সর্গৰ সংখ্যা আঠোটাতকৈ বেছি হ'ব লাগে। সর্গবোৰ বেছি চুটি বা দীঘল হ'ব নালাগে। এখন মহাকাব্যৰ নাম কবিৰ নাম অনুসৰি, বর্ণনা কৰা ঘটনাৰ ইতিবৃত্ত অনুসৰি, নায়কৰ নাম অনুসৰি অথবা কোনো বিষয়ৰ নাম অনুসৰি ৰাখিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'কিৰাতার্জুনীয়ম্' মহাকাব্যৰ ৰচয়িতা কোন?

.....

প্ৰশ্ন নং ২ ঃ 'কিৰাতার্জুনীয়ম্' মহাকাব্যৰ কাহিনীভাগৰ উৎস কি?

.....

প্ৰশ্ন নং ৩ ঃ 'কিৰাতার্জুনীয়ম্' মহাকাব্যত কেইটা সর্গ আছে?

.....

প্ৰশ্ন নং ৪ ঃ কিৰাতার্জুনীয়ম্ৰ প্ৰধান ৰস কি?

.....

প্ৰশ্ন নং ৫ ঃ 'কিৰাতার্জুনীয়ম্' মহাকাব্যৰ নায়ক কোন?

.....

প্ৰশ্ন নং ৬ ঃ 'কিৰাতার্জুনীয়ম্' এখন .....। (খালী ঠাই পূৰ কৰক)

.....

প্ৰশ্ন নং ৭ ঃ 'পঞ্চমহাকাব্য' বুলিলে কি বুজে?

.....

.....

১২.৫ 'কিৰাতাৰ্জুনীয়ম্' মহাকাব্যৰ সৰ্গসমূহৰ সাৰাংশ

'কিৰাতাৰ্জুনীয়ম্'ত সৰ্বমুঠ ১৮টা সৰ্গ আছে। এতিয়া আপুনি প্ৰতিটো সৰ্গৰ বিষয়বস্তুৰ সাৰাংশ পঢ়িবলৈ পাব। সৰ্গসমূহৰ সাৰাংশ তলত উল্লেখ কৰা হ'ল।

১ম সৰ্গ ঃ প্ৰথম সৰ্গৰ সাৰাংশ এনে ধৰণৰ— যুধিষ্ঠিৰে দুৰ্যোধনৰ ৰাজ্য শাসন প্ৰণালীৰ বিষয়ে জানিবলৈ এজন বনেচৰক দূত ৰূপে হস্তিনাপুৰলৈ পঠাইছিল। দূতৰূপে নিয়োজিত বনেচৰে দ্বৈত বনলৈ উভতি আহি দুৰ্য্যোধনৰ ৰাজ্যশাসন সম্পৰ্কীয় সকলো কথা যুধিষ্ঠিৰক জনালেহি। সকলোবোৰ কথা শুনিও যুধিষ্ঠিৰক নিৰুৎসাহ দেখি দ্ৰৌপদী ক্ৰোধিত হৈ পৰে। যুধিষ্ঠিৰক যুদ্ধৰ বাবে প্ৰস্তুত হ'বলৈ পৰামৰ্শ দি দৌপদীয়ে অগ্নিগৰ্ভ বাণীৰে তেওঁক উৎসাহিত কৰিবলৈ চেষ্টা কৰে।

২য় সৰ্গ ঃ দ্বিতীয় পাণ্ডৱ ভীমে পত্নী দৌপদীৰ কথা সমৰ্থন কৰে। কিন্তু যুধিষ্ঠিৰে সকলোকে ধৈর্য্য আৰু সহনশীল হ'বলৈ নিৰ্দেশ দিয়ে। এনে সময়তে ঋষি ব্যাসদেৱ সেই স্থানত উপস্থিত হয়।

৩য় সৰ্গ ঃ ব্যাসদেৱে অৰ্জুনক মহাবিদ্যা দান কৰে। লগতে শক্তি আৰু অস্ত্ৰ লাভৰ বাবে তেওঁ অৰ্জুনক ইন্দ্ৰকীল পৰ্বতলৈ গৈ শিৱৰ তপস্যা কৰিবলৈ নিৰ্দেশ দিয়ে।

৪র্থ সৰ্গ ঃ অৰ্জুনে ইন্দ্ৰকীলপৰ্বতলৈ তপস্যা কৰিবৰ বাবে যাত্ৰা কৰে। যাত্ৰাপথত তেওঁ শৰৎকালৰ শোভা দৰ্শন কৰে। ভাৰবিৰ বৰ্ণনাত শৰৎকালৰ শোভা অনন্য সুন্দৰ হৈ উঠিছে এই সৰ্গত।

৫ম সৰ্গ ঃ অৰ্জুনৰ ইন্দ্ৰকীল পৰ্বতলৈ আগমন এই সৰ্গৰ মূল বিষয়বস্তু। তাতে তেওঁ **যক্ষ**ৰ উপদেশ লাভ কৰে। লগতে তেওঁ হিমালয় পৰ্বতমালাৰ শোভা দৰ্শন কৰে।

৬ষ্ঠ সৰ্গ ঃ অৰ্জুনে তপস্যা আৰম্ভ কৰে। তেওঁৰ কঠোৰ তপস্যাত গুহ্যকসকল ভীত হৈ পৰে। তেওঁলোকে অৰ্জুনৰ তপস্যা ভঙ্গৰ বাবে ইন্দ্ৰক অনুৰোধ কৰে। সেই অনুৰোধ ৰক্ষা কৰি ইন্দ্ৰই অপ্সৰাসকলক অৰ্জুনৰ তপস্যা ভাঙিবলৈ পঠায়।

৭ম সৰ্গ ঃ ইন্দ্ৰৰ আদেশ ৰক্ষা কৰি অপ্সৰাসকলে ইন্দ্ৰকীল পৰ্বতলৈ যাত্ৰা আৰম্ভ কৰে। অপ্সৰাসকলৰ ৰক্ষণাবেক্ষণৰ কাৰণে ইন্দ্ৰই বহুতো হাতী, ঘোৰাৰ লগতে ভৃত্যসকলকো পঠিয়ায়। ইন্দ্ৰৰ ৰাজ্যৰ পৰা ইন্দ্ৰকীল পৰ্বত পৰ্য্যন্ত অপ্সৰাসকলে কৰা যাত্ৰাৰ মনোৰম বৰ্ণনা এই সৰ্গত পোৱা যায়।

৮ম সৰ্গ ঃ ইন্দ্ৰকীল পৰ্বতত অপ্সৰাসকলৰ বনত বিহাৰ বা বিচৰণ আৰু জলকেলি বা জলক্ৰীড়াৰ কথা ইয়াত সুন্দৰকৈ বৰ্ণনা কৰা হৈছে।

৯ম সৰ্গ ঃ সূৰ্য্যাস্তৰ মনোমুগ্ধকৰ বৰ্ণনাৰে আৰম্ভ হৈছে এই সৰ্গ। লগতে বৰ্ণনা কৰা হৈছে চক্ৰবাক চৰাইৰ বিৰহবিধুৰ অৱস্থা। নিশা গভীৰ হৈ অহাৰ লগে লগে অপ্সৰাসকলে মদিৰাপান কৰিবলৈ ধৰে আৰু কামক্ৰীড়াত মত্ত হয়। বৈতালিকসকলে কৰা স্তুতিগীতেৰে মুখৰিত হোৱা প্ৰভাত বৰ্ণনাৰে এই সৰ্গ শেষ কৰা হৈছে।

১০ম সৰ্গ ঃ অপ্সৰাসকলে বিভিন্ন উপায়েৰে অৰ্জুনৰ কঠোৰ তপস্যা ভঙ্গ কৰিবলৈ চেষ্টা কৰে। কিন্তু তেওঁলোকৰ সকলো চেষ্টা ব্যৰ্থ হয়। ফলত অপ্সৰাসকলে সেই স্থানৰ পৰা প্ৰস্থান কৰে।



যক্ষ ঃ অৰ্ধ দেৱতা, অৰ্ধ মানৱ। কুবেৰৰ ধন ৰখীয়া ৰূপে কাম কৰে।

১১শ সর্গ ঃ ইয়াৰ পিছত ইন্দ্রই এজন মুনিৰ বেশ ধাৰণ কৰি অর্জুনৰ ওচৰলৈ আহে। অর্জুনক আশীৰ্বাদ দি ভগৱান শিৱৰ তপস্যা কৰিবলৈ উপদেশ দিয়ে।

১২শ সর্গ ঃ অর্জুনৰ কঠোৰ তপস্যা দেখি ঋষিমুনিসকল ভীত হৈ পৰে। তেওঁলোকে শিৱক আৰাধনা কৰিবলৈ ধৰে। তেতিয়া শিৱই তেওঁলোকক আশ্বাস দিয়ে যে তেওঁ কিৰাত বা চিকাৰীৰ বেশ ধাৰণ কৰি অর্জুনৰ লগত যুদ্ধ কৰিব।

১৩শ সর্গঃ শিৱই কিৰাতৰ বেশ ধাৰণ কৰি অর্জুনৰ ওচৰলৈ যায়। তাতে অর্জুনৰ ফালে দৌৰি যোৱা এটা বৰাহ বা গাহৰিক অর্জুন আৰু কিৰাতৰূপী শিৱই একে সময়তে শৰবিদ্ধ কৰে। বৰাহটোৰ মৃত্যু হয়। অর্জুনে তেওঁৰ বান বৰাহটোৰ শৰীৰৰ পৰা উলিয়াবলৈ লয়। সেই সময়তে কিৰাতৰূপী শিৱ আহি সেই স্থানত উপস্থিত হয় আৰু অর্জুনক ভৎর্সনা কৰে। কিৰাতৰ মতে তেওঁহে প্রথমে শৰবিদ্ধ কৰি বৰাহটো বধ কৰে।

১৪শ সর্গ ঃ কিৰাতৰূপী শিৱৰ লগত বহু কিৰাতসৈন্যও সেই স্থানলৈ আহে। অর্জুনৰ লগত সেই সৈন্যসকলৰ যুদ্ধ হয়। যুদ্ধত কিৰাত সৈন্য পৰাজিত হয়।

১৫শ সর্গ ঃ অর্জুনৰ বীৰত্বৰ আগত তিষ্ঠিব নোৱাৰি পলায়ন কৰা সৈন্যসকলক কার্তিকেয়ই পুনৰ বুজাই বঢ়াই ৰণভূমিলৈ ওভতাই আনে। পিছত ভগৱান শিৱ আৰু অর্জুনৰ প্রচণ্ড বাণযুদ্ধ হয়।

১৬শ সর্গ ঃ কিৰাতৰূপী শিৱ আৰু অর্জুনৰ মাজত যুদ্ধ হয়। যুদ্ধত দুয়োজনে দিব্যঅস্ত্র প্রয়োগ কৰিবলৈ ধৰে, এইবাৰ কিৰাতৰ হাতত অর্জুন পৰাস্ত হয়।

১৭শ সর্গ ঃ অস্ত্রবে ব্যর্থ হৈ অর্জুনে শিল, গছৰ গুৰি আদিবে কিৰাতৰূপী শিৱৰ লগত যুদ্ধ কৰিবলৈ ধৰে। কিন্তু সেইবাৰো তেওঁ ব্যর্থ হয়।

১৮শ সর্গ ঃ এইবাৰ কিৰাত আৰু অর্জুনৰ মাজত মল্লযুদ্ধ আৰম্ভ হয়। যুঁজৰ মাজত এবাৰ কিৰাতে ওপৰলৈ জপিয়ায়। সেই মুহূর্ততে অর্জুনে তেওঁৰ ভৰিত ধৰে। তেতিয়া কিৰাতে তেওঁৰ প্রকৃত ৰূপ প্রকাশ কৰে। অর্জুনৰ বীৰত্বত ভগৱান শিৱ অতিশয় সন্তুষ্ট হয়। শিৱই তেওঁক দিব্য 'পাশুপাত অস্ত্র' প্রদান কৰাৰ লগতে ধনুর্বেদো প্রদান কৰে। অন্যান্য দেৱতাসকলেও অর্জুনক বিভিন্ন দিব্যঅস্ত্র প্রদান কৰে। অস্ত্রসমূহ লাভ কৰি অর্জুন যুধিষ্ঠিৰৰ ওচৰলৈ উভতি যায়।

এইখিনিতে 'কিৰাতার্জুনীয়ম্' মহাকাব্যৰ সমাপ্তি ঘটে।

১২.৬ মহাকবি ভাৰবিৰ পৰিচয়

'কিৰাতার্জুনীয়ম্' মহাকাব্যৰ ৰচক হৈছে মহাকবি ভাৰবি। ভাৰবিয়ে তেওঁৰ ৰচনাত তেওঁৰ ব্যক্তিগত জীৱন সম্বন্ধে কোনো কথাই উল্লেখ কৰি যোৱা নাই । বিভিন্ন উৎসৰ পৰাহে ভাৰবি সম্বন্ধে তথ্য জানিব পৰা যায়। দণ্ডী বিৰচিত 'অবন্তিসুন্দৰী কথা' আৰু 'অবন্তিসুন্দৰী কথাসাৰ' নামৰ দুখন গ্রন্থত ভাৰবিৰ বিষয়ে সামান্য তথ্য পোৱা যায়। এই দুখন গ্রন্থৰ মাধ্যমেৰে জনা যায় যে ভাৰবিৰ আন এটা নাম আছিল দামোদৰ। তেওঁৰ পিতৃৰ নাম আছিল নাৰায়ন স্বামী। তেওঁলোকৰ গোত্র আছিল কৌশিক। ভাৰবিৰ পূর্বপুৰুষসকলে উত্তৰ-পশ্চিম ভাৰতৰ আনন্দপুৰ

নামে ঠাইত বাস কৰিছিল। পিছত কোনো সময়ত তেওঁলোক দক্ষিণ ভাৰতলৈ গৈ বসবাস কৰিবলৈ ধৰিলে। ভাৰবিৰ বিষয়ে চমু পৰিচয় এইখিনিয়েই পোৱা যায়।

১২.৬.১ ভাৰবিৰ সময়

ভাৰবিয়ে তেওঁৰ লেখনিত নিজৰ বিষয়ে কোনো কথা উল্লেখ কৰি যোৱা নাই। অৱশ্যে কিছুমান তথ্যৰ পৰা তেওঁৰ সৰ্বজন স্বীকৃত সময় নিৰ্ণয় কৰাটো সম্ভৱ হৈছে। ইয়াৰ ভিতৰত এটি প্ৰধান প্ৰমাণ হ'ল দক্ষিণ ভাৰতৰ আইহোল শিলালিপি। এই শিলালিপিৰ লেখক হৈছে ৰবিকীৰ্তি। ৰজা দ্বিতীয় পুলকেশীৰ আশ্ৰিত কবি আছিল এই ৰবিকীৰ্তি। দ্বিতীয় পুলকেশীৰ সময় ৬৪২ খৃষ্টাব্দৰ ওচৰা ওচৰি। এই আইহোল শিলালিপিত ভাৰবিৰ উল্লেখ আছে। গতিকে ভাৰবিৰ সময় ৰজা দ্বিতীয় পুলকেশীৰ আগতে হ'ব লাগিব। ইয়াৰ উপৰিও দক্ষিণ ভাৰতৰ মান্যপুৰ নামৰ নগৰত ৬৯৮ শকাব্দত লিখা এখন দানপত্ৰত 'কিৰাতার্জুনীয়ম্' গ্ৰন্থৰ উল্লেখ আছে। আনহাতেদি পাণিনিৰ বিখ্যাত 'অষ্টাধ্যায়ী' গ্ৰন্থৰ টীকাকাৰ জয়াদিত্য বামনে তেওঁৰ 'কাশিকাবৃত্তি'ত ভাৰবিৰ নাম উল্লেখ কৰি গৈছে। এই সকলোবোৰ তথ্যৰ ভিত্তিত ভাৰবিৰ সময় ৬০০ খৃষ্টাব্দৰ সমসাময়িক বুলি ক'ব পাৰি। পাশ্চাত্য সমালোচক কীথৰ মতে ভাৰবিৰ সময় ৫০০-৫০০ খৃষ্টাব্দৰ ভিতৰত।



জানি থোৱা ভাল

- আইহোল শিলালিপিত ভাৰবিক মহাকবি কালিদাসৰ লগত সমভাৱে প্ৰতিষ্ঠিত কৰিছে। তাত লিখা আছে— "স বিজয়তাং ৰবিকীৰ্তিঃ কবিতাশ্ৰিত কালিদাস ভাৰবিকীৰ্তিঃ।।"
- **ধনুৰ্বেদ** = চাৰি উপবেদৰ এক বেদ। চাৰিখন বেদ হৈছে— ঋক্‌বেদ, যজুৰ্বেদ, সামবেদ আৰু অথৰ্ববেদ। এই চাৰিবেদৰ চাৰিখন উপবেদ হৈছে যথাক্ৰমে আয়ুৰ্বেদ, ধনুৰ্বেদ, গান্ধৰ্ববেদ আৰু স্থাপত্যশস্ত্ৰ বেদ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ ভাৰবিৰ পিতৃৰ নাম কি আছিল?

.....

প্ৰশ্ন নং ৯ ঃ ভাৰবিৰ অন্য এটা নাম কি?

.....

প্ৰশ্ন নং ১০ ঃ দণ্ডী ৰচিত এখন গ্ৰন্থৰ নাম লিখক।

.....

প্ৰশ্ন নং ১১ ঃ আইহোল শিলালিপিৰ লিখক কোন আছিল?

.....

প্ৰশ্ন নং ১২ ঃ পাণিনি বিৰচিত গ্ৰন্থখনৰ নাম কি?

.....



১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে—

- ভাৰবি বিৰচিত 'কিৰাতাৰ্জুনীয়ম্' এখন মহাকাব্য।
- সংস্কৃত সাহিত্যত পঞ্চমহাকাব্যৰ ভিতৰত ই অন্যতম।
- ইয়াত ১৮টা সৰ্গ আছে। ইয়াৰ প্ৰধান নায়ক হৈছে অৰ্জুন।
- বীৰৰস ইয়াৰ মুখ্য ৰস।
- কিৰাতাৰ্জুনীয়ম্ৰ মূল কাহিনীভাগ মহাভাৰতৰ বনপৰ্বৰ পৰা লোৱা হৈছে।
- এই কাব্যৰ ৰচক ভাৰবিৰ বিষয়েও জানিব পাৰিলে।
- 'কিৰাতাৰ্জুনীয়ম্'ৰ প্ৰতিটো সৰ্গৰ সাৰাংশও অধ্যয়ন কৰিলে।



১২.৮ অধিক জানিবলৈ

১) বন্দোপাধ্যায়, শ্ৰীঅশোক কুমাৰ ঃ *মহাকবি ভাৰবি ৰচিত কিৰাতাৰ্জুনীয়ম্*, প্ৰথমসৰ্গ; কলিকতা ঃ সংস্কৃত পুস্তক ভাণ্ডাৰ।

২) শৰ্মা, ড° থানেশ্বৰ (১৯৯৫) ঃ *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৩) Pande, Adityanarayana (1968): *Kiratarjuniya of Bharavi,* [ed.]; Varanasi: Choukhamba Sanskrit Series Office.

৪) Sastri, Prof. Ashoknath (1996): *Bharavi's Kiratarjuniyam*, Canto I; Calcutta: Modern Book Agency Pvt. Ltd.



১২.৯ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰবি।

২নং প্ৰশ্নৰ উত্তৰ ঃ মহাভাৰতৰ বনপৰ্ব।

৩নং প্ৰশ্নৰ উত্তৰ ঃ ১৮টা।

৪নং প্ৰশ্নৰ উত্তৰ ঃ বীৰৰস।

৫নং প্ৰশ্নৰ উত্তৰ ঃ অর্জুন।

৬নং প্ৰশ্নৰ উত্তৰ ঃ মহাকাব্য।

৭নং প্ৰশ্নৰ উত্তৰ ঃ কুমাৰ সম্ভৱম্, ৰঘুবংশম্, কিৰাতার্জুনীয়ম্, শিশুপালবধম্ আৰু নৈষধচৰিতম্

—এইকেইখন মহাকাব্যক একেলগে 'পঞ্চমহাকাব্য' বোলা হয়।

৮নং প্ৰশ্নৰ উত্তৰ ঃ নাৰায়ন স্বামী।

৯নং প্ৰশ্নৰ উত্তৰ ঃ দামোদৰ।

১০নং প্ৰশ্নৰ উত্তৰ ঃ অৱন্তিসুন্দৰী কথা।

১১নং প্ৰশ্নৰ উত্তৰ ঃ ৰবিকীর্তি।

১২নং প্ৰশ্নৰ উত্তৰ ঃ অষ্টাধ্যায়ী।



১২.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ চমুটোকা লিখক— পঞ্চমহাকাব্য, মহাকাব্য, ধনুর্বেদ

খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০-৩০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ 'কিৰাতার্জুনীয়ম্' মহাকাব্যৰ এটি চমু বিৱৰণ দাঙি ধৰক।

প্ৰশ্ন ২ ঃ 'কিৰাতার্জুনীয়ম্' মহাকাব্যৰ শিৰোনাম যথার্থ হৈছেনে? চমুকৈ লিখক।

প্ৰশ্ন ৩ ঃ মহাকবি ভাৰবিৰ এটি চমু পৰিচয় লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ কিৰাতার্জুনীয়ম্ মহাকাব্যৰ সর্গসমূহৰ সাৰাংশ লিখক।

*** ***** ***

অধ্যায় ১৩ ঃ কিৰাতার্জুনীয়ম্— প্রথমসর্গ (শ্লোক ১-২৫)

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ প্রথমসর্গৰ শ্লোক (১-২৫)সমূহৰ সংস্কৃত পাঠ
১৩.৩.১ শ্লোকসমূহৰ গদ্যপাঠ
১৩.৩.২ সংস্কৃত শ্লোকসমূহৰ শব্দার্থ
১২.৩.৩ সংস্কৃত শ্লোকসমূহৰ অসমীয়া অনুবাদ
১৩.৪ ব্যাকৰণগত টোকা
১৩.৫ বনেচৰৰ উক্তিৰ সাৰাংশ
১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৭ অধিক জানিবলৈ
১৩.৮ অগ্রগতিৰ খতিয়ান
১৩.৯ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- 'কিৰাতার্জুনীয়ম্' মহাকাব্যৰ প্রথমসর্গৰ বিষয়বস্তু জানিব পাৰিব
- প্রথমসর্গৰ শ্লোক(১-২৫)সমূহৰ সংস্কৃত পাঠ (শব্দার্থ আৰু অসমীয়া অনুবাদসহ) অধ্যয়ন কৰিব পাৰিব
- শ্লোকসমূহত থকা মহত্বপূর্ণ শব্দবোৰৰ ব্যাকৰণত বিশ্লেষণ কৰিব পাৰিব
- বনেচৰৰ বক্তব্যৰ আলোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

আপুনি ইতিমধ্যে সংস্কৃত সাহিত্যৰ বিষয়ে কিছু পৰিচিত হৈছে। এতিয়া এই অধ্যায়টি অধ্যয়ন কৰি আপুনি সংস্কৃত সাহিত্যৰ এখন বিখ্যাত মহাকাব্য 'কিৰাতার্জুনীয়ম্'ৰ লগত পৰিচিত হ'ব। এই 'কিৰাতার্জুনীয়ম্' মহাকাব্যৰ ৰচক হৈছে ভাৰবি। ভাৰবিৰ বিষয়ে চমুকৈ আপুনি আগৰ অধ্যায়ত জানিব পাৰিছে। সংস্কৃত সাহিত্যত 'পঞ্চ মহাকাব্য নামে জনাজাত পাঁচখন সংস্কৃত মহাকাব্যৰ ভিতৰত 'কিৰাতার্জুনীয়ম্' অন্যতম। এই অধ্যায়ত আপুনি 'কিৰাতার্জুনীয়ম্'ৰ প্রথমসর্গৰ (শ্লোক ১-২৫) বিষয়বস্তুৰ লগত পৰিচিত হ'ব। লগতে শ্লোকসমূহৰ সংস্কৃত পাঠ, ইয়াৰ শব্দার্থ আৰু অসমীয়া অনুবাদো অধ্যয়ন কৰিব পাৰিব। ইয়াৰ উপৰিও শ্লোকসমূহত থকা কিছুমান

গুৰুত্বপূৰ্ণ শব্দৰ ব্যাকৰণগত বিশ্লেষণো জানিব পাৰিব।সংস্কৃত সাহিত্যত ভাৰবি তেওঁৰ **অৰ্থগৌৰৱ**ৰ বাবে জনাজাত। এই অধ্যায়ত ভাৰবিৰ সেই বিশেষ অৰ্থ গৌৰৱৰো আভাস আপুনি পাব।



অৰ্থগৌৰৱ ঃ অতি কম শব্দৰে অনেক আৰু গভীৰ অৰ্থ বুজোৱাকে 'অৰ্থ গৌৰৱ' বোলা হয়।

১৩.৩ প্ৰথমসৰ্গৰ শ্লোক (১-২৫)সমূহৰ সংস্কৃত পাঠ

এতিয়া আপুনি কিৰাতাৰ্জুনীয়ম্ৰ প্ৰথমসৰ্গৰ শ্লোক (১-২৫)সমূহৰ সংস্কৃত পাঠ পঢ়িবলৈ পাব। শ্লোকসমূহ তলত উল্লেখ কৰা হ'ল—



বৰ্ণিলিঙ্গী = ব্ৰহ্মচাৰী বেশধাৰী
বনেচৰঃ = বনত যি বাস কৰে

শ্ৰিয়ঃ কুৰ্ৱণামধিপস্য পালনীং
প্ৰজাসু বৃত্তিং যময়ুংক্ত বেদিতুম্।
স **বৰ্ণিলিঙ্গী** বিদিতঃ সমাযযৌ
যুধিষ্ঠিৰং দ্বৈতবনে **বনেচৰঃ**।।১।।
কৃত প্ৰণামস্য মহীং মহীভুজে
জিতাং সপত্নেন নিবেদয়িষ্যতঃ।
ন বিব্যথে তস্য মনো ন হি প্ৰিয়ং
প্ৰবক্তুমিচ্ছন্তি মৃষা হিতৈষিণঃ।। ২।।
দ্বিষাং বিধাতায় বিধাতুমিচ্ছতো
ৰহস্যনুজ্ঞামধিগম্য ভূভৃতঃ।
স সৌষ্ঠবৌদাৰ্য্য বিশেষশালিনীং
বিনিশ্চিতাৰ্থমিতিবাচমাদদে।। ৩।।
ক্ৰিয়াসুযুক্তৈৰ্নৃপ চাৰচক্ষুষো
ন বঞ্চনীয়াঃ প্ৰভবোহনুজীবিভিঃ।
অতোহৰ্হসি ক্ষন্তুমসাধু সাধু বা
হিতং মনোহাৰি চ দুৰ্লভং বচঃ।। ৪।।
স কিংসখা সাধু ন শাস্তি যোৎধিপং
হিতান্ন যঃ সংশৃণুতে স কিম্প্ৰভুঃ।
সদানুকূলেষু হি কুৰ্বতে ৰতিং
নৃপেষ্ৱমাত্যেষু চ সৰ্বসম্পদঃ ।। ৫।।
নিসৰ্গদুৰ্বোধমবোধবিক্লবাঃ
ক্ক ভূপতীনাং চৰিতং ক্ক জন্তবঃ।
তবানুভাবোহয়মবেদি যন্ ময়া
নিগূঢ়তত্ত্বং নয়বৰ্ত্ম বিদ্বিষাম্।। ৬।।
বিশঙ্ক মানো ভবতঃ পৰাঙবং
নৃপাসনস্থোহপি বনাধিবাসিনঃ।



সুয়োধন = দুর্য্যোধন

দুৰোদৰচ্ছদ্মজিতাং সমীহতে
নয়েন জেতুং জগতীং **সুয়োধনঃ**।। ৭।।
তথাপি জিহ্মঃ স ভবজ্জিগীষয়া
তনোতি শুভ্রং গুণসম্পদা যশঃ।
সমুন্নয়ন্ ভূতিমনার্য্যসঙ্গমাদ্
বৰং বিৰোধোঽপি সমং মহাত্মভিঃ।। ৮।।
কৃতাৰিষড়্বর্গজয়েন মানবীম্
অগম্যৰূপাং পদীবং প্রপিৎসুনা।
বিভজ্য নক্তন্দিবমস্তমন্দ্রিণা
বিতন্যতে তেন নয়েন পৌৰুষম্।। ৯।।
সখীনিব প্রীতি যুজোৎনুজীবিনঃ
সমানমানান্ সুহৃদশ্চ বন্ধুভিঃ।
স সন্ততং দর্শয়তে গতস্ময়ঃ
কৃতাধিপত্যামিব সাধু বন্ধুতাম্।। ১০।।
অসক্তমাৰাধয়তো যথাযথং
বিভজ্য ভক্ত্যা সমপক্ষপাতয়া।
গুণানুৰাগাদিব সখ্যমীয়িবান্
ন বাধতেঽস্য ত্রিগণঃ পৰস্পৰম্।। ১১।।
নিৰত্যয়ং সাম ন দানবর্জিতং
ন ভূৰিদানং বিৰহয্য সৎক্রিয়াম্।
প্রবর্ততে তস্য বিশেষশালিনী
গুণানুৰোধেন বিনা ন সৎক্রিয়া।। ১২।।
বসূনি বাঞ্ছন্ ন বশী ন মন্যুনা
স্বধর্ম ইত্যেব নিবৃত্তকাৰণঃ।
গুৰূপদিষ্টেন ৰিপৌ সুতেঽপি বা
নিহন্তি দণ্ডেন স ধর্মবিপ্লবম্।। ১৩।।
বিধায় ৰক্ষাণ্ পৰিতঃ পৰেতৰান্
অশঙ্কিতাকাৰমুপৈতি শঙ্কিতঃ।
ক্রিয়াপবর্গেষবনুজীবিসাহকৃতাঃ
কৃতজ্ঞতামস্য বদন্তি সম্পদঃ।। ১৪।।
অনাৰতং তেন পদেষু লম্ভিতা
বিভজ্য সম্যগ্ বিনিয়োগ - সৎক্রিয়াঃ।
ফলন্ত্যপায়াঃ পৰিবৃংহিতায়তী

ৰূপেত্য সংঘর্ষমিবার্থসম্পদঃ।। ১৫।।
অনেক ৰাজন্য - ৰথাশ্বসঙ্কুলং
তদীয়মাস্থান - নিকেতনাজিৰম্।
নয়ত্যযুগ্মচ্ছদ্‌গন্ধিৰার্দ্রতাং
ভৃশং নৃপোপায়ন দন্তিনাং মদঃ।। ১৬।।
সুখেন লভ্যা দধতঃ কৃষীবলৈ
ৰকৃষ্টপচ্যা ইব শস্যসম্পদঃ।
বিতন্বতি ক্ষেমমদেবমাতৃকা -
শ্চিৰায় তস্মিন্ কুৰবশ্চকাসতি ।। ১৭।।
উদাৰকীর্তেৰুদয়ং দয়াবতঃ
প্রশান্তবাধং দিশতোহভিৰক্ষয়া।
স্বয়ং প্রদুগ্ধেহস্য গুণৈৰুপস্তুতা
বসূপ মানস্য বসূনি মেদিনী।। ১৮ ।।
মহৌজসো মানধনা ধনার্চিতা
ধনুর্ভৃতঃ সংযতি লব্ধকীর্তয়ঃ।
নসংহতাস্তস্য নভিন্নবৃত্তয়ঃ
প্রিয়াণি বাঞ্ছন্ত্যসুভিঃ সমীহিতুম্।। ১৯।।
মহীভৃতাং সচ্চৰিতৈশ্চৰৈঃ ক্রিয়াঃ
স বেদ নিঃশেষমশেষিতক্রিয়ঃ।
মহোদয়ৈস্তস্য হিতানুবন্ধিভিঃ
প্রতীয়তে ধাতুৰিবেহিতং ফলৈঃ।। ২০।।
ন তেন সজ্যং ৰূচিদুদ্যতং ধনুঃ
কৃতং ন বা কোপবিজৃম্ভমাননম্।
গুণানুৰাগেণ শিৰোভিৰুহ্যতে
নৰাধির্পৈমাল্যমিবাস্য শাসনম্।। ২১।।
স যৌবৰাজ্যে নবযৌবনোদ্ধতং
নিধায় দুঃশাসনমিদ্ধশাসনঃ।
মখেষ্ৱখিন্নোহনুমতঃ পুৰোধসা
ধিনোতি হব্যেন হিৰণ্যৰেতসম্।। ২২।।
প্রলীনভূপালমপি স্থিৰায়তি
প্রশাসদাবাৰিধি মণ্ডলং ভূবঃ।
স চিন্তয়ত্যেৰ ভিয়স্ত্বদেষ্যতী -
ৰহো দুৰন্তা বলবদ্ বিৰাধিতা।। ২৩।।



বসূপ = কুবেৰ

কথা প্রসঙ্গেন জনৈৰুদাহৃতা
দনুস্মৃতাখণ্ডলসুনুবিক্রমঃ।
তবাভিধানাদ্ ব্যথতে নতাননঃ
সুদুঃসহান্মন্ত্র পদাদিবোৰগঃ।। ২৪।।
তদাশু কর্তুং ত্বয়ি জিহ্মামুদ্যতে
বিধীয়তাং তত্র বিধেয়মুত্তৰম্।
পৰপ্রণীতানি বাচাংসি চিন্বতাং
প্রবৃত্তিসাৰাঃ খলু মাদৃশাং গিৰঃ।। ২৫।।

১৩.৩.১ শ্লোকসমূহৰ গদ্যপাঠ

ওপৰত উল্লেখ কৰা 'কিৰাতার্জুনীয়ম্'ৰ প্রথমসর্গৰ শ্লোকসমূহৰ গদ্যপাঠ এতিয়া আপুনি পঢ়িবলৈ পাব।

গদ্যপাঠ ১ ঃ কুৰ্ৱণাম্ অধিপস্য শ্রিয়ঃ পালনীম্ প্রজাসু বৃত্তিম্ বেদিতুম্ যম্ অযুংক্ত সঃ বর্ণিলিঙ্গী বনেচৰঃ বিদিতঃ (সন্) দ্বৈতবনে যুধিষ্ঠিৰং সমাযযৌ।

গদ্যপাঠ ২ ঃ কৃত প্রণামস্য সপত্নেন জিতাং মহীং মহীভুজে নিবেদয়িষ্যতঃ তস্য মনঃ ন বিব্যথে। হি হিতৈষিণঃ মৃষা প্রিয়ম্ বক্তুম্ ন ইচ্ছন্তি।

গদ্যপাঠ ৩ ঃ সঃ ৰহসি দ্বিষাম্ বিধাতায় বিধাতুম্ ইচ্ছতঃ ভূভৃতঃ অনুজ্ঞাম্ অধিগম্য সৌষ্ঠবৌদার্য্য বিশেষশালিনীং বিনিশ্চিতার্থাম্ ইতি আদদে।

গদ্যপাঠ ৪ ঃ নৃপ! ক্রিয়াসুযুক্তৈঃ অনুজীবিভিঃ চাৰচক্ষুষঃ ন বঞ্চনীয়াঃ। অতঃ সাধু অসাধু বা ক্ষন্তুম্ অর্হসি। হিতং মনোহাৰি চ বচঃ দুর্লভম্।

গদ্যপাঠ ৫ ঃ যঃ অধিপং সাধু ন শাস্তি স কিংসখা, যঃ হিতাৎ ন সংশৃনুতে সঃ কিম্প্রভুঃ। হি নৃপেষু অনুকূলেষু সর্বসম্পদঃ সদা ৰতিং কুর্বতে।

গদ্যপাঠ ৬ ঃ নিসর্গ দুর্বোধম্ ভূপতীনাং চৰিতম্ ক্ব? অবোধবিক্লবাঃ জন্তবঃ ক্ব? ময়া বিদ্বিষাম্ যৎ নিগূঢ়তত্ত্বং নয়বর্ত্ম অবেদি, অয়ং তব অনুভাবঃ।

গদ্যপাঠ ৭ ঃ সুয়োধনঃ নৃপাসনস্থঃ অপি বনাধিবাসিনঃ ভবতঃ পৰাভবং বিশঙ্কমানঃ দুৰোদৰ ছদ্মজিতাং জগতীং নয়েন জেতুং সমীহতে।

গদ্যপাঠ ৮ ঃ তথাপি সঃ জিহ্মাঃ ভবজ্জিগীষয়া গুণসম্পদা শুভ্রম্ যশঃ তনোতি। ভূতিং সমুন্নয়ন মহাত্মভিঃ সমং বিৰোধঃ অনার্যসঙ্গমাৎ ৰৰম্।

গদ্যপাঠ ৯ ঃ কৃতাৰিষড়্ৱর্গজয়েন অগম্যৰূপাং মানবীম্ পদবীম্ প্রপিৎসুনা অস্তন্দ্রিনা তেন পৌৰুষং নক্তন্দিবং বিভজ্য নয়েন বিতন্যতে।

গদ্যপাঠ ১০ ঃ গতস্ময়ঃ সঃ সন্ততং সাধু অনুজীবিনঃ প্রীতিযুজঃ সখীন্ ইব, সুহৃদঃ বন্ধুভিঃ সমানমানান্, বন্ধুতাম্ চ কৃতাধিপত্যাম্ ই'ব দর্শয়তে।

গদ্যপাঠ ১১ ঃ যথাযথং বিভজ্য সমপক্ষপাতয়া ভক্ত্যা অসক্তম্ আৰাধয়তঃ অস্য ত্রিগণঃ গুণানুৰাগাৎ সখাম্ ঈয়িবান্ ইব পৰস্পৰম্ ন বাধতে।

গদ্যপাঠ ১২ ঃ তস্য নিৰত্যয়ং সাম দানবর্জিতম্ ন প্রবর্ততে। ভূৰিদানং সৎক্রিয়াম্ বিৰহস্য ন (প্রবর্ততে)। বিশেষশালিনী সৎক্রিয়া গুণানুৰোধেন বিনা ন (প্রবর্ততে)।

গদ্যপাঠ ১৩ ঃ বশী স বসূনি বাঞ্ছন্ ন, মন্যুনা ন, কিন্তু নিবৃত্তকাৰণঃ স্বধর্ম ইত্যেব গুৰূপদিষ্টেন দণ্ডেন ৰিপৌ সুতে অপি বা ধর্মবিপ্লবম্ নিহন্তি।

গদ্যপাঠ ১৪ ঃ শঙ্কিতঃ পৰিতঃ পৰেতৰাণ্ ৰক্ষান্ বিধায় অশঙ্কিতাকাৰম্ উপৈতি ক্রিয়াপবর্গেষু অনুজীবিসাৎকৃতাঃ, সম্পদঃ অস্য কৃতজ্ঞতাম্ বদন্তি।

গদ্যপাঠ ১৫ ঃ তেন সম্যক বিভজ্য পদেষু বিনিয়োগ সৎক্রিয়াঃ লম্ভিতাঃ উপায়াঃ সংঘর্ষম্ উপেত্য ইব পৰিবৃংহিতায়তী অর্থসম্পদঃ অনাৰতং ফলন্তি।

গদ্যপাঠ ১৬ ঃ অযুগ্মচ্ছদগন্ধিঃ নৃপোপায়নদন্তিনাম্ মদঃ অনেকৰাজন্য ৰথাশ্বসংকুলং তদীয়ম্ আস্থাননিকেতনাজিৰং ভূশম্ আর্দ্রতাং নয়তি।

গদ্যপাঠ ১৭ ঃ তস্মিন্ চিৰায় ক্ষেমম্ বিতন্বতি অদেবমাতৃকাঃ কুৰবঃ অকৃষ্টপচ্যাঃ ইব কৃষীবলৈঃ সুখেন লভ্যাঃ শস্যসম্পদঃ দধতঃ চকাসতি।

গদ্যপাঠ ১৮ ঃ উদাৰকীর্তেঃ দয়াবতঃ প্রশান্তবাধম্ অভিৰক্ষয়া উদয়ং দিশতঃ বসূপমানস্য অস্য গুণৈঃ উপস্তুতা মেদিনী স্বয়ং বসূনি প্রদুগ্ধে।

গদ্যপাঠ ১৯ ঃ মহৌজসঃ মানধনা ধনার্চিতা সংযতি লব্ধকীর্তয়ঃ নসংহতঃ ন ভিন্নবৃত্তয়ঃ ধনুর্ভৃতঃ তস্য প্রিয়ানি অসুভিঃ সমীহিতুং বাঞ্ছন্তি।

গদ্যপাঠ ২০ ঃ অশেষিতক্রিয়ঃ সঃ সচ্চৰিতৈঃ চৰৈঃ মহীভৃতাং ক্রিয়াঃ নিঃশেষম্ বেদ। ধাতুঃ ইব তস্য ঈহিতং মহোদয়ৈঃ হিতানুবন্ধিভিঃ প্রতীয়তে।

গদ্যপাঠ ২১ ঃ তেন ৰূচিৎ সজ্যং ধনুঃ ন উদ্যতম্, আননম্ বা কোপবিজিম্মাম্ ন কৃতম্। গুণানুৰাগেণ নৰাধিপৈঃ অস্য শাসনম্ মাল্যম্ ইব শিৰোভিঃ উহ্যতে।

গদ্যপাঠ ২২ ঃ ইদ্ধশাসনঃ সঃ নবযৌবনোদ্ধতং দুঃশাসনম্ যৌবৰাজ্যে নিধায় পুৰোধসা অনুমতঃ অখিন্নঃ মখেষু হব্যেন হিৰণ্যৰেতসং ধিনোতি।

গদ্যপাঠ ২৩ ঃ প্রলীনভূপালম্ স্থিৰায়তি ভুবঃ মণ্ডলম্ আবাৰিধি প্রশাসৎ অপি স ত্বৎ এষ্যতীঃ ভিয়ঃ চিন্তয়তি এব। অহো বলবদ্ বিৰোধিতা দুৰন্তা।

গদ্যপাঠ ২৪ ঃ কথা প্রসঙ্গেন জনৈৰুদাহৃতাৎ তবাভিধানাৎ অনুস্মৃতাখণ্ডল সূনুবিক্রমঃ নতাননঃ সুদুঃসহাৎ মন্ত্রপদাৎ উৰগঃ ইব ব্যথতে।

গদ্যপাঠ ২৫ ঃ তৎ ত্বয়ি জিম্মাম্ উদ্যতে তত্র বিধেয়ম্ উত্তৰম্ আশু বিধীয়তাম্। পৰ প্রণীতানি বাচাংসি চিন্বতাং মাদৃশাং গিৰঃ প্রবৃত্তিসাৰাঃ খলু।

১৩.৩.২ সংস্কৃত শ্লোকসমূহৰ শব্দার্থ

ইতিমধ্যে আপুনি 'কিৰাতার্জুনীয়ম্'ৰ প্রথমসর্গৰ সংস্কৃত শ্লোকসমূহৰ লগতে গদ্যপাঠো পঢ়িলে। এতিয়া আপুনি শ্লোকসমূহত থকা সংস্কৃত শব্দসমূহৰ অসমীয়া অর্থ পঢ়িবলৈ পাব।

শ্লোক ১ ঃ কুৰ্ৱণাম্ (কুৰুদেশৰ) অধিপস্য (ৰজাৰ) শ্রিয়ঃ পালনীম্ (ৰাজ লক্ষ্মী প্রতিষ্ঠাৰ হেতুস্বৰূপ) প্রজাসু (প্রজাসকলৰ প্রতি) বৃত্তিম্ (ব্যৱহাৰ) বেদিতুম্ (জনাৰ বাবে) যম্ (যাক) অযুংক্ত (নিয়োগ কৰিছিল) সঃ (সেই) বর্ণিলিঙ্গী (ব্রহ্মচাৰীৰ বেশধাৰী) বনেচৰঃ বিদিতঃ (জানি) দ্বৈতবনে (দ্বৈত নামৰ বনত) যুধিষ্ঠিৰম্ (যুধিষ্ঠিৰৰ ওচৰত) সমাযযৌ (উপস্থিত হ'ল)।

শ্লোক ২ ঃ কৃত প্রণামস্য (প্রণাম কৰি) সপত্নেন (শত্রুৰ দ্বাৰা) জিতাং (জয় কৰিছে) মহীং (পৃথিৱী) মহীভুজে (ৰজাক) নিবেদয়িষ্যতঃ (জনোৱাৰ সময়ত) তস্য (তেওঁৰ) মনঃ (মন) ন (নহ'ল) বিব্যথ (দুঃখিত)। হি (যিহেতু) হিতৈষিণঃ (শুভাকাঙ্ক্ষীসকলে) মৃষা (মিছা) প্রিয়ম্ (প্রিয়বাক্য বা কথা) বক্তুম্ (ক'বলৈ) ন ইচ্ছন্তি (ইচ্ছা নকৰে)।



কিৰাত ঃ বনত বাস কৰা এক জাতিৰ মানুহ যি চিকাৰ কৰি জীৱিকা নির্বাহ কৰে।

শ্লোক ৩ঃ সঃ (তেওঁ অর্থাৎ **কিৰাতে**) ৰহসি (অকলশৰে) দ্বিষাম্ (শত্রুসকলক) বিঘাতায় (বিনাশৰ বাবে) বিধাতুম্ (উপায় ল'ৰৰ বাবে) ইচ্ছতঃ (ইচ্ছুক) ভূ ভৃতঃ (ৰজাৰ) অনুজ্ঞাম অধিগম্য (অনুমতি লৈ) সৌষ্ঠবৌদার্য্য (সুন্দৰ সুন্দৰ শব্দযুক্ত) বিশেষ শালিনীম্ (বিশেষ অর্থযুক্ত) বিনিশ্চিতার্থাম্ (সন্দেহহীন) বাচম্ (কথাবোৰ) আদদে (ক'লে)।

শ্লোক ৪ ঃ নৃপ (হে মহাৰাজ) ক্রিয়াসু (কামত) যুক্তৈঃ (নিয়োজিত) অনুজীবিভিঃ (অনুচৰসকল) চাৰচক্ষুষঃ (চাৰি চকুৰ) প্রভবঃ (গৰাকীসকলক) ন বাঞ্চনীয়াঃ (প্রতাৰণা কৰা উচিত নহয়।) অতঃ (গতিকে) সাধু (প্রিয়) অসাধু বা (বা অপ্রিয়ই হওঁক) ক্ষন্তুম্ (ক্ষমা) অর্হসি (কৰিব)। হিতং (হিতকৰ) মনোহাৰি (মনোহৰ) বচঃ (বাক্য) দুর্লভম্ (দুর্লভ)।

শ্লোক ৫ ঃ যঃ (যিজনে) অধিপং (ৰজাক) সাধু (সৎ) ন শাস্তি (উপদেশ নিদিয়ে) সঃ (তেওঁ) কিংসখা (কুৎসিত সখা) যঃ (যিজনে) হিতাৎ (শুভাকাঙ্খীৰ পৰা) ন সংশৃনুতে (কথা নুশুনে) সঃ (তেওঁ) কিম্প্রভুঃ (কুৎসিত গৰাকী)। হি (যিহেতু) নৃপেষু (ৰজা) অমাত্যেষু চ (আৰু মন্ত্রী) সদা (সদায়) অনুকূলেষু (একমত হ'লে) সর্বসম্পদঃ (সকলো প্রকাৰৰ সম্পদে) ৰতিং (অনুৰাগ) কুর্বতে (প্রকাশ কৰে)।

শ্লোক ৬ ঃ নিসর্গদুর্বোধম্ (সাধাৰণতে বুজিব নোৱাৰা) ভূপতীনাং (ৰজাসকলৰ) চৰিতং (চৰিত্র) ক্ব (ক'ত) অবোধবিক্লবাঃ (অজ্ঞানতাৰে ভৰা) জন্তবঃ (প্রাণীবোৰ) ক্ব (ক'ত) ময়া (মই) বিদ্বিষাম্ (শত্রুসকলৰ) নিগূঢ়তত্ত্বং

(গোপনতত্ত্ব) নয়বর্ত্ম (নীতিৰ প্রয়োগ বিধি) অবেদি (জানিছো) অয়ং (এইটো) তব (আপোনাৰ) অনুভাবঃ (মহিমা)।

শ্লোক ৭ ঃ সুয়োধনঃ (দুর্য্যোধন) নৃপাসনস্থ অপি (ৰাজসিংহাসনত বহি থাকিলেও) বনাধিবাসিনঃ (বনত বাস কৰা) ভবতঃ (আপোনাৰ) পৰাভবং (পৰাজয়ৰ) বিশঙ্কমানঃ (আশঙ্কা কৰি) দুৰোদৰ - ছদ্মজিতাং (কপট পাশাখেলৰ দ্বাৰা জয় কৰা) জগতীং (জগতখনক) নয়েন (নীতিৰ দ্বাৰা) জেতুং (জয় কৰিবলৈ) সমীহতে (চেষ্টা কৰিছে)।

শ্লোক ৮ ঃ তথাপি (তথাপি) সঃ (তেওঁ) জিহ্মঃ (কুটিল) ভবজ্জিগীষয়া (আপোনাক জয় কৰাৰ ইচ্ছাত) গুণসম্পদা (গুণগৰিমাৰ দ্বাৰা) শুভ্রং (নির্মল) যশঃ (খ্যাতি) তনোতি (বিস্তাৰ কৰিছে)। ভূতিম্ সমুন্নয়ন্ (শুভাকাঙ্খী) মহাত্মভিঃ (মহাত্মাসকলৰ) সমম্ (লগত) বিৰোধঃ (শত্রুতা) অনার্য্য (দুষ্টলোকৰ) সঙ্গমাৎ (সঙ্গতকৈ) বৰম্ (ভাল)।

শ্লোক ৯ ঃ কৃতাৰিষড়্বর্গজয়েন (ষড়ৰিপুক জয় কৰি) অগম্যৰূপং (অত্যন্ত দুর্লভ) মানৱীম্ (মনুৰ দ্বাৰা নির্দেশিত) পদবীম্ (পদ্ধতি) প্রপিৎসুনা (পাবলৈ ইচ্ছা কৰা) অস্তন্দ্রিনা (নিৰলসভাৱে) তেন (তেওঁৰ দ্বাৰা) পৌৰুষং (প্রতাপক) নক্তন্দিবং (ৰাতি আৰু দিনক) বিভজ্য (ভাগ কৰি) নয়েন (নীতিৰ দ্বাৰা) বিতন্যতে (প্রয়োগ কৰিছে)।

শ্লোক ১০ ঃ গতস্ময়ঃ (অহঙ্কাৰহীন) সঃ (তেওঁ) সন্ততম্ (সদায়) সাধু (ভাল) অনুজীবিনঃ (অনুচৰসকলক) প্রীতিযুজঃ (প্রিয়) সখীন ইব (মিত্রৰ দৰে) সুহৃদঃ (মিত্রসকলক) বন্ধুভিঃ (আত্মীয়ৰ) সমানমানান (সমান সন্মান) বন্ধুতাম্ (আত্মীয়সকলক) চ (আৰু) কৃতাধিপত্যাম্ ইব (ৰজাৰ দৰে) দর্শয়তে (দেখে)।

শ্লোক ১১ ঃ যথাযথম্ (যথাযথভাৱে) বিভজ্য (বিবেচনা কৰি) সমপক্ষপাতয়া (পক্ষপাত শূণ্য হৈ) ভক্ত্যা (শ্রদ্ধা বা ভক্তি সহকাৰে) অসক্তম্ (অনাসক্তভাৱে) আৰাধয়তঃ (আৰাধনা কৰি) অস্য (দুর্য্যোধনৰ) ত্রিগণঃ (ত্রিবর্গ অর্থাৎ ধর্ম, অর্থ, কাম) গুণানুৰাগাৎ (গুণৰ প্রতি অনুৰাগবশতঃ) সখ্যম্ (বন্ধুত্ব) ইব (যেন) ঈয়িবান্ (প্রাপ্ত হৈ) পৰস্পৰম্ (এজনে আনজনক) ন বাধতে (বাধা নিদিয়ে)।

শ্লোক ১২ ঃ তস্য (সেই দুর্য্যোধনৰ) নিৰত্যয়ম্ (অমায়িক) সাম (সামনীতি - মধুৰ বচন) দানবর্জিতং (দানৰহিত) ন প্রবর্ততে (প্রদর্শিত নহয়)। ভূৰি (প্রচুৰ) দানম্ (দান) সৎক্রিয়াম্ (সমাদৰ) বিৰহয্য ন (ৰহিত নহয়)। বিশেষশালিনী (অতিশয়) সৎক্রিয়া (সমাদৰ) গুণানুৰোধেন (গুণ অনুসাৰে) বিনা (ৰহিত) ন প্রবর্ততে (প্রদর্শিত নহয়)।

শ্লোক ১৩ ঃ বশী (জিতেন্দ্রিয়) বসূনি (ধনসমূহ) বাঞ্ছন ন (ইচ্ছা নকৰে) মন্যুনা ন (ক্রোধবশতঃ নহয়) নিবৃত্তকাৰণং (লোভ আদিৰ পৰা আঁতৰি থাকিবৰ বাবে) স্বধর্মঃ (নিজৰ ধর্ম) ইত্যেব (এয়ে) গুৰুপদিষ্টেন (গুৰুৰ দ্বাৰা প্রদর্শিত) দণ্ডেন (শাসনৰ দ্বাৰা) ৰিপৌ (শত্রুৰ ওপৰত) সুতে অপি বা (অথবা পুত্রৰ ওপৰত) ধর্মবিপ্লবম্ (অধর্মক) নিহন্তি (নাশ বা দমন কৰে)।

শ্লোক ১৪ ঃ শঙ্কিতঃ (ভীত হয়) পৰিতঃ (চাৰিওদিশে) পৰেতৰান্ (আত্মীয়সকলক) ৰক্ষান্ (ৰক্ষক) বিধায় (নিয়োগ কৰি) অশঙ্কিতাকাৰম্ (নির্ভীকৰ দৰে) উপৈতি (হৈ থাকে)। ক্রিয়াপবর্গেষু (কার্য্য শেষ হ'লে) অনুজীবিসাৎকৃত্য (ভৃত্য বা অনুচৰসকলক দিয়া) সম্পদঃ (সম্পদসমূহ) অস্য (তেওঁৰ) কৃতজ্ঞাম্ (কৃতজ্ঞতা) বদন্তি (প্রকাশ কৰে)।

শ্লোক ১৫ ঃ তেন (তেওঁৰ দ্বাৰা) সম্যক্ (যথাযথভাৱে) বিভজ্য (বিবেচনা কৰি) পদেষু (কামবোৰ) বিনিয়োগ (প্রয়োগ) সৎক্রিয়া (সমাদৰ) লম্ভিতাঃ (কৰে বুলি) উপায়াঃ (নীতিবোৰ) সংঘর্ষম্ (প্রতিদ্বন্দ্বিতা) উপেত্য হ'ব (কৰি যেন) পৰিবৃংহিতায়তীঃ (পিছৰ সময়ত) অর্থসম্পদঃ (বহু অর্থ-সম্পদ) অনাৱতম্ (সদায়) ফলন্তি (দান কৰে বা উৎপাদন কৰে)

শ্লোক ১৬ ঃ অযুগ্মচ্ছদগন্ধিঃ (সপ্তপূর্ণ ফুলৰ সুবাস থকা) নৃপোপায়নদন্তিনাং (ৰজাসকলে উপহাৰ ৰূপে দিয়া) মদঃ (মদবাৰি) অনেকৰাজন্য (বহু ৰজাৰ) ৰথাশ্ব (ৰথ আৰু অশ্বৰে) সঙ্কুলম্ (পৰিপূর্ণ) তদীয়ম্ (তেওঁৰ) আস্থান নিকেতনাজিৰম্ (সভাঘৰৰ চোতাল) ভৃশম্ (অত্যন্ত) আর্দ্রতাম্ (সেমেকা) নয়তি (হৈ থাকে)।

শ্লোক ১৭ ঃ চিৰায় (বহুদিন) তস্মিন্ (তেওঁ) ক্ষেমম্ বিতন্বতি (মঙ্গল বিধান কৰি থাকিলে) অদেবমাতৃকাঃ (নদীযুক্ত) কুৰবঃ (কুৰুদেশ) অকৃষ্টপচ্যাইব (অকৃষ্ট অর্থাৎ কষ্ট অ বিহনেই উৎপন্ন হোৱাৰ দৰে) কৃষীবলৈঃ (খেতিয়কসকলৰ দ্বাৰা) সুখেন (অনায়াসে) লভ্যাঃ (পোৱা) শস্যসম্পদঃ (শস্যসম্পদ) দধতঃ (ধাৰণ কৰে)।

শ্লোক ১৮ ঃ উদাৰকীর্তেঃ (মহাযশস্বী) দয়াবতঃ (দয়ালু) প্রশান্তবাধম্ (বাধাহীন) অভিৰক্ষয়া (সুৰক্ষাৰদ্বাৰা) উদয়ম্ দিশতঃ (বৃদ্ধিৰ বাবে তৎপৰ) অস্য (দুর্য্যোধনৰ) বসূপমানস্য (কুবেৰৰ দৰে) গুণৈঃ (গুণৰ দ্বাৰা) উপস্তুতা (দ্রবীভূতা) মেদিনী (পৃথিৰী) স্বয়ং (নিজে) বসূনি (ধনসমূহ) প্রদুগ্ধে (প্রসৰ বা দান কৰিছে)।

শ্লোক ১৯ ঃ মহৌজসঃ (মহাবলবান) মানধনা (আত্মমর্য্যাসম্পন্ন) ধনার্চিতাঃ (অর্থৰদ্বাৰা সন্মানিত) সংযতি (যুদ্ধত) লব্ধকীর্তয়ঃ (কীর্তিশালী) ন সংহতাঃ (দলবদ্ধ নহয়) নভিন্নবৃত্তয়ঃ (কিন্তু পৰস্পৰে বিৰুদ্ধ আচৰণ নকৰে) ধনুর্ভৃতঃ

(ধনুধাৰীসকলে) অসুভিঃ (প্ৰাণৰ দ্বাৰা) তস্য (তেওঁৰ) প্ৰিয়ানি (প্ৰিয়কাৰ্য্যসমূহ) সমীহিতুম্ (সম্পাদন কৰিবলৈ) বাঞ্ছন্তি (ইচ্ছা কৰে)।

শ্লোক ২০ ঃ অশেষিতক্ৰিয়ঃ (ফল লাভ নোহোৱালৈকে কৰ্মৰত) স (তেঁও) সচ্চৰিতৈঃ (সৎ চৰিত্ৰৰ) চৰৈঃ (গুপ্তচৰৰ দ্বাৰা) মহীভৃতাম্ (অন্যান্য ৰজাসকলৰ) ক্ৰিয়াঃ (কাৰ্য্যকলাপ) নিঃশেষম্ (সম্পূৰ্ণৰূপে) বেদ (জানি থাকে)। ধাতুঃ (বিধাতাৰ) ইব (দৰে) তস্য (তেওঁৰ) ঈহিতম্ (উদ্দেশ্য) মহোদয়ৈঃ (উন্নতি বিধায়ক) হিতানুবন্ধিভিঃ (পৰিণামত শুভ) ফলৈঃ (ফলবোৰৰ দ্বাৰা) প্ৰতীয়তে (জনা যায়)।

শ্লোক ২১ ঃ তেন (তেওঁ) ক্বচিৎ (কেতিয়াওঁ) সজ্যং ধনুঃ (গুণযুক্তধনু) ন (নকৰে) উদ্যতম্ (উত্তোলন), আননম্ বা (অথবা মুখ) কোপবিজিহ্মম্ (খঙত বিকৃত) ন কৃতম্ (নকৰে)। গুণানুৰাগেন (গুণৰ প্ৰতি অনুৰাগ বশতঃ) নৰাধিপৈঃ (অন্য ৰজাসকলে) অস্য (তেওঁৰ) শাসনম্ (আদেশ) মাল্যম্ ইব (মালাৰ দৰে) শিৰোভিঃ (শিৰত) উহ্যতে (বহন কৰে)।

শ্লোক ২২ ঃ ইদ্ধশাসনঃ (বাধাহীন শাসন) স (তেওঁ) নবযৌবনোদ্ধতম্ (নবযৌৱনেৰে গৰ্বিত) দুঃশাসনম্ (দুঃশাসনক) যৌবৰাজ্যে (যুবৰাজ্যৰ পদত) নিধায় (নিয়োগ কৰি) পুৰোধসা (পুৰোহিতৰ দ্বাৰা) অনুমতঃ (অনুমতি পাই) অখিন্নঃ (অবিৰতভাৱে) মখেষু (যজ্ঞত) হব্যেন (আহুতিৰ দ্বাৰা) হিৰণ্যৰেতসম্ (অগ্নিক) ধিনোতি (সন্তুষ্ট কৰিছে)।

শ্লোক ২৩ ঃ প্ৰলীন ভূপালম্ (প্ৰতিপক্ষত ৰজাহীন) স্থিৰায়তি (দীৰ্ঘস্থায়ী) ভুবঃ মণ্ডলম্ (ভূমণ্ডলক বা পৃথিৱীক) আবাৰিধি (সাগৰ পৰ্য্যন্ত) প্ৰশাসং অপি (শাসন কৰি থাকিলেও) সঃ (তেওঁ) ত্বৎ (আপোনাৰ) এয্যতীঃ (ওচৰৰ পৰা আহিব পৰা) ভিয়ঃ (বিপদ) চিন্তয়তি (চিন্তা কৰে)। অহো (হায়) বলবৎ (বলবানৰ লগত) বিৰোধিতা (বিৰোধিতা) দুৰন্তা (পৰিণামত ভয়ঙ্কৰ)।

শ্লোক ২৪ ঃ কথাপ্ৰসঙ্গেন (কথা প্ৰসঙ্গত) জনৈঃ (মানুহে) উদাহৃতাৎ তব অভিধানাৎ (আপোনাৰ নাম উচ্চাৰণ কৰিলে) অনুস্মৃত (স্মৰণ কৰে) আখণ্ডলসূনুঃ (ইন্দ্ৰপুত্ৰ অৰ্জুনৰ) বিক্ৰমঃ (পৰাক্ৰম)। অথবা কথাপ্ৰসঙ্গেন জানৈ ঃ (বেজ বা বিষ বৈদ্যসকলৰ দ্বাৰা) উদাহৃতাৎ (উচ্চাৰিত) তবাভিধানাৎ (**তাৰ্ক্ষ্যৰ** 'ত' আৰু বাসুকিৰ 'ব') অনুস্মৃত (স্মৰণ কৰি) **আখণ্ডল**সুনু (বিষ্ণুৰ বাহন পক্ষী গৰুড়ৰ) বিক্ৰমঃ (পৰাক্ৰম) নতাননঃ (মুখ তললৈ কৰে) সঃ (তেওঁ) সুদুঃসহাৎ (অত্যন্ত অসহনীয়) মন্ত্ৰপদাৎ (মন্ত্ৰবোৰ) উৰগ (সাপৰ) ইব (দৰে) ব্যথতে (দুখ পায়)।



তাৰ্ক্ষ্য = গৰুড়
আখণ্ডল = বিষ্ণু বা ইন্দ্ৰ

শ্লোক ২৫ ঃ তৎ (সেই কাৰণে) ত্বয়ি (তোমাৰ প্ৰতি) জিহ্মম্ (কপট আচৰণ) কৰ্তুম্ (কৰিবলৈ) উদ্যতে (সাজু হ'লে) তত্ৰ (সেই ক্ষেত্ৰত) বিধেয়ম্ (যথাযোগ্য)

উত্তৰম্ (প্রতিবিধান) বিধেয়ম্ (ব্যৱস্থা কৰক) পৰ প্রণীতানি (আনৰ দ্বাৰা কোৱা) বাচাংসি (কথাবোৰ) চিন্বতাঁ (সংগ্রহকাৰী) মাদৃশাম্ (মোৰ দৰে) গিৰম্ (কথাবোৰেই) প্রবৃত্তি সাৰাঃ (সংবাদেই সাৰ)।



জানি থোৱা ভাল

দ্বৈতবনঃ জলাশয়েৰে পৰিবেষ্টিত এখন অৰণ্য বা বন। মহাভাৰতত উল্লেখ আছে—

সমাপ্যেন্মতং পার্থ ত্বয়া যৎসমুদাহৃতম্।
গচ্ছামঃ পুণ্যবিখ্যাতং মহদ্ দ্বৈতবনং সৰঃ।।

(মহাভাৰত; শল্যপর্ব)

অর্থাৎ এই বনত শোক আৰু মোহ —এই দুয়োটা নাই। সেইবাবে এই বনৰ নাম দ্বৈতবন।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ 'কিৰাতার্জুনীয়ম্' কাব্যৰ ৰচক কোন?

.....

প্রশ্ন নং ২ ঃ 'বনেচৰ' শব্দৰ অর্থ কি?

.....

প্রশ্ন নং ৩ ঃ কিৰাত বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং ৪ ঃ দুর্য্যোধনৰ আন এটা নাম কি?

.....

প্রশ্ন নং ৫ ঃ দ্বৈতবনক কিয় 'দ্বৈতবন' বোলা হয়?

.....

.....

১৩.৩.৩ সংস্কৃত শ্লোকসমূহৰ অয়মীয়া অনুবাদ

ওপৰত উল্লেখ কৰা সংস্কৃত শ্লোকসমূহৰ অসমীয়া অনুবাদ যথাক্রমে তলত দিয়া হ'ল।

১) কুৰুদেশৰ অধিপতিৰ (দুর্য্যোধনৰ) ৰাজলক্ষ্মী প্রতিষ্ঠাৰ কাৰণস্বৰূপ প্রজাসকলৰ প্রতি (তেওঁৰ) ব্যৱহাৰ জানিবৰ বাবে (যুধিষ্ঠিৰে) যাক নিয়োগ কৰিছিল, সেই ব্রহ্মচাৰী বেশধাৰী কিৰাত (সমস্ত বৃত্যন্ত) জানি দ্বৈতবনত থকা যুধিষ্ঠিৰৰ ওচৰত উপস্থিত হ'ল।

২) প্ৰণাম কৰি "শত্ৰুৰ দ্বাৰা পৃথিৱী বিজিত হৈছে" —এইকথা (যুধিষ্ঠিৰক) ৰজাক নিবেদন কৰাৰ সময়ত তেওঁৰ (কিৰাতৰ)মন দুঃখিত নহ'ল। কাৰণ শুভাকাঙ্খীসকলে মিছা প্ৰিয়বাক্য ক'বলৈ ইচ্ছা নকৰে।

৩) সেই কিৰাতে অকলশৰে শত্ৰুনাশৰ বাবে উপায় ল'বলৈ ইচ্ছুক ৰজাৰ (যুধিষ্ঠিৰৰ) অনুমতি লৈ সুন্দৰ শব্দযুক্ত অৰ্থবিশিষ্ট আৰু সন্দেহহীন (পৰৱৰ্তী) কথাবোৰ ক'বলৈ ধৰিলে।

৪) হে মহাৰাজ! কামত নিয়োজিত অনুচৰসকলে গুপ্তচৰবিলাকেই যাৰ নয়ন তেনেকুৱা গৰাকীক প্ৰতাৰণা কৰা উচিত নহয়। গতিকে (মোৰ কথা) প্ৰিয়ই হওঁক বা অপ্ৰিয়ই হওঁক— সেয়া আপুনি ক্ষমা কৰিব। কাৰণ হিতকৰ অথচ ভাল লগা মনোহৰ বাক্য দুৰ্লভ।

৫) যিজনে গৰাকীক সত্য উপদেশ নিদিয়ে তেওঁ কুৎসিৎ সখা; যি গৰাকীয়ে সত্য উপদেশ নুশুনে, তেওঁ কুৎসিৎ গৰাকী। ৰজা আৰু মন্ত্ৰী পৰস্পৰে পৰস্পৰৰ প্ৰতি অনুৰক্ত হ'লেহে সকলো সম্পদো তেওঁলোকৰ প্ৰতি অনুৰক্ত হয়।

৬) সাধাৰণতে বুজিব নোৱাৰা ৰজাসকলৰ চৰিত্ৰই বা ক'ত আৰু অজ্ঞানতাৰে ভৰা (মোৰ দৰে) জীৱাই বা ক'ত? মই যে শত্ৰুসকলৰ গোপন ৰাজনীতি প্ৰয়োগৰ বিষয়ে জানিছোঁ, সেয়া আপোনাৰেই মহিমা।

৭) দুৰ্য্যোধন ৰাজসিংহাসনত বহি থাকিলেও বনত বাস কৰা আপোনাৰ (যুধিষ্ঠিৰৰ পৰা) ওচৰত পৰাজয়ৰ আশঙ্কা কৰে। কপট পাশাখেলৰ দ্বাৰা জয় কৰা জগতখনক (তেওঁ) নীতি প্ৰয়োগৰ দ্বাৰা জয় কৰিবলৈ চেষ্টা কৰিছে।

৮) তথাপি সেই কুটিল (দুৰ্য্যোধনে) আপোনাক জয় কৰিবলৈ ইচ্ছুক হৈ (নিজৰ) গুণ-গৰিমাৰে নিৰ্মল যশ-খ্যাতি বিস্তাৰ কৰিছে। গতিকে শুভাকাঙ্খী মহৎলোকৰ লগত বিৰোধ, দুষ্টলোকৰ সঙ্গতকৈ ভাল।

৯) (কাম-ক্ৰোধ আদি) **ষড়ৰিপুক** জয় কৰি তেওঁ (দুৰ্য্যোধনে) মনুৰ দ্বাৰা নিৰ্দেশিত অত্যন্ত দুৰ্লভ প্ৰজাপালন পদ্ধতি অৱলম্বন কৰিবলৈ ইচ্ছা কৰিছে। সেয়েহে তেওঁ নিজৰ প্ৰতাপক (শক্তিক) দিন আৰু ৰাতিত ভাগ কৰি নীতিৰে প্ৰয়োগ কৰিছে। (অৰ্থাৎ দিনত কি কাৰ্য্য কৰিব আৰু ৰাতি কি কাৰ্য্য কৰিব তাক দুৰ্য্যোধনে ভাগ কৰি লৈছে।)

ষড়ৰিপু ঃ কাম, ক্ৰোধ, লোভ, মোহ, মদ, মান।

১০) নিৰহঙ্কাৰী সেই দুৰ্য্যোধনে সদায় অনুচৰসকলক ভালকৈ প্ৰিয় বন্ধুৰ দৰে, বন্ধুসকলক আপোনজনৰ দৰে সন্মান সহকাৰে আৰু আপোনজনক ৰজাৰ দৰে ব্যৱহাৰ কৰে।

১১) দুৰ্য্যোধনে যথাযথভাৱে বিবেচনা কৰি পক্ষপাতশূন্যভাৱে আসক্তিহীন হৈ সেৱা কৰিছে। ফলত তেওঁৰ **ত্ৰিবৰ্গ** তেওঁৰ গুণৰ প্ৰতি অনুৰাগী হৈ যে ন বন্ধুত্ব প্ৰাপ্ত হৈ পৰস্পৰে পৰস্পৰক বাধা দিয়া নাই ।

ত্ৰিবৰ্গ ঃ ধৰ্ম, অৰ্থ, কাম।

১২) তেওঁৰ (দুৰ্য্যোধনৰ) অমায়িক সামনীতি দানশূন্য নহয়, প্ৰচুৰ দান আদৰশূন্য নহয় আৰু তেওঁৰ অতিশয় সমাদৰ গুণহীনজনৰ প্ৰতি প্ৰদৰ্শিত নহয়।



জিতেন্দ্রিয় ঃ যিজনে পঞ্চ ইন্দ্রিয়ক অর্থাৎ কাম, ক্রোধ, লোভ, মোহ, মদ, মাৎসর্য্য-ক বর্জন কৰিব পাৰে তেৱেঁ জিতেন্দ্রিয়।

১৩) **জিতেন্দ্রিয়** সেই দুর্য্যোধনে অর্থলাভৰ ইচ্ছাত বা ক্রোধ বশতঃ বা লোভৰ বশৱর্তী হৈ দণ্ডনীতিৰ প্রয়োগ নকৰে। নিজৰ ধর্ম জ্ঞান কৰি শত্রুৰ ওপৰতে হওঁক বা পুত্রৰ ওপৰতে হওঁক, গুৰুৱে নির্দ্ধাৰণ কৰি দিয়া দণ্ডনীতিৰ দ্বাৰাহে অধর্মক দমন কৰে।

১৪) তেওঁ চাৰিওদিশে আত্মীয়সকলক ৰখীয়াৰূপে নিয়োগ কৰি ভীত হৈয়ো ভয়হীনৰ দৰে ব্যৱহাৰ কৰি থাকে। কার্য্য সমাপ্তিৰ পাছত অনুচৰসকলক প্রদান কৰা সম্পদসমূহেই তেওঁৰ কৃতজ্ঞতা প্রকাশ কৰে।

১৫) দুর্য্যোধনে উপায়সমূহক যথাযথভাৱে বিবেচনা কৰি বিষয়সমূহত প্রয়োগ কৰি সমাদৰ কৰে। সেইবাবেই যেন (উপায়সমূহে) পৰস্পৰে পৰস্পৰৰ লগত প্রতিদ্বন্দ্বিতা কৰিয়েই যেন পাছত সদায় প্রচুৰ অর্থ সম্পদ প্রসৰ কৰে।
(অর্থাৎ দুর্য্যোধনে সকলো সমস্যাৰ সমাধানৰ উপায় জানে। সেইবাবে পিছৰ সময়ত তাৰ ভাল ফলবোৰ লাভ কৰে।)



সপ্তপর্ণফুল ঃ ছতিয়না ফুল
মদজল ঃ মতলীয়া হাতীৰ শৰীৰৰ পৰা ওলোৱা এবিধ ৰস।

১৬) বহু ৰজাৰ ৰথ আৰু অশ্বৰে পৰিপূর্ণ তেওঁৰ (দুর্য্যোধনৰ) সভাগৃহৰ চোতাল ৰজাসকলে উপহাৰ ৰূপে দিয়া হাতীবোৰৰ **সপ্তপর্ণফুল**ৰ সুবাসবিশিষ্ট **মদজালে**ৰে তিতি থাকে।

১৭) তেওঁ (দুর্য্যোধনে) বহুদিন ধৰি মঙ্গলজনক কার্য্য কৰাৰ বাবে নদীৰে পৰিপূর্ণ কুৰুদেশৰ কৃষকসকলে যেন হাল নোবোৱা ভূমিতেই সহজে উৎপন্ন শস্যসম্পদ লাভ কৰিছে।

১৮) মহাযশস্বী, দয়ালু, সকলো বাধাক নেওঁচি সুৰক্ষাৰে বৃদ্ধি কৰিবলৈ তৎপৰ; কুবেৰ সদৃশ এই দুর্য্যোধনৰ গুণৰাশিৰ দ্বাৰা দ্রবীভূত হৈ পৃথিৱীয়ে যেন নিজেই ধন-ৰত্ন আদি প্রসৰ কৰিছে। (অর্থাৎ পৃথিৱী দুর্য্যোধনৰ গুণসমূহ দেখি অতি সন্তুষ্ট হৈছে। গতিকে পৃথিৱী নিজে নিজেই ধন-সম্পদেৰে ভৰি পৰিছে।)

১৯) মহাশক্তিশালী, আত্মমর্য্যাদাসম্পন্ন, অর্থৰ দ্বাৰা সন্মানিত, যুদ্ধত কীর্তিলব্ধ, (দুর্য্যোধনৰ) ধনুর্ধাৰী সৈনিকসকলে পৰস্পৰ দলবদ্ধও নহয় আৰু পৰস্পৰে প্রতিকুল আচৰণো নকৰে কিন্তু প্রাণৰ বিনিময়তে (ৰজাৰ) প্রিয়কার্য্যসমূহ কৰিবলৈ ইচ্ছা কৰে।

২০) ফল লাভ নোহোৱালৈকে কার্য্য কৰা তেওঁ (দুর্য্যোধনে) শুদ্ধ চৰিত্রৰ গুপ্তচৰৰ দ্বাৰা আন ৰজাসকলৰ কাম-কাজসমূহ সম্পূর্ণৰূপে জানি থাকে। তেওঁৰ উদ্দেশ্য বিধাতাৰ কামৰ দৰেই যে উন্নতিকামী তাক শুভ ফলাফলৰ পৰাই জনা যায়।

২১) তেওঁ (দুর্য্যোধনক) কেতিয়াও গুণযুক্ত ধনু উত্তোলন কৰিবলগীয়া নহয় অথবা খণ্ডতে মুখ বিকৃতও কৰিবলগীয়া নহয়। তেওঁৰ গুণৰ প্রতি অনুৰাগী হৈ ৰজাসকলে তেওঁৰ আদেশক ফুলৰ মালাৰ দৰে শিৰত বহন কৰে।

২২) অপ্রতিহত দুর্য্যোধনে নবযৌৱনেৰে গর্বিত দুঃশাসনক যুৱৰাজৰ পদত নিয়োজিত কৰিছে। (তেওঁ) পুৰুহিতসকলে কোৱা মতে অবিৰত ভাৱে আহুতি প্রদানৰ দ্বাৰা অগ্নিক সন্তুষ্ট কৰিছে।

২৩) প্রতিপক্ষ (বা শত্রুপক্ষত) ৰজাহীন তেওঁ (দুর্য্যোধনে) দীর্ঘস্থায়ী, সাগৰৰলৈকে বিস্তৃত ভূখণ্ডক শাসন কৰিলেও কিন্তু আপোনাৰ পৰা বিপদ আহিব পাৰে বুলি চিন্তা কৰি থাকে। হায়! বলবানৰ লগত বিৰোধিতাৰ পৰিণাম ভয়ঙ্কৰ।

২৪) কথা প্রসঙ্গত মানুহে আপোনাৰ নাম উচ্চাৰণ কৰিলেও তেওঁ (দুর্য্যোধনে) ইন্দ্রপুত্র অর্জুনৰ পৰাক্রমৰ কথা মনত পেলাই তললৈ মুখ কৰি যন্ত্রণা ভোগ কৰে। যিদৰে বেজ-জ্ঞানীসকলে মন্ত্র উচ্চাৰণ কৰিলে গৰুড়ক মনত পেলাই সাপবোৰে যন্ত্রণা ভোগ কৰে।

২৫) সেইবাবেই আপোনাৰ প্রতি কপট আচৰণ কৰিবলৈ বিচৰা দুর্য্যোধনৰ বিৰুদ্ধে শীঘ্রে যথাযোগ্য প্রতিবিধানৰ ব্যৱস্থা কৰক। আমি আনৰ কোৱা কথাবোৰ সংগ্রহ কৰো। আমাৰ কথাই একমাত্র সাৰবার্তা বা সংবাদ।

১৩.৪ ব্যাকৰণগত টোকা

ওপৰত উল্লেখ কৰা পাঠটোৰ সংস্কৃত শব্দ কিছুমানৰ সমাস ভাঙিলে এনেদৰে পোৱা যায়—

১) বনেচৰঃ = বনে চৰতি ইতি বনেচৰঃ (উপপদ তৎপুৰুষ)

২) চাৰচক্ষুষঃ = চৰন্তীতি চৰাঃ। চৰাঃ চক্ষুংষি যেষাং তে-চাৰচক্ষুষঃ (বহুব্রীহি)

৩) কিংসখা = কুৎসিতঃ সখা (নিত্য সমাস)

৪) বনাধিবাসিনঃ = বনম্ অধিবসতি যঃ (উপপদ তৎপুৰুষ) তস্মাৎ।

৫) কৃতজ্ঞতাম্ = কৃতং জানাতি ইতি কৃতজ্ঞঃ (উপপদ তৎপুৰুষ)। তস্য ভাবঃ কৃতজ্ঞতা।

৬) অর্থসম্পদঃ = অর্থানাং সম্পদঃ (ষষ্ঠী তৎপুৰুষ)।

৭) উদাৰকীর্ত্তেঃ = উদাৰা কীর্ত্তিঃ যস্য (বহুব্রীহি) তস্য।

৮) মহৌজসঃ = মহৎ ওজঃ যেষাং তে (বহুব্রীহি)

৯) যৌবৰাজ্যে = যুবা ৰাজা ইতি যুবৰাজঃ (কর্মধাৰয়)। যুবৰাজস্য কর্ম যৌবৰাজ্যম্ - তস্মিন্।

১০) প্রলীনভূপালম্ = প্রলীনাঃ ভূপালাঃ যত্র (বহুব্রীহি)।

ঠিক একেদৰে ক্রিয়াপদসমূহ ভাঙিলে এনেধৰণে পোৱা যাব—

১) অধিপস্য = অধি - পা + ক ইতি অধিপঃ। তস্য।

২) ক্ষন্তুম্ = ক্ষম্ + তুমুন্।

৩) সমীহতে = সম্ +ঈহ্ + লট্ তে।

৪) দর্শয়তে = দৃশ্ + ণিচ্ + লট্ তে।

৫) বাঞ্চন্ = বাঞ্চ + শতৃ।

৬) নিহন্তি = নি - হন্ + লট্ তি

৭) উপৈতি = উপ - ইন্ + লট্ তি।

৮) সমীহিতুম্ = সম্ - ঈহ্ + তুমুন্।

৯) প্ৰতীয়তে = প্ৰতি - ইন্ + লট্ তে।

১০) বেদ = বিদ্ + লট্ তি।

১৩.৫ বনেচৰৰ উক্তিৰ সাৰাংশ

মহাকবি ভাৰবি বিৰচিত 'কিৰাতাৰ্জুনীয়ম্' মহাকাব্যৰ প্ৰথমসৰ্গত বনেচৰৰ উক্তি পোৱা যায়। যুধিষ্ঠিৰৰ প্ৰতি তেওঁৰ দ্বাৰাই নিযুক্ত বনেচৰৰ উক্তিসমূহৰ চমু বিৱৰণ তলত দাঙি ধৰা হ'ল—

পাশা খেলত পৰাস্ত হৈ পঞ্চপাণ্ডৱে দ্ৰৌপদীৰ সৈতে বনবাসলৈ যায়। এই বনবাস কালতে তেওঁলোকে দ্বৈতবনত বাস কৰে। দ্বৈতবনত বাস কৰাৰ সময়তে দুৰ্য্যোধনৰ ৰাজ্যশাসন পদ্ধতিৰ বিষয়ে জানিবলৈ যুধিষ্ঠিৰে এজন বনেচৰক গুপ্তচৰৰূপে হস্তিনাপুৰলৈ প্ৰেৰণ কৰে। বনেচৰজনে ব্ৰহ্মচাৰী বেশ ধাৰণ কৰি দুৰ্য্যোধনৰ সকলোবোৰ বৃত্তান্ত সংগ্ৰহ কৰি যুধিষ্ঠিৰৰ ওচৰত সেইবোৰ ব্যক্ত কৰেহি।

কৰ্মত নিযুক্ত ভৃত্য বা অনুচৰে তেওঁৰ গৰাকীক বঞ্চনা কৰা অনুচিত। সেয়েহে বনেচৰৰ মতে তেওঁৰ বচন অপ্ৰিয় হলেও যেন যুধিষ্ঠিৰে তেওঁক ক্ষমা কৰি দিয়ে। কিয়নো হিতকৰ অথচ প্ৰিয়বাক্য জগতত বিৰল। যুধিষ্ঠিৰ বনবাসী হলেও তেওঁৰ ওচৰত পৰাজয়ৰ আশঙ্কা কৰি দুৰ্য্যোধনে নীতিশাস্ত্ৰ অনুসৰি ৰাজ্য শাসন কৰিছে। তেওঁ কাম, ক্ৰোধ আদি ৰিপুসমূহক বশীভূত কৰি দিনে ৰাতিয়ে নীতি সন্মতভাৱে কাৰ্য্য সম্পাদন কৰিছে। তেওঁ নিৰহঙ্কাৰ হৈ অনুচৰ সকলৰ প্ৰতি বন্ধুসুলভ আচৰণ আৰু বন্ধুসকলৰ প্ৰতি নিজৰ আত্মীয়ৰ দৰে আচৰণ প্ৰদৰ্শন কৰিছে। সন্মান, শ্ৰদ্ধা আৰু বিবেচনাৰে তেওঁ ধৰ্ম, অৰ্থ আৰু কাম —এই ত্ৰিবৰ্গৰ সেৱা সাধন কৰিছে। দুৰ্য্যোধনে অত্যন্ত বিচক্ষণতাৰে সাম আৰু দাননীতিৰ প্ৰয়োগ কৰিছে। শত্ৰু-মিত্ৰৰ ভেদজ্ঞান নকৰি বিধি অনুসৰি অপৰাধীক দণ্ড দিয়ে। নিজৰ ৰাজ্য আৰু পৰৰাজ্যত সকলোতে বিশ্বাসী অনুচৰসকলক নিয়োগ কৰিছে। কৰ্ম শেষ হোৱাৰ পিছত কৃতজ্ঞতাৰ চিন স্বৰূপে তেওঁলোকক পুৰস্কাৰ, উপহাৰ আদি দান কৰে। দুৰ্য্যোধনে সদায় মঙ্গলানুষ্ঠান কৰাৰ বাবে সমগ্ৰ কুৰু ৰাজ্য শস্য সমৃদ্ধ হৈছে। মহাবলশালী ধনৰ্ধাৰীসকল তেওঁৰ গুণত আকৃষ্ট হৈ নিজৰ প্ৰাণৰ বিনিময়তো ৰজাৰ প্ৰিয়কাৰ্য্য কৰিবলৈ সদায় প্ৰস্তুত থাকে। তেওঁ অন্যান্য ৰজাসকলৰ লগত কেতিয়াও যুদ্ধ নকৰে বা কাৰো প্ৰতি কুটিল অথবা ক্ৰোধপূৰ্ণ দৃষ্টিও নিক্ষেপ নকৰে। তথাপি তেওঁলোকে তেওঁৰ আদেশ শ্ৰদ্ধাৰে পালন কৰে। এনে দুৰ্য্যোধনে সম্প্ৰতি দুঃশাসনক যুবৰাজৰ পদত অভিষিক্ত কৰি নিজে দিনে-ৰাতিয়ে যাগযজ্ঞ আদি কৰি আছে।

কিন্তু দুৰ্য্যোধনে এনেদৰে এখন শত্ৰুহীন, সুস্থিৰ, সমুদ্ৰলৈকে বিস্তৃত ভূভাগ শাসন কৰিলেও তেওঁ যুধিষ্ঠিৰৰ ওচৰত পৰাজয়ৰ আশঙ্কা কৰি থাকে। কথা প্ৰসঙ্গত যুধিষ্ঠিৰৰ নাম শুনিলে অৰ্জুনৰ পৰাক্ৰমৰ কথা চিন্তা কৰি কষ্ট ভোগ কৰে।

এনে কপট দুৰ্য্যোধনৰ প্ৰতি যুধিষ্ঠিৰে যথাশীঘ্ৰে যথোচিত ব্যৱস্থা গ্ৰহণ কৰা উচিত। এনেদৰে সেই বনেচৰে দুৰ্য্যোধনৰ শাসন প্ৰণালীৰ বিষয়ে যুধিষ্ঠিৰক সবিস্তৰে ব্যক্ত কৰিলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ 'ষড়ৰিপু' কি কি?

.....

প্রশ্ন নং ৭ ঃ 'ত্রিবর্গ' বুলিলে কি বুজায়?

.....

প্রশ্ন নং ৮ ঃ যুধিষ্ঠিৰে গুপ্তচৰৰূপে কাক ক'ত পঠাইছিল?

.....

.....

প্রশ্ন নং ৯ ঃ 'জিতেন্দ্রিয়' বুলি কাক কোৱা হয়?

.....

.....

প্রশ্ন নং ১০ ঃ ৰজাৰ চকু বুলি কাক কোৱা হয়?

.....

প্রশ্ন নং ১১ ঃ জগতত কেনে বাক্য দুর্লভ?

.....



১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংস্কৃত সাহিত্যৰ এখন বিখ্যাত মহাকাব্য 'কিৰাতার্জুনীয়ম্'ৰ প্রথমসর্গৰ (শ্লোক ১-১৫ লৈকে) আভাস লাভ কৰিলে।
- ভাৰবিৰ ৰচনাশৈলীৰো এক সম্যক ধাৰণা পালে।
- শ্লোকসমূহৰ সংস্কৃত পাঠৰ লগতে তাৰ গদ্যপাঠ, প্রতিটো সংস্কৃত শব্দৰ অর্থ তথা অসমীয়া অনুবাদো জানিব পাৰিলে।
- বনেচৰৰ বক্তব্যৰ সাৰাংশ অধ্যয়ন কৰিব পাৰিলে।
- কিছুমান বিশেষ সংস্কৃত শব্দৰ ব্যাকৰণগত টোকাও পঢ়িবলৈ সক্ষম হ'ল।



১৩.৭ অধিক জানিবলৈ

১) বন্দোপাধ্যায়, শ্রীঅশোক কুমাৰ ঃ *মহাকবি ভাৰবি ৰচিত কিৰাতার্জুনীয়ম্*, প্রথমসর্গ; কলিকতা ঃ সংস্কৃত পুস্তক ভাণ্ডাৰ।

২) Pande, Adityanarayana (1968): *Kiratarjuniya of Bharavi,* [ed.]; Varanasi: Choukhamba Sanskrit Series Office.

৩) Sastri, Prof. Ashoknath (1996): *Bharavi's Kiratarjuniyam*, Canto I; Calcutta: Modern Book Agency Pvt. Ltd.

১৩.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ মহাকবি ভাৰবি।

২নং প্ৰশ্নৰ উত্তৰ ঃ বনত যি বাস কৰে তেৱেঁই বনেচৰ।

৩নং প্ৰশ্নৰ উত্তৰ ঃ 'কিৰাত' এনে শ্ৰেণীৰ মানুহ যি বনত বাস কৰে আৰু চিকাৰ কৰি জীৱিকা নিৰ্বাহ কৰে।

৪নং প্ৰশ্নৰ উত্তৰ ঃ সুয়োধন।

৫নং প্ৰশ্নৰ উত্তৰ ঃ দ্বৈত বনত শোক আৰু মোহ —এই দুয়োটা নাই। সেইবাবে এই বনৰ নাম 'দ্বৈতবন'।

৬নং প্ৰশ্নৰ উত্তৰ ঃ ষড়ৰিপু হৈছে— কাম, ক্ৰোধ, লোভ, মোহ, মদ, মান।

৭নং প্ৰশ্নৰ উত্তৰ ঃ ধৰ্ম, অৰ্থ আৰু কাম —এই তিনিওটাকে একেলগে 'ত্ৰিবৰ্গ' বোলা হয়।

৮নং প্ৰশ্নৰ উত্তৰ ঃ যুধিষ্ঠিৰে গুপ্তচৰ ৰূপে ব্ৰহ্মচাৰী বেশধাৰী এজন কিৰাতক দ্বৈতবনৰ পৰা হস্তিনাপুৰলৈ পঠাইছিল।

৯নং প্ৰশ্নৰ উত্তৰ ঃ যিজনে পঞ্চইন্দ্ৰিয়ক অৰ্থাৎ কাম, ক্ৰোধ, লোভ, মোহ, মদ, মাৎসৰ্য্যক বৰ্জন কৰিব পাৰে তেওঁকে জিতেন্দ্ৰিয় বোলা হয়।

১০নং প্ৰশ্নৰ উত্তৰ ঃ গুপ্তচৰক।

১১নং প্ৰশ্নৰ উত্তৰ ঃ জগতত মনোহৰ আৰু হিতকৰ বাক্য দুৰ্লভ (হিতং মনোহাৰি চ দুৰ্লভং বচ)।

১৩.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ 'ত্ৰিবৰ্গ' মানে কি?

প্ৰশ্ন ২ ঃ 'গুপ্তচৰ' কাক বোলে?

খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০-৩০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ চমুটোকা লিখক— দ্বৈতবন, জিতেন্দ্ৰিয়, কিৰাত, অৰ্থগৌৰৱ

প্ৰশ্ন ২ ঃ ব্যাকৰণগত টোকা— বনেচৰঃ, কৃতজ্ঞতাম্, মহৌজসঃ, চাৰুচক্ষুষঃ

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ যুধিষ্ঠিৰৰ প্ৰতি বনেচৰৰ উক্তি সংক্ষিপ্তকৈ লিখক।

প্ৰশ্ন ২ ঃ যুধিষ্ঠিৰৰ প্ৰতি বনেচৰৰ উক্তিৰ মাধ্যমেৰে দুৰ্য্যোধনৰ ৰাজ্যশাসন পদ্ধতিৰ যি আভাস পোৱা যায় তাক বহলাই লিখক।

*** ***** ***

অধ্যায় ১৪ ঃ কিৰাতার্জুনীয়ম্— প্ৰথমসৰ্গ (শ্লোক ২৬-৪৬)

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ প্ৰথমসৰ্গৰ শ্লোক (২৬ - ৪৬)সমূহৰ সংস্কৃত পাঠ
১৪.৩.১ শ্লোকসমূহৰ গদ্যপাঠ
১৪.৩.২ সংস্কৃত শ্লোকসমূহৰ শব্দাৰ্থ
১৪.৩.৩ সংস্কৃত শ্লোকসমূহৰ অসমীয়া অনুবাদ
১৪.৪ ব্যাকৰণগত টোকা
১৪.৫ দ্ৰৌপদীৰ উক্তিৰ সাৰাংশ
১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৭ অধিক জানিবলৈ
১৪.৮ অগ্ৰগতিৰ খতিয়ান
১৪.৯ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- 'কিৰাতার্জুনীয়ম্' মহাকাব্যৰ প্ৰথমসৰ্গৰ বিষয়-বস্তুৰ আভাস পাব
- প্ৰথমসৰ্গৰ শ্লোকসমূহৰ (২৬-৪৬লৈকে) সংস্কৃত পাঠৰ লগতে গদ্যপাঠ, শব্দাৰ্থ আৰু অসমীয়া অনুবাদো অধ্যয়ন কৰিব পাৰিব
- শ্লোকসমূহত থকা মহত্বপূৰ্ণ শব্দবোৰৰ ব্যাকৰণগত বিশ্লেষণ কৰিব পাৰিব
- যুধিষ্ঠিৰৰ প্ৰতি দ্ৰৌপদীৰ বক্তব্যৰ আলোচনা কৰিব পাৰিব।

১৪.২ পৰিচয়

আপুনি ইতিমধ্যে 'কিৰাতার্জুনীয়ম্' মহাকাব্যৰ প্ৰথমসৰ্গ (১-২৫)লৈকে শ্লোকসমূহ অধ্যয়ন কৰিলে। লগতে যুধিষ্ঠিৰৰ প্ৰতি বনেচৰৰ বক্তব্যখিনিও জানিব পাৰিলে। এই অধ্যায়ত আপুনি প্ৰথমসৰ্গৰে পৰৱৰ্তী ২৬-৪৬লৈকে শ্লোকসমূহ অধ্যয়ন কৰিব পাৰিব। শ্লোকসমূহৰ সংস্কৃত পাঠৰ লগতে প্ৰতিটো শব্দৰ অৰ্থ আৰু অসমীয়া অনুবাদো পঢ়াবলৈ পাব। লগতে শ্লোকসমূহত ব্যৱহাৰ হোৱা কিছুমান গুৰুত্বপূৰ্ণ শব্দৰ ব্যাকৰণগত বিশ্লেষণো জানিব পাৰিব। ইয়াৰ উপৰিও বনেচৰৰ বক্তব্য শুনাৰ পাছত যুধিষ্ঠিৰৰ প্ৰতি দ্ৰৌপদীৰ উক্তিৰ বিস্তৃত বিৱৰণো অধ্যয়ন কৰিব পাৰিব।

১৪.৩ প্ৰথমসৰ্গ (২৬-৪৬) শ্লোকসমূহৰ সংস্কৃত পাঠ

এতিয়া আপুনি 'কিৰাতাৰ্জুনীয়ম্' গ্ৰন্থৰ প্ৰথমসৰ্গৰ শ্লোকসমূহৰ (২৬-৪৬ লৈকে) সংস্কৃত পাঠ পঢ়িবলৈ পাব। শ্লোকসমূহ তলত উল্লেখ কৰা হ'ল—

ইতীৰয়িত্বা গিৰমাত্তসৎক্রিয়ে
গতেহথ পত্যৌ বনসন্নিবাসিনাম্।
প্রবিশ্য **কৃষ্ণা**সদনং মহীভূজা
তদাচচক্ষেহনুজ সন্নিধৌ বচঃ।। ২৬।।

কৃষ্ণা ঃ দ্রৌপদী

নিশম্য সিদ্ধিং দ্বিষতামপাকৃতীঃ
ততস্ততস্ত্যা বিনিয়ন্তুমক্ষমা।
নৃপস্য মন্যুব্যৱসায়দীপিনী
ৰুদাজহাৰ **দ্রুপদাত্মজা** গিৰঃ।।২৭।।

দ্রুপদাত্মজা ঃ দ্রৌপদী

ভবাদৃশেষু প্রমদাজনোদিতং
ভবত্যধিক্ষেপ ইবানুশাসনম্।
তথাপি বক্তুং ব্যৱসায়য়ন্তি মাং
নিৰস্তনাৰী সময়া দুৰাধয়ঃ।। ২৮।।

অখণ্ডম্ খণ্ডলতুল্যধামভি—
শ্চিৰং ধৃতা ভূপতিভিঃ স্ববংশজৈঃ।
ত্বয়াত্মহস্তেন মহী মদচ্যুতা
মতঙ্গজেন স্রগিবাপবর্জিতা।। ২৯।।

অখণ্ডম্ ঃ ইন্দ্ৰ

ব্রজন্তি তে মূঢ়ধিয়ঃ পৰাভবং
ভবন্তি মায়াবিষু যে ন মায়িনঃ।
প্রবিশ্য হি ঘ্নন্তি শঠাস্তথাবিধান্
অসংবৃতাঙ্গান্ নিশিতা ইবেষবঃ।। ৩০।।
গুণানুৰক্তামনুৰক্তসাধনঃ
কুলাভিমানী কুলজাং নৰাধিপঃ।
পৰৈস্ত্বদন্যঃ ক ইবাপহাৰয়েন্
মনোৰমামাত্মবধূমিব শ্রিয়ম্।। ৩১।।
ভবন্তমেতর্হি মনস্বিগর্হিতে
বিবর্তমানং নৰদেব বর্ত্মনি।
কথং ন মন্যুর্জ্বলয়ত্যুদীৰিতঃ
শমীতৰুং শুষ্কমিবাগ্নিৰুচ্ছিখঃ।। ৩২।।
অবন্ধ্যকোপস্য বিহন্তুৰাপদাং



বৃকোদৰঃ = ভীম
বাসব ঃ ইন্দ্র



ধনঞ্জয়ঃ = অর্জুন

ভবন্তি বশ্যাঃ স্বয়মেব দেহিনঃ।
অমর্ষশূন্যেন জনস্য জন্তুনা
ন জাত হার্দেন ন বিদ্বিষাদৰঃ।। ৩৩।।
পৰিভ্রমল্লোহিতচন্দনোচিতঃ
পদাতিৰন্তর্গিৰি-ৰেণুৰুষিতঃ।
মহাৰথঃ সত্যধনস্য মানসং
দুনোতি নো কচ্চিদয়ং **বৃকোদৰঃ**।। ৩৪।।
বিজিত্য যঃ প্রাজ্যমযচ্ছদুত্তৰান্
কুৰ্দনকুপ্যং বসু **বাসবো**পমঃ।
স বল্কবাসাংসি তবাধুনাহৰন্
কৰোতি মন্যুং ন কথং **ধনঞ্জয়ঃ**।। ৩৫।।
বনান্তশয্যাকঠিনীকৃতাকৃতী
কচাচিতৌ বিম্বগিবাগজৌ গজৌ।
কথং ত্বমেতৌ ধৃতিসংযমৌ যমৌ
বিলোকয়ন্নুহসহসে ন বাধিতুম্।। ৩৬।।
ইমামহং বেদ ন তাবকীং ধিয়ং
বিচিত্রৰূপাঃ খলু চিত্তবৃত্তয়ঃ।
বিচিন্তয়ন্ত্যা ভবদাপদং পৰাং
ৰুজন্তি চেতঃ প্রসভং মমাধয়।। ৩৭।।
পুৰাধিৰূঢ়ঃ শয়নং মহাধনং
বিবোধ্যসে যঃ স্তুতিগীতিমঙ্গলৈঃ।
অদভ্রদর্ভামধিশয্য স স্থলীং
জহাসি নিদ্রামশিবৈঃ শিবাৰুতৈঃ।। ৩৮।।
পুৰোপনীতং নৃপ! ৰামণীয়কম্
দ্বিজাতিশেষেণ যদেতদন্ধসা।
তদদ্য তে বন্যফলাশিনঃ পৰং
পৰৈব কার্শ্যং যশসা সমং বপুঃ।। ৩৯।।
অনাৰতঃ যৌ মনিপীঠশায়িনা
বৰঞ্জয়দ্ ৰাজশিৰঃ স্রজাং ৰজঃ।
নিষীদতস্তৌ চৰণৌ বনেষু তে
মৃগদ্বিজালূনশিখেষু বর্হিষাম্।। ৪০।।
দ্বিষন্নিমিত্তা যদিয়ং দশা ততঃ
সমূলমুন্মূলয়তীব মে মনঃ।

পৰৈৰপৰ্য্যাসিতবীৰ্য্যসম্পদাং
পৰাভবোৎপ্যুহসব এব মানিনাম্।। ৪১।।
বিহায় শান্তি নৃপ! ধাম তৎ পুনঃ
প্ৰসীদ সন্ধেহি বধায় বিদ্বিষাম্।
ব্ৰজন্তি শত্ৰুনবধূয় নিঃস্পৃহাঃ
শমেন সিদ্ধিং মুনয়ো ন ভুভৃতঃ।। ৪২।।
পুৰঃসৰা ধামবতাং যশোধনাঃ
সুদুঃসহং প্ৰাপ্য নিকাৰমীদৃশম্।
ভবাদৃশাশ্চেদধিকুৰ্বতে ৰতিং
নিৰাশ্ৰয়া হন্ত হতা মনস্বিতা।। ৪৩।।
অথ ক্ষমামেব নিৰস্তবিক্ৰম
শ্চিৰায় পৰ্য্যেষি সুখস্য সাধনম্।
বিহায় লক্ষ্মীপতিলক্ষ্ম কাৰ্মুকং
জটাধৰঃ সন্ জুহুধীহ পাবকম্।। ৪৪।।
ন সময়-পৰিৰক্ষণং ক্ষমং তে
নিকৃতিপৰেষু পৰেষু ভূৰিধাম্নঃ।
অৰিষু হি বিজয়ার্থিনঃ ক্ষিতীশা
বিদধতি সোপধি সন্ধিদূষণানি।। ৪৫।।
বিধি-সময় নিয়োগাদ্দীপ্তিসংহাৰজিহ্মাং
শিথিল বসুমগাধে মগ্নমাপৎ পয়োধৌ।
ৰিপুতিমিৰমূদস্যোদীয়মানং দিনাদৌ
দিনকৃতমিব লক্ষ্মীস্ত্বাং সমভ্যেতু ভূয়ঃ।। ৪৬।।

১৪.৩.১ শ্লোকসমূহৰ গদ্যপাঠ

এতিয়া আপুনি ওপৰত উল্লেখ কৰা 'কিৰাতাৰ্জুনীয়ম্'ৰ প্ৰথমসৰ্গৰ শ্লোকসমূহৰ গদ্যপাঠ পঢ়িবলৈ পাব।

২৬) বনসন্নিবাসিনাম্ পতৌ ইতি গিৰম্ ইৰয়িত্বা আত্ত সৎক্ৰিয়ে গতে, অথ মহীভূজা কৃষ্ণাসদনম্ প্ৰবিশ্য অনুজসন্নিধৌ তৎ বচঃ আচচক্ষে।

২৭) দ্ৰুপদাত্মজা দ্বিষতাম্ সিদ্ধিম্ নিশম্য ততঃ ততস্ত্যাঃ অপ্ৰাকৃতীঃ বিনিয়ন্তুম্ অক্ষমা নৃপস্যমন্যুব্যবসায়দীপিনীঃ গিৰঃ উদাজহাৰ।

২৮) ভবাদৃশেষু প্ৰমদাজনোদিতম্ অনুশাসনম্ অধিক্ষেপঃ ইব ভবতি। তথাপি নিৰস্তনাৰীসময়াঃ দুৰাধয়ঃ মাম্ বক্তুম্ ব্যবসায়য়ন্তি।

২৯) আখণ্ডলতুল্যধামভিঃ স্ববংশজৈঃ ভূপতিভিঃ চিৰম্ অখণ্ডম্ ধৃতা মহী ত্বয়া মদচ্যুতা মতঙ্গজেন স্ৰগ্ হ'ব আত্মহস্তেন অপবর্জিতা।

৩০) যে মায়াবিষু মায়িনঃ ন ভবন্তি তে মূঢ়ধিয়ঃ পৰাভবং ব্ৰজন্তি। হি শঠাঃ তথাবিধান্ অসংবৃতাঙ্গান্ নিশিতা ইষবঃ ইব প্ৰবিশ্য ঘ্নন্তি।

৩১) অনুৰক্তসাধনঃ কুলাভিমানী ত্বৎ অন্যঃ কঃ ইব নৰাধিপঃ গুণানুৰক্তাং কুলজাম্ মনোৰমম্ আত্মবধূম্ ইব শ্ৰিয়ং পৰৈঃ অপহাৰয়েৎ।

৩২) নৰদেব! এতর্হি মনস্বিগর্হিতে বর্ত্মনি বিবর্তমানম্ ভৰন্তম্ উদীৰিতঃ মন্যুঃ শুষ্কম্ শমীতৰুম্ উচ্ছিখঃ অগ্নিঃ ইব কথম্ ন জ্বালয়তি।

৩৩) অবন্ধ্যকোপস্য, আপদাম্ বিহন্তুঃ দেহিনঃ স্বয়ম্ এব বশ্যাঃ ভবন্তি। অমর্ষশূন্যেন জন্তুনা জাতহার্দেন সত্য জনস্য আদৰো ন, বিদ্বিষা চ ন।

৩৪) লোহিতচন্দনোচিতঃ মহাৰথঃ অয়ং বৃকোদৰঃ ৰেণুৰুষিতঃ অন্তর্গিৰি পৰিভ্রমন্ সত্যধনস্য মানসং নো দুনোতি কচ্চিৎ।

৩৫) বাসবোপমঃ যঃ উত্তৰান্ কুৰূণ্ বিজিত্য প্রাজ্যম্ অকুপ্যম্ বসু অযচ্ছৎ, সঃ ধনঞ্জয়ঃ অধুনা তব বল্কবাসাংসি আহৰণ্ কথম্ মন্যুম্ ন কৰোতি?

৩৬) বনান্তশয্যা কঠিনীকৃতাকৃতী বিষ্কক্ কচাচিতৌ অগজৌ গজৌ ইব এতৌ যমৌ বিলোকয়ন্ ত্বং ধৃতি সংযমৌ বাধিতুং কথং ন উৎসহসে?

৩৭) অহম্ তাবকীম্ ইমাম্ ধিয়ম্ ন বেদ, চিত্তবৃত্তয়ঃ বিচিত্রৰূপাঃ খলু। পৰাম্ ভবদাপদম্ বিচিন্তয়ন্ত্যা মম চেতঃ আধয়ঃ প্রসভম্ ৰুজন্তি।

৩৮) যঃ ত্বম্ পুৰা মহাধনম্ শয়নম্ অধিৰূঢ়ঃ স্তুতি-গীতি-মঙ্গলৈঃ বিবোধ্যসে, স ত্বম্ অদভ্রদর্ভামস্থলীম্ অধিশয্য অশিবৈঃ শিবাৰুতৈঃ নিদ্রাং জহাসি।

৩৯) নৃপ! পুৰা দ্বিজাতিশেষেণ অন্ধস্য, যৎ এতৎ তে বপুঃ ৰামনীয়কম্ উপনীতম্, অদ্য বন্যফলাশিনঃ তে তৎ (বপুঃ) যশসা সমম্ কার্শ্যম্ পৰৈতি।

৪০) (পুৰা) মণিপীঠশায়িনৌ তে যৌ চৰণৌ অনাৰতম্ ৰাজশিৰঃ স্রজম্ ৰজঃ অৰঞ্জয়ৎ, (অধুনা) তৌ মৃগদ্বিজালূনশিখেষু বর্হিষাম্ বনেষু নিষীদতঃ।

৪১) যৎ ইয়ং দশা দ্বিষন্নিমিত্তা, ততঃ মে মনঃ সমূলম্ উন্মূলয়তি ইব। পৰৈঃ অপর্য্যাসিতবীর্য্য সম্পদাম্ মানিনাম্ পৰাভবঃ অপি উৎসবঃ এব।

৪২) নৃপ! প্রসীদ। শান্তিম্ বিহায় তৎ ধাম বিদ্বিষাম্ বধায় পুনঃ সন্ধেহি। নিঃস্পৃহাঃ মুনয় শত্রূন্ অবধূয় শমেন সিদ্ধিম্ ব্রজন্তি, ভূভৃতঃ ন।

৪৩) ভবাদৃশাঃ ধামবতাম্ পুৰঃ সৰাঃ যশোধনাঃ ঈদৃশম্ সুদুঃসহম্ নিকাৰম্ প্রাপ্য ৰতিম্ অধিকুর্বতে চেৎ, হন্ত! মনস্বিতা নিৰাশ্রয়া হতা।

৪৪) অর্থ নিৰস্তবিক্রমঃ চিৰায় ক্ষমাম্ এব সুখস্য সাধনম্ পর্যেষি, (তর্হি) লক্ষ্মীপতিলক্ষ্ম কার্মুকম্ বিহায় জটাধৰঃ সন্ ইহ পাবকম্ জুহুধি।

৪৫) পৰেষু, নিকৃতিপৰেষু ভূৰিধাম্নঃ তে সময় পৰিৰক্ষণং ন ক্ষমম্। হি বিজয়ার্থিনঃ ক্ষিতীশাঃ অৰিষু সোপধি সন্ধিদূষণানি বিদধতি।

৪৬) বিধিসময় নিয়োগাৎ দীপ্তিসংহাৰ জিষ্ণুম্, অগাধে আপৎপয়োধৌ মগ্নম্ শিথিলবসুম্, ৰিপুতিমিৰম্ উদস্য উদীয়মানম্ ত্বাম্ দিনাদৌ দিনকৃতম্ ইব, লক্ষ্মীঃ ভূয়ঃ সমভ্যেতু।

১৪.৩.২ সংস্কৃত শ্লোকসমূহৰ শব্দাৰ্থ

এতিয়া আপুনি ওপৰত উল্লেখ কৰা সংস্কৃত শ্লোকসমূহৰ প্ৰতিটো সংস্কৃত শব্দৰ শব্দাৰ্থ পঢ়িবলৈ পাব।

২৬) বনসন্নিবাসিনাম্ পত্যৌ (বনচৰপতি বা কিৰাতৰাজ) ইতি (এই) গিৰম্ (কথা) ইৰয়িত্বা (কৈ) আত্তসৎক্রিয়ে (পাৰিতোষিক পাই) গতে (গ'ল)। অথ (তাৰ পিছত) মহীভূজ (ৰজাই) কৃষ্ণা (দ্রৌপদীৰ) সদনম্ (গৃহত) প্রবিশ্য (প্রৱেশ কৰি) অনুজসন্নিধৌ (ভাতৃসকলৰ আগত) তৎ (সেই) বচঃ (কথাবোৰ) আচচক্ষে (ক'লে)।

২৭) দ্রুপদাত্মজা (দ্রুপদ কন্যা অর্থাৎ দ্রৌপদী) দ্বিষতাম্ (শত্রুসকলৰ) সিদ্ধিম্ (উন্নতি) নিশম্য (শুনি) ততঃ (তাৰ পিছত) ততস্ত্যাঃ (শত্রুসকলৰ ওচৰৰ পৰা অহা) অপাকৃতীঃ (মনোবেদনা) বিনিয়ন্তুম্ (দমন কৰিবলৈ) অক্ষমা (অসমর্থ হৈ) নৃপস্য (ৰজাৰ) মনুব্যবসায় দীপিনীঃ (খং উঠা বা ক্রোধ উদ্দীপক) গিৰঃ (কথাবোৰ) উদাজহাৰ (কৈছিল)।

২৮) ভবাদৃশেষু (আপোনাৰ দৰে ব্যক্তিৰ ওচৰত) প্রমদাজনোদিতং (নাৰীয়ে কোৱা) অনুশাসনম্ (উপদেশ) অভিক্ষেপঃ (তিৰস্কাৰৰ) ইব (দৰে) ভবতি (হয়)। তথাপি (তথাপি) নিৰস্ত (লঙঘন কৰি) নাৰীসময়াঃ (নাৰীজনোচিত মর্য্যদা) দুৰাধয়ঃ (অসহনীয় দুখ) মাম্ (মোক) বক্তুম্ (ক'বলৈ) ব্যৱসায়য়ন্তি (প্রেৰণা দিছে)।

২৯) অখণ্ডতুল্য (ইন্দ্রতুল্য) ধানভিঃ (পৰাক্রমশালী) স্ববংশজৈঃ (নিজ বংশীয়) ভূপতিভিঃ (ৰজাসকলৰ দ্বাৰা) চিৰম্ (দীর্ঘকাল ধৰি) অখণ্ডম্ (অখণ্ডভাৱে) ধৃতা (পালিতা) মহী (পৃথিৱীক) ত্বয়া (তুমি) মদচ্যুতা (মদমত্ত) মতঙ্গজেন (হাতীয়ে) স্রগ্ (মালা) ইব (দৰে) আত্মহস্তেন (নিজ হাতে) অপবর্জিতা (পৰিত্যাগ কৰিছা)।

৩০) যে (যিসকলে) মায়াবিষু (মায়াবীসকলৰ প্রতি) মায়িনঃ (মায়াবী) ন ভবন্তি (নহয়) তে (তেনে) মূঢ়ধিয়ঃ (বুদ্ধিহীন মানুহবোৰে) পৰাভবং ব্রজন্তি (পৰাজিত হয়)। হি (যিহেতু) শঠাঃ (কুটিল বা দুষ্ট) তথাবিধান (তেনে বক্তিসকলক) অসংবৃতাঙ্গান (বর্মহীন শৰীৰৰ) নিশিতা (তীক্ষ্ণ) ইষবঃ (শৰৰ) ইব (দৰে) প্রবিশ্য (প্রৱেশ কৰি) ঘ্নন্তি (হত্যা কৰে)।

৩১) অনুৰক্তসাধনঃ (অনুকুল সহায়বিশিষ্ট) কুলাভিমানী (বংশমর্য্যাদাসম্পন্ন) ত্বৎ (তোমাৰ) অন্যঃ (বাহিৰে) কঃ (কোন) ইব (এনে) নৰাধিপঃ (ৰজা) গুনানুৰক্তঃ (গুনৰ অনুৰাগী) কুলজাম্ (সৎ বংশত জন্মা) মনোৰমাম্ (মনোহাৰী) আত্মবধূম্ ইব (নিজ পত্নীৰ দৰে) শ্রিয়ং (ৰাজলক্ষ্মীক) পৰৈঃ (শত্রুৰ দ্বাৰা) অপহাৰয়েৎ (অপহৰণ কৰোৱায়)।

৩২) নৰদেব (হে মহাৰাজ) এতর্হি (এই বিপদৰ সময়ত) মনস্বি গর্হিতে (বীৰৰ দ্বাৰা নিন্দা কৰা) বর্ত্মনি (পথত) বিবর্তমানম্ (বিচৰণ কৰা) ভবন্তম্ (আপোনাক) উদীৰিতঃ (উদ্দীপিত) মন্যুঃ (খং) শুষ্কম্ (শুকান) শমীতৰুম্ (শমীবৃক্ষক) উচ্ছিখঃ (উর্দ্ধশিখা) অগ্নি ইব (জুইৰ দৰে) কথম্ (কিয়) ন জ্বলয়তি (জ্বলি নুঠে)।

৩৩) অবন্ধ্যকোপস্য (যাৰ ক্রোধ নিষ্ফল নহয়) আপদম্ বিহন্তুঃ (যি সমস্ত বিপদ নাশ কৰে) দেহিনঃ (জনগণই) স্বয়ম্ এব (নিজেই) বশ্যা (বশীভূত) ভবন্তি (হয়), অমর্ষশূন্যেন (ক্রোধহীন) জন্তুনা (মানুহ) জাতহার্দেন (মিত্র বা বন্ধু হ'লেও) জনস্য (মানুহৰ) আদৰো ন (আদৰ নকৰে) বিদ্বিষান্ (শত্রু হ'লেও ভয় নকৰে)।

৩৪) লোহিত (ৰঙা) চন্দনোচিতঃ (চন্দন সনাত অভ্যস্ত) মহাৰথঃ (উৎকৃষ্ঠ ৰথত বিচৰণ কৰা) অয়ং (এই) বৃকোদৰঃ (ভীম) ৰেণু (ধূলিৰে) ৰুষতঃ (ধূসৰিত) পদাতি (ভৰিৰে) অন্তর্গিৰি (পর্বতৰ মাজত) পৰিভ্রমন্ (ভ্রমণ কৰিছে) সত্যধনস্য (সত্যবাদী) মানসং (মনত) নো দুনোতি (কষ্ট নিদিয়ে) কচ্চিৎ (কেতিয়াও)।

৩৫) বাসবোপমঃ যঃ (ইন্দ্রতুল্য যিজনে) উত্তৰান্ কুৰ্ব্বণ্ (উত্তৰ কুৰুদেশ) বিজিত্য (জয় কৰি) প্রাজ্যম্ (বহু পৰিমাণে) অকুপ্যম্ (সোনৰ মুদ্রা) বসু (ধন) অযচ্ছৎ (দিছিলে), সঃ (সেই) ধনঞ্জয়ঃ (অর্জুনে) অধুনা (এতিয়া) তব (তোমাৰ) বল্কবাসাংসি (বল্কলবসন) আহৰণ (সংগ্রহ কৰিছে) কথম্ (কিয়) মন্যুম্ (দুখ বা ক্রোধ) ন কৰোতি (কৰা নাই)।

৩৬) বনান্ত (অৰণ্যত) শর্য্যা (শর্য্যাত (শয়ন কৰি)) কঠিনীকৃত (কঠিন) আকৃতি (শৰীৰ) বিষ্কক্ (চাৰিওদিশে) কচাচিতৌ (চুলিবোৰ আউলি-বাউলি হৈ পৰিছে) অগজৌ (পর্বতৰ) গজৌ ইব (হাতীদুটাৰ দৰে) এতৌযমৌ (এই যজাঁ নকুল আৰু সহদেৱক) বিলোকয়ন (দেখি) ত্বম (তুমি) ধৃতি (ধৈর্য্য) সংযমৌ (সংযমক) বাধিতুম্ (শেষ কৰিবলৈ) কথং (কিয়) উৎসহতে (উৎসাহ পোৱা নাই)।

৩৭) অহম্ (মই) তাবকীম্ (তোমাৰ) ইমাম্ (এই) ধিয়ম্ (বুদ্ধি) ন বেদ (বুজিব পৰা নাই) চিত্তবৃত্তি (মনৰ ভাব) বিচিত্রৰূপা খলু (বিচিত্র হয়েই) পৰাম্ ভবদাপদম্ (আপোনাৰ ভয়ানক বিপদৰ) বিচিন্তয়ন্ত্যা (চিন্তা কৰি) মমচেতঃ (মোৰ মনক) আধয়ঃ (মনোবেদনা) প্রসভম্ (বলপূর্বক) ৰুজন্তি (দুখ দিছে)।

৩৮) যঃ (যিজন) ত্বম্ (তুমি) পুৰা (আগতে) মহাধনম্ (মহামূল্যবান্) শয়নম্ অধিৰূঢ়ঃ (শয্যাত শুই) স্তুতি গীতি মঙ্গলৈঃ (মঙ্গলময় স্তুতিগীতৰ দ্বাৰা) বিবোধ্যাসে (সাৰ

পাইছিলা) স ত্বম্ (সেই তুমি) অদভ্রদৰ্ভাম্ স্থলীম্ (বহু কুশবনেৰে ভৰি থকা বনভূমিত) অধিশয্য (শুই) অশিৱৈঃ (অমঙ্গলীয়া) শিৱাৰুতৈঃ (শিয়ালৰ চিঞৰত) নিদ্রাং (নিদ্রা) জহাসি (ত্যাগ কৰিছা)।

৩৯) নৃপ (হে মহাৰাজ) পুৰা (আগতে) দ্বিজাতি (ব্রাহ্মনসকলে) শেষেন (এৰি যোৱা) অন্ধসা (অন্নৰ দ্বাৰা) যৎ এতৎ (এই যে) তে (তোমাৰ) বপুঃ (শৰীৰ) ৰমনীয়ম্ (ৰমনীয়তা/সুন্দৰ) উপনীতম্ (পাইছিলে)। অদ্য (আজি) বন্যফলাশিনম্ (বনৰীয়া ফল-মূল খাই) যশস্য সমম্ (যশ-খ্যাতিৰ লগতে) কার্শ্যম্ (কৃশতা) পৰৈতি (পাইছে)।

৪০) অনাৱতম্ (সদায়) মণিপীঠশায়িনৌ (মণিময় পদপীঠত স্থাপিত) তে (তোমাৰ) যৌ চৰণৌ (যি চৰণদুখনি) ৰাজশিৰঃ (ৰজাৰ শিৰত থকা) স্রজাম্ (মালাৰোৰৰ) ৰজঃ (পৰাগৰেণুৰে) অৰঞ্জয়ৎ (ৰঞ্জিত হৈছিল) তৌ (সেই চৰণ দুখনি) মৃগদ্বিজালূন শিখেষু (মৃগ আৰু হৰিণে আগ চিঙা) বর্হিষাম্ (কুশবনৰ) বনেষু (বনত) নিষীদতঃ (স্থাপিত হৈছে)।

৪১) যৎ (যিহেতু) ইয়ং দশা (এই অৱস্থা) দ্বিষন্নি মিত্তা (শত্রুয়ে কৰা) ততঃ (সেই বাবে) মে (মোৰ) মনঃ (মনক) সমূলম্ ইব (অতি) উন্মূলয়তি (পীড়া দিছে)। পৰৈঃ (শত্রুৰদ্বাৰা) অপর্য্যাসিত বীর্য্য সম্পদাম্ (শক্তি আৰু সম্পদ নষ্ট নহয়) মানিনাম্ (মানীসকলৰ) পৰাভবঃ (বিপদ) অপি(ও) উৎসব এব (উৎসব তুল্য)।

৪২) নৃপ (হে মহাৰাজ) প্রসীদ (প্রসন্ন হওঁক)। শান্তিম্ বিহায় (শান্তি ত্যাগ কৰি) বিদ্বিষাম্ (শত্রুৰ) বিঘাতায় (ধ্বংসৰ বাবে) তৎধাম (প্রসিদ্ধ ক্ষত্রিয়তেজ) পুনঃ (পুনৰ) সন্ধেহি (অবলম্বন কৰক)। নিস্পৃহাঃ (নিৰাসক্ত) মুনয়ঃ (মুনিসকলে) শত্রূন্ (শত্রুক) অবধূয় (দূৰ কৰে) শমেন (শান্তিৰে) সিদ্ধিম্ (সিদ্ধি) ব্রজন্তি (লাভ কৰে)। ভূভৃতঃ ন (ৰজাসকলে নকৰে)।

৪৩) ভবাদৃশাঃ (আপোনাৰ দৰে) ধামবতাম্ (তেজস্বীসকলৰ মাজত) পুৰঃসৰাঃ (অগ্রগণ্য) যশোধনাঃ (যশস্বী ব্যক্তিসকলে) ঈদৃশম্ (এনে) সুদুঃব্রহম্ (অত্যন্ত অসহনীয়) নিকাৰম্ (লাঞ্ছনা) প্রাপ্য (পাই) ৰতিম্ (সন্তোষ) অধিকুর্বতে (লাভ কৰে) চেৎ (যদি) হন্ত (হায়) মনস্বিতা (তেজস্বীতা বা আত্মভিমান) নিৰাশ্রয়া (আশ্রয়হীন হৈ) হতা (ধ্বংস হ'ল)।

৪৪) অথ (গতিকে) নিৰস্তবিক্রমঃ সন্ (পৰাক্রম ত্যাগ কৰি) ক্ষমাম্ এব (ক্ষমাকেই) চিৰায় (চিৰকালৰ বাবে) সুখস্য সাধনম্ (সুখৰ উপায় বুলি) পর্যেষি (যদি ভাবে) লক্ষ্মীপতিলক্ষ্ম কার্মুকং (ৰাজচিহ্নযুক্ত ধনু) বিহায় (ত্যাগ কৰি) জটাধৰ সন্ (জটাধাৰী হৈ) ইহ (ইয়াতে) পাবকম্ (অগ্নিত) জুহুধী (আহুতি দি থাকক)।

৪৫) পৰেষু (শত্রুসকল) নিকৃতিপৰেষু (প্রবঞ্চক হ'লে) ভূৰিধাম্নঃ (মহাপ্রভাবশালী) তে (তোমাৰ) সময় পৰিৰক্ষণম্ (প্রতিজ্ঞাপালন) ন ক্ষমম্ (যুক্তিযুক্ত নহয়) হি

(যিহেতু) বিজয়ার্থিনঃ (বিজয় অভিলাষী) ক্ষিতিশাঃ (ৰজাসকলে) অৰিষু (শত্ৰুসকলৰ) সোপধি (ছলনাৰ আশ্ৰয় লয়) সন্ধি দুষণানি (সন্ধি ভঙ্গ) বিদধতি (কৰে)।

৪৬) বিধি সময় নিয়োগাৎ (দৈব আৰু কালৰ নিয়ম অনুসৰি) দীপ্তিসংহাৰ জিষ্ণাম্ (দীপ্তিক্ষয়ৰ বাবে অবসন্ন) অগাধে(বহু)আপৎ পয়োধৌমগ্নম্ (বিপদ সমুদ্ৰত নিমগ্ন) শিথিলবসুম্ (ক্ষীণ ৰশ্মিৰ) ৰিপুতিমিৰম্ (শত্ৰুৰ দৰে অন্ধকাৰক) উদস্য (বিনাশ কৰি) উদীয়মানম্ (উদীয়মান) ত্বাম্ (তোমাক) দিনাদৌ (প্ৰাতঃ কালত) দিনকৃতম্ ইব (সূৰ্য্যৰ দৰে) লক্ষ্মীঃ (ৰাজলক্ষ্মী) ভূয়ঃ (পুনৰ) সমভ্যেতু (আগমন কৰক)।



জানি থোৱা ভাল

● ভীমৰ আন এটা নাম বৃকোদৰ। কোৱা হয় ভীমৰ উদৰত 'বৃক' নামৰ অগ্নি আছিল, সেয়েহে তেওঁৰ নাম হ'ল বৃকোদৰ।

● অর্জুনৰ দহোটা প্ৰসিদ্ধ নাম আছে। সেইকেইটা হৈছে— অর্জুন, ফাল্গুন, জিষ্ণু, কিৰীটী, শ্বেতবাহন, বীভৎসু, বিজয়, কৃষ্ণ, সব্যসাচী আৰু ধনঞ্জয়—

"অর্জুনঃ ফাল্গুনো জিষ্ণুঃ কিৰীটী শ্বেতবাহনঃ।
বীভৎসুর্বিজয়ঃ কৃষ্ণঃ সব্যসাচী ধনঞ্জয়ঃ।।"

১৪.৩.৩ সংস্কৃত শ্লোকসমূহৰ অসমীয়া অনুবাদ

আপুনি ইতিমধ্যে কিৰাতাৰ্জুনীয়মৰ প্ৰথমসৰ্গত থকা শ্লোকসমূহৰ সংস্কৃত পাঠ গদ্যপাঠ আৰু শব্দাৰ্থ পঢ়িলে। এতিয়া আপুনি সংস্কৃত শ্লোকসমূহৰ অসমীয়া অনুবাদ অধ্যয়ন কৰিব পাৰিব।

২৬) বনেচৰে এই কথাখিনিৰ পাৰিতোষিক (বেতন) লৈ গুচি গ'ল। তাৰ পিছত ৰজাই (যুধিষ্ঠিৰে) দ্ৰৌপদীৰ গৃহত প্ৰবেশ কৰি ভাতৃসকলৰ আগত সেই কথাখিনি ক'লে।

২৭) দ্ৰৌপদীয়ে শত্ৰুসকলৰ উন্নতিৰ কথা শুনি নিজৰ মনৰ দুখ দমন কৰিব নোৱাৰি ৰজাৰ ক্ৰোধ উদ্দীপক কথাবোৰ ক'বলৈ ধৰিলে। (অর্থাৎ দ্ৰৌপদীয়ে যুধিষ্ঠিৰৰ খং উঠাবলৈ চেষ্টা কৰিলে।)

২৮) আপোনাৰ বাবে নাৰীয়ে দিয়া উপদেশ তিৰস্কাৰ তুল্য। তথাপি মোৰ অসহনীয় মনোবেদনাই নাৰীজনোচিত মর্য্যদা লঙঘন কৰি মোক ক'বলৈ প্ৰেৰণা দিছে। (অর্থাৎ দ্ৰৌপদীয়ে মনত দুখ পাইছে। সেই দুখ দূৰ কৰিবৰ বাবে দ্ৰৌপদীয়ে যুধিষ্ঠিৰক উপদেশ দিবলৈ বিচাৰিছে)।

২৯) ইন্দ্ৰৰ দৰে পৰাক্ৰমী নিজবংশীয় ৰজাসকলৰ দ্বাৰা দীর্ঘদিন ধৰি অখণ্ডভাৱে শাসিত পৃথিৱীক আপুনি নিজহাতে পৰিত্যাগ কৰিছে যেনেদৰে মদমত্ত ঐৰাৱতে শুড়েৰে (শিৰৰ) মালাক দলিয়াই দিয়ে।

৩০) যিসকল মূৰ্খ ব্যক্তিয়ে মায়াবীৰ প্ৰতি মায়াবী নহয়, তেওঁলোক পৰাজিত হয়। কাৰণ তীক্ষ্ণ বাণে যিদৰে বৰ্মহীন (যুদ্ধত আৱৰণ নথকা শৰীৰ) শৰীৰত প্ৰৱেশ কৰি মানুহক হত্যা কৰে, কুটিল মানুহেও তেনেদৰে অমায়িক ব্যক্তিসকলক বিনষ্ট কৰে।

৩১) আপোনাৰ (যুধিষ্ঠিৰৰ) বাহিৰে এনে কোন অনুকূল সহায়যুক্ত মৰ্য্যাদাসম্পন্ন ৰজাই গুণী, সৎ বংশত জন্মা, মনোৰম নিজপত্নীৰ দৰে ৰাজলক্ষ্মীক শত্ৰুৰ দ্বাৰা অপহৰণ কৰোৱায়? (অৰ্থাৎ ৰাজলক্ষ্মী মানে ৰাজ্যৰ শাসনভাৰ। কোনো ৰজাই নিজৰ ৰাজ্যৰ শাসনভাৰ আনৰ ওচৰত অৰ্পণ নকৰে)।

৩২) হে মহাৰাজ! বীৰসকলে নিন্দা কৰা পথত বিচৰণ কৰা আপোনাৰ এই বিপদৰ সময়তো কিয় খং উঠা নাই? অগ্নিয়ে যিদৰে শিখা বিস্তাৰ কৰি শুকান শমী গছক প্ৰজ্বলিত কৰে, সেইদৰে আপোনাক কিয় প্ৰজ্বলিত কৰা নাই?

৩৩) যিজনৰ ক্ৰোধ নিষ্ফল নহয়, যিজনে সকলো বিপদ নাশ কৰে, মানুহে নিজে নিজেই তেওঁৰ বশীভূত হয়। ক্ৰোধহীন ব্যক্তি মিত্ৰ হ'লেও মানুহে আদৰ নকৰে আৰু শত্ৰু হ'লেও ভয় নকৰে।

৩৪) (পূৰ্বতে) ৰঙা চন্দনেৰে (অঙ্গৰাগ কৰাত) অভ্যস্ত উৎকৃষ্ট ৰথত বিচৰণ কৰা ভীমে এতিয়া ধূলি ধূসৰিত হৈ খোজকাঢ়ি পৰ্বতত বিচৰণ কৰিছে। এই অৱস্থাই সত্যবাদী আপোনাৰ মনত কেতিয়াও কষ্ট নিদিয়েনে?

৩৫) ইন্দ্ৰতুল্য যি অৰ্জুনে (ধনঞ্জয়) উত্তৰ কুৰুদেশ জয় কৰি (আপোনাক) প্ৰচুৰ সোণ-ৰূপৰ ধন দান কৰিছিল, সেই অৰ্জুনে এতিয়া আপোনাৰ বাবে বল্কলবসন সংগ্ৰহ কৰিছে। এনে অৱস্থাতো কিয় আপোনাৰ খং উঠা নাই?

৩৬) অৰণ্যত শয়ন কৰি যাৰ শৰীৰ কঠিন হৈ পৰিছে, যাৰ চুলিবোৰ আউলি-বাউলি হৈ পৰিছে, সেই পৰ্বতৰ হাতীযুগলৰ দৰে যমজ ভাতৃদ্বয়ক (নকুল আৰু সহদেৱক) দেখিও কিয় আপোনাৰ ধৈৰ্য্য আৰু সংযম নষ্ট হোৱা নাই?

৩৭) মই আপোনাৰ মনৰ ভাব বুজি পোৱা নাই। ভিন্ ভিন্ মানুহৰ মনোভাব ভিন্ ভিন্। আপোনাৰ এই ভয়ানক বিপদৰ কথা চিন্তা কৰি মোৰ মনোবেদনাই বলপূৰ্বকভাৱে মোৰ মন ভাঙি পেলাইছে।

৩৮) যিজনে (যুধিষ্ঠিৰে) পূৰ্বতে বহুমূলীয়া শয্যাত শয়ন কৰি (স্তুতিকাৰকসকলৰ) মঙ্গলময় স্তুতি গীত শুনি সাৰ পাইছিল, সেইজনে এতিয়া বহু কুশবনেৰে ভৰা বনভূমিত শয়ন কৰি অমঙ্গলীয়া শিয়ালৰ চিঞৰত নিদ্ৰা ত্যাগ কৰিছে।

৩৯) হে মহাৰাজ! পূৰ্বতে ব্ৰাহ্মণসকলে খোৱা অৱশিষ্ট অন্নৰদ্বাৰা আপোনাৰ শৰীৰে ৰমনীয়তা পাইছিল, এতিয়া বনৰীয়া ফল-মূল খাই আপোনাৰ যশ-খ্যাতিৰ লগতে সেই শৰীৰো অত্যন্ত কৃশ হৈ পৰিছে।

৪০) (পূৰ্বতে) মনিময় **পাদপীঠত** স্থাপিত আপোনাৰ চৰণযুগল (আন) ৰজাসকলৰ শিৰৰ মালাৰ পৰাগৰেণুৰে ৰঞ্জিত হৈছিল, (এতিয়া) সেই চৰণযুগল মৃগ আৰু হৰিণে আগচিঙা বনৰ কুশবনৰ ওপৰত স্থাপিত হৈছে।



পাদপীঠ ঃ ৰজাৰ সিংহাসনৰ ওচৰত ভৰি থোৱা পীৰা।

৪১) যিহেতু আপোনাৰ এই অৱস্থা শত্ৰুয়ে কৰা, সেইবাবে মোৰ মনক ই অতি পীড়া দিছে। যদি শত্ৰুসকলৰ দ্বাৰা শক্তি আৰু সম্পদ নষ্ট নহয়, তেনেহ'লে বিপদো মানীসকলৰ বাবে উৎসৱতুল্য হয়।

৪২) হে ৰাজন! প্ৰসন্ন হওঁক। শত্ৰুসকলক বধ কৰাৰ বাবে শান্তি ত্যাগ কৰি পুনৰ ক্ষত্ৰিয় তেজ ধাৰণ কৰক। নিস্পৃহ ঋষি-মুনিসকলে শান্তিৰে (কাম, ক্ৰোধ আদি) শত্ৰুক জয় কৰি সিদ্ধি লাভ কৰে, কিন্তু ৰজাসকলে সেয়া নকৰে।

৪৩) আপোনাৰ দৰে তেজস্বীসকলৰ মাজত অগ্ৰগণ্য, যশস্বী ব্যক্তিসকলে যদি এনে অসহনীয় অপমান পায়ো সন্তোষ লাভ কৰে, তেনেহ'লে হায়! বীৰতা (তেজস্বীতা) আশ্ৰয়ৰ অভাৱত ধ্বংস হ'ল। (বীৰতা সদায় বীৰ, তেজস্বীলোকৰ লগত থাকে। বীৰলোক নাথাকিলে বীৰতাও নোহোৱা হয়।)

৪৪) আৰু যদি বীৰতা ত্যাগ কৰি ক্ষমাকে চিৰদিনৰ বাবে সুখৰ কাৰণ বুলি ভাবে, তেনেহ'লে ৰাজচিহ্নযুক্ত ধনু ত্যাগ কৰি জটাধাৰী হৈ বনতে অগ্নিত আহুতি প্ৰদান কৰি থাকক।

৪৫) প্ৰৱঞ্চক শত্ৰুৰ বাবে মহাপ্ৰভাবশালী আপুনি পূৰ্ব প্ৰতিজ্ঞা পালন কৰা উচিত নহয়। কাৰণ বিজয় অভিলাষী শত্ৰুৰ বাবে যিকোনো চল-চাতুৰি গ্ৰহণ কৰি সন্ধি ভঙ্গ কৰিব পাৰি।

৪৬) দৈব আৰু কালৰ নিয়ম অনুসৰি ক্ষমতা ক্ষয়ৰ বাবে অবসন্ন (ভাগৰুৱা) অপাৰ বিপদ সাগৰত বুৰ যোৱা, ক্ষীণজ্যোতিৰ শত্ৰুৰ দৰে অন্ধকাৰ বিনাশ কৰি প্ৰাতঃকালৰ উদিত সূৰ্য্যৰ দৰে আপোনৰ ওচৰলৈ ৰাজলক্ষ্মীৰ আগমন হওঁক।



অগ্ৰগতি নীৰিক্ষণ

প্ৰশ্ন নং ১ ঃ 'দ্ৰুপদাত্মজা' বুলি কাক কোৱা হয়?

.....

প্ৰশ্ন নং ২ ঃ ভীমক 'বৃকোদৰ' বুলিও কিয় কোৱা হয়?

.....

প্ৰশ্ন নং ৩ ঃ অৰ্জুনৰ প্ৰসিদ্ধ দহটা নাম লিখক।

.....

.....

প্ৰশ্ন নং ৪ ঃ কেনে ব্যক্তিক মিত্ৰ বা শত্ৰু হলেও আদৰ বা ভয় নকৰে?

.....

প্ৰশ্ন নং ৫ ঃ কাৰ পৰাজয়ো উৎসৱতুল্য হয়?

.....

.....

১৪.৪ ব্যাকৰণগত টোকা

ওপৰত উল্লেখ কৰা পাঠটোৰ সংস্কৃত শব্দ কিছুমানৰ সমাস ভাঙিলে এনেদৰে পোৱা যায়—

কৃষ্ণাসদনম্ = কৃষ্ণায়াঃ সদনম্ (ষষ্ঠী তৎপুৰুষ)

মনোৰমাম্ = মনঃ ৰময়তি ইতি (উপপদ তৎপুৰুষ)

অবন্ধ্যকোপস্য = ন বন্ধ্যাঃ (নঞ তৎ), অবন্ধ্য কোপঃ যস্য (বহুব্রীহিঃ) তস্য।

বাসবোপমঃ = বাসবঃ উপমা যস্য সঃ (বহুব্রীহি)

মহাধনম্ = মহৎ এব ধনম্ (কর্মধাৰয়)

নিৰাশ্রয়া = নির্গতঃ আশ্রয়ঃ যস্যাঃ সা (বহুব্রীহি)

জটাধৰঃ = জটায়াঃ ধৰঃ (ষষ্ঠী তৎপুৰুষ)

ক্ষিতীশাঃ = ক্ষিতেঃ ঈশাঃ (ষষ্ঠী তৎপুৰুষ)।

ঠিক একেদৰে ক্রিয়াপদসমূহ ভাঙিলে নিম্নোক্ত ধৰণে পোৱা যাব—

১) নিশম্য = নি - শম্ ল্যপ্।

২) সিদ্ধিম্ = সিধ্ + ক্তিন্।

৩) ঘ্নন্তি = হন্ + লট্ অন্তি।

৪) প্রবিশ্য = প্র - বিশ্ + ল্যপ্।

৫) বিবর্তমানম্ = বি - বৃৎ + শানচ্।

৬) জ্বলয়তি = জ্বল + ণিচ্ + লট্ তি।

৭) দুনোতি = দু + লট্ তি।

৮) বিজিত্য = বি - জি + ল্যপ।

৯) বাধিতুম্ = বাধ্ + তুমুন্।

১০) জহাসি = হা + লট্ সি।

১১) বিহায় = বি - হা + ল্যপ্।

১২) জুহুধি = হু + লোট্ হি।

১৪.৫ দ্রৌপদীৰ উক্তিৰ সাৰাংশ

মহাকবি ভাৰবি ৰচিত 'কিৰাতার্জু নীয়ম্' মহাকাব্যৰ প্রথমসর্গৰ আৰম্ভণিতে যুধিষ্ঠিৰৰ দ্বাৰা নিয়োজিত বনেচৰৰ বক্তব্য পোৱা যায়। এই বনেচৰৰ পৰা দুর্য্যোধনৰ ৰাজ্য শাসন পদ্ধতিৰ বিষয়ে শুনি যুধিষ্ঠিৰে এই সকলোবোৰ নিজৰ ভাতৃ আৰু পত্নী দ্রৌপদীক জনালে। তেতিয়া, দ্রৌপদীয়ে নিজৰ আবেগক দমন কৰিব নোৱাৰি পুনৰ যুধিষ্ঠিৰক ৰাজোচিত গুণ আয়ত্ব কৰিবলৈ যুক্তিসঙ্গত কথাৰে নিম্নলিখিত বক্তব্যৰাজি আগবঢ়ায়—

দ্রৌপদীৰ মতে যুধিষ্ঠিৰৰ দৰে বিদগ্ধ কাপুৰুষক তেওঁৰ দৰে নাৰীয়ে উপদেশ দিয়াটো তিৰস্কাৰ সদৃশ। তথাপি মানসিক যন্ত্রনাত অস্থিৰ হৈয়ে এইদৰে ক'বলৈ বাধ্য হৈছে। ইন্দ্রতুল্য

প্ৰভাৱেৰে যুধিষ্ঠিৰে ৰাজ্য শাসন কৰিছিল। কিন্তু এতিয়া যুধিষ্ঠিৰে সেই ৰাজ্যকে শত্ৰুৰ হাতত তুলি দিছে। কপটৰ লগত কপট আচৰণ নকৰিলে পৰাজয় বৰণ কৰিবলগীয়া হয়। তদুপৰি যিজনে নিজৰ শুভাকাঙ্ক্ষীসকলৰ সহায় লাভ কৰিও পৰাজয় বৰণ কৰে, তেওঁ বংশ গৌৰৱো নাশ কৰে। আচৰিত কথা যে এনে নিন্দাজনক পৰিস্থিতিতো যুধিষ্ঠিৰৰ ক্ৰোধ উদ্দীপিত হোৱা নাই। দ্ৰৌপদীৰ মতে যিজন ক্ৰোধহীন, তেওঁ স্নেহশীল হ'লেও মানুহে আদৰ নকৰে।

দ্ৰৌপদীয়ে পুনৰ কয় যে যিজন ভীমে পূৰ্বতে ৰঙাচন্দনেৰে অঙ্গৰাগ কৰিছিল, তেওঁ এতিয়া ধূলি ধূসৰিত হৈ পৰ্বতে পৰ্বতে শুদা ভৰিৰে বিচৰণ কৰে। ইন্দ্ৰতুল্য অৰ্জুনে এসময়ত উত্তৰকুৰুদেশ জয় কৰি যুধিষ্ঠিৰক বহু ধন-সম্পদ আনি দিছিল। এতিয়া সেই অৰ্জুনে তেওঁৰ বাবেই বল্কল আহৰণ কৰে। এনে অৱস্থাটো যুধিষ্ঠিৰৰ মনত ক্ৰোধৰ ভাব সৃষ্টি হোৱা নাই। তেনেদৰে নকুল আৰু সহদেৱৰ অৱস্থাও তথৈবচ। বনৰ মাটিত শোৱা বাবে তেওঁলোকৰ শৰীৰ কঠিন হৈ পৰিছে। আউল-বাউল চুলিৰে তেওঁলোক দুয়োজনকে বনৰীয়া হাতীৰ দৰে দেখা গৈছে। এওঁলোকৰ এনে দুৰৱস্থা দেখিও কিন্তু যুধিষ্ঠিৰৰ মন বিচলিত হোৱা নাই।

দ্ৰৌপদীয়ে যুধিষ্ঠিৰক সোঁৱৰাই দিয়ে যে পূৰ্বতে তেওঁ মূল্যবান শয্যাত শুই চাৰণ কবিসকলৰ মঙ্গলময় স্তুতিগীত শুনি সাৰ পাইছিল। কিন্তু এতিয়া অমঙ্গলজনক শিয়ালৰ চিঞৰত সাৰ পায়। তেওঁলোকৰ এনে দুখজনক অৱস্থাৰ একমাত্ৰ কাৰণ তেওঁলোকৰ শত্ৰু দুৰ্য্যোধন। সেয়েহে দ্ৰৌপদীয়ে শত্ৰুনাশৰ বাবে মুনিবৃত্তি ত্যাগ কৰি যুধিষ্ঠিৰক ক্ষত্ৰিয় তেজ ধাৰণ কৰিবলৈ অনুৰোধ জনাইছে। দ্ৰৌপদীয়ে যুধিষ্ঠিৰক তেওঁৰ তৎকাল কৰ্তব্য সম্পৰ্কেও নিৰ্দেশ দিছে। শত্ৰুসকলে যিহেতু সদায় অনিষ্ট কৰিবলৈকে তৎপৰ হৈ আছে, সেয়েহে তেওঁ পূৰ্বতে কৰা প্ৰতিজ্ঞা পালন কৰা অনুচিত। মিছাতে সময় নষ্ট নকৰি বিজয়াভিলাষী ৰজাৰ দৰে শত্ৰুসকলৰ কোনো এটা ভুল দেখুৱাই ছলনা কৰি সন্ধিভঙ্গ কৰা উচিত। এনেদৰে দ্ৰৌপদীয়ে বিভিন্ন উৎসাহজনক কথাৰে শত্ৰুপক্ষৰ বাবে যুধিষ্ঠিৰৰ ক্ৰোধ বঢ়াব বিচাৰিছিল।



১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কিৰাতার্জুনীয়ম্ কাব্যৰ প্ৰথমসৰ্গৰ মূল বিষয়বস্তু সম্পূৰ্ণকৈ জানিব পাৰিলে।
- কবি ভাৰবিয়ে এই সৰ্গৰ শ্লোকসমূহৰ মাধ্যমেৰে বিভিন্ন নীতিজ্ঞানো লিপিবদ্ধ কৰিছে।
- আপুনি শ্লোকসমূহ অধ্যয়ন কৰি মানৱ জীৱনৰ বিভিন্ন নীতিজ্ঞানো লাভ কৰিলে।
- সংস্কৃত পাঠ্যাংশৰ লগতে শব্দাৰ্থ আৰু অসমীয়া অনুবাদো জানিলে।
- যুধিষ্ঠিৰৰ প্ৰতি দ্ৰৌপদীৰ বক্তব্যৰ গুৰুত্বৰ বিষয়েও আভাস লাভ কৰিলে।
- অধ্যায়টিত ব্যৱহাৰ হোৱা কিছুমান সংস্কৃত পদ তথা ক্ৰিয়াপদৰ ব্যাকৰণগত টোকা পঢ়িবলৈ পালে।



১৪.৭ অধিক জানিবলৈ

১) বন্দোপাধ্যায়, শ্ৰীঅশোক কুমাৰ ঃ *মহাকবি ভাৰবি ৰচিত কিৰাতাৰ্জুনীয়ম্*, প্ৰথমসৰ্গ; কলিকতা ঃ সংস্কৃত পুস্তক ভাণ্ডাৰ।

২) Pande, Adityanarayana (1968): *Kiratarjuniya of Bharavi,* [ed.]; Varanasi: Choukhamba Sanskrit Series Office.

৩) Sastri, Prof. Ashoknath (1996): *Bharavi's Kiratarjuniyam*, Canto I; Calcutta: Modern Book Agency Pvt. Ltd.



১৪.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ দ্ৰৌপদীক।

২নং প্ৰশ্নৰ উত্তৰ ঃ ভীমৰ উদৰত 'বৃক' নামৰ অগ্নি আছিল। সেয়েহে তেওঁৰ নাম বৃকোদৰ।

৩নং প্ৰশ্নৰ উত্তৰ ঃ অৰ্জুনৰ প্ৰসিদ্ধ দহটা নাম হৈছে— অৰ্জুন, ফাল্গুন, জিষ্ণু, কিৰীটী, শ্বেতবাহন, বীভৎসু, বিজয়, কৃষ্ণ, সব্যসাচী আৰু ধনঞ্জয়।

৪নং প্ৰশ্নৰ উত্তৰ ঃ ক্ৰোধশূণ্য ব্যক্তিক।

৫নং প্ৰশ্নৰ উত্তৰ ঃ শত্ৰুৰে যাৰ বীৰ্য্য আৰু সম্পদ নষ্ট কৰিব নোৱাৰে, তেনে মানী ব্যক্তিৰ পৰাজয়ো উৎসৰ তুল্য হয়।



১৪.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ 'পাদপীঠ' মানে কি?

প্ৰশ্ন ২ ঃ ভীমৰ অন্য এটা নাম কি?

খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০-৩০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ অৰ্জুনৰ দহটা নাম কি কি লিখক।

প্ৰশ্ন ২ ঃ ব্যাকৰণগত টোকা— নিশম্য, বিজিত্য, বিহায়, প্ৰবিল্য।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ যুধিষ্ঠিৰৰ প্ৰতি দ্ৰৌপদীৰ উক্তিৰ সাৰাংশ দাঙি ধৰক।

প্ৰশ্ন ২ ঃ দ্ৰৌপদীৰ বক্তব্যৰ মাজেৰে তেওঁৰ চৰিত্ৰ বিশ্লেষণ কৰক।

*** ***** ***

অধ্যায় ১৫ ঃ কিৰাতাৰ্জুনীয়ম্— কাব্যগত আলোচনা

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য
১৫.২ পৰিচয়
১৫.৩ মহাকবি ভাৰবিৰ ৰচনাশৈলী
১৫.৩.১ ভাৰবেৰৰ্থগৌৰৱম্
১৫.৩.২ নাৰিকেল ফলসম্মিতং বচো ভাৰবেঃ
১৫.৪ প্ৰথমসৰ্গৰ কেইটামান মহত্বপূৰ্ণ শ্লোকৰ ব্যাখ্যা
১৫.৫ প্ৰথমসৰ্গৰ মহত্বপূৰ্ণ বাক্যসমূহৰ ভাবাৰ্থ
১৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৫.৭ অধিক জানিবলৈ
১৫.৮ অগ্ৰগতিৰ খতিয়ান
১৫.৯ আৰ্হি প্ৰশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মহাকবি ভাৰবিৰ ৰচনাশৈলীৰ বিষয়ে আভাস পাব
- মহাকবি ভাৰবিৰ ৰচনাত ব্যৱহৃত অৰ্থগৌৰৱৰ বিষয়েও জানিব পাৰিব
- 'কিৰাতাৰ্জুনীয়ম্'ৰ প্ৰথমসৰ্গৰ শ্লোকসমূহৰ ব্যাখ্যা কেনেদৰে কৰে তাৰ আভাস পাব
- মহত্বপূৰ্ণ বাক্যৰ ভাবাৰ্থ বিশ্লেষণ কৰিব পাৰিব।

১৫.২ পৰিচয়

সংস্কৃত সাহিত্যৰ কাব্য আকাশত এটি উজ্জ্বল নক্ষত্ৰৰ নাম ভাৰবি। ভাৰবিৰ একমাত্ৰ ৰচনা 'কিৰাতাৰ্জুনীয়ম্' মহাকাব্য। সংখ্যাত এটি হ'লেও গুণগত উৎকৰ্ষতাৰ বাবে এই এটি কাব্য ৰচনাই ভাৰবিক খ্যাতিৰ উচ্চ শিখৰত আৰোহন কৰাইছে। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ভাৰবিৰ ৰচনাশৈলীৰ বিষয়ে অৱগত হ'ব পাৰিব। সংস্কৃত সাহিত্যত ভাৰবি তেওঁৰ অৰ্থগৌৰৱৰ বাবে বিখ্যাত। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ভাৰবিৰ সেই অৰ্থগৌৰৱৰ বিষয়েও আভাস পাব। আপুনি ইতিমধ্যে কিৰাতাৰ্জুনীয়ম্ মহাকাব্যৰ প্ৰথমসৰ্গৰ শ্লোকসমূহ অধ্যয়ন কৰিলে। এই অধ্যায়ত শ্লোকসমূহৰ কেনেকৈ ব্যাখ্যা কৰিব লাগে তাৰ নমুনা অধ্যয়ন কৰিব পাৰিব। ইয়াৰ উপৰিও শ্লোকসমূহত ব্যৱহৃত কিছুমান সুবচনৰ ভাবাৰ্থও পঢ়িবলৈ পাব।

১৫.৩ মহাকবি ভাৰবিৰ ৰচনাশৈলী

মহাকবি ভাৰবিৰ একমাত্ৰ ৰচনা 'কিৰাতার্জুনীয়ম্' এখন মহাকাব্য। 'কিৰাতার্জুনীয়ম্'ৰ কাহিনীভাগ মহাভাৰতৰ বনপর্বৰ পৰা লোৱা হৈছে। ইয়াত মুঠতে ওঠৰ (১৮)টা সর্গ আছে। এই মহাকাব্যত ভাৰবিয়ে গুৰু গম্ভীৰ নীতিজ্ঞান, কূট ৰাজনীতি, ওজঃগুণসম্পন্ন বীৰধর্ম আৰু ক্ষত্ৰিয় ধর্ম সম্পর্কে এক সুস্থ আলোচনা আগবঢ়াইছে। ইয়াৰ উপৰিও বন-অৰণ্য, পর্বত, শৰৎকাল আদিৰ অপৰূপ দৃশ্য বর্ণনাৰে কবিয়ে এখন নিখুত কথাচিত্ৰ অঙ্কন কৰিছে।

ভাৰবিৰ কাব্যৰ আৰম্ভণীতে 'শ্ৰী' আৰু শেষত 'লক্ষ্মী' শব্দৰ প্ৰয়োগ দেখা যায়। এয়া তেওঁৰ কবিত্ব শক্তিৰে পৰিচায়ক। তেওঁ আছিল শব্দৰ যাদুকৰ। তেওঁ এটি আখৰ লৈ যি শ্লোক ৰচনা কৰিছে, সেয়া সঁচাকৈয়ে বিস্ময়কৰ। উদাহৰণ স্বৰূপে-

ন নোননুন্নো নুন্নোনো নানা নানানना ননু।
নুন্নোৎনুন্নো ননুন্নেনো নান্নো নুন্ননুন্ননুৎ ।। (কিৰাত ১৫/১৪)

উক্ত শ্লোকফাঁকিত কেৱল 'ন' আখৰৰ প্ৰয়োগ হৈছে। শ্লোকৰ অর্থ এনেধৰণৰ— "হে বিবিধ মুখাধাৰী! এওঁ সৰু বিচাৰযুক্ত পুৰুষ নহয়। এওঁ অসৎ বা বেয়াক সম্পূর্ণকৈ ধ্বংস কৰিব পৰা এজন মানুহ নহৈ দেৱতাহে। ভাব হয় এওঁৰ গৰাকীও আছে। এওঁ শৰেৰে আহত হৈছে তথাপি অনাহতৰ দৰে আছে। 'অত্যন্ত আঘাতেৰে আক্ৰান্ত মানুহক দুঃখিত কৰা দোষণীয়' এই দোষৰ পৰাও এইজন লোক মুক্ত।"

ভাৰবিৰ সংক্ষিপ্ত অর্থযুক্ত শব্দ প্ৰয়োগৰ দক্ষতাক বহুতো পণ্ডিতে ভূয়সী প্ৰশংসা কৰে। প্ৰসিদ্ধ টীকাকাৰ মল্লিনাথে ভাৰবিৰ ৰচনাক নাৰিকল ফলৰ লগত তুলনা কৰি কৈছে যে—

"নাৰিকেল ফল সম্মিতং বচো ভাৰবেঃ সপদি তদ্‌বিভজ্যতে।
স্বাদয়ন্তুৰসর্গভ নির্ভৰং সাৰমস্য ৰসিকা যথেপ্সিতম্।।"

অর্থাৎ নাৰিকল ফলৰ বাহিৰৰ আৱৰণভাগ কঠিন। কিন্তু ভিতৰভাগ মধুৰ, সুস্বাদু। সেইদৰে ভাৰবিৰ ৰচনা পঢ়িও প্ৰথমে কঠিন যেন ভাব হয়। পিছে অতি শুদ্ধভাৱে বিশ্লেষণ কৰি পঢ়িলে ইয়াৰ সাৰভাগ গ্ৰহণ কৰিব পৰা যায়।

ভাৰৱিৰ ৰচনাত বহুতো সুভাষিত বাক্য পোৱা যায়। এইবোৰ প্ৰায় প্ৰবাদ বাক্যত পৰিণত হৈছে। উদাহৰণ স্বৰূপে, অহো দুৰন্তা বলবদ্ বিৰোধিতা (হায়! বলবানৰ লগত বিৰোধৰ পৰিণাম ভয়ঙ্কৰ), বিচিত্ৰৰূপাঃ খলু চিত্তবৃত্তয়ঃ (মানুহৰ মন বিচিত্ৰ), সহসা বিদধীত ন ক্ৰিয়াম্ (তৎক্ষণাৎ কোনো কাম নকৰিব), হিতং মনোহাৰি চ দুর্লভং বচঃ (মনোহৰ হিতকাৰী বচন দুর্লভ) ইত্যাদি। মানৱ জীৱনৰ নানাদিশ সামৰি লোৱা এনে অসংখ্য সাৰুৱা বাক্য 'কিৰাতার্জুনীয়ম্' মহাকাব্যত পোৱা যায়।

মহাকবি ভাৰবিয়ে তেওঁৰ কাব্যত কবিত্বশক্তিৰ লগতে ব্যাকৰণশাস্ত্ৰ, অলঙ্কাৰশাস্ত্ৰ, ছন্দ আদিৰো পাণ্ডিত্য প্ৰকাশ কৰিছে। তেওঁ নিজৰ গ্ৰন্থত উপমা, ৰূপক, উৎপ্ৰেক্ষা, নিদর্শনা, সমাসোক্তি তথা অর্থান্তৰন্যাস অলঙ্কাৰৰ বহুল ব্যৱহাৰ কৰিছে। এই অলঙ্কাৰসমূহৰ প্ৰয়োগত ভাৰবিৰ নিপুণতাৰ

প্রমাণ পোৱা যায়। আনহাতে বিভিন্ন ছন্দ যেনে বংশস্থ, ইন্দ্রবজ্রা, উপেন্দ্রবজ্রা, পুষ্পিতাগ্রা আদি ছন্দৰো প্রয়োগ কবিয়ে নিজৰ ৰচনাত কৰিছে। ইয়াৰ উপৰিও ভাব আৰু ভাষাৰ অপৰূপ প্রকাশভঙ্গীৰে যুক্ত হৈ তেওঁৰ কাব্যত যি নতুন মাধুৰী ৰূপ পোৱা যায়, সেয়া সঁচাকৈয়ে দুর্লভ। সেইবাবেই পণ্ডিসকলে ভাৰবিৰ প্রতিভাক কাব্যজগতৰ এক শীর্ষ আসনত স্থাপন কৰিছে।

১৫.৩.১ ভাৰবেৰর্থগৌৰৱম্

ইতিমধ্যে আপুনি মহাকবি ভাৰবিৰ ৰচনাশৈলীৰ আভাস লাভ কৰিলে। সংস্কৃত সাহিত্যত ভাৰবি তেওঁৰ 'অর্থগৌৰৱৰ' বাবে বিখ্যাত।এতিয়া আপুনি সেই বিশেষ অর্থ গৌৰৱৰ বিষয়ে পঢ়িবলৈ পাব।

'ভাৰবেৰর্থগৌৰৱম'—এয়া আলঙ্কাৰিকসকলৰ কবি ভাৰবিৰ প্রতি এক প্রশংসা সূচক উক্তি। অতি কম শব্দৰে অনেক অর্থৰ লগতে গভীৰ অর্থ বুজোৱাকে 'অর্থগৌৰৱ' বোলা হয়। এটি প্রসিদ্ধ শ্লোকত উক্ত উক্তিটো পোৱা যায়। শ্লোকটো হৈছে—

"উপমা কালিদাসস্য ভাৰবেৰর্থগৌৰৱম্।
দণ্ডিনঃ পদলালিত্যং মাঘে সন্তি এয়োগুণাঃ।।"

এই শ্লোকটিৰ অর্থ হ'ল— "কালিদাসৰ ৰচনাত উপমা, ভাৰবিৰ ৰচনাত অর্থগৌৰৱ, দণ্ডিৰ ৰচনাত পদলালিত্য আছে। মাঘৰ ৰচনাত কিন্তু এই তিনিওটা বৈশিষ্ট্য একেলগে আছে।"

ভাৰবি ৰচিত কিৰাতার্জুনীয়ম্ মহাকাব্যত অর্থগৌৰৱৰ প্রাচুর্য্য দেখা যায়। কম শব্দৰে বহু অর্থৰ সমাৱেশ কৰিব পৰাটোৱেই অর্থ গৌৰৱৰ মহিমা। ভাৰবিয়ে বহু দীঘলীয়া অর্থকো কম শব্দতে প্রকাশ কৰিব পাৰে বুলি জনাজাত। উদাহৰণস্বৰূপে -

স্ফুটতা ন পদৈৰপাকৃতা ন চ ন স্বীকৃতমর্থগৌৰৱম্।
ৰচিতা পৃথগর্থতা গিৰাং ন চ সামর্থ্যমপোহিতং ক্বচিৎ।।

(কিৰাত ২/২৭)

এই শ্লোকটিত যুধিষ্ঠিৰে ভীমৰ প্রশংসা কৰি কৈছে যে, পদৰ প্রয়োগত কোনো অস্পষ্টতা নাই। অর্থৰ গভীৰতাৰ ওপৰত বিশেষ দৃষ্টি দিয়া হৈছে। শব্দবোৰৰ অর্থ পৃথক পৃথককৈ সুন্দৰকৈ বুজা যায়, তথাপি সেইবোৰৰ পৰস্পৰৰ মাজত থকা সম্বন্ধ ক'তো ভগা নাই।

দৰাচলতে সমগ্র 'কিৰাতার্জুনীয়ম্' মহাকাব্যখনেই ভাৰবিৰ অর্থগৌৰৱৰ উদাহৰণ বুলি ক'ব পাৰি। অৱশ্যে প্রথম দুটা সর্গত থকা যুধিষ্ঠিৰ, দ্রৌপদী আৰু ভীমৰ কথাত অর্থগৌৰৱৰ প্রাচুর্য্যতা লক্ষনীয়।প্রথমসর্গতেই বনেচৰৰ উক্তিৰ মাধ্যমেৰে কবিয়ে নিজেই এইবুলি কৈছে যে— "স সৌষ্ঠবৌদার্য্য বিশেষ শালিনীং বিনিশ্চিতার্থামিতি বাচমাদদে।" অর্থাৎ তেওঁ সুন্দৰ, অর্থযুক্ত আৰু সন্দেহাতীত বা নিশ্চিত বাক্য কৈছিল। সেইদৰে প্রথমসর্গত দ্রৌপদীয়ে যুধিষ্ঠিৰৰ প্রতি কোৱা এফাঁকি শ্লোক এনে ধৰণৰ—

ব্রজন্তি তে মূঢ়ধিয়ঃ পৰাভবং
ভবন্তি মায়াবিষু যে ন মায়িনঃ।
প্রবিশ্য হি ঘ্নন্তি শঠাস্তথাবিধান্
অসংবৃতাঙ্গান্ নিশিতা ইবেষবঃ।। (কিৰাত ১/৩০)

এই শ্লোকটিৰ অর্থ হ'ল যে, "যিসকল মায়াবীৰ প্রতি মায়াবী নহয় তেওঁলোক পৰাজিত হব। কাৰণ যিদৰে সুতীক্ষ্ণ বানে আৱৰণ নথকা শৰীৰত প্রৱেশ কৰি মানুহক বধ কৰে, সেইদৰে দুষ্ট বা কপট লোকসকলেও সৎ ব্যক্তিসকলৰ বিনাশ সাধন কৰে।" এনে বহল অর্থ ভাৰবিৰ অর্থগৌৰৱে চানেকি। দৰাচলতে সংক্ষিপ্ত অথচ অর্থযুক্ত শব্দচয়নেই ভাৰবিৰ ৰচনাৰ প্রধান বৈশিষ্ট্য। এনেকুৱা বৈশিষ্ট্যপূর্ণ ৰচনাৰ বাবেই তেওঁৰ কাব্যক অর্থগৌৰৱৰ অধিকাৰী কৰা হয়।

এই আলোচনাৰ পৰা দেখা গ'ল যে আলঙ্কাৰিকসকলে কবি ভাৰবিৰ প্রতি কৰা— 'ভাৰবেৰর্থগৌৰৱম্' বচনফাঁকি সঁচাকৈয়ে যুক্তিযুক্ত হৈছে।



জানি থোৱা ভাল

- অলঙ্কাৰ— সাহিত্যৰ সৌন্দর্য্যবর্দ্ধক।
- অলঙ্কাৰ শাস্ত্র— সাহিত্য সমীক্ষাৰ গ্রন্থক অলঙ্কাৰ শাস্ত্র বোলা হয়।
- আলঙ্কাৰিক— অলঙ্কাৰ শাস্ত্রৰ ৰচয়িতাকে আলঙ্কাৰিক বুলি কোৱা হয়।
- অর্থগৌৰৱ— গুৰোঃ ভাবঃ - গৌৰৱম্। অর্থগতং গৌৰৱম্ - অর্থগৌৰৱম্। অর্থাৎ অতি কম শব্দৰে অনেক আৰু গভীৰ অর্থ বুজোৱাকে 'অর্থগৌৰৱ' বোলা হয়।
- দণ্ডী— দণ্ডীৰ সময় সপ্তম শতিকাৰ শেষভাগ বা অষ্টম শতিকাৰ আগভাগ। তেওঁ সংস্কৃতত দুখন গদ্যকাব্য ৰচনা কৰে। সেই দুখন হৈছে 'দশকুমাৰ চৰিত্র' আৰু 'অবন্তীসুন্দৰী কথা'। ইয়াৰ উপৰিও 'কাব্যাদর্শ' নামেৰে এখন অলঙ্কাৰ শাস্ত্রও তেওঁ ৰচনা কৰে।
- মাঘ— মাঘৰ সময় সপ্তম শতিকাৰ শেষভাগ। তেওঁ ৰজা ভোজৰ পৰম মিত্র আছিল। মাঘে 'শিশুপালবধ' নামৰ মহাকাব্য ৰচনা কৰে। এই মহাকাব্যক 'মাঘকাব্য' নামেৰেও জনা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভাৰবিৰ ৰচনাৰ আদি আৰু অন্তত থকা আখৰ দুটা কি কি?

.....

.....

প্রশ্ন নং ২ ঃ ভাৰবিৰ ৰচনাক কি ফলৰ লগত তুলনা কৰা হয়?

.....

প্রশ্ন নং ৩ ঃ 'অর্থগৌৰৱ' বুলিলে কি বুজো?

.....

.....

প্রশ্ন নং ৪ ঃ ভাৰবিৰ কাব্যৰ বিশেষ বৈশিষ্ট্যটো কি?

.....

১৫.৩.২ নাৰিকেল ফল সম্মিতং বচো ভাৰবেঃ

"নাৰিকেল ফল সম্মিতং বচো ভাৰবেঃ" —এই বাক্যশাৰী প্রসিদ্ধ টীকাকাৰ মল্লিনাথ ৰচিত এটি শ্লোকত পোৱা যায়। সম্পূর্ণ শ্লোকটি তলত উল্লেখ কৰা হ'ল—

"নাৰিকেল ফল সম্মিতং বচো ভাৰবেঃ সপদি তদ্‌বিভজ্যতে।
স্বাদয়ন্তুৰসগর্ভ নির্ভৰং সাৰমস্য ৰসিকা যথেপ্সিতম্।"

অর্থাৎ নাৰিকল ফল দেখাত বাহিৰৰ পৰা বৰ কঠিন। কিন্তু যদি ইয়াৰ ওপৰৰ কঠিন বাকলি গুচাই পেলোৱা হয়, তেতিয়াহে তাৰ ভিতৰৰ সুস্বাদু ভাগ গ্রহণ কৰিব পৰা যায়। ঠিক সেইদৰে ভাৰবিৰ ৰচনাও কঠিন বাহিৰা আৱৰণেৰে পৰিবেষ্টিত। পিছে শুদ্ধ বিশ্লেষণেৰে অধ্যয়ন কৰিলে ইয়াৰ ৰসভাগ আহৰণ কৰিব পাৰি।

ভাৰবিৰ ৰচনা পঢ়িলে প্রথমে বৰ কঠিন যেন ভাব হয়। কিন্তু ৰসগ্রাহী আৰু গুণগ্রাহী বিদ্বানসকলে অতি কম আয়াসতে ইয়াৰ সাৰভাগ গ্রহণ কৰিব পাৰে। সেয়েহে কেৱল কাব্যকুশল হ'লেই নহ'ব, পৰিপূর্ণ পাণ্ডিত্য আৰু একাগ্রতাৰে অধ্যয়ন কৰিলেহে ভাৰবিৰ ৰচনাসমূহ বুজিব পাৰি।

শব্দ আৰু অর্থ হ'ল কাব্যৰ শৰীৰ। সুন্দৰ শব্দ আৰু অর্থ নহলে এখন কাব্য কেতিয়াও মহাকাব্যত পৰিণত হ'ব নোৱাৰে। অৱশ্যে শব্দ আৰু অর্থৰ লগতে ৰসো থাকিব লাগিব। সেয়েহে বিশ্বনাথ কবিৰাজে 'সাহিত্যদর্শন' নামৰ তেওঁৰ গ্রন্থত কৈছে— "বাক্যং ৰসাত্মকং কাব্যম্"। অর্থাৎ ৰসপূর্ণ বাক্যই কাব্য। কিন্তু ভাৰবিৰ লিখনিসমূহ অর্থৰ গৌৰৱ আৰু ব্যাকৰণৰ প্রচুৰ প্রভাৱৰ দ্বাৰা প্রভাবান্বিত হৈছিল। তেওঁৰ কাব্যত সেইবাবে বিশাল অর্থভাণ্ডাৰ আৰু ব্যাকৰণৰ প্রয়োগ পোৱা যায়। ফলত লিখনিসমূহ কঠিন যেন ভাৰ হয়। পোন প্রথমতেই ভাৰৱিৰ লিখনি সমূহৰ অর্থ উলিওৱাটো বৰ কঠিন যেন লাগে। এইবোৰ কাৰণতেই মল্লিনাথে ভাৰবিৰ ৰচনাক নাৰিকল ফলৰ লগত তুলনা কৰিছে। কিৰাতার্জুনীয়ম্ গ্রন্থত ভাৰৱিয়ে নিজেও তেওঁৰ লেখনি অর্থগৌৰৱযুক্ত বুলি কৈছে এনেদৰে— "স সৌষ্ঠবৌদার্য্য বিশেষশালিনীং বিনিশ্চিতার্থামিতি বাচমাদদে।" (অর্থাৎ তেওঁ (বনেচৰে) সুন্দৰ, অর্থযুক্ত আৰু সন্দেহাতীত বা নিশ্চিত বাক্য কৈছিল)।

ভাৰবিৰ ৰচনাৰাজিত সুন্দৰ ৰস আৰু অলঙ্কাৰৰ প্ৰয়োগো বিদ্যমান। তেওঁ প্ৰায়বোৰ শ্লোক বংশস্থ, ইন্দ্ৰবজ্ৰা, উপেন্দ্ৰবজ্ৰা আদি ছন্দত ৰচনা কৰিছে। কেতিয়াবা আকৌ কবিয়ে একেটা ছন্দতে বহুতো শ্লোকো ৰচনা কৰিছে। উদাহৰণ স্বৰূপে, কিৰাতার্জুনীয়ম্ মহাকাব্যৰ প্ৰথমসর্গৰ ৪৪টা শ্লোক বংশস্থ ছন্দত ৰচিত।

এনেবোৰ কাৰণতেই ভাৰবিৰ সংস্কৃত সাহিত্যৰ আকাশত এটি উজ্জ্বল নক্ষত্ৰ বুলি কোৱা হয়। উৎকৃষ্ট ৰচনাশৈলী, কবিৰ ভাবযুক্ত শব্দচয়ন আৰু সুন্দৰ ৰস প্ৰয়োগৰে ভাৰবিয়ে নিজৰ সাহিত্যকীর্তি ৰচনা কৰি সংস্কৃতকাব্য জগতত নিজৰ স্থান সুপ্ৰতিষ্ঠিত কৰি থৈ গৈছে।

১৫.৪ প্ৰথমসর্গৰ কেইটামান মহত্বপূর্ণ শ্লোকৰ ব্যাখ্যা

১) **কৃত প্ৰণামস্য মহীং মহীভূজে জিতাং সপত্নেন নিবেদয়িষ্যতঃ।**
ন বিব্যথে তস্য মনো ন হি প্ৰিয়ং প্ৰবক্তুমিচ্ছন্তি মৃষা হিতৈষিনঃ।।

মহাকবি ভাৰবি বিৰচিত 'কিৰাতার্জুনীয়ম্' মহাকাব্যৰ প্ৰথমসর্গৰ পৰা উক্ত শ্লোকটি উদ্ধৃত কৰা হৈছে।

যুধিষ্ঠিৰ কৌৰৱৰ লগত কপট পাশাখেলত পৰাস্ত হয়। ফলত বাৰ বছৰ বনবাস আৰু একবছৰ অজ্ঞাতবাসলৈ যাবলগীয়া হয়। ৰাজ্য হেৰুৱাই বনবাস কালত যুধিষ্ঠিৰে সপৰিবাৰে দ্বৈতবনত বাস কৰিছিল। সেই সময়তে ভৱিষ্যতে ৰাজ্য শাসন কৰাৰ আশাত যুধিষ্ঠিৰে গুপ্তচৰ হিচাপে এজন বনেচৰক নিয়োগ কৰিছিল। সেই বনেচৰে দুর্য্যোধনৰ ৰাজ্য শাসন প্ৰণালীৰ বিষয়ে জানি আহি শত্ৰুৰাজ্যৰ সকলো বৃত্তান্ত যুধিষ্ঠিৰক জনাইছিল।

বনেচৰে দুর্য্যোধনৰ ৰাজ্য শাসন সম্পর্কে যিবোৰ কথা কৈছিল, সেইবোৰ যুধিষ্ঠিৰৰ বাবে শুনাত বৰ সুখৰ নাছিল। তথাপি বনেচৰে যুধিষ্ঠিৰক ভাল লগাবলৈকে কোনো মিছা কথা নকৈ সকলো সঁচা কথা ক'বলৈকে প্ৰস্তুত হৈছিল।

বনেচৰৰ এই প্ৰবৃত্তিক সমর্থন জনায় কবি ভাৰৱিয়ে কৈছে যে যিসকল প্ৰকৃততে শুভাকাঙ্খী, তেওঁলোকে কেতিয়াও মিছা প্ৰিয় কথা নকয়। কাৰণ মিছাই প্ৰকৃত সত্যক গোপন কৰে। অপ্ৰিয় হ'লেও মানুহে সদায় সত্যটোহে প্ৰকাশ কৰা উচিত। কাৰণ মিচাই মানুহক ভৱিষ্যতে বিপদলৈহে ঠেলি দিয়ে। সেয়েহে প্ৰকৃত শুভাকাঙ্খীসকলে অপ্ৰিয় হলেও সত্যক গোপন কৰি মিছা কোৱা উচিত নহয়।

২) **তথাপি জিহ্মঃ স ভবজ্জিগীষয়া তনোতি শুভ্রং গুণসম্পদা যশঃ।**
সমুন্নয়ন্ ভূতিমনার্য্য সঙ্গমাদ্ বৰং বিৰোধোঽপি সমং মহাত্মভিঃ।।

উক্ত শ্লোকফাঁকি মহাকবি ভাৰৱি ৰচিত 'কিৰাতার্জুনীয়ম্' মহাকাব্যৰ প্ৰথমসর্গৰ পৰা তুলি দিয়া হৈছে। যুধিষ্ঠিৰৰ প্ৰতি বনেচৰৰ উক্তিসমূহৰ ভিতৰত অন্যতম উক্ত শ্লোকফাঁকি।

যুধিষ্ঠিৰে দুর্য্যোধনৰ ৰাজ্যশাসন প্রণালীৰ বিষয়ে জানিবলৈ এজন বনেচৰ নিয়োগ কৰে। বনেচৰে সকলো জানি আহি যুধিষ্ঠিৰক জনালে যে কপট পাশাখেলত বিজয়ী হৈ ৰাজ্যৰ শাসনভাৰ লৈয়ো কিন্তু দুর্য্যোধন নিশ্চিত মনেৰে থাকিব পৰা নাই। সেয়েহে নিজৰ গুণ-গৰিমাৰে সকলো প্রজাৰ মন জয় কৰিবলৈ বিছাৰিছে। কাৰণ তেওঁ জানে যে ৰাজ্যৰ মূল প্রজাসকল যুধিষ্ঠিৰৰ গুণমুগ্ধ। দুর্য্যোধনেও বুজিছে যে গুণৰ দৰে অস্ত্র প্রয়োগৰ দ্বাৰাহে যুধিষ্ঠিৰক তেওঁ জয় কৰিব পাৰিব। সেইবাবেই ভাল কামেৰে তেওঁ প্রজাসকলৰ মন জয় কৰিবলৈ ব্রতী হৈছে।

কপট দুর্য্যোধনৰ এনে সৎ প্রচেষ্টাৰ কাৰণ বুজাবলৈ গৈ কবিয়ে কৈছে যে উন্নতি কামনা কৰিলে নীচলোকৰ লগত বন্ধুত্ব কৰাতকৈ মহৎলোকৰ লগত শত্রুতা কৰাটোৱে ভাল। মহৎলোকসকল সৎ গুণেৰে পৰিপূর্ণ হয়। তেওঁলোকক জয় কৰিবলৈ হ'লে তেওঁলোকৰ সমকক্ষ হ'ব লাগিব আৰু তেওঁলোকৰ সমকক্ষ হ'বলৈ হ'লে তেওঁলোকৰ দৰে সৎ গুণৰ অধিকাৰী হ'ব লাগিব।ফলত এজন লোকৰ সৎ গুণসমূহ বৃদ্ধি প্রাপ্ত হয়। কিন্তু নীচলোকৰ লগত বন্ধুত্ব কৰিলে বেয়া গুণবোৰহে বাঢ়ে। সেইবাবেই উন্নতিকামী সকলে সদায় গুণৱানসকলৰ লগত প্রতিদ্বন্দিতা হোৱাটো বিচাৰে। বনেচৰৰ মতে দুর্য্যোধনেও এই পথকে অৱলম্বন কৰিছে আৰু নিজৰ সৎগুণাৱলী বিস্তাৰ কৰিবলৈ চেষ্টা কৰিছে।

৩) **প্রলীনভূপালমপি স্থিৰায়তি প্রশাসদাবাৰিধি মণ্ডলং ভুবঃ।**
স চিন্তয়ত্যেব ভিয়স্ত্বদেষ্যত্তীৰহো দুৰন্তা বলবদ্ বিৰোধিতা।।

উক্ত শ্লোকফাঁকি ভাৰবি বিৰচিত 'কিৰাতার্জুনীয়ম্' মহাকাব্যৰ প্রথমসর্গৰ পৰা তুলি দিয়া হৈছে। ইয়াত বনেচৰে যুধিষ্ঠিৰক কৈছে যে দুর্য্যোধনে ৰাজ্যৰ শাসন ভাৰ নিজ হাতত লৈয়ো যুধিষ্ঠিৰৰ পৰা বিপদৰ সম্ভাৱনাত সদায় ভীত হৈ থাকে।

দুর্য্যোধনে ছলনাৰে পাশাখেলত যুধিষ্ঠিৰক পৰাজিত কৰি ৰাজ্যৰ শাসনভাৰ নিজৰ হাতলৈ নিয়ে। সাগৰলৈকে বিস্তৃত ভূখণ্ডৰ একছত্রী ৰজা হৈয়ো কিন্তু তেওঁ শঙ্কাহীনভাৱে সময় কটাব পৰা নাই। সদায় তেওঁ যুধিষ্ঠিৰৰ পৰা বিপদৰ আশঙ্কা কৰি থাকে। বনবাসত নির্দ্দিষ্ট সময় কটোৱাৰ পিছত পুনৰ যুধিষ্ঠিৰ সপৰিবাৰে নিজ ৰাজ্যলৈ উভতি যাব। তেওঁৰ প্রজাসকল আকৌ যুধিষ্ঠিৰৰ প্রতি অনুৰক্ত হৈ পৰিব —এই শঙ্কাই অনবৰতে দুর্য্যোধনৰ মনত ক্রিয়া কৰি থাকে। সেই বাবেই কোৱা হয় যে বলবানজনৰ লগত বিৰোধ হ'লে কেতিয়াও নিশ্চিন্ত মনে থাকিব নোৱাৰি। তেওঁ মৰণতুল্য দুখ অনুভৰ কৰি থাকে। বলবানজনৰ পৰা আহিব পৰা বিপদৰ আশংকা কৰি শান্তিত দিন কটাব নোৱাৰে। উক্ত শ্লোকৰ দ্বাৰা বনেচৰে ক'ব বিচাৰিছে যে দুর্য্যোধনতকৈ যুধিষ্ঠিৰ অধিক বলবান আৰু শক্তিশালী।

৪) **ব্রজন্তি তে মূঢ়ধিয়ঃ পৰাভবং ভবন্তি মায়াবিষু যে ন মায়িন ঃ।**
প্রবিশ্য হি ঘ্নন্তি শঠাস্তথাবিধান্ অসংবৃতাঙ্গান্ নিশিতা ইবেষবঃ।।

ভাৰবি বিৰচিত 'কিৰাতার্জুনীয়ম্' কাব্যৰ প্রথমসর্গৰ পৰা উক্ত শ্লোকটি তুলি দিয়া হৈছে। (উক্ত শ্লোকফাঁকি দ্রৌপদীয়ে যুধিষ্ঠিৰৰ আগত ব্যক্ত কৰিছে) উক্ত শ্লোকফাঁকিৰ দ্বাৰা দ্রৌপদীয়ে পাণ্ডৱসকলৰ দুৰবস্থাৰ বাবে যুধিষ্ঠিৰকে দোষাৰোপ কৰিছে। লগতে কুটিল ব্যক্তিৰ স্বভাৱ সম্পর্কেও যুধিষ্ঠিৰক সচেতন কৰি দিব বিচাৰিছে।

দুর্য্যোধন এজন কুটিল ব্যক্তি।গতিকে তেওঁৰ লগতো কুটিল আচৰণেই কৰা উচিত। কাৰণ কুটিলৰ লগত কুটিল ব্যৱহাৰ নকৰাটো বুদ্ধিহীনতাৰ পৰিচয়। এনে ব্যৱহাৰ নকৰিলে সৎলোকসকল কুটিল ব্যক্তিৰ দ্বাৰা বিপদত পৰিব পাৰে।দ্রৌপদীয়ে এই নীতি বাক্যটি সহজভাৱে বুজোৱাৰ বাবে এটা উপমাৰ আশ্রয় লৈছে। তেওঁ কৈছে যে এজন যোদ্ধাই যদি যুদ্ধ কৰোঁতে নিজৰ শৰীৰটো বর্মৰ দ্বাৰা আবৃত কৰি নলয় তেনেহ'লে তীক্ষ্ণ বাণবোৰে যোদ্ধাজনক ক্ষত-বিক্ষত কৰি পেলাব। সেইদৰে কুটিল ব্যক্তিয়েও সাধু বা সৎলোকক অনিষ্ট কৰে। গতিকে কুটিল দুর্যোধনৰ প্রতি যুধিষ্ঠিৰেও কুটিল আচৰণ কৰা উচিত, এয়ে দৌপদীৰ অভিপ্রায়।

৫) **অবন্ধ্যকোপস্য বিহন্তুৰাপদাং**
ভবন্তি বশ্যাঃ স্বয়মেব দেহিনঃ।
অমর্ষশূন্যেন জনস্য জন্তুনা
ন জাত হার্দেন ন বিদ্বিষাদৰঃ।।

আলোচ্য শ্লোকটি মহাকবি ভাৰবি বিৰচিত 'কিৰাতার্জুনীয়ম্' মহাকাব্যৰ প্রথমসর্গৰ পৰা উদ্ধৃত কৰা হৈছে। উক্ত শ্লোকফাঁকি দ্রৌপদীয়ে যুধিষ্ঠিৰক কৈছে।

এই শ্লোকটিৰ দ্বাৰা দ্রৌপদীয়ে শত্রুৰ দ্বাৰা হোৱা দুৰৱস্থাৰ বাবে যুধিষ্ঠিৰকে দোষাৰোপ কৰিছে। লগতে যুধিষ্ঠিৰৰ সুপ্ত ক্রোধ পুনৰ জাগৰিত কৰিব বিচাৰিছে।

যুধিষ্ঠিৰ জিতেন্দ্রিয় পুৰুষ। তেওঁ কেতিয়াও কাম-ক্রোধ আদিৰ বশৱর্তী হৈ কাম নকৰে। অৱশ্যে কাম-ক্রোধ আদিৰ বশৱর্তী হোৱা উচিতো নহয়। কিন্তু এইবোৰ দেহধাৰী ব্যক্তিৰ শৰীৰত নথকাটোও শুভ লক্ষণ নহয়। বিশেষকৈ এজন ৰজাৰ পক্ষে ক্রোধ এটি বিশেষ সহায়। যিজনে ক্রোধিত হৈ অপকাৰীৰ ক্ষতিসাধন কৰিব পাৰে, তেনে তেজস্বী ব্যক্তিক সকলোৱে সমীহ কৰে। তেনে ব্যক্তিৰ ওচৰত সকলোৱে বশ্যতা স্বীকাৰ কৰে। খং নথকা মানুহক কোনেও সমাদৰ নকৰে। যি ৰজাই স্নেহ বা মিত্রতা প্রদর্শন কৰে, তেনে ৰজাৰ স্নেহ বা মিত্রতাও নিষ্ফল হয়। ক্রোধহীন ব্যক্তি শত্রু হলেও মানুহে ভয় নকৰে।সেইবাবেই দ্রোপদীয়ে কৈছে যে শত্রুৰ প্রতি যুধিষ্ঠিৰে ক্রোধ প্রকাশ কৰা উচিত। পিছত আন আন ৰজাসকলৰ আনুগত্য লাভ কৰাৰ বাবেও যুধিষ্ঠিৰে অতি শীঘ্রে নিজৰ বীৰত্ব প্রকাশ কৰি শত্রুৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিব লাগে—এয়ে হৈছে দ্রৌপদীৰ মূল অভিপ্রায়।

১৫.৫ প্রথমসর্গৰ মহত্বপূর্ণ বাক্যসমূহৰ ভাবার্থ

এতিয়া আপুনি প্রথমসর্গটিত উল্লেখ থকা কিছুমান মহত্বপূর্ণ বাক্যৰ ভাবার্থৰ বিষয়ে জানিব পাৰিব। সেই বোৰ তলত উল্লেখ কৰা হ'ল—

১) **প্রবক্তুমিচ্ছন্তি মৃষা হিতৈষিণঃ।**

যিসকল প্রকৃততে শুভাকাঙ্খী তেওঁলোকে কেতিয়াও মিছা প্রিয়বাক্য নকয়। কাৰণ মিথ্যাৰদ্বাৰা প্রকৃত সত্যকহে গোপন কৰা হয়। সেই মিথ্যা বাক্যই এটা সময়ত প্রীতিৰ ভাব আনিলেও ভৱিষ্যতে তেওঁক বিপদলৈ ঠেলি দিয়ে। যি সত্য সেই বিষয়ে ভালকৈ জানিব পাৰিলেহে ভৱিষ্যত কর্মপন্থা নির্দ্ধাৰণ কৰিবলৈ সহজ হয়। সেইবাবেই শুভাকাঙ্খীসকলে সত্য অপ্রিয় হলেও তাক গোপন নকৰি প্রকাশ কৰা উচিত।

২) **হিতং মনোহাৰি চ দুর্লভং বচঃ।।**

প্রিয় অথচ মনোৰম কথা এই জগতত সততে পোৱা নাযায়। মানুহ মাত্রেই সকলো মঙ্গলজনক হোৱাটো কামনা কৰে।লগতে সকলো সুন্দৰভাৱে পাব বিচাৰে। কিন্তু বিচিত্র এই জগতত মঙ্গল আৰু মনোৰম —এই দুয়োটা সর্বজন কাম্য বস্তু একেলগে পোৱাটো সঁচাকৈ কঠিন। যিদৰে জীৱনদায়ী ঔষধ হিতকৰ কিন্তু খাবলৈ তিতা হয় তেনেদৰে যি কথা পৰিনামত মঙ্গলজনক। তেনে কথা প্রায়েই শুনিবলৈ কটু হয়। মানুহে প্রিয় মিছা ভাষণ শুনাতকৈ কঠোৰ অপ্রিয় বাক্যক সমাদৰ কৰে।

৩) **বৰং বিৰোধোৎপি সমং মহাত্মভিঃ।**

নিজৰ উন্নতি কামনা কৰিলে নীচ লোকৰ লগত বন্ধুত্ব কৰাতকৈ মহাপুৰুষৰ লগত বিৰোধ বহু বেছি ভাল। কাৰণ মহাপুৰুষসকল সৎ গুণৰ আধাৰ। তেওঁলোকে কাৰো অহিত চিন্তা নকৰে। আনকি শত্রুসকলৰো বেয়া হোৱাটো কেতিয়াও কামনা নকৰে। তেওঁলোকক জয় কৰিবলৈ হ'লে তেওঁলোকৰ দৰে গুণী হ'ব লাগিব। কিন্তু নীচ লোকৰ লগত মিত্রতা স্থাপন কৰিলে নীচতাহে বাঢ়ে। সেয়েহে উন্নতিকামীসকলে সৎ ব্যক্তিৰ লগত প্রতিদ্বন্দিতা হোৱাটো বিচাৰে। তেতিয়াহে তেওঁলোক জীৱনত সফল হ'ব পাৰে।

৪) **অহো দুৰন্তা বলবদ্ বিৰোধিতা।**

এই জগতত সকলো প্রাণীয়ে নিশ্চিতভাৱে, নির্বিঘ্নে জীয়াই থাকিবলৈ বিচাৰে। সকলোৰে লগত মিলিজুলি থাকি এটা শঙ্কাহীন জীৱন কামনা কৰে। যদি কোনোবা সাধাৰণজনৰ লগত বিৰোধ হয় তেতিয়া সেই বিৰোধৰ দুখ অলপ সময়হে থাকে। কিন্তু নিজতকৈ বলবানৰ লগত বিৰোধিতাৰ পৰিণাম বৰ দুখজনক হয়। তেতিয়া আৰু নিশ্চিতভাৱে শঙ্কাহীন জীৱন কটোৱাৰ অৱকাশ নাথাকে। সেয়েহে নিজতকৈ বলবানজনৰ লগত কেতিয়াও শত্রুতা স্থাপন কৰা উচিত নহয়।

৫) **বিচিত্রৰূপাঃ খলু চিত্তবৃত্তয়ঃ।**

এই জগতখন বৈচিত্রতাৰে পৰিপূর্ণ। তেনেকৈ এই জগতৰ প্রাণীসকলৰ মনবোৰো বিচিত্র। ভিন্ ভিন্ লোকৰ মনোভাৱ ভিন্ ভিন্। কিছুমান ধীৰ, কিছুমান অধীৰ, কিছুমান

সুখত আনন্দিত, দুখত অভিভূত। কিছুমান আকৌ সুখ-দুখ, লোভ-মোহ, কাম-ক্রোধ ইত্যাদি সকলোতে সমভাবাপন্ন। সেয়েহে কবি কালিদাসেও কৈ গৈছে— ভিন্নৰুচি হি লোকঃ।।



জানি থোৱা ভাল

● **মল্লিনাথ** = এজন প্রসিদ্ধ টীকাকাৰ। মল্লিনাথৰ সময় ১৪ খ্রীষ্টাব্দ অথবা ১৫ খ্রীষ্টাব্দ। মল্লিনাথে লিখা 'ঘণ্টাপথ' নামৰ টীকা জগত বিখ্যাত। তেওঁ ৰঘুবংশম্, কুমাৰসম্ভৱম্, মেঘদূতম্, কিৰাতার্জুনীয়ম্, নৈষধচৰিতম্ আৰু শিশুপালবধম্ নামৰ কাব্যসমূহৰ টীকা লিখিছিল।

● **সাহিত্যদর্পন** = এইখন এখন অলঙ্কাৰ গ্রন্থ। ইয়াৰ ৰচক হৈছে বিশ্বনাথ কবিৰাজ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ "নাৰিকেল ফলসম্মিতং বচো ভাৰবেঃ" —এই বাক্যফাঁকি কাৰ বিষয়ে কোৱা হয়?

.....

প্রশ্ন নং ৬ ঃ "নাৰিকেলফলসম্মিতং বচো ভাৰবেঃ"—এই বাক্যশাৰী কোনে কৈছিল?

.....

প্রশ্ন নং ৭ ঃ মল্লিনাথে ভাৰবীৰ বিষয়ে কোৱা শ্লোকফাঁকি লিখক।

.....

.....

প্রশ্ন নং ৮ ঃ মল্লিনাথ কোন আছিল?

.....

প্রশ্ন নং ৯ ঃ নাৰিকল ফলৰ উল্লেখ থকা সম্পূর্ণ শ্লোকটিৰ লিখক কোন?

.....

প্রশ্ন নং ১০ ঃ সাহিত্যদর্পণৰ ৰচক কোন?

.....



১৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে—

● মহাকবি ভাৰবিয়ে তেওঁৰ একমাত্র কাব্যকৃতি 'কিৰাতার্জুনীয়ম্' মহাকাব্যৰ যোগেদিয়েই সংস্কৃত সাহিত্যৰ কবিসমাজত এক অতুলনীয় প্রাধান্য বিস্তাৰ কৰি আহিছে।

- ভাৰবিৰ ৰচনাশৈলীৰ বিষয়ে আভাস পালে।
- ভাৰবি তেওঁৰ 'অর্থগৌৰৱ' বাবে জনাজাত, অর্থগৌৰৱৰ বিষয়েও সবিশেষ জানিব পাৰিলে।
- তেওঁৰ লিখনিসমূহ প্ৰথমে পাঠকৰ বুজিবলৈ কঠিন হয়। পাছত শুদ্ধ বিশ্লেষণেৰে অধ্যয়ন কৰিলে এইবোৰ অতি সহজ হৈ পৰে।
- সংস্কৃত শ্লোকসমূহৰ ব্যাখ্যা কেনেদৰে কৰিব লাগে তাৰ বিষয়েও অৱগত হ'ল।
- সংস্কৃত শ্লোকসমূহত ব্যৱহৃত কিছুমান গুৰুত্বপূৰ্ণ বচনৰ ভাৱার্থও জানিব পাৰিলে।
- ভাৰবিৰ লিখনিৰ সাহিত্য সমালোচনা কৰিব পাৰিব।



১৫.৭ অধিক জানিবলৈ

১) বন্দোপাধ্যায়, শ্ৰীঅশোক কুমাৰ ঃ *মহাকবি ভাৰবি ৰচিত কিৰাতাৰ্জুনীয়ম্*, প্ৰথমসর্গ; কলিকতা ঃ সংস্কৃত পুস্তক ভাণ্ডাৰ।

২) শর্মা, ড° থানেশ্বৰ (১৯৯৫) ঃ *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৩) Pande, Adityanarayana (1968): *Kiratarjuniya of Bharavi,* [ed.]; Varanasi: Choukhamba Sanskrit Series Office.

৪) Sastri, Prof. Ashoknath (1996): *Bharavi's Kiratarjuniyam*, Canto I; Calcutta: Modern Book Agency Pvt. Ltd.



১৫.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰবিৰ ৰচনাৰ আদি আখৰ 'শ্ৰী' আৰু প্ৰতি সর্গৰ অন্তত থকা আখৰ হৈছে 'লক্ষ্মী'।

২নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰবিৰ ৰচনাক নাৰিকল ফলৰ লগত তুলনা কৰা হয়।

৩নং প্ৰশ্নৰ উত্তৰ ঃ অতি কম শব্দৰে অনেক আৰু গভীৰ অর্থ বুজোৱাকে "অর্থগৌৰৱ" বোলা হয়।

৪নং প্ৰশ্নৰ উত্তৰ ঃ অর্থগৌৰৱ (ভাৰবেৰর্থ গৌৰৱম্)

৫নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰবিৰ বিষয়ে।

৬নং প্ৰশ্নৰ উত্তৰ ঃ মল্লিনাথে।

৭নং প্ৰশ্নৰ উত্তৰ ঃ নাৰিকেল ফল সম্মিতং বচো ভাৰবেঃ সপদি তদ্ বিভজ্যতে।
স্বাদয়ন্তুৰসগর্ভ নির্ভৰং সাৰমস্য ৰসিকা যথেপ্সিতম্।।

৮নং প্ৰশ্নৰ উত্তৰ ঃ মল্লিনাথ এজন প্ৰসিদ্ধ টীকাকাৰ (Commentator)।

৯নং প্রশ্নৰ উত্তৰ ঃ ঘণ্টাপথ।

১০নং প্রশ্নৰ উত্তৰ ঃ বিশ্বনাথ কবিৰাজ।



১৫.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ 'অলঙ্কাৰ' শব্দটোৰ অর্থ কি?

প্রশ্ন ২ ঃ 'পদলালিত্য' পদটোৰ অর্থ কি?

খ) চমু প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০-৩০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ "হিতং মানাহাৰি চ দুর্লভং বচঃ।" —ভাবার্থ লিখক।

প্রশ্ন ২ ঃ "অহো দুৰন্তা বলবদ্ বিৰোধিতা।" —ভাবার্থ লিখক।

গ) ৰচনাধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ ভাৰবিৰ ৰচনাশৈলীৰ বিষয়ে এটি চমু টোকা লিখক।

প্রশ্ন ২ ঃ ব্যাখ্যা কৰি লিখক— "ভাৰবেৰর্থ গৌৰৱম্"।

প্রশ্ন ৩ ঃ "নাৰিকেল ফল সম্মিতং বচো ভাৰবেঃ" —এই বাক্যশাৰী ব্যাখ্যা কৰক।

*** ***** ***



প্ৰসঙ্গ পুথি

১) উপাধ্যায়, প্ৰঃ বাচস্পতি (২০০১) (সম্পা.) ঃ *সংস্কৃত ষ্টাডিজ ইন্ ইণ্ডিয়া*; নিউ দিল্লী ঃ শ্ৰীলালবাহাদুৰ শাস্ত্ৰী ৰাষ্ট্ৰীয় সংস্কৃত বিদ্যাপীঠ।

২) উপাধ্যায়, প্ৰঃ বাচস্পতি (২০০১) (সম্পা.) ঃ *সংস্কৃত ষ্টাডিজ এব্ৰ'ড*; নিউ দিল্লী ঃ শ্ৰীলালবাহাদুৰ শাস্ত্ৰী ৰাষ্ট্ৰীয় সংস্কৃত বিদ্যাপীঠ।

৩) কালে, এম. আৰ. (সম্পা.) ঃ *ৰঘুবংশম্ অব্ কালিদাস*; দিল্লী ঃ মতিলাল বানাৰসীদাস পাব্লিছার্চ প্ৰাইভেট লিমিটেড।

৪) গোস্বামী, ড° মালিনী (২০০৯) ঃ *ৰঘুৰপিকাব্যম্*; গুৰাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৫) চাকী, জ্যোতিভূষণ আৰু বসু ঃ *ৰত্না, সংস্কৃত সাহিত্য সম্ভাৰ, খণ্ড-১০ (অনুবাদ)*।

৬) নন্দৰ্গিকাৰ, গোপাল ৰঘুনাথ (১৯৮২) (সম্পা.) ঃ *ৰঘুবংশম্ অব্ কালিদাস;* দিল্লী ঃ মতিলাল বানাৰসীদাস।

৭) বন্দোপাধ্যায়, শ্ৰীঅশোক কুমাৰ ঃ *মহাকবি ভাৰবি ৰচিত কিৰাতাৰ্জুনীয়ম্*, প্ৰথমসৰ্গ; কলিকতা ঃ সংস্কৃত পুস্তক ভাণ্ডাৰ।

৮) বেনাৰ্জী, প্ৰ. সত্যৰঞ্জন (২০০০) ঃ *এ হেণ্ডবুক অব্ সংস্কৃত ফিলোলজি*; কলকাতা ঃ সংস্কৃত পুস্তক ভাণ্ডাৰ।

৯) ভদ্ৰ, সুধেন্দুমোহন ঃ *ৰঘুবংশম্*; গুৰাহাটী ঃ চন্দ্ৰপ্ৰকাশ।

১০) ভাগৰতী, কামাখ্যাচৰণ ঃ *সংস্কৃত সাহিত্যৰ জিলিঙনি*; গুৰাহাটী ঃ গ্ৰন্থপীঠ।

১১) *সংস্কৃত সাহিত্য সম্ভাৰ* (Vol IX-X) প্ৰথম সংস্কৰণ; ১৯৮১, কলকাতা।

১২) শৰ্মা, ড° থানেশ্বৰ (১৯৯৫) ঃ *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*; গুৰাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১৩) শাস্ত্ৰী, অশোকনাথ আৰু ভাঞ্জা সৰোজনাথ (১৯৫১) (সম্পা.) ঃ *কালিদাসচ ৰঘুবংশম্*; মডার্ণ বুক এজেন্সি।

১৪) Pande, Adityanarayana (1968): *Kiratarjuniya of Bharavi,* [ed.]; Varanasi: Choukhamba Sanskrit Series Office.

১৫) Sastri, Prof. Ashoknath (1996): *Bharavi's Kiratarjuniyam*, Canto I; Calcutta: Modern Book Agency Pvt. Ltd.